# ডিগবৈ মহাবিদ্যালয় আলোচনা



সম্পাদক/ অরুণ পাল

প্ৰীতি শ্ৰদ্ধাভাজন অধ্যাপক, শ্ৰী হীৰেন শৰ্মা ডাঙৰীয়ালৈ

প্ৰীতি আৰু শুভেচ্ছাৰে

এই আলোচনীখন আগবঢ়ালোঁ।

৯ম সংখ্যা ১৯৮৪-৮৫

ধন্যবাদ।

শ্ৰী অৰুণ পাল

( অৰুণ পাল )

সম্পাদক

# ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ ১৯৮৪-৮৫
## শিক্ষক উপদেষ্টা



বাঁওফালৰ পৰা :-

চৈয়দা আকেলা খানম (আলোচনী), শ্ৰীমতী পাপৰি কলিতা (ছাত্ৰী জিৰণি কোঠা), শ্ৰীগোলাপ কলিতা (ছাত্ৰ জিৰণি কোঠা), শ্ৰী এস, এস, ৰায়চৌধুৰী (সাধাৰণ খেল বিভাগ), শ্ৰীগিয়াচুদ্দিন আহমেদ (শৰীৰ চৰ্চা) শ্ৰীমহেন্দ্ৰ ভৰালি বৰুৱা (গুৰু খেল বিভাগ), শ্ৰীবদন কটকী সাধাৰণ সম্পাদক) লগতে শ্ৰীমৃদুল তামুলী (সাধাৰণ সম্পাদক), শ্ৰীঅৰুণ পাল (আলোচনী সম্পাদক)।

ছবিত অনুপস্থিত -

শ্ৰীসমৰেন্দ্ৰ ভাগবতী (সাংস্কৃতিক বিভাগ), শ্ৰী এ, কে. দেৱান (লঘু খেল), শ্ৰীহিতেন শৰ্মা (তৰ্ক আৰু আলোচনা), শ্ৰীবিকাশ বৰুৱা (শৰীৰ চৰ্চা), শ্ৰী এ, সি, ডেকা (সমাজ সেৱা)।

# ঃ ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থা ঃ (৮৪-৮৫)



বাওঁফালৰ পৰা (বহি) শ্ৰীপ্ৰদীপ হাজৰিকা (তৰ্ক আৰু আলোচনা), শ্ৰীকৃষ্ণ ডেকা (শৰীৰ চৰ্চা) শ্ৰীমতী অদিতি শৰ্মা (ছাত্ৰী জিৰণী কোঠা), শ্ৰীপ্ৰবীণ ৰয় (লঘু খেল বিভাগ শ্ৰীঅনিল হাজৰিকা (ছাত্ৰ জিৰণি কোঠা)।

বাওঁফালৰ পৰা (থিয়হৈ) শ্ৰীপ্ৰণৱ গগৈ (সাধাৰণ খেল বিভাগ), শ্ৰীঅৰুণ পাল (আলোচনী বিভাগ) শ্ৰীদেবজ্যোতি বৰা (সঙ্গীত বিভাগ) শ্ৰীজন্মজয় ভট্টাচাৰ্য্য (শ্ৰেণী প্ৰতিনিধি) শ্ৰীতিলক সিং (শ্ৰেণী প্ৰতিনিধি), শ্ৰীদেবৰ্ষি বৰা (গুৰু খেল বিভাগ)।

ছবিত অনুপস্থিত — শ্ৰীমৃদুল তামুলী (সাধাৰণ সম্পাদক, শ্ৰীকল্পজ্যোতি গগৈ (সম্পহঃ সাঃ সাদক) শ্ৰীনয়ন কুমাৰ দত্ত (সাংস্কৃতিক সম্পাদক), শ্ৰীদীনেশ কলিতা (সমাজ সেৱা বিভাগ)।

# ডিগবৈ মহাবিদ্যালয়ৰ প্ৰতিভা




শ্ৰীদিগন্ত ফুকন
(মিঃ ডিগবৈ কলেজ – ১৯৮৪-৮৫)



শ্ৰীপ্ৰণৱ গগৈ
( শ্ৰেষ্ঠ খেলুৱৈ )



শ্ৰীমতী মালবিকা গগৈ
( শ্ৰেষ্ঠ মহিলা খেলুৱৈ)



১৯৮৫ চনৰ [redacted] স্নাতক বিশ্ব-
বিদ্যালয়ৰ বিজ্ঞান পৰীক্ষাত
৪ৰ্থ স্থান অধিকাৰ কৰা
শ্ৰীমতী অমিতা মিত্ৰ




শ্ৰীমহিম ডাঙৰীয়া
(শ্ৰেষ্ঠ ভাৰ উত্তোলক)



শ্ৰীমতী মৃদুলা গগৈ
(শ্ৰেষ্ঠ গায়িকা)



শ্ৰীপ্ৰদ্যুৎ হাজৰিকা
(শ্ৰেষ্ঠ অভিনেতা)



শ্ৰীমতী শেৱালী গগৈ
(শ্ৰেষ্ঠ অভিনেত্ৰী)

# শুভেচ্ছা বাণী

২৩ নৱেম্বৰ ৮৫ ॥

স্নেহভাজনেষু,

অৰুণ

জানিবলৈ পাই সুখী হৈছোঁ, আগৰ কেইবছৰৰ দৰেই এইবছৰো তোমালোকে 'ডিগবৈ কলেজ আলোচনী'খন প্ৰকাশ কৰিবলৈ লৈছা ।

তেলৰ নগৰী ডিগবৈ । পনীয়া সোণৰ ৰাজ্য । পৃথিৱীৰ গভীৰ তলিৰ পৰা উলিয়াই অনা এই সোণ দেশখনৰে উমৈহতীয়া সম্পদ । ঠিক সেইদৰে, তোমালোকৰ কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ৰ গভীৰ তলিৰ পৰা উলিয়াই দিয়া ভাব-অনুভূতিৰে দেশখনৰ সাহিত্য-সম্পদ চহকী হ'লে আমি সকলোৱেই সুখী হওঁ । অকল সেয়ে নহয়, ডিগবৈ যিহেতু এখন শিল্প-নগৰী, ইয়াৰ বতাহত আধুনিক চিন্তা-চৰ্চ্চাৰ গোন্ধ এনেয়েই ওপঙি ফুৰে । সেইখিনিৰো দুই-এটি কণিকাৰ যোগান নিশ্চয় তোমালোকে ধৰিব পাৰিবা ।

তোমাৰ সম্পাদনাৰ আলোচনীখন যেন সুন্দৰ মানদণ্ডৰ সঞ্চৰন হৈ উঠে এই কামনাৰে ।

ডঃ মহেন্দ্ৰ বৰা



# MESSAGE

Date 18.12.85.

From : Dr. P. K. Bhuyan, M. A. (Double), Ph. D. LL B ,
Principal & Secretary,
Digboi College, Digboi,

My dear Paul,

It pleases me much to learn from your request that the Digboi College Magazine for the academic session of 1984-85, though very late, is in the process of printing at present and will be published very soon. It needs no mention that a College magazine paves the way for many excellent writers of future and is itself a creative art par excellance. I pray to the Almighty to make your attempts at the publication of the college Magazine a grand success,

Yours,
Sd/ Prafulla Kumar Bhuyan
PRINCIPAL,
DIGBOI COLLEGE.

# সম্পাদকীয়



## মোৰ চিন্তা ঃ —

জাতিৰ ক্ৰমবিকাশৰ ৰূপ কোনো সুনিৰ্দিষ্ট পথত নাপাওঁ। সভ্যতা আৰু সংস্কৃতিৰ প্ৰসাদত চিত্ৰিত আৰু খোদিত হয় জাতীয় সত্বাৰ স্বৰূপ । সাহিত্যৰ কালজয়ী ৰূপেই জাতিৰ জীৱনৰ দৰ্শন । সময়ৰ আহ্বানত, তাড়নাত যুগৰ প্ৰবাহে সামাজিক সভ্যতা আৰু সাহিত্য সংস্কৃতিৰ পটভূমি ৰচনা কৰে ।

বিংশ শতাব্দীত সমস্ত পৃথিবী এক চৰম সংকটজনক অৱস্থাত উপনীত হৈছেহি । একালে মানুহে বিজ্ঞানৰ উন্নতিৰ লগে লগে উল্লাসিত বোধ কৰিব পৰা নাই ; কাৰণ বিজ্ঞানৰ উন্নতিৰ লগে লগে নিৰ্ম্মিত হৈছে পৰ্য্যপ্ত পৰিমাণে মাৰণাস্ত্ৰ আৰু পৃথিৱীৰ তথাকথিত বৃহৎ শক্তি সমূহে global balance ৰক্ষা কৰিবলৈ গৈ দিনে দিনে এই জমাৰ পৰিমাণ বাঢ়ি গৈছে । মানৱ জাতি সমস্ত জীৱৰ ভিতৰতে শ্ৰেষ্ঠ প্ৰাণী আৰু এই মানৱ শ্ৰেষ্ঠ প্ৰাণীয়েই সমস্ত মানৱ জাতিৰ ধ্বংসৰ বাবে উন্মুখ হৈ পৰিছে ।

আনফালে কিছুমান দেশে শান্তিৰ বাবে অস্ত্ৰ প্ৰতিযোগিতাৰ অহৰহ প্ৰয়াস কৰা দেখা গৈছে । কিন্তু তেওঁলোকৰ এই প্ৰয়াস তপত বালিত পৰা এটোপাল পানীৰ দৰে এই মাৰণাস্ত্ৰ প্ৰস্তুতকাৰী দেশসমূহে শান্তিৰ বাবে কোনো কামেই কৰিব পৰা নাই অথচ বিশ্বৰ অধিকাংশ মানুহেই শান্তিত থাকিব বিচাৰে । এওঁলোকে মুক্তি বিচাৰে এই চৰম অবিশ্বাসৰ নাগপাশৰ পৰা । বিংশ শতাব্দীত পৃথিৱীৰ মানুহ ক্ৰমান্বয়ে জটিলতাৰ পৰা অধিক জটিলতালৈ ধাৱিত হৈছে । সেয়েহে আমি দেখিছো যে বৰ্ত্তমানে সমস্ত পৃথিৱীৰ সম্মিলিত ঐক্য প্ৰতিষ্ঠাৰ বাবে আহ্বান পৰিষ্কাৰ আৰু অত্যাৱশ্যকীয় হৈ পৰিছে ।

মানৱ জীৱন গঢ়াৰ পথত প্ৰয়োজন বিভিন্ন ধৰণৰ শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰা । শিক্ষাই কোনো ব্যক্তিক নিজৰ গন্তব্যস্থল পৰ্য্যন্ত নিব পাৰে । বৰ্ত্তমান যুগটোক বিজ্ঞানৰ যুগ বুলি কোৱা হয় আৰু এই বাবেই বৰ্ত্তমান ইয়াৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে কিন্তু ক'লাবিভাগৰ নিজৰ কোনো Practical experience নাই, আছে কেৱল Theory শিক্ষা কিমানদূৰ লাভবান হব পাৰিছে তাক লৈ অনেক শিক্ষাবিদ আজি চিন্তিত । প্ৰাথমিকস্কুলকে আদি কৰি বিশ্ববিদ্যালয়লৈকে এই খিনি পথ পাৰ হবলৈ গৈ যিমানখিনি শিক্ষা পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত হৈছে, সেইখিনি কিমান কাৰ্য্যকৰী হৈছে বা কিমানদূৰ উপযোগী হৈছে, সেইটো লৈ আজিৰ মনিষীসকল চিন্তাগ্ৰস্ত হৈ পৰিছে । শিক্ষাদান আৰু গ্ৰহণ এই দুয়োটাই বৰ পবিত্ৰ । কাৰণ এজনে জ্ঞান আহৰণ কৰি তেওঁৰ জীৱনটোক

সুপ্তভাৱে পৰিচালিত কৰাৰ ৰাস্তা বিচাৰি উলিয়াই আৰু ভৱিষ্যত মানৱ সমাজৰ বাবে তেনে জ্ঞান সঞ্চয় কৰি ৰাখে। যি এখন সুপ্ত সমাজ গঢ়াত বহু পৰিমাণে সহায় কৰে, যিজনে জ্ঞান দান কৰে, যাক আমি শিক্ষাগুৰু বুলি কওঁ, তেখেতৰ দায়িত্ব অতি গুৰু; কাৰণ গুৰুৰ এই ব্ৰত বা শিক্ষা শিষ্যৰ মাজত পৰিলক্ষিত হয়। সেয়েহে শিক্ষাগুৰু আৰু শিক্ষাৰ্থী এই দুয়োজনেই নিজৰ কৰ্ত্তব্য সুষ্ঠ হিচাবে পালন কৰিব লাগে, যাৰদ্বাৰা এইখন সমাজ লাভবান হ'ব।

কিন্তু বৰ্ত্তমান যুগত বিশেষকৈ ভাৰতবৰ্ষত আমি দেখিবলৈ পাওঁ যে দেশৰ ৭৫% লোকেই নিৰক্ষৰ। মাত্ৰ ২৫% ভাগ লোকেহে শিক্ষিত। এই ২৫% মানুহৰ মাজত ১০% বা ১৫% লোকেহে বিদ্যালয় বা মহাবিদ্যালয়ত শিক্ষা লাভ কৰে। এই সীমিত পৰিমাণৰ লোকে শিক্ষা লাভ কৰি, ডিগ্ৰী লৈ হাজাৰ হাজাৰ নিৰক্ষৰ ল'ৰা ছোৱালীৰ নিবনুৱা জীৱনৰ অৱসান ঘটাবলৈ তেওঁলোকে বিচাৰি পোৱা নাই। তেওঁলোকৰ সেই শিক্ষাই তেওঁলোকৰ সন্মুখত নিৰানন্দৰ একমাত্ৰ কাৰণ হৈ পৰিছে. যিহেতু তেওঁলোকৰ সেই শিক্ষাই আছিল তেওঁলোকৰ জীৱন ধাৰণ কৰাৰ একমাত্ৰ শক্তিৰ আধাৰ। এই শৈক্ষিক বিফলতাৰ পাচত তেওঁলোক বিভ্ৰান্ত হৈ নিন্দনীয় পথ গ্ৰহণ কৰি সমাজৰ বোজাস্বৰূপ হৈ পৰিছে। সেয়েহে এই শিক্ষা ব্যৱস্থাই জন সমাজৰ কোনো উন্নতি সাধিব পৰা নাই বুলি ক'লে বঢ়াই কোৱা নহ'ব। গতিকে এই ব্যবস্থা সমূহৰ যথোপযোগী ব্যৱস্থা লৈ যুৱশক্তিৰ হতাশা স্বৰূপ হৈ পৰা শিক্ষাৰ প্ৰকৃত প্ৰয়োজন সাধিব লাগিব।

## আলোচনীৰ প্ৰয়োজনীয়তা ঃ—

মাতৃভাষা এটা জাতিৰ মেৰুদণ্ড। এই মাতৃভাষা সম্পূৰ্ণৰূপে বিকাশ আৰু পূৰ্ণাঙ্গৰূপে সমগ্ৰ মানৱসন্তাক উপলব্ধি কৰিবৰ কাৰণে নিজস্ব সংস্কৃতি অন্যৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবৰ বাবে আলোচনীৰ আৱশ্যকতা অপৰিহাৰ্য্য। যিহেতু সাহিত্য মানৱ জাতিৰ দাপোন স্বৰূপ। কোনো জাতিৰ দোষ, গুণ ইত্যাদি, সেই জাতিৰ সাহিত্যত স্পষ্টৰূপে প্ৰকাশ পায় আৰু সেই সাহিত্যৰ মাজেদি এটা সভ্যতাৰ বিশ্লেষণ কৰিব পাৰি। সাহিত্যই মনুষ্যত্বক পহৰা দিয়ে। কোনো এটা জাতিৰ বা সম্পূৰ্ণ মানৱ জাতিৰ বাবেই সাহিত্যৰ অৱদান অলেখ; কাৰণ পৃথিৱীৰ বহু মহামানৱৰ আৰু তেওঁ লোকৰ অক্ষয় কীৰ্ত্তিৰ ওপৰত সাহিত্য। সাহিত্যৰ মাধ্যমেৰে সমাজৰ অনেক অন্ধবিশ্বাস আৰু কু সংস্কাৰ দূৰ কৰিব পাৰে। এটা জাতিয়ে তেতিয়াই নিজকে প্ৰতিষ্ঠিত বা সু-সভ্য বুলি দাবী কৰিব পাৰে, যেতিয়া সিহঁতৰ জ্ঞান, আৱিষ্কাৰ ও শিক্ষা দীক্ষা অন্য এটা সু-প্ৰতিষ্ঠিত জাতিৰ সম-পৰ্য্যায়ত বা তদৰূপ উচ্চ স্থান পায়। সেই জাতিৰ সেই জ্ঞান ও শিক্ষা-দীক্ষা এই সকলোবোৰ প্ৰকাশ পায় সেই ভাষাৰ প্ৰকাশিত আলোচনীৰ দ্বাৰা। যিমানে আলোচনীৰ সংখ্যা বেছি হ'ব সিমানেই সেই জাতীয়ে বিশ্বদৰবাৰত নিজকে সু-প্ৰতিষ্ঠিত কৰিব পাৰিব।

কিন্তু পৰিতাপৰ কথা অসমীয়া ভাষাৰ, অসমীয়া জাতিৰ উন্নতিৰ বাবে উচ্চ মানদণ্ডৰ আলোচনীৰ সংখ্যা অতি নগণ্য। অসমত কেইবাজনো সাহিত্যিকৰ জন্ম হৈছিল আৰু তেখেত সকলৰ লিখনিৰ বলিষ্ঠতাই অসমীয়া সমাজক বিশ্বদৰবাৰত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ যাত্ৰা কৰিছিল ; কিন্তু এই যাত্ৰা পথ আকস্মিকভাৱে ৰুদ্ধ হৈ গ'ল। তাহানিখনৰ পৰাই স্থিতাৱস্থা কাৰ্য্য হৈ আছিছে। অসমীয়া সাহিত্যৰ স্থিতাৱস্থাৰ কাৰণ যদি আমি ভাবি চাওঁ, তেতিয়া কেইটামান উত্তৰ পাওঁ। এই ভাষাৰ সাহিত্যক শাসক গোষ্ঠীয়ে আদৰ কৰিব নেজানে বা জানিবও নিবিচাৰে। "সমালোচনাই হ'ল সাহিত্যিকৰ আৱিষ্কাৰ। অসমীয়া জাতিয়ে নিজৰ সাহিত্যক আদৰ নকৰি অন্যৰ সাহিত্যক অন্ধ ভাৱে অনুসৰণ কৰে যিটো নিবুদ্ধিতাৰ পৰিচয়. কাৰণ ইয়াৰদ্বাৰা জ্ঞান লাভতকৈয়ো নিজৰ সাহিত্যক বা নিজৰ সাহিত্যিকক বা নিজৰ জাতিক অৱজ্ঞা কৰাহে হয়। কোনো এখন মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰয়োজন এইবাবেই যে এই মহাবিদ্যালয়েই হ'ল কৰি সাহিত্যিকৰ কঠিয়াতলি। য'ত তেওঁলোকে তেওঁলোকৰ লেখনিৰ দ্বাৰা নিজক আৱিষ্কাৰ কৰে আৰু ততেই পায় তেওঁলোকে তেওঁলোকৰ হৃদয়ত সুপ্ত হৈ থকা চিন্তাধাৰাৰ সঠিক নিৰ্দেশনা। ইয়েই তেওঁলোকক মহৎ সাহিত্যিক হোৱাৰ স্বপ্ন। সাহস আৰু অনুপ্ৰেৰণাও যোগায়। শেষত এখন মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰয়োজন এই বাবেই, য'ত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লিখনিক সম্পৰীক্ষা ( Experiment ) কৰিব পাৰে।

## অসম গণ আন্দোলন আৰু ইয়াৰ সফলতা : —

কোনো এখন দেশৰ অপৰাজেয় শক্তি ছাত্ৰ শক্তি। এই ছাত্ৰ শক্তি এনে এটি শক্তি যেতিয়া এই ছাত্ৰ শক্তিয়ে কোনো সংকল্প কৰে বা কিবা কৰিম বুলি প্ৰতিজ্ঞা কৰে সেই প্ৰতিজ্ঞা কেতিয়াও বিফল নহয়। এটা জাতিৰ বা এখন দেশৰ বহুখিনি এই ছাত্ৰ সকলৰ ওপৰত নিৰ্ভৰ কৰে। কাৰণ এই ছাত্ৰ সকলেই দেশৰ ভৱিষ্যত কৰ্ণধাৰ। অসমৰ উন্নতিৰ লগত ছাত্ৰ সকলৰ অৱদান লেখত লব লগীয়া। ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰা আৰম্ভ কৰি বৰ্ত্তমান আন্দোলন, যিটো কিছুদিনৰ আগতে সফলতা লাভ কৰিছে, এই গণ-আন্দোলনত অসমৰ বহু ছাত্ৰ-ছাত্ৰীয়ে জীৱন আহুতি দিছে আৰু এই আন্দোলনৰ সফলতা লাভ কৰোঁতে অসমবাসীয়ে ত্যাগ স্বীকাৰ কৰিব লগা হৈছে। এই আন্দোলনত বহুতো শ্বহীদ হ'ল, অমৰ হ'ল। সংবিধান ৰক্ষা কৰি অসমবাসীসকলে শান্তিপূৰ্ণভাৱে নিজৰ দাবীত অচল অটল আছিল আৰু আনফালে চৰকাৰে এই আন্দোলন দমন কৰিবৰ বাবে সকলো ধৰণৰ দুৰ্নীতি অত্যাচাৰ প্ৰয়োগ কৰিছিল ; কিন্তু চৰকাৰ পক্ষই ছাত্ৰ সকলক বিমুখ কৰিব নোৱাৰিলে। যিহেতু সংকল্প আছিল. "হয় কৰিম, নহয় মৰিম।" এই সংগ্ৰাম আছিল অবৈধ ভাৱে প্ৰৱেশ কৰা বহিৰাগতৰ বাবে, কোনো ভাৰতীয়ৰ বিৰুদ্ধে নহয়. কোনো বিশেষ শ্ৰেণী মানুহৰ বিৰুদ্ধে নহয়। এই আন্দোলনৰ নামত কিছু স্বাৰ্থান্বেষী লোকে নিজৰ স্বাৰ্থ পূৰণৰ বাবে ছাত্ৰ-বৃন্দক বিপথে চলাবলৈ চেষ্টা চলাইছিল।

এই আন্দোলন প্ৰায় ছবছৰে চলিছিল । আমাৰ ভূতপুৰ্ব প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ সৈতে কেইবা বাৰো আলোচনা হৈছিল, কিন্তু কোনো ফল নহল ; কাৰণ অসমবাসীৰ দাবীসমূহ তেওঁ মানি ল'ব খোজা নাছিল । ইয়াৰ উপৰিও তেওঁ যি নামত ভেকোভাওনা পাতিছিল, তাত অসমবাসীৰ সমৰ্থন নাছিল । কিন্তু ৰাজীৱ গান্ধী প্ৰধান মন্ত্ৰী হোৱাৰ পিচতে পূৰ্ব্ব প্ৰতিশ্ৰুতি মতে এই বৃহৎ সমস্যাৰ সমধান কৰিবৰ বাবে চেষ্টা চলালে আৰু এই চেষ্টা ব্যৰ্থ নহ'ল । অসম আন্দোলনৰ গুৰি ধৰোঁতা শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, ভৃগুফুকন আৰু অন্যান্য নেতৃবৰ্গই এই অন্দোলন আৰু অসমবাসীৰ দাবীসমূহ লৈ বহু সময় ধৰি আলোচনা কৰিলে, অৱশেষত অমৰ বীৰ শহীদ সকলৰ আৰু যিসকলে এই অস্তিত্ব ৰক্ষাৰ আন্দোলনত নিজৰ জীৱন দান কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল সেই সকলৰ সংকল্পক বাস্তৱ ৰূপ দিলে । কেন্দ্ৰই মানি ল'লে যে অসমৰ সমস্ত বিদেশীকে বাহিৰ কৰা হ'ব আৰু তাৰ ভিত্তিবৰ্ষ হ'ব ১৯৬৬ চন । এই বছৰটো আন্তৰ্জাতিক যুৱবৰ্ষ বুলি ধৰা হৈছে । এটা বিষয় লৈ আজিও মতানৈক্য আছে ; সেইটো হ'ল ভোটাৰ তালিকা সংশোধন আৰু আনটো সমস্যা হ'ল বিদেশী বহিস্কাৰৰ কোনো সু-স্পষ্ট সময় কেন্দ্ৰই নিৰ্দ্ধাৰণ কৰি দিয়া নাই । কেন্দ্ৰই নিৰ্দ্ধাৰণ কৰি দিয়া দহবছৰৰ ভিতৰত কেতিয়া বিদেশী বহিস্কাৰ আৰম্ভ হ'ব তাৰ কোনো নিদৃষ্ট দিন নাই আৰু এই বিদেশীবোৰক ক'লৈ পঠোৱা হ'ব তাৰো কোনো নিৰ্দ্দেশ নাই । আমাৰ প্ৰতিবেশী দেশসমূহে এতিয়া কৈছে যে তেওঁলোকৰ কোনো মানুহেই অসমত অনুপ্ৰৱেশ কৰা নাই । কিছুলোকে যি নিজৰ স্বাৰ্থক দেশৰ বা জাতিটোতকৈও ডাঙৰ বুলি ভাৱে তেওঁলোকে ইয়াক এটা সাম্প্ৰদায়িক ৰূপ দিয়াৰ চেষ্টা কৰিছিল আৰু এতিয়াও কৰি আছে । এইটোৱেই আটাইতকৈ ডাঙৰ কথা যে দেশ স্বাধীন হোৱাৰ লগে লগেই এই বিদেশী সমস্যাও বীজ ৰোপন কৰা হৈছিল । কিন্তু আমাৰ নেতাসকলে জাতিৰ মংগল নিজৰ গাদী ক্ষমতাৰ লোভ অতি গুৰুত্ব সহকাৰে চাইছিল যাৰ ফলত আজি সমগ্ৰ অসমবাসীয়ে ভোগ কৰিব লগা হৈছে । অসমবাসীয়েও তাৰ সঠিক উত্তৰ দিছে । সেয়েহে আমি আশা কৰোঁ কেন্দ্ৰই যেন অসমবাসীৰ বহু ত্যাগ ও কষ্টৰ ফল এই আন্দোলনক বাস্তৱ ৰূপ দান কৰে । মাত্ৰ কাগজ কলমতে এই চুক্তি সীমাবদ্ধ হৈ নাথাকিলে ইয়াৰ ফল আমাৰ কাৰণে আশানুৰূপ হ'ব ।

হুৰা-ৰ্জিকাৰ দৃষ্টি ভঙ্গীৰে এই চুক্তিক গ্ৰহণ কৰাৰ বোধ হয় অৱকাশ নাই । অসম আৰু সমগ্ৰ দেশৰ বৃহত্তৰ স্বাৰ্থৰ খাটিৰত শান্তি সমৃদ্ধিৰ স্বাৰ্থত এই চুক্তিৰ বিষয় সমূহ ৰূপায়ণত সহযোগ আগবঢ়োৱাটোহে বৰ্ত্তমানে প্ৰয়োজনীয় আৰু বাঞ্চনীয় কথা । শান্তিতকৈ মূল্যবান আন কি হব পাৰে ।

## বিশ্ব-বিদ্যালয়ৰ পৰীক্ষাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কৃত-কাৰ্য্যতা ঃ—

এই কথা জনাবলৈ পাই আমি বিশেষ গৌৰৱ অনুভৱ কৰিছো যে প্ৰাক-স্নাতক (বিজ্ঞান) পৰীক্ষাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আমাৰ মহাবিদ্যালয়ৰ

ছাত্ৰই ষষ্ঠ স্থান অধিকাৰ কৰিছে আৰু স্নাতক বিজ্ঞান বিভাগত চতুৰ্থ স্থানটি অধিকাৰ কৰিছে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী অমিতা মিত্ৰই। স্নাতক কলা বিভাগত ক্ৰমে দ্বিতীয় স্থান অধিকাৰ কৰিছে ৰিন্তি চৌধুৰী, তৃতীয় স্থান অধিকাৰ কৰিছে অজন্তা ভূঞাই।

## মহাবিদ্যালয়ৰ সমস্যা সমূহ :—

ডিগবৈ মহাবিদ্যালয়ৰ সমস্যা বহুতো— তাৰে অন্যতম সমস্যা হৈছে পানীৰ সমস্যা। এই পানীৰ বাবে বহুতো চেষ্টা কৰিও একো কৰিব পৰা নাই। ইয়াৰ ওপৰিও এখন খেল পথাৰৰ অভাৱ; যাৰ বাবে যিকোনো খেলৰ বাবেই অন্যৰ খেলপথাৰলৈ যাব লগা হয়। আমাৰ যি কোনো এখন সাংস্কৃতিক অনুষ্ঠান পাতিবলৈ এটা ভাল পেক্ষাগৃহৰ অভাৱ। আনহাতে আমাৰ মহাবিদ্যালয়লৈ অহাৰ পথটোও জৰাজীৰ্ণ অৱস্থাত। পুথিভঁৰালতো দৰকাৰী পুথিসমূহ পৰ্য্যাপ্ত পৰিমাণে পোৱা নাযায়। ইয়াৰ উপৰিও আৰু বহুতো অসুবিধা আছে যিবোৰ প্ৰত্যেকটো ছাত্ৰ-ছাত্ৰীয়ে ভোগ কৰিব লাগে।

এই বছৰত Digboi college Aid club ৰ চেষ্টাত আমাৰ উৎসাহী শিক্ষক বৃন্দই নিজৰ চেষ্টাৰে অতি কষ্টোপাৰ্জ্জিত থিয়েটাৰৰ টকাৰে ছাত্ৰীৰ জিৰণি কোঠা, উদ্ভিদ বিভাগৰ বিজ্ঞানাগাৰ কোঠা আৰু এটি কোঠা নিৰ্ম্মাণ কৰিছে। এই বছৰো 'কহিনুৰ থিয়েটাৰ' অনুষ্ঠিত কৰি আৰ্জ্জন কৰা টকাৰে Digboi college Aid club এ ৰসায়ন বিভাগৰ বিজ্ঞানাগাৰ আৰু মহাবিদ্যালয়ত পানীযোগান আদি সম্পূৰ্ণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

## কৃতজ্ঞতা স্বীকাৰ :---

মই শ্ৰদ্ধাসহ কৃতজ্ঞতা জনাইছো সন্মানীয় অধ্যক্ষ ড: প্ৰফুল্ল ভূঞা দেৱ, পৃষ্ঠাপোষক ভাৰপ্ৰাপ্ত অধ্যাপিকা আকেলা খানম অধ্যাপক :— শ্ৰীহিতেন শৰ্ম্মা, শ্ৰীসমৰেন্দ্ৰ ভাগৱতী প্ৰমুখ্যে শিক্ষক উপদেষ্টাসকললৈ। এই সকলোৰে বহুমূল্যবান সময় খৰচ কৰি এই আলোচনীখন বৰ্ত্তমান ৰূপত প্ৰকাশ কৰাত প্ৰত্যেকটি পদক্ষেপত মোক পৰামৰ্শ দি মোৰ কামটো সম্পন্ন কৰোঁতে সাহায্য কৰিছে।

অধ্যাপক :— শ্ৰীগোলাপ কলিতা, শ্ৰীপূৰ্ণানন্দ শইকীয়া, অধ্যাপিকা স্নিগ্ধা দাসেও এই আলোচনীখনৰ সম্পাদনাত সম্পূৰ্ণ ৰূপে সহায় কৰিছে।

মোক আলোচনীখন সম্পাদনা কৰাত মোৰ বন্ধু শ্ৰীঅচিন্ত্য বুঢ়াগোহাঁই, জয়দীপ চক্ৰৱৰ্ত্তী, পঙ্কজ গোস্বামী, মৃদুল তামুলী, সন্দীপ ভূঞা আৰু বান্ধৱী শেৱালী গগৈ, স্বখিনা ৰহমান, লাৱণ্য কলিতা আৰু নিৰা ৰাজকোঁৱৰ এই কেইগৰাকীয়ে মোক সু-পৰামৰ্শ দি আলোচনীৰ সম্পাদনা কামত উৎসাহিত ও সাহায্য কৰিছে।

## ক্ষমা প্ৰাৰ্থনা ঃ

এই সংখ্যাৰ আলোচনীখন আপোনালোকৰ হাতত অতি সোনকালে তুলি ধৰিম বুলি ভাবিছিলো. কিন্তু মোৰ আপ্ৰাণ চেষ্টা সত্বেও ই হৈ নুঠিল । কাৰণ এখনি আলোচনীৰ বাবে যি লিখাৰ প্ৰয়োজন সেইখিনি সময়মতে মোৰ হাতত নপৰিল । তথাপিও মোৰ এই আলোচনীখন সৰ্বাঙ্গ সুন্দৰ কৰাৰ ক্ৰুটী কৰা হোৱা নাই কিন্তু কিমানখিনি ফলৱতী হৈছো সেইটো পাঠকসমাজৰ বিচাৰৰ বিষয় ।

আলোচনী সম্পাদনা কৰাৰ যোগ্যতা মোৰ আৰু আন এজনৰ একেই নহবও পাৰে, সেয়েহে যদি কোনো ভুল-ভ্ৰান্তি হয়, সহৃদয় বন্ধু-বান্ধৱী আৰু শিক্ষক-শিক্ষয়ত্ৰী সকলে সেই ভুল-ভ্ৰান্তি দেখুৱাই দি ভৱিষ্যতত আলোচনী সুন্দৰকৈ প্ৰকাশ কৰাত যেন সহায় কৰে । যদি মই অজ্ঞাতে কোনো ভুল বা দোষ কৰিছো, তেতিয়া হলে শ্ৰদ্ধাভাজন শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী ও ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা প্ৰৰ্থনা বিচাৰি বিদায় মাগিছো ।

# ডিগবৈ মহাবিদ্যালয়ৰ ১৯৮৪-৮৫ চনৰ
# আলোচনী সম্পাদনা সমিতি।



বহি ( বাঁওফালৰ পৰা ) অৰুণ পাল, চমীনা ৰহমান, অধ্যাপিকা চৈয়দা আকেলা খানম, অধ্যাপক শ্ৰীতৰুণ হাজৰিকা।

থিয়হৈ ( বাঁওফালৰ পৰা ) জয়দীপ চক্ৰৱৰ্তী, অচিন্ত্য বুঢ়াগোঁহাই।



# প্ৰবন্ধ




১। ৰজাশহুৰ মেতেকাতলীয়া লালুকসোলা বুঢ়াফুকন ॥ ১ ॥ শ্ৰীতৰুণ হাজৰিকা

২। মহৰ্ষি টলষ্টয়ৰ ভাবাদৰ্শৰ প্ৰতি মহাত্মা গান্ধীৰ দৃষ্টিপাতৰ এটি মূল্যায়ন ॥ ১১ ॥
কুমাৰী বেবী শইকীয়া

৩। বিষ্ণুৰাভা - অসমীয়া সাহিত্য-সংস্কৃতিত তেওঁৰ স্থান আৰু অবদান ॥ ১৬ ॥
প্ৰাঞ্জলী বৰগোহাঁই

৪। সাহিত্য, সাহিত্যিক, পাঠক আৰু ভৱিষ্যৎ ॥ ২১ ॥ প্ৰদীপ কোঁৱৰ

৫। আন্তৰ্জাতিক খ্যাতি সম্পন্ন গীতিকাৰ ডঃ ভূপেন হাজৰিকাৰ গীতত স্বদেশ প্ৰেম ॥ ২৭ ॥
নীৰা ৰাজকোঁৱৰ

৬। বিশ্ব যুদ্ধৰ প্ৰস্তুতি ? বনাম শান্তি ॥ ৩৩ ॥ প্ৰতুল খাখলাৰী

৭। বক্সাৰ মহম্মদ আলি ॥ ৩৮ ॥ নয়ন নত্ত ।

# ৰজাশহুৰ মেটেকাতলীয়া লালুকসোলা বুঢ়াফুকন

(বহু দুৰভিসন্ধিৰ নায়ক)

—তৰুণ হাজৰিকা।

তায়েক মৰঙ্গি ভাতধৰা ফুকনেৰে আলচ কৰি লালুক ৰবফুকনে মোগলৰ মঞ্চুৰ-খাঁৰ ঠাইলৈ কটকী পঠালে-লিকচৌ গৰীয়া ৰকছ আৰু বেঁতফটীয়া আহিনা মুদৈৰ পুতেকক, উপঢৌকন স্বৰূপে দি পঠালে হাতীদাঁত অগৰু কাঠ, পাটকাপোৰ আৰু সোন; সন্দেহ পঠালে এই বুলি—

"উত্তৰে-দক্ষিণে দুশমান ঘোৰা, পানীয়ে ডুকুৰিমান নাও আহি শৰাইত দেখা দিয়োকহি। এক্কেকে আমি গড় এৰি উজাই যাম! কিন্তু মোক আচম ৰাজ্যৰ অধিকাৰী কৰিব।" এই সন্দেশ পাই নবাব মঞ্চুৰখাই পাৎসাৰ বেটী আজমতাৰাৰ ওচৰলৈ আমাৰ কটকীক লগত এটা মানুহ দি ফেটালে।

চুলতান আজমতাৰা সম্বন্ধত লালুকৰ ভাগিন জোঁৱাই (কাৰণ ভাগিনীয়েক ৰমণী গাভৰু, পিচলৈ ৰহমত বানু) হয়। গতিকে মোমা-শহুৰৰ কথা ভাগিন-জোঁৱাইয়ে কেনেকৈ নৰখাকৈ পাৰে:—

"ভাল মঞ্চ কবুল কৰিলোঁ, অৱশ্যে মামুক অচম ৰাজ্যৰ অধিকাৰী কৰিম।"

—"অসমৰ ৰাজ্য তোমাক দিলোঁ। তুমি মাথোন ভাঠি হৈ থাকিবা। তোমাক যিমান সৈন্য লাগে ৰঙামাটিৰ নবাবে দিব। যি প্ৰকাৰে বুঢ়াগোঁহাইক বৰগোঁহাইক খেদাব পাৰা আৰু তোমাৰো অমোল হয় তাকে কৰিবা।"

গুৱাহাটী অসমৰ স্নায়ুকেন্দ্ৰ। এই গুৱাহাটী বঙ্গালৰ হাতলৈ যোৱা মানে, অসম ৰাজ্য বিদেশী পদ-দলিত হোৱা।, এই গুৱাহাটীৰ কাৰণে লালুকৰ ভায়েক লাচিতে মোমায়েকক কাটিছিল, ৰামসিংহৰ লগত 'এক-ঘড়ি লেঢ়াই দিবৰ যি কথা কৈছে, শৰীৰ থাকে মানে যুদ্ধ কৰা যাব' বুলি তয়ামিয়া ৰণ কৰিছিল, লাখ লাখ অসমীয়াই গুৱাহাটীক স্বাধীন কৰি ৰাখিবলৈ লুইতৰ বগাপানী ৰাঙলী কৰি পেলাইছিল। কিন্তু কি পৰিহাস! সেই লাচিতৰে বৰ ককায়েক লালুক সোলাই ক্ষমতা আৰু ৰাজসিংহাসনৰ লিপ্সাত বিদেশীৰ লৈতে এই জঘন্য ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছিল। ক্ষমতাৰ নিচা যে সুৰাতকৈয়ো ক্ষয়ঙ্কৰী এই কথাই তাৰ জল জল পট পট উদাহৰণ।

ক্ষমতালোভী, স্বাৰ্থান্বেষী আৰু পৰশ্ৰীকাতৰ এই মেটেকাতলীয়া লালুকসোলা

বুঢ়াফুকন লাচিত বৰফুকনৰ জ্যেষ্ঠ সহোদৰ আৰু স্নকুতি মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ বুলি ভাবিবলৈ টান লাগে। মোমাই তামুলী বৰবৰুৱাৰ সতি-সন্ততি কেইবাটিও— লালুক, ভাতধৰা (মৰঙ্গী), লাচিত, পাখৰী গাভৰু (জয়ধ্বজ সিংহলৈ বিয়া দিছিল, ৰমণী গাভৰুৰ মাক) আৰু বাদুলী ফুকন— দেশদ্ৰোহী আৰু মোগলৰ শৰণাগত।

লাচিত বৰফুকনৰ মৃত্যুত তেওঁৰ ককায়েক নিমাতী বৰফুকন হ'ল। উজনিত ডেবেৰাৰ দুস্কাৰ্য্যাই ৰজা প্ৰজা সকলোৰে মনত ত্ৰাশৰ সৃষ্টি কৰাত লালুক বৰফুকন আৰু শৰাইঘটীয়াহঁতে মহামন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াৰে লগ লাগি ডেবেৰাক বধ কৰি উজনিত শান্তি স্থাপন কৰে। দেশৰ দুৰ্যোগপূৰ্ণ অৱস্থাৰ অন্ত পেলায়। বুঢ়াগোহাঞি ডাঙৰীয়াই একমাত্ৰ ত্ৰাণকৰ্ত্তা বুলি সকলোৰে মনত গভীৰ বিশ্বাস হ'ল। তেৰোঁ নিজৰ দক্ষতা, কূটনীতি আৰু গভীৰ ৰাজনীতি জ্ঞানেৰে সকলোকে মুহিবলৈ ধৰিলে, ৰাইজে স্নেহৰ চিন স্বৰূপে তুবাৰো বুঢ়াগোহাঁইক ৰাজপাট গ্ৰহণ কৰিবলৈ টানি ধৰিলে, কিন্তু দূৰদৰ্শী আৰু নিস্বাৰ্থ বুঢ়াগোহাঞিয়ে ৰাজক্ষমতা আৰু ঐশ্বৰ্য্য বিভুতিকো নেওচি কৈছিল "মন্ত্ৰীয়ে ৰজা হব নোৱাৰে"
"মন্ত্ৰীৰ ই কৰ্ম্ম অযোগ্য"

বুঢ়াগোহাঞিৰ ক্ৰমবৰ্দ্ধমানে ক্ষমতা আৰু প্ৰতিপত্তি দেখি লালুক সোলা বৰফুকনে সহ্য কৰিবলৈ টান পালে। বুঢ়াগোহাঞিক তেওঁৰ প্ৰতিদ্বন্দী আৰু উন্নতিৰ সোপান ৰচনাত হেওাৰ হেন জ্ঞান কৰিবলৈ ধৰিলে। আৰু যেতিয়া দিহিঙ্গীয়া স্বৰ্গদেৱৰ চাৰি পুতেকৰ মুখেই বুঢ়াগোহাঁইৰ সৰ্ব্বগ্ৰাসী প্ৰভাৱৰ কথা প্ৰকাশ পাইছে :—

"আমাৰ ৰাজা নামহে, সকলো বুঢ়াগোহাঞিৰেহে হ'ল তাক ধৰোঁ।"

এই কথা লালুক বৰফুকনে কেনেকৈ সহ্য কৰে? 'নামাজানিৰ ৰজা' মোমাই তামুলী বৰবৰুৱাৰ জ্যেষ্ঠপুত্ৰ হৈ এনে হীনমন্যতাত ভুগিব নোৱাৰি। ইয়াৰ নিশ্চয় কিবা এটা প্ৰতিকাৰ কৰিব লাগিব। গতিকে লালুকে ছিদ্ৰ বিচাৰিবলৈ ধৰিলে — যেনেকৈ ভেনা মাখিয়ে গেলা ঘা, বিষ্ঠা আদি বিচাৰে।

ইতিমধ্যে '১৬০০ শকৰ বৈশাখত ৰাজাদেৰক চোৰে ঘালিলে, তথাপি মৃত্যু নহ'ল। বামহাতৰ আঙুলি ছেদ হ'ল। আৰু মুণ্ডত এঘা, হাততো এঘা, পিঠিতো এঘা সোঁহাতৰ তলুৱাতো এঘা, এই পাঁচ ঠাইত ঘালিলে। পশুঁয়া দাখান মৰঙ্গ ঘৰতে এৰি চোৰ পলাল।'

চুডৈফা পৰ্ব্বতীয়া ৰজাক এইদৰে আক্ৰমণ কৰাৰ কাৰণ হল, ৰঙ্গাচিলা ফুকনৰ পুতেক বৰবৰুৱাই ৰাজফৈদৰ লাহে বৰ জীয়েকক বিয়া কৰাইছিল। এই কথাত স্বৰ্গদেৱে লাজ আৰু খঙত কৈছিল:-

'আমাৰ কুঁৱৰী নিব যদি লাগিল, সি কোন ৰজাৰ বংশ।' গতিকে স্বৰ্গদেৱ এই ষড়যন্ত্ৰৰ বলি হব লগা হ'ল। চোৰ ধৰা নপৰিল, 'যত্ত তামুলীক ফেটাই কটাইছে। তামুলীৰ ভাই ভতিজাবো মাৰিলে। মন্ত্ৰীয়ে যি কয়, স্বৰ্গদেৱে তাকে কৰে। পৰ্ব্বতীয়া ৰজাদেৱৰ এইবিলাক ঢোপাক পাকৰ কথা শুনি শৰাইঘটীয়া সকল লালুকৰ নেতৃত্বত উজাই আহিল। কাৰণ লালুকৰ কাৰণে এইটোৱেই

সোণালী সুযোগ । শৰাইঘটীয়া অহা বুলি শুনি বুঢ়াগোহাঞিয়ে মানুহ পঠালে,— মৰঙ্গি পানীফুকন, মিৰিসন্দিকৈ বৰফুকনক । তেওঁলোকৰ পাচতে লেহেতীয়া ফুকনৰ সলনি ভাধৰাক পাচিলে । উপৰুক্ত ষড়যন্ত্ৰৰ নায়ক বুলি সন্দেহ কৰা মেচা বৰবৰুৱা ইতিমধ্যে আহি শৰাইঘটীয়াৰ লগ লৈছিলহি । বৰফুকন ভাধৰা আদি কলিয়াবৰলৈকে ভটিয়াই আহিল । ইফালে ফুকনবিলাবে লালুকক বুঢ়াগোহাঁইৰ কাৰ্য্যকলাপৰ বিষয়ে এখানিকে দুখানি কৰি উচতাবলৈ ধৰিলে । ডেকাফুকনৰ কাণত বিহ ঢালিলে। শৰাইঘটীয়াহঁতো লালুকৰ কাৰ্য্যত অতীষ্ঠ হৈ উঠিল । শৰাইঘাটৰ ডেকাফুকনে আন ফুকনবোৰক লালুকৰ কাম কাজত খং উঠি ক'লে- । "ফুকনক ৮হে ভাঙ্গৰ পাতিব পায় ফুকনক ফুকনে ভাঙ্গে পাতে ই অযোগ্য কথা? আজি মোক ভাঙিছে কালি তহঁতকো ভাঙিব। যি ভাঙে পাচত সিনো কোন ?"

অদূৰদৰ্শী বুঢ়াফুকনে তলে তলে বুঢ়াগোহাঞিৰ এই অত্যাচাৰৰ পোটক তুলিবলৈ উঠিপৰি লাগিল তেওঁ বুঢ়াগোহাঞিলৈ বতৰা পথালে ।

'ইদিকিও নহলোঁ সিদিকিও নহলোঁ মাজতে ছলিলে ।' বুঢ়াগোহাঞিৰ ভাৰনাত থাকিলে সমূলি তল যাব লাগিব । সাৱধানীৰ মৰণ নাই, সাষ্টম হৈ থকাই উচিত — 'আপুনি শকত হৈ থাকিলে কতো ভয় নাই ।' লালুকে এটা ষড়যন্ত্ৰৰ কথা মনতে পাঙি হাজোৰ কেদাৰ বামুণ, কোঁৱৰ ভাগৰ ৰাধা, চামুৰীয়াৰ নজৰ তিনিওকে বাহুলিৰ তালৈ বতৰা দি পঠালে, —"এহি ঠাইতে পাম, তেওঁ এহি স্থানক আহিব ।" পাচে বাহুলিয়ে বোলে— "হেতো ঢেকেৰি মানুহ সঞ্চাত নাই। নবাবত জনাব মোৰাৰেঁ ।"

এই বাহুলি ফুকন লালুক সোলাৰ দদায়েক--দেশান্তৰী হৈ মোগলৰ লগত আছিল। ১৬৬৮ চনত বৰফুকনৰ ভাগিনীয়েক ৰমণী গাভৰুৰ চুলতান আজমতাৰাৰ লগত বিয়া হয় । লালুকে এওঁলোক দুয়োকো স্বাৰ্থসিদ্ধিৰ কাৰণে কামত লগাবলৈ মন কৰিলে । বাহুলিয়ে লালুকৰ মানুহ ওভোতাই পঠিওৱাত পুনৰ বুৰুকৰ কলীয়া আৰু চেঙ্গয়া বঙ্গালক পাচিলে । গতিকে তেওঁৰ এই দেশদ্ৰোহী আঁচনি কাৰ্য্যত পৰিণত হবৰ উপক্ৰম হ'ল । লালুকৰ এই অভিসন্ধিৰ ভলা-নলা সময়মতে বুঢ়াগোহাঞিক জনাই পঠালে – মৰঙ্গি পানী ফুকন আৰু মিৰিসন্দিকৈ ফুকনে । বুঢ়াগোহাঞিয়েও তলে-তলে লালুকৰ ষড়যন্ত্ৰ ঠান বান কৰিবলৈ দিহা কৰি 'ৰেকতকৈ' কৈ পঠালে ঃ

"বৰফুকন জানন্তা মানুহ, ইকথা কিয় কৰিব ? যি মানুহে সিবোৰত কৈছে সেয়েহে মিছা কৈছে ।"

উজনি আৰু নামনিত সমানে এটা ষড়যন্ত্ৰই দিনে ৰাতিয়ে গা কৰি উঠাতো উমান কৰি বুঢ়াগোহাঞিয়ে ফুকনবোৰৰ লগত আলোচনা কৰিলে, – 'গুৱাহাটী, চামধৰা এই দুই হাত ভৰি পিছলিলে ৰহিবৰ ঠাই নেদেখোঁ।' গতিকে গড়গাঁও বা উজনিখণ্ড ৰক্ষা কৰিবলৈ হ'লে এটা গড়ৰ প্ৰয়োজন। বুঢ়াগোহাঞিয়ে যে স্বৰ্গদেৱক নিমিত্ত মাত্ৰ কৰি 'আঘোন, পুহ, মাঘ তিনিমাহে গাভৰু পৰ্ব্বতৰ পৰা মুগুকটালৈ গড় বান্ধিলে আপুনি গৈ, গড়সাঙ্গ নহ'ল । ইয়াকে চিন্তামণি গড় বোলা হয় । শত ১৬০০, মাস ফাগুন ।

লালুক বৰফুকনে দেখা-দেখিকৈ দ্ৰোহ আচৰিবৰ এইবাৰ এটা উপ যুক্ত ছিদ্ৰ পালে। বুঢ়াগোহাঞিয়ে মাজ ৰাজ্যত গড় বন্ধাটোৰ ওলোটা অৰ্থ কৰি উজনিলৈ বতৰা পঠালেঃ

"আমি দেখো গুৱাহাটী গড়ত শত্ৰুক সন্মুখ হৈ ৰহিছোঁ. মাজ ৰাইজ্যত গড় বান্ধে কালৈ' আমালৈকেহে বান্ধো ।"

স্বৰ্গদেৱক উচতালে এইবুলি :

"৺দেৱে চিন্তা নকৰিব আৰু এইখন বিচাৰ কৰক।

৺দেৱক কোনে কাটিলে ? মাজ ৰাইজ্যত কোনে গড় বান্ধিলে ।"

সাতে সোতৰই লালুকে গুৱাহাটী বঙ্গালক এৰি দিবলৈ সিদ্ধান্ত কৰিলে । কেলৈ লাগিছে গুৱাহাটী, নিজৰ লৰা-তিকতাকে যদি সুখ-শান্তিৰে ৰাখিব নোৱাৰোঁ -গুৱাহাটী ৰাখি কি হব । মিছা-মিছি গুৱাহাটীৰ কাৰণে অগনন অসমীয়া পজা হানি হব লাগিছে। বাদুলি দদায়েটো সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দিছেই। এইবাৰ আতন বুঢ়াগোহাঞিয়ে কেনেকৈ ৰক্ষা কৰে চাওচোন । হোঃ বাঘৰ লগত ধেমালি কৰে । লালুক যে এটা পকা অণ্ঠা নাজানে। গতিকে, চলাৰ মাধচৰণ আৰু যদুৰ হাতত হাতীৰ দাঁত, আগৰ কাঠ, গান্ধ, চামৰ, সোণৰ কাপোৰ, পীৰা, ফনি আৰু পত্ৰ-সন্দেশ দি বঙ্গাললৈ পাচিলে :

"চলা তই গলে মই হু যাওঁ. পাৎসাৰো প্ৰত্ৰত যেনেকৈ ৰাজা বুলি লেখে মোকো তেনে কৰিবি ।

ৰজা হোৱাৰ প্ৰবল বাসনাই লালুকক অন্ধ কৰি পেলালে । পাংসাৰ পুতেকে ৰাজা বুলি সম্বোধন কৰে সেই কথা কটকীৰ জৰিয়তে জনাই পঠালে। লালুকৰ এই নীচ অভিপ্ৰায়ৰ বাস্তৱ ৰূপ দিলে 'পৎসাৰ বেটা' আজমতাৰাৰ তলৰ পত্ৰখনেঃ

"কৃপাযোগ্য দয়া পাত্ৰ শুভচিন্তক ৰাজা বৰফুকন, অনুগ্ৰহ লিখনং কাৰ্য্যঞ্চাগে, আসামৰ ৰাজাই ৰাজ্য তোমাক দিলে, ইয়াক সত্য কৰি জানিবি,……… তুমি চিত্ত কৰাস্ট কৰি যে লোক লস্কৰ লাগে তাক ইমিন হুচনখাঁৰ ঠাই লৈয়ো চাঞিয়ো তোমাৰ সাথ যাইবেক । যে প্ৰকাৰে বুঢ়াগোহাঁই বৰগোহাঁই খেদাইবক পাৰ. তোমাৰ আমোল হয়, তোমাৰ ৰাজ্য হয়, তাক কৰিবা—"

ইতিমধ্যে গুৱাহাটী হস্তান্তৰ কৰাৰ ঘৃণনীয় দুৰভিসন্ধিৰ বতৰা পাই আতন বুঢ়াগোঁহাই ভাবিলে 'পাংসাৰ বেটাএ আহক বা পৎশাই আহক, কিয় এৰিম ?" গুৱাহাটী

লালুকেও বঙ্গালে গুৱাহাটী দখল কৰিবলৈ পাণ্ডুত দেখা দিয়া কথাৰ বুজ পাই, নজনাৰ ভাওজুৰি ক'লে 'আমাৰ গড়-প্ৰাঞ্চিটো অওতোৱা নাই, এতেকে হুহঁকি কলিয় বৰৰ পৰা ধৰোঁ বুলি গুৱাহাটীৰ পৰা সৈন্য সামন্ত উজাই লৈ আহিল । ১৬০০ শকৰ ফাগুনৰ পোন্ধৰ দিন যাওঁতে, স্বাৰ্থান্ধে লালুকে বিনাযুদ্ধে বঙ্গালক 'দেৱৰো দুৰ্গম' গুৱাহাটী এৰি দি উজাবলৈ ধৰিলে । মোগলে তিনিদিনলৈকে অসমীয়া মানুহে ছলহে কৰিছে বুলি ভাবি গুৱাহাটীত সোমোৱা নাছিল জানোচা কামৰূপীয়া মন্ত্ৰই ভেজি আছে । কিন্তু বৰফুকনে বুকুকৰ কলীয়াক পঠাই বৰঘৰলৈ সোণগুই চপাই আনিলে । বুঢ়াগোহাঞিয়ে বতৰা পঠালে যেন লালুকে মোগল অহাৰ বিষয়ে নাজানেঁঃ—"এতিয়া কি কৰা হব। মোগল পাইহিহু লাগে ।" এনে সংকট কাল অহিব বুলি দূৰদৰ্শী বুঢ়াগোহাঞিয়ে আগেই ভাবিছিল।

……………গুৱাহাটীত ভৰি পিছলিলে মাজৰাজত থিয় হবলৈ এডোখৰ খোপনি ঠাই লাগিব বুলি চিন্তামণি গড় বন্ধাইছিল। সেই গড় বান্ধি থাকোতে লালুকে পঠোৱা চিঠি ওলালেগৈ।

নাচিৰ খাৰ চিঠি পাই বুঢ়াগোহাঁই খণ্ডত ঘৃতাহুতি দিলে। তথাপি পটু প্ৰকৃত ৰাজনীতিকৰ দৰে সৌম্যভাবে মাত লগালে। "পূৰ্ব্বাপৰ সিয়া কাপোৰ দিয়া নাই। এখন ধাৰণ এৰি সিয়া কাপোৰ কিসক দি.ল? বৰফুকনৰে ছাস্তাখাঁৰে সমান পাত্ৰহে লিখিব পাই, বৰফুকনৰ নাও তলত লেখি ছাস্তাখাৰ নাওঁ কিয় ওপৰত লিখিলে? আৰু সীমনাৰ খান যি কৈছে সীমনা তাঞ্ৰিৰো নহয় ঈশ্বৰ ৺যাক যেখন দিয়ে ৺সেয়ে ভোগ কৰে। ৺মোৰ সীমনা বোলন এইখান অনুচিত বিস্মৰণ হৈছে বুলিলে। আৰু ঘোঁৰা হস্তী বিস্তৰ দৰ্শাইছি খান লিখিলা সি তোমাৰ ঘোৰা আমাৰ মানত বহু, যাতে সি আপুনি তাৰ বন্দক চলাব নোৱাৰে তাৰ কথা কি কব লাগে।" পত্ৰবাহক বাতুলীৰ মানুহ, পত্ৰপাই লালুকে ছলে বলে কলিয়াবৰলৈ উজালে।

বুঢ়াগোহাঞিয়ে জানো লালুকৰ এই কুচক্ৰান্তৰ কথা গম পোৱা নাছিল? পাইছিল ডাঁৰৰ বাতৰি ডাঁৰে পাইছিল। যথাঃ—"চকিয়া'লে কৈছে, পাৎসাৰ বেটা আজমতাৰা আছে। গুৱাহাটী জাজ্জাখনো সামান্য নহয়। ইয়াৰ পৰা যদি পিছলা গেলা, আন ঠাইত ৰব পৰা জাজ্জাখান নেদেখোঁ। এতেকে আপুনি ৰাখোঁতা, আমাৰ কি শক্তি আছে?"

পানীফুকন আৰু মিৰি সন্দিকৈ ফুকনে বুঢ়াগোঁহাঞিলৈ জনাই পঠালে—

—"বাৰম্বাৰ কোঞো নপতিয়াৰ, এতিয়া বাহুলি আহি পালেহি, কি পাৰে কৰক।"

বুঢ়াগোঁহাই ডাঙৰীয়া যদি কৰ্যতৎপৰ হ'লহেঁতেন, সময়ৰ শৰ সময়তে মাৰিলেহেঁতেন তেনেহলে গুৱাহাটী কেতিয়াও বঙ্গালৰ পদানত নহ'লহেঁতেন। লালুকেও "জানামি সীতাং জনক প্ৰসূতাং, জানামি ৰামং মধুসুদনঞ্চ" বুলি স্বাৰ্থ সিদ্ধিৰ দুৰ্ব্বাৰ মোহত গুৱাহাটী বঙ্গালক এৰি দিব নোৱাৰিলেহেঁতেন। দুজন ওখ খাপৰ বিষয়াৰ খিয়লাখিয়লি, স্বাৰ্থপৰতাৰ বলি হব লগা হ'ল সাধাৰণ প্ৰজা। এয়ে গুৱাহাটী হস্তান্তৰ হোৱাৰ ঘৃণনীয় কাহিনী।

লালুক বুঢ়াফুকনে উজাই আহি কলিয়াবৰত স্বয়ম্ভূ ৰজাৰ দৰে প্ৰবৰ্তিবলৈ ধৰিলে। বিষয়া ভঙ্গা পতাৰ ইচ্ছামত খেলা আৰম্ভ কৰিলে। ৰাজ্যৰ ওখ ওখ বিষয়বোৰত নিজৰ অঙ্গহী বঙ্গহী আৰু অনুগত লোক নিয়োগ কৰিলে। যেনে ভায়েক মৰঙ্গিক বৰবৰুৱা, পুতেক জগৰাক পানীফুকন, দিহিঙ্গীয়া লা ফুকনৰ পুতেক আলুনক ফুকন লামুখুৰ বন্দৰক ফুকন আৰু দীঘলা গোহাঁইক বুঢ়াগোহাঁই পাতিলে।

লালুকৰ এইবিলাক কান্দ-কাৰখানাৰ উমান পাই স্বৰ্গদেৱে, তিনিজনা গোহাঁইক চিন্তামনি গড় আধাসজাঁকৈ এৰি, কলিয়াবৰলৈ পঠালে। তেওঁলোক ভটিয়াই আহি বিশ্বনাথত বহিলহি আৰু বাকী ফুকন ৰাজখোৱাইঁতক ত্ৰিমুণি শিলালৈকে আগবঢ়াই পঠালে। শৰাইঘটীয়াইঁতো সেই ঠাইতে উপস্থিত হ'লহি। লালুকে তৎকালে উজনিৰ ফুকন হাজৰিকা সকলো বন্দী কৰিলে। টেপৰতলীয়া ফুকন, মৌ গোহাঁই আদি পলাবলৈ চেষ্টা কৰোঁতে বাটতে ৰঙ্গাচিলাৰ পুতেক দুৱৰাফুকনে বন্দী কৰিলে। পৰিস্থিতি বিষম হেন দেখি লুইত

পাৰহৈ উত্তৰলৈ গৈ লেজুবাটৰ ৰামৰাই ৰাজখোৱাৰ ঘৰত পলাই আছিল, পিছত সাতসৈয়াইদি নগা পৰ্ব্বতৰ ফালে যাওঁতে বাটতে বন্দী কৰিলে আৰু ডুমুনি শিলালৈ আনি চোকা পহৰা দি বন্দী কৰি থলে । টেপৰতলীয়া, ৰুক্মগোহাঁই, কানঞ্জুৰ দুই ভায়েক সকলোকে কলিয়াবৰত নিগ্ৰহ কৰিলে ।

আতন বুঢ়াগোহাঞিক বন্দী কৰি লালুকসোলা উঠি-ৰজা বহি-ৰজা হৈ পৰিল। তেওঁৰ কাৰ্য্যত হুকা-বধা কৰিবলৈ ৰাজ্যত মানুহ নোহোৱা হৈ পৰিল । দোষী নিৰ্দ্দোষী নিবিশেষে শাস্তি দিবলৈ ধৰাত মানুহে ত্ৰাহি ত্ৰাহি দেখি পৰ্ব্বতীয়া ৰজাই শুনি ভয় খাই পৰ্ব্বতলৈ পলাই গ'ল । সন্দিকৈ ঢুলীয়া বৰুৱাক লালুকৰ ওচৰলৈ পাচিলে । চিনা-তলীও ফুকনবোৰক লগ ধৰি স্বৰ্গদেৱৰ অজ্ঞা শুনালেহিঃ—

"মঞি হাল বাই খাই আছিলোঁ, মোক আনি ৰাজা নাম দি থৈছে, মঞি একো নাজানো । যদি কোনোখান কৰিবৰ চিত্ৰ আছে আতে কৰকহি, পাপ পুণ্যৰ ভাগি সিহঁতেহে ।"

ফুকনবোৰে ক'লে,— "আমালৈ এই দৰে কব লগা নাই । মাজ ৰাজখানীত গড়খান বান্ধি ৰাজখান মৰালে । এহি কাৰণে বুঢ়াগোহাঞিকো ধৰি হে ৺ৰ দ্ৰোহীক বিচাৰি আহিছোঁ । সোনৰ সফুঁৰা হেন গুৱাহাটী ৰাজ্য, তাকো যে এৰি আহিছোঁ । ভিতৰত বঙ্গাল থৈ বাজবঙ্গালৰে কি যুদ্ধ কৰিম ? ইয়াৰে যদি বিচাৰ কৰা নাযাব কঠনীয়া চাউল খাই তিৰি-ভাৰ্য্যাক এৰি গুৱাহাটীত কি কাৰণে থাকোঁ ? দ্ৰোহীকো বিচাৰ কৰিবলৈ আহিছোঁ । ৺কো সেৱা কৰিবলৈ আহিছোঁ । নিসংশয় হৈ গড়গ্ৰামলৈ ৺আহক ।"

ইয়াতে আশ্বস্ত হৈ পৰ্ব্বতীয়া ৰজা গড়গাঁৱলৈ উলটি আহিছিল । লালুকসোলা আৰু শৰাইঘটীয়া বাকী ফুকনবোৰে স্বৰ্গদেৱক সেৱা জনাই দ্ৰোহী সৱৰ বিচাৰ কৰিলে । কলচুৰ নাতিয়েক তাৰ ৰায়েক আইকুঁৱৰীক আৰু দুইচাৰিক কাটিলে, মাৰিলে, শুকুলা বুঢ়াগোহাঁইৰ পুতেকক বুঢ়াগোহাঁই পাতিলে । লালুক ফুকনৰ প্ৰতি পত্তি দিনক দিনে বাঢ়ি আহিবলৈ ধৰিলে । কিন্তু ইয়াতে ক্ষান্ত নাথাকি 'ৰাজা বৰফুকন' নামলৈ মুকুটধাৰী সম্ৰাট হৈ পৰিল । লালুক যে ছত্ৰ-আৰোৱান লোৱা ৰজা সেই কথা পকা কৰি লিখি পঠিয়াই 'পৎসাৰ বেটা' ভাগিন জোঁৱাই আজমতৰাই (হাতৰ পঞ্জা দি কাকত কৰি পঠালে) :

"তোমাৰ ৰজাক ধৰি পঠোৱা, তিনিজন ডাঙৰীয়াকো আৰু তোমাৰ যি দোছমন আছে, তাকো ধৰি দি পঠাবা । তোমাৰ ভাল মন্দ যি হয় তাৰো লেখা দি পঠোৱা। এতেকে তোমাৰ সমস্তে কুশল হৈব । বিশেষত তোমাকে অচমৰ ৰাজ্যৰ ৰজা কৰিম । তোমাৰ কাক ভয় আছে ।"

ঠিকেই লালুকৰ আৰু কাকো ভয় কৰিব লগীয়া নাই । সকলোকে এফালৰ পৰা মাৰি-কাটি ক্ষয়ঙ্কৰ কৰিলে । যি অলপ অচৰপ আছিল কিছুমান ধৰিবান্ধি বঙ্গাললৈ পঠিয়ালে । মেটেকাৰ ঘৰত লালুকে ৰাজ-যোগ্য অলংকাৰ পিন্ধি, চন্দ্ৰতাপৰ তলপত আৰামেৰে বহি গুৰ-গুৰি টানি (হোকা) বঙ্গালৰ কটকী তুলিলে ।

## চুতৈফা স্বৰ্গদেৱৰ হত্যা ঃ

বৰফুকনৰ অত্যাচাৰত অতীষ্ঠ হৈ স্বৰ্গদেৱে বৰফুকনক ধৰিবলৈ মন কৰি মেচা বৰবৰুৱাৰ লগত যড়যন্ত্ৰ কৰিলে ! কিন্তু বৰবৰুৱাই একেলগে ব্ৰহ্মপুত্ৰত শপত কৰিছো বুলি অসম্মতি প্ৰকাশ কৰিলে। কিন্তু কলিয়াবৰলৈকে বঙ্গাল আনিলে ফুকনক "দেৱৰ আজ্ঞায়ে ধৰিম অৱশ্যে" বুলি কলে।

গড়-গঞা সন্দিকৈ নেওগক গড়-আওঁতালৈ বুলি কলিয়াবৰলৈ পাচিলে—চলকৈ ফুকনক ধৰিব লাগে। ফুকনে স্বৰ্গদেৱক বিশ্বাস ঘাতকতা কৰিলে। এই ষড়যন্ত্ৰৰ কথা লালুকক জনালে।

লাপেতিৰ পুতেক পানী দিহিঙ্গীয়া ফুকনেও গড়গাঁৱৰ পৰা পলাই আহি স্বৰ্গদেৱৰ ষড়যন্ত্ৰৰ কথা বুঢ়াফুকনক জনালেহি।

লালুক ভায়েক ভাতধৰাই ৰাম সৰস্বতীৰ জৰিয়তে স্বৰ্গদেৱলৈ ৰহস্য কৰি জনালে : "মোক বৰফুকন পাতিব, মঞিও ককাইক ধৰি দিম।

ভাতধৰাৰ কূটবুদ্ধি স্বৰ্গদেৱে তৰ্কিব নোৱাৰি ক'লে, মই ভাতধৰাক বৰফুকন পাতিলোঁ, বুঢ়াক গুচালোঁ।"

ইয়াৰ পাচত পৰ্ব্বতীয়া ৰজাক বধ নকৰাৰ কোনো কাৰণ লালুকে বিচাৰি নাপালে। ভাধৰা আৰু ছুৱাৰা-ফুকন কলিয়াবৰত থৈ লালুক গড়গাঁওলৈ আহি পৰ্ব্বতীয়া ৰজাক বন্দী কৰিলে। নিজৰ গাত চেকা পৰে বুলি নোমটেঙৰ লালুকে পিচৰজনা হতুৱাইহে ৰজাক হত্যা কৰালে। ৰজা ভঙ্গা-পতা, বিষয়া গুছোৱা বৰফুকনৰ কাৰণে সাধাৰণ কামহে পৰিল।

তেওঁৰ হাতত সকলোৱে পুতলাৰ দৰে নাচিবলৈ ধৰিলে। চামগুৰীয়া কোঁৱৰ ১৪ বছৰীয়া সৰু গোঁহাইক ৰজা পাতিলে—ৰত্নধ্বজ সিংহ চুলিকফা লৰা ৰজা। আগৰ স্বৰ্গদেৱ আৰু পুতেক ৰাণী মেচাৰ জী কুঁৱৰী আৰু হালোৱাৰ জী কুঁৱৰীক পৰ্ব্বতলৈ নি মাৰিলে। ছুৱাৰাৰ দুই ভায়েকৰ চকু কাঢ়িলে - কিৰকিৰিয়া ফুকন আৰু মেচা বৰবৰুৱাৰ, লেচাঙ্গত নগৰ পাতি দি নিজৰ পাঁচ বছৰীয়া জীয়েকক বৰকুঁৱৰী, ভাধৰাৰ বাৰ বছৰীয়া জীয়েকক পৰ্ব্বতীয়া কুঁৱৰী পাতি দি এইবাৰ লালুক ৰজা-শহুৰ হৈ গজগজীয়াকৈ বহি ল'লে।

বুঢ়াফুকনে যি কৰিবলৈ আজ্ঞা দিয়ে লৰা ৰজাই তাকে কৰে। ৰজা বাহৰ লেচাঙৰ পৰা মেটেকালৈ স্থানান্তৰ কৰা হয়। বৰগোহাঁই ফৈদীয়া চাওদাঙ বৰুৱা খোনা গোহাই আৰু বৰপাত্ৰ ফৈদৰ বানচেঙীয়া খামচেং গোহাঁইলৈ স্বৰ্গদেৱৰ হতুৱাই আজ্ঞা কৰাই কলিয়াবৰৰ ডুমুনি শিলাত বাহগড়ীয়া বুঢ়াগোহাঁইক সপৰিয়ালে হত্যা কৰিলে— আঘোনৰ শুক্লপক্ষৰ দিতীয়াত সলাল বৰগোহাঁইৰ চৌহদত। বুঢ়াগোহাঁইৰ বৰ ককায়েক নাওবৈচাফুকন, তেঁও ভাগিন এটা আৰু পুতেক লানমাখৰু ডেকাকো বধ কৰা হয়।

ল'ৰা-ৰজা যাতে সিংহাসনত নিষ্কণ্টক হৈ বহিব পাৰে তাৰ কাৰণে লালুক বিস্তৰ আয়োজন কৰিলে। ৰাজফৈদৰ সকলোবোৰ কোঁৱৰ এফালৰ পৰা ধৰি আনি অঙ্গক্ষত কৰিবলৈ ধৰিলে। 'আৰু সৰ্গদেৱে ৰাজ বঙ্গহত অতি সংসই কৰি মুখ্য মুখ্য কোঁঅৰ বুজি মাৰিবাৰ উদ্যত হ'ল চাৰিওফালে কোঁঅৰ বিচৰা লাগিল। মানুহ ভয়ত ত্ৰাহি হৰি হৈ পৰ্ব্বতে কন্দৰে ভাগিল, সিংহাসনৰ দাবী কৰা কথাটো বাদেই

ৰাজ্যত কোনেও মাত এষাৰকে মাতিব নোৱাৰিলে। হাবি-জংঘল, ঘৰৰ পিৰালি সকলোতে ৰজাৰ চোৰাং চোৰা পিয়াপি দি ফুৰিবলৈ ধৰিলে। দকা-হকা দি মানুহ ধৰি আনি শাস্তি দি অঙ্গক্ষত কৰে। নগুৰ নাগতি কৰে। তুংখুঙীয়া ফৈদৰ গদাপানী কোঁৱৰো ৰাজ্য এৰি পলাল— নগা পৰ্ব্বতলৈ গদাপাণিক বিচাৰি নাপায় তেওঁৰ পত্নী জয়মতীকে কঠোৰ শাস্তি দি মাৰিলে। এখন বুৰঞ্জীৰ মতে জয়মতীৰ তেতিয়া গৰ্ভৱতী অৱস্থা।

১৬০০ শকৰ ফাগুনৰ পৰা ১৬০২ শকৰ আঘোনলৈকে লালুক সোলা বুঢ়াফুকন অভাৱনীয় দুষ্কাৰ্য্যৰ নায়ক হৈ পৰিল। এটা পাপ ঢাকিবলৈ গৈ আন এটা পাপ কৰিব লগা হ'ল। অত্যাচাৰ যিমানেই বাঢ়িবলৈ ধৰিলে, ক্ষমতাৰ চমতাৰে সাধাৰণ প্ৰজাৰ পিঠি চিৰাচিৰ কৰিলেও স্বাধীনচিতীয়া অসমীয়া মানুহ হাত সাৰতি বহি নাথাকিল। লালুকৰ শত্ৰুৰে মূৰ ভাঙি উঠিল। মাত্ৰ সময় আৰু সুবিধালে বাট চালে।

সেই সময় আৰু সুযোগ অভাৱনীয় ভাবে আহি পৰিল। লালুকৰ শ্মশান পথৰ হেঙাৰ আঁতৰি পৰিস্কাৰ হ'ল। অৰ্থাৎ তেওঁ নিজৰ চিতা নিজেই ৰচনা কৰিলে। নগঞা শইকীয়া ভোটাই ডেকাও উজনিতে আছিল। লালুকৰ উদ্ভন্দালিৰ কথা তেওঁ টলকি আছিল। সুযোগৰ অভাৱত একো কৰিব পৰা নাছিল।

দেশত এনে হুলস্থূল আৰু অশান্তি হৈ থকা দেখি বৰ দেওধায়ে কুকুৰা ঠেং চাই ৰজাক ক'লে যে শদিয়াৰ কেচাইখাতীৰ ঠাইত বহুদিন নৰ বলি পৰা নাই সেয়েহে ৰাজ্যত ইমান অশান্তি হৈ আছে। গতিকে স্বৰ্গদেৱে বুঢ়াফুকনক হুকুম কৰিলে বলি দিবলৈ উপযুক্ত মানুহ বিচাৰিবলৈ।

একপক্ষৰ আগতে বুঢ়াফুকনৰ হাউলিৰ টাটীৰ ভিতৰত ক'ৰবাৰ পৰা আহি এটা বনৰীয়া ভালুক সোমাইছিল। দুটা মানুহো খালে। বহুলোকে যত্ন কৰিও তাক বধ কৰিব নোৱাৰিলে, নগঞা ভোটাই ভালুক নিধন কৰিবলৈ আগবাঢ়ি আহি ক'লে।

"ইয়াক মাৰিলে মোৰ কি আপাহ?"

"মাৰিব পাৰহেঁতেন সোনৰ কেৰুএৰে বটা দিম, ভাল কৰিম।"—বুঢ়া ফুকনে ক'লে।

বুঢ়াফুকনৰ কথা শুনি ভোটায়ে গাঠি বান্ধি ঢাল তৰোৱাল লৈ খেদি গৈ ভালুকৰ মুখেৰে তৰোৱাল সুমুৱাই বধ কৰিলে। ফুকনে ভোটাইৰ কাৰ্য্য ভূয়সী প্ৰশংসা কৰি সোনৰ কেৰুৰে বটা আৰু এজনী তিৰোতাও দিলে। ভিতৰে ভিতৰে কিন্তু ভোটাইৰ সাহ পিত দেখি বুঢ়াফুকন আতংকিত হৈ পৰিল। ই থাকিলে অনিষ্ট হ'বলৈহে আছে।

"বন্দীৰ যি সাহ শদিয়াৰ দেওঘৰত দিবলৈ ভাল। ইয়াৰ পিত বৰ দেৱে পাই। এনেটো জীয়াই থাকিলে কোনে মনক পাব। বনৰ ভালুকেৰে যুজে।"

'উপকাৰীক অজগৰে খায়'— ভোটায়ে বুঢ়াফুকনৰ ষড়যন্ত্ৰৰ কথা গম পাই ভাবিলে, ঠিক আছে মই কি কৰিব নোৱাৰো চা, ভোটায়ে

লগৰ মাধ তামুলী, আঘনা কছাৰী আদিৰ আলোচনা কৰিলে—"আৰু বেলিও দেৰলৈ ভাল মানুহবোৰ দিলে, ই বেলিও ই ভঙ্গ কৰিব ধৰিলে, কাক বা দিয়ে। বৎসৰি ভাল মানুহ দিব লাগিলে হেন্দুৰ ভাল মানুহ কেনেকৈ ৰব ? ভাল আৰু দেৰে ৰাখক, আমি কি কৰিব পাৰোঁ।"— এই তিনিও গোট হৈ ১৬০২ শকৰ আঘোণৰ দহদিন যাওঁতে মঙ্গলবাৰে ৰাতি ফুকনক শুই থাকোঁতে খাটতে খুচি মাৰিলে। গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জীৰ মতে বুঢ়াগোহাঞি ডাঙৰীয়াৰ আজ্ঞা অনুসাৰে সোলাক ৰধ কৰা হয়। (পৃঃ ৮৭) "তিৰী-তিৰোতা" সৰুকো হুমিয়ালে—"যি মাত থিতাতে কাটিম," বুঢ়াফুকনৰ পুতেক আঙ্গৰা, থোলোকা জগৰা আৰু বংশৰ জতকৰীয়া ফুকন আদি সকলোকে ফুকনে মাতিছে বুলি আনি কাটিলে। চুঙ্গিৰ হাজৰিকা ভৰপূৰক কাটি, ফুকনৰ ভায়েক মৰঙ্গি ৰৰবৰুৱালৈকো খেদা দিছিল। পাচে সি বিধাৰণ হেন জানি গড়ৰ ভিতৰত সোমাই সাৰিল। "তিতা গছৰ আগো তিতা"— গতিকে ভোটায়ে সকলোকে ক্ষয়ংকৰ কৰি পেলালে।

বুঢ়াফুকনক হত্যা কৰাৰ পাচত ভোটাই ডেকাৰ প্ৰতিপত্তি বাঢ়িবলৈ ধৰিলে। ফুকনৰ মেটেকাৰ ঘৰতে কোঠ পাতি মানুহ দুনুহ চপাই সাৱধানে থাকিল। ক্ষমতা হাতৰ মুঠিত পাই ইচ্ছামতে কাম কৰিবলৈ ধৰিলে। বিষয়া ভঙাপতা আদি গুৰুত্বপূৰ্ন কামবে ৰতো হাত দিবলৈ ধৰিলে। মাধ তামুলীয়ে ফুকনৰ লগৰ মানুহ যি আছিল সকলোকে কোচাই লৈ দক্ষিণপটীয়া গিদাগাঠি হাজৰিকা আৰু চেটিয়াৰ নাতি লুখুৰাখন হাজৰিকাক ফুকন পাতিলে। কিছুদিনৰ কাৰণে উজনীৰ ৰাজধানীত ভোটাইৰ অখণ্ড প্ৰতাপ প্ৰবৰ্ত্তিবলৈ ধৰিলে। ভোটাইক ৰবাই সৈমান কৰিব নোৱাৰালৈকে - ৰজা প্ৰজা কাৰো চকুত টোপনি নোহোৱা হ'ল।

ভোটাইৰ ভয়ত মানুহ গড়ৰ ভিতৰতে সাৱধানে থকা হ'ল। লৰাৰজাও অতি সন্ত্ৰস্ত হৈ পৰিল। স্বৰ্গদেৱৰ লগৰ ফুকনবোৰে যুগুতি কৰি ভোটাইক জনালে।

— "সিবোৰে আমাৰহে বন কৰিলে, এতিয়া সিও ৺ক সেৱা কৰকহি।"

—"মৰিবলৈহে মাতিছে"— ভোটায়ে ক'লে। ভোটায়ে হাতৰ পৰা ধাল তৰোৱাল নুগুচোৱা হ'ল, ভোটাইৰ এজনী বাটলু তিৰোতা আছিল। এইৰ প্ৰতি ভোটাইৰ বৰ টান আছিল। যি কৰায় বা কৰিবলৈ কয় তাকে কৰে। ক্ষমতাৱান্ত মানুহ তিৰোতা সেকুৱা হ'লে পতন অনিবাৰ্য্য—বুৰঞ্জীত ইয়াৰ উদাহৰণ এশ এবুৰি আছে। স্বৰ্গদেৱে নগঞা খৰঙ্গীক আদেশ দিলে :— "যদি ভোটাইক ধৰি নিদিয়ে কাটিম।"

— ৰাইজে গৈ ভোটাইৰ ঘৈণীয়েকক গোহাৰি জনালে :— "আই আমাক জীউ দান দে, পৈয়েৰক ৺একো নকৰে। সকলবো উপকাৰহে কৰিছে। ঢাল-বাৰ পেলাই ৺ক সেৱা কৰক গৈ।'

ৰাইজৰ অনুৰোধ ভোটাইৰ ঘৈণীয়েকে পেলাব নোৱাৰিলে। গিৰীয়েকক সৈমান

কৰাৰলৈ গাত ল'লে, ধোৱাপাত লগাই তামোল এখন দি গিৰীয়েকক সকলো কথা কলে ভোটা-য়েও একেষাৰতে ক'লে; " মোৰ নিমিত্তে এতেক লোকৰ দুখ, ৰজাৰ হিতকেহে চিন্তলোঁ। ভাল ৺সেৱা কৰিম গৈ। দেহলৈ কোনে আশা কৰিছে?

এই বুলি ঢাল-তৰোৱাল পেলাই ৰাইজক সেৱা কৰিলেগৈ। ৰাইজে ধৰি কলিয়াবৰলৈ স্বৰ্গদেৱৰ সন্মুখলৈ আনিলে। স্বৰ্গদেৱে একো নকৰি কলিয়াবৰলৈ ভটিয়াই পঠালে।

গড়গাঁৱলৈ লুইতেৰে উজাই অহা পিকচাইৰ নাতিয়েক ডেকাফুকনে নাও দেখা পাই ক'লে, :— "বাতৰা সোধা, নাও চপাই দে'।

পাছে নাও চপাই দিলত ভোটাইক দেখি ক'লে; " ই মানুহক এৰিলে নেজকটা বাঘক হে ৺দেৱে এৰিলে।" গতিকে চেতিয়াফুকনে স্বৰ্গদেৱক আজ্ঞাৰে চকু এটা কাঢ়ি নাক কাণ কাটি ভোটাইক এৰি দিলে। ভোটাইৰ ইয়াৰ পিছৰ জীৱনৰ বিষয়ে বুৰঞ্জী নিমাত।

এইদৰেই বহু দুৰভিসন্ধিৰ নায়ক, ক্ষমতা মহালোভী পৰশ্ৰীকাতৰ আৰু স্বয়ম্ভূৰাজ লালুকসোলা বুঢ়াফুকনৰ জীৱনৰ ইতি পৰে।

—ঃ গ্ৰন্থপঞ্জী ঃ—


(1) A History of Assam :— Sir. E. Guit
(2) আসাম বুৰঞ্জী — গুনাভিৰাম বৰুৱা।
(3) অসম বুৰঞ্জী সাৰ — Ed. Dr. P. C. Chaudhury
(4) সাতসৰী অসম বুৰঞ্জী — Ed. Dr. S. K. Bhuyan
(5) Tungkhungia Buranji (Eng) — do —
(6) বুৰঞ্জীৰ বাণী — — — do —
(7) কামৰূপৰ বুৰঞ্জী — — — do —

# মহৰ্ষি টলষ্টয়ৰ ভাবাদৰ্শৰ প্ৰতি মহাত্মা গান্ধীৰ দৃষ্টিপাতৰ এটি মূল্যায়ন

কুমাৰী বেবী শইকীয়া
স্নাতক ২য় বাৰ্ষিক ( কলা )

লিউ টলষ্টয় আৰু মহত্মা গান্ধী, দুজন বিশ্বৰ মহামানৱ। তেওঁলোক কোনো সময় বা দেশ বিশেষৰ নহয় — দুয়ো সকলো যুগৰ আৰু বিশ্বৰ। মহৰ্ষি আৰু মহত্মা দুয়োৰে আধ্যাত্মিক ভাৱধাৰা সত্যৰ প্ৰতি একাগ্ৰতা আৰু সাৰ্বজনীন মানবীয় বোধৰ ওপৰত অটল বিশ্বাসে তেওঁলোক বিশ্ববৰেণ্য পুৰুষ হিচাপে সমাদৃত হৈছে। টলষ্টয় আৰু গান্ধীজীৰ মাজত কোনো ব্যক্তিগত পৰিচয় নাছিল। কিন্তু চিঠি-পত্ৰৰ যোগেদি এই দুজন মহামানৱৰ মাজত এনে এটা সমন্ধ আৰু সমন্বয় ঘটিছিল যে ইজনে আনজনক নিবিড় ভাবে বুজি পাইছিল আৰু দুয়োৰে মাজত মত আৰু আদৰ্শৰ সাদৃশ্য আছিল। টলষ্টয় আৰু গান্ধী উভয়ে আছিল সত্যৰ পৰম পূজাৰী; দুয়োজনেই আছিল অত্যন্ত মানৱ দৰদী আৰু অহিংসবাদৰ পৰম প্ৰৱক্তা।

১৯১৭ চনৰ আগলৈকে ৰুচ সমাজত থকা বিভিন্ন ধৰণৰ অসমতা আৰু জনগনৰ দ্ৰাৰিদ্ৰই এই মহান ৰুচ সাহিত্যিকজনক অতীষ্ঠ কৰিছিল সেয়ে তেওঁ হীনতা, দীনতা আৰু পৰাধীনতাৰ পৰা সম্পূৰ্ণভাৱে মুক্ত এখন সমতাশীল সমাজ প্ৰতিষ্ঠাৰ সপোন দেখিছিল। আৰু সেই সপোন তেওঁৰ সৃজনীমূলক লেখনীৰ মাজেৰে প্ৰকাশ পাইছিল। টলষ্টয়ৰ দৰে গান্ধীজীয়েও এখন শোষণমুক্ত আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত সমাজ ব্যৱস্থাৰ সপোন দেখিছিল, যাক তেওঁ 'ৰামৰাজ্য' আখ্যা দিছিল।

দক্ষিণ আফ্ৰিকাত গান্ধীজীয়ে যেতিয়া শ্বেতকায় আমোলাতন্ত্ৰৰ বিৰুদ্ধে বৰ্ণবৈষম্যৰ নিচিনা অন্যায় প্ৰতিৰোধ কৰিবলৈ নেতৃত্ব বহন কৰিছিল, সেই সময়ৰ প্ৰথিতযশা ৰুচ সাহিত্যিক টলষ্টয়ৰ বহুতো পুথি পঢ়ি পৰমমুগ্ধ হৈছিল। দুয়োৰে মাজত ওপৰত উল্লেখ কৰা মতে কোনো ব্যক্তিগত পৰিচয় নাথাকিলেও এক গুৰু শিষ্যৰ সমন্বয় গঢ়ি উঠিছিল। গান্ধীজীয়ে টলষ্টয়ক গুৰু মানি লৈছিল, আৰু তেওঁৰ আত্মজীৱনী "মোৰ সত্য অন্বেষণৰ কাহিনীত" স্বীকাৰ কৰিছিল যে 'আধুনিক জগতত তিনিজন পুৰুষে মোৰ জীৱনত দ'কৈ সাঁচ বহুৱাইছে — ৰায়চাঁদ ভাইয়ে মোৰ জীৱন্ত সংস্পৰ্শৰে, টলষ্টয়ে " দি কিংদম অব্ গড্ উইদিন ইউ " নামৰ কিতাপ খনেৰে আৰু ৰস্কিনে "এণ্ড টু দি লাষ্ট" কিতাপখনেৰে মোৰ অন্তৰ জয় কৰিছিল।

১৯১৭ চনৰ অক্টোবৰৰ বিপ্লৱৰ ফল

স্বৰূপে ৰুচিয়াত সাম্যবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠা হোৱাৰ আগতে একাধিক ৰুচ লেখকে তেওঁলোকৰ লেখনিত ৰুচিয়াৰ প্ৰাক্‌বিপ্লৱ কালত শোষিত ৰুচ জনতাৰ দুৰৱস্থাৰ কাহিনী বৰ্ণনা কৰি সাম্যবাদী ৰেঙনিৰ আভাস দিছিল। এই লেখক সকলৰ ভিতৰত লিউ টলষ্টয় অগ্ৰগামী আছিল। তেওঁৰ গ্ৰন্থৰ ভাবধৰাই ভাৰতৰ মুক্তি সংগ্ৰামৰ নায়ক মহাত্মা গান্ধীক প্ৰভাৱান্বিত কৰিছিল। যি দৰে প্ৰভাৱান্বিত কৰিছিল বিশ্বৰ প্ৰগতিবাদী আৰু মানৱপ্ৰেমী আন বহুতো লোকক। মৌলিক কেতবোৰ চিন্তাধাৰাৰ ক্ষেত্ৰত গান্ধীজী আৰু টলষ্টয়ৰ মাজত ইমান মিল দেখা যায় যে এই দুজন মনিষীক পৃথকভাৱে বিচাৰ কৰিবলৈ টান হয়। সততা আৰু মানবীয়তাবোধৰ প্ৰতি ৰুচ লেখক লিউ টলষ্টয় আৰু ভাৰতৰ জাতিৰ জনক মহত্মা গান্ধীৰ অগাধ আসক্তি আৰু গুৰুত্ব দেখা যায়। যদিও টলষ্টয় ৰাজনীতিৰ পৰা সম্পূৰ্ণ বিৰত আছিল। তথাপিও সেই সময়ৰ ৰুচ জনসাধাৰণৰ দুৰৱস্থা তেওঁৰ ৰচনাৱলীত এনেদৰে প্ৰকাশ পাইছিল আৰু তাৰ দ্বাৰা চিন্তাশীল লোকৰ কাজত এনে দৰে প্ৰভাৱ বিস্তাৰ কৰিছিল যে, প্ৰগতিবাদী চিন্তাৰ ক্ষেত্ৰত টলষ্টয় এজন লেখত লবলগীয়া পথ-প্ৰদৰ্শক আছিল বুলি গ্ৰহণ কৰিব পাৰি।

ঈশ্বৰ আৰু সত্য অন্বেষণৰ ক্ষেত্ৰতো টলষ্টয় আৰু গান্ধীজীৰ ভাবধাৰা একে পৰ্য্যায়ত আছিল। সেয়ে টলষ্টয়ৰ গল্প, উপন্যাস, আৰু আন আন লিখনীবোৰত যি দৰে প্ৰকাশ হৈছিল সেইদৰে গান্ধীজীৰ প্ৰবচন আৰু লিখনীতো স্পষ্টভাৱে প্ৰকাশ পাইছিল।

বিশ্বপ্ৰেম, মানৱতা আৰু সততা সম্পৰ্কেও ঋষি টলষ্টয় আৰু গান্ধীজীৰ মতৰ মিল দেখা যায়। আগতে উল্লেখ কৰি অহা হৈছে যে, টলষ্টয় আৰু গান্ধীজীৰ মাজত ব্যক্তিগত সম্পৰ্ক ঘটা নাছিল যদিও টলষ্টয়ৰ চিন্তাধাৰাই গান্ধীজীক অনুপ্ৰেৰণা দিছিল। বিশেষকৈ সত্য আৰু মানৱতাৰ ভিত্তিত টলষ্টয়ে যি অক্ষয় কীৰ্তি ৰাখি থৈ গৈছে সেই কীৰ্তিৰ পৰাই গান্ধীজীয়ে অহিংস নীতি আৰু সত্য অন্বেষণৰ বাবে যথেষ্ট সমল পাইছিল আৰু তাৰ প্ৰভাৱত ভাৰতৰ মুক্তি সংগ্ৰামৰ বাবে গ্ৰহণ কৰা পন্থা শুদ্ধ পথত পৰিচালিত হৈছিল।

টলষ্টয়ে 'ৰামায়ণ' আৰু 'মহাভাৰতৰ' ৰুচ আৰু পশ্চিমীয়া ভাষাত অনূদিত সংস্কৰণ পঢ়িছিল। মহাভাৰতৰ কাহিনীয়ে টলষ্টয়ক সৌন্দৰ্য্যৰ যোগান দিছিল। টলষ্টয়ে "হোৱাট আই বিলিভ্"ত লিখিছিল, "আমি ধৰি লওঁ যে কোনো এটা কাম কৰিলে আমি তাৰ ফল প্ৰাপ্তিৰ বাবে দাবী কৰাৰ আৰু ফললাভৰ বিশ্বাসত নিৰ্ভৰ কৰোঁ; কিন্তু মানুহৰ তেনে কোনো দাবী হ'ব নোৱাৰে বা কৰিব নালাগে। ভগৱানে যি মংগল দিছে তাৰ কাৰণে মানুহ ভগৱানৰ ওচৰত চিৰ ঋণী। সেইবাবে তেওঁ কোনো লাভ আশা কৰিব নালাগে! ............ এইয়া সেৱা আৰু তেওঁৰ মংগলৰ বাবে আৱশ্যকীয় চৰ্ত।" টলষ্টয়ৰ এই কথাখিনি গান্ধীজীয়ে তেওঁৰ মাতৃভাষা গুজৰাটীত অনূদিত গীতাতো দেখিবলৈ পোৱা যায়। গতিকে স্বাভাবিকতেই টলষ্টয়ৰ এজন পৰম অনুগামী হিচাবে ৰাজনৈতিক জীৱনত এটা নতুন অধ্যায়ৰ সুচনা হৈছিল।

ৰুচিয়াৰ গণতান্ত্ৰিক আৰু সাম্যবাদী দাৰ্শনিক আৰু সাহিত্যিক কাউণ্ট লিউ টলষ্টয়ৰ

গল্পবোৰত ৰুচিয়া দেশৰ দুখীয়াৰ সৰল জীৱনৰ আভাস পোৱা যায়। ক্ষমা, দয়া, পৰোপকাৰ, ঈশ্বৰভক্তি, পৰিশ্ৰম, আত্মনিৰ্ভৰ — এইবোৰক লৈয়ে টলষ্টয়ৰ গল্পবোৰ লিখিত হৈছে। ইয়াৰ উদ্দেশ্য হৈছে দুখীয়া দৰিদ্ৰৰ গাত স্বাভাৱিকতে থকা মানৱাত্মাক পোহৰলৈ অনা আৰু তেওঁলোকৰ দুৰৱস্থাৰ প্ৰতি সমাজ সংস্কাৰক আৰু চিন্তাশীল লোকৰ দৃষ্টি আৰ্কষণ কৰা। মানৱ সমাজৰ মূল ভেটি খেতিয়ক সকল। কিন্তু তেওঁলোকৰ কাৰণে উপযুক্ত শিক্ষাৰ ব্যৱস্থা নাই। প্ৰপীড়িত সমাজ ব্যৱস্থাই দেশখনক মষিমূৰ কৰে।

সমাজত যেতিয়া অন্যায়, অবিচাৰ, অত্যাচাৰৰ প্ৰকোপ বেছি হয়, ভগৱানে তেতিয়া বলীৰ হাতৰ পৰা দুৰ্বলীক ৰক্ষা কৰিবৰ বাবে একোজন মহাপুৰুষ পঠিয়ায়। তেওঁ দুৰ্বলক প্ৰেৰণা দিয়ে, মানুহৰ চিন্তা আৰু অনুভূতি জগাই তোলে। দুখীয়াৰ প্ৰতি টলষ্টয়ৰ অন্তৰে কান্দি উঠিছিল, তেওঁ। কৈছিল "ভগৱানৰ ইচ্ছাত আমি পৃথিবীলৈ আহিছোঁ। ভগৱানৰ ইচ্ছামতে চলিবলৈ হ'লে সকলো প্ৰাণীকে ভাল পাব লাগিব। লোকসেৱাত আত্মনিয়োগ কৰাই আমাৰ পৃথিবী আগমনৰ উদ্দেশ্য। ভগৱানৰ ওচৰত সকলো সমান আৰু য'তে প্ৰেম, ত'তে ভগৱান। মুক্তিৰ উপায় ধৰ্ম আৰু সৎকামেই ধৰ্ম।" এই একে ভাৱতে উদ্বুদ্ধ হৈ মহামানৱ মহত্মা গান্ধীয়ে দৰিদ্ৰ নাৰায়ণৰ সেৱাত আত্মনিয়োগ কৰিছিল।

ঋষি টলষ্টয়ে যি সত্য প্ৰচাৰ কৰিছিল তাক তেওঁ নিজ জীৱনত প্ৰকাশ কৰিছিল। খেতিয়কৰ কাৰণে পঢ়াশালি পাতি দিছিল। বাঁৰী মানুহৰ ঘৰ বান্ধিছিল, খেতিয়কৰ হৈ পুৱাতে কাম কৰিছিল, দীন দুখীয়াৰ কাৰণে সকলো ধন ৰত্ন দান কৰিছিল, আৰু যীশুৰ ধৰ্মৰ বাণী শুনাইছিল। ইয়াত থকা সাৰুৱা কথা, জ্ঞানগৰ্ভ উপদেশবোৰ তেওঁ খেতিয়কক নিজে দিয়া উপদেশ। আকালৰ সময়ত টলষ্টয়ৰ সাধুত" বুঢ়া এলিচাই দুখীয়াক সহায় কৰা কথা টলষ্টয়ৰ আত্মজীৱনী মাথোন। ১৮৯১ চনৰ আকালৰ সময়ত তেওঁ যথাসৰ্বস্ব ত্যাগ কৰিছিল।

কবি ৰবীন্দ্ৰনাথে টলষ্টয়ক "মানৱজাতিৰ শিক্ষক" বুলি অভিহিত কৰি শিক্ষাৰ সংস্কাৰ নামৰ প্ৰবন্ধ এটাত এনেদৰে লিখিছিল "বৰ্ত্তমান সময়ত যি জন মানৱ জাতিৰ শিক্ষক যাৰ কথাৰ প্ৰতি সকলোৰে মন দিব লাগে সেইজন হৈছে লিউ টলষ্টয়।"

মস্কো "লিটাৰেচাৰণা গেজেট' লৈ টলষ্টয়ৰ পঞ্চাচ ৰছৰীয়া মৃত্যু বাৰ্ষিকী উপলক্ষে জৱাহৰলাল নেহৰুৱে তাঁৰ বাৰ্ত্তা এটাত কৈছিল, "যি সকল য়ুৰোপীয় লেখকৰ নাম আৰু লেখনী ভাৰতত জনাজাত তাৰ ভিতৰত টলষ্টয়ো এজন। তাৰ কাৰণ টলষ্টয়ৰ বিৰাট সাহিত্য প্ৰতিভাই নহয়; টলষ্টয় আৰু আমাৰ ভাৰতৰ মহত্মা গান্ধীৰ মাজত থকা আত্মিক সহযোগিতাৰ কাৰণেও। গান্ধীজী আছিল টলষ্টয়ৰ এজন পৰম গুণমুগ্ধ লোক আৰু গান্ধীজীৰ ব্যক্তিত্ব বিকাশৰ সময়চোৱাত তেওঁ টলষ্টয়ৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। সেয়ে এনে এজন মহান ৰুচ লিখকৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ পাই ধন্য মানিছোঁ।

ডঃ ৰাজেন্দ্ৰ প্ৰসাদে টলষ্টয় আৰু মহাত্মা গান্ধীৰ কথা উল্লেখ কৰি কৈছিল:

গান্ধীজী তেওঁৰ দৰ্শন আৰু কাৰ্য্যক্ৰমণিকা যুগুত কৰোঁতে ৰুচিয়া তথা টলষ্টয়ৰ সৈতে আত্মীয়তাবোধ অনুভৱ কৰিছিল। কাৰণ টলষ্টয়ে আধুনিক ভাৱধাৰাৰ ওপৰত ডাঙৰ প্ৰভাৱ পেলাইছিল আৰু গান্ধীজীৰ জৰিয়তে যুদ্ধ আৰু শান্তি সম্পৰ্কে আমাৰ ধ্যান-ধাৰণাৰ ওপৰতো টলষ্টয়ে প্ৰভাৱ আনিছিল।

আনহাতেদি মহাত্মা গান্ধীৰ আদৰ্শ, মুক্তি সংগ্ৰাম আৰু মানৱ জাতিৰ বিষয়ে একাধিক ৰুচ প্ৰাচ্য তত্ত্ববিদ আৰু ৰাজনৈতিক সমীক্ষকে গান্ধীজীৰ ওপৰত পুথি লিখিছিল। তাৰ ভিতৰত এ - ভি লিট্‌মেনে লিখা গান্ধীৰ ৰাজনৈতিক মত' নামৰ পুথিখন উল্লেখযোগ্য। লিট্‌মেনে এই পুথিত গান্ধীৰ বিষয়ে এইদৰে লিখিছিল "দাৰ্শনিক, সামাজিক আৰু ৰাজনৈতিক চিন্তা জগতৰ ইতিহাসত গান্ধীৰ আদৰ্শ এটা উজ্জ্বল পৃষ্ঠা আৰু তেওঁৰ সেই আদৰ্শত বিজ্ঞান-ভিত্তিক আৰু মাৰ্ক্সীয় ব্যাখ্যা প্ৰকাশ পাইছে আৰু সেই থিওৰি আৰু কাৰ্য্যকাৰিতাৰ ফালৰ পৰা অৰ্থপূৰ্ণ কিয়নো তাৰ যোগেদি আধুনিক ভাৰতবৰ্ষৰ ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ মূল্যায়ন কৰিব পাৰি।"

গান্ধীজীৰ জন্ম জয়ন্তী উপলক্ষে ছোভিয়েত গণতন্ত্ৰ সংযুক্ত ৰাজ্যৰ বিজ্ঞান একাডেমিৰ প্ৰাচ্যবিদ্যা অনুষ্ঠানৰ ভাৰত-বুৰঞ্জী শাখাৰ প্ৰধান ই - এন কমৰভৰ লিখিত প্ৰবন্ধ এটাৰ এঠাইত এইদৰে বৰ্ণনা কৰিছে — "লেনিনে আঙুলিয়াই দিছিল যে শোষণ আৰু সামাজিক উৎপীড়নত সেই সময়ত প্ৰায় সকলো কৃষক অশান্তহৈ উঠিছিল আৰু সেয়ে টলষ্টয়ে কৈছিল- কৃষক শ্ৰেণীয়ে কান্দিছিল, প্ৰাৰ্থনা কৰিছিল আৰু নীতিৰ কথা আওৰাই শোষণকাৰীহঁতক কঠোৰ নহ'বলৈ আবেদন কৰিছিল। কৃষক শ্ৰেণীয়ে মুক্ত হোৱাৰ সপোন দেখিছিল। টলষ্টয়ৰ বাণীত উৎপীড়ন আৰু শোষণৰ বিৰুদ্ধে প্ৰতিবাদ আৰু আকাশত চাংপতাৰ সপোন প্ৰকাশিত হৈছিল। সেইদৰে গান্ধীৰ বাণীতো আমি মূলতঃ একে কথাই পাওঁ। অৱশ্যে উল্লেখযোগ্য যে, গোটেই সমস্যাটো অন্যায় আৰু ইচ্ছাৰ অতিক্ৰম কৰা গান্ধী আৰু টলষ্টয়ৰ উদ্দেশ্য নাছিল। ৰাজনৈতিক নিৰ্যাতন আৰু অৰ্থনৈতিক শোষনৰ বিৰুদ্ধে দুয়োজনে সংগ্ৰাম কৰিবলৈ বিচাৰিছিল।"

টলষ্টয় আৰু গান্ধীৰ আদৰ্শগত ঐক্য মুক্তি সংগ্ৰামৰ যোগেদি গঢ়ি উঠিছিল; তাৰ আন কোনো দিশ নাছিল। এই সংগ্ৰামে ৰুচিয়া আৰু ভাৰতৰ জনসাধাৰণক ক্ৰমাগত ভাৱে আকৰ্ষণ কৰিছিল। এইদৰে দুয়োদেশৰ মাজত এটা পৰস্পৰ সম্বন্ধ আৰম্ভ হৈছিল। ভাৰতত বৃটিছ কৰ্তৃক সাৰ্ব্বজনীন ভ বে বৰ্জন কৰাৰ কথা ১৯০৫- ৭ চনৰ ৰুচ বিপ্লৱ জাৰ তান্ত্ৰিকতাৰ বিৰুদ্ধে হোৱা সংগ্ৰামী পৰিৱেশৰ দ্বাৰা উৎসাহিত হৈছিল আৰু ১৯০৫ চনৰ সদৌ ৰুচ ৰাজনৈতিক ধৰ্মঘট এই ৰুচ বিপ্লৱৰ অন্যতম ডাঙৰ ঘটনা হৈছিল। টলষ্টয়ৰ শক্তিশালী বাণীয়ে ভাৰতবৰ্ষক স্পৰ্শ কৰিছিল আৰু সেয়ে আনিছিল উৎপীড়নৰ বিৰুদ্ধে কৰা আন্দোলনৰ ৰুচ অভিজ্ঞতা। এইটো নকলেও হয় যে এই অভিজ্ঞতা আছিল টলষ্টয়ে তাক যিদৰে বুজিছিল। গান্ধীজীয়ে ৰুচ অভিজ্ঞতা স্বকীয় জ্ঞানেৰে বিবেচনা কৰিছিল আৰু নিজৰ ভাবধাৰাৰ লগত খাপ খোৱা খিনি গ্ৰহণ কৰিছিল। ৰুচিয়াৰ ঘটনা প্ৰবাহত ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজত এটা সাধাৰণ সংগ্ৰাম বুলি গান্ধীয়ে অনুমানহে কৰিছিল আৰু এই সংগ্ৰামক ভাৰত বৃটিছ স্বেচ্ছাচাৰিতাৰ লগত তুলনা কৰিছিল। প্ৰকৃততে জাতীয়

নেতৃত্ব গ্ৰহণ কৰি শ্ৰেণী নিৰ্বিশেষে সকলো ভাৰতীয় মানুহক বিদেশী উৎপীড়নৰ পৰা মুক্ত কৰাৰ সপোন দেখিছিল ।

লিউ টলষ্টয় আৰু মহাত্মা গান্ধীৰ সম্পৰ্কে এই সাধাৰণ সমীক্ষাৰ পৰা দেখা যায় যে এই মহান ব্যক্তি দুজনৰ চিন্তাধাৰা, জীৱনাদৰ্শ আৰু গ্ৰন্থসমূহে পৰৱৰ্ত্তী ভাৰতীয় তথা ৰুচ প্ৰগতিবাদী লেখকসকলক আৰু তেওঁলোকৰ জৰিয়তে আন জনসাধাৰণক প্ৰভাৱান্বিত কৰিছিল, সেই প্ৰভাৱ আজিও মাৰ যোৱা নাই আৰু ভৱিষ্যতেও মাৰ নেযাব। বৰঞ্চ টলষ্টয় আৰু গান্ধীজীৰ যুগল আদৰ্শই ভৱিষ্যত বংশধৰ সকলক সদায় উদ্বুদ্ধ কৰি থাকিব। এই দুজনা মহামানৱৰ আদৰ্শই মানৱজাতিক সকলো অন্যায় অসত্য আৰু উৎপীড়নৰ বিৰুদ্ধে যুঁজ দিবলৈ শক্তি আৰু সাহস যোগাব। টলষ্টয় আৰু মহাত্মা গান্ধীয়ে যি সত্য, যি চিৰন্তন আৰু যি অহিংসাৰ যোগেদি মানৱ জাতিৰ সেৱা কৰি বিশ্বশান্তি প্ৰতিষ্ঠাৰ বাট মুকলি কৰিলে । সেই আদৰ্শই সেই চিন্তাধাৰাৰ কাৰণেই মহৰ্ষি টলষ্টয় আৰু মহাত্মা গান্ধী বিশ্বৰ বৰণীয় মহানব্যক্তি ।

ভাৱতকৈ ভাষা আগেয়ে ব্যক্ত হয় । গতিকে আগৰটিতকৈ পাচৰটি সদায়েই এখোজ আগ । সেইদৰেই দূৰৈ ভৱিষ্যতৰ সম্পৰ্কত, ভাষাতকৈ সাহিত্য সদায় এখোজ আগবাঢ়ি যায় । আৰু কোনো এটা জাতিয়ে জাতীয়ত্বৰচিনাকী দিবলৈ হলে জাতীয় ভাষা আৰু সাহিত্যইহে আগধৰি সেই চিনাকী দিয়ে কাৰণ, জাতীয় অন্তৰত ভাব, চিন্তা, তেজ আৰু প্ৰতিভাবান ওলাবলৈ ভাষা আৰু সাহিত্যত বাজে সুগম বাট আন নাই ।

— পদ্মনাথ গোহাঞিৰ বৰুৱা

# বিষ্ণুৰাভা ঃ- অসমীয়া সাহিত্য-সংস্কৃতিত তেওঁৰ স্থান আৰু অৱদান

—প্ৰাঞ্জলি বৰ গোহাঁই
প্ৰাক্ স্নাতক প্ৰথম বাৰ্ষিক ( কলা)

প্ৰাক্ স্বাধীনতা আৰু স্বাধীনোত্তৰ অসমত এক স্পষ্ট সামাজিক চেতনাৰে আৰু এক অবিৰত সাধনাৰ মনোবৃত্তিৰে শিল্প সাহিত্যৰ সেৱা আৰু বৌদ্ধিক চিন্তা চৰ্চাত ব্ৰতী হোৱা মুষ্টিমেয় ব্যক্তি কেইজনৰ ভিতৰত কলাগুৰু বিষ্ণুৰাভা অন্যতম। অসমীয়া সংস্কৃতিৰ আধাৰ হ'ল জনজাতীয় তথা লোক-সংস্কৃতি আৰু ভাৰতীয় সংস্কৃতি। অসমীয়া জাতীয় জীৱনত আৰু সাহিত্য সংস্কৃতিৰ জগতখনিত যুগজয়ী ঝংকাৰ সৃষ্টি কৰি অমৰ হোৱা শিল্পী বিষ্ণুৰাভা শাৰীৰিক ভাৱে আজি অনুপস্থিত।

বিষ্ণুৰাভা প্ৰকৃত প্ৰতিভাৰ এক চিৰ উজ্জ্বল নিদৰ্শন, তেওঁ আছিল একেধাৰে তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ, কবি, সাহিত্যিক, কথা-শিল্পী, সমালোচক, প্ৰবন্ধকাৰ, গীতিকাৰ গায়ক, যন্ত্ৰ-শিল্পী, সঙ্গীতজ্ঞ, নৃত্য নটুৱা, মঞ্চ অভিনেতা, নাট্যকাৰ, কথাছবিৰ শিল্পী, ৰাজনীতিবিদ, সমাজবাদী, আৰু প্ৰকৃতাৰ্থত বিপ্লৱী, নৃতত্ত্ব, ভাষাতত্ত্ব, ভূগোল, বুৰঞ্জী, অৰ্থনীতি, সমাজতত্ত্ব, প্ৰভৃতি বিষয়ত তেওঁৰ জ্ঞান আছিল বিস্তৃত আৰু গভীৰ। কুৰি শতিকাৰ অবিভক্ত অসমৰ জাতি উপজাতি আৰু পৰ্বত ভৈয়ামৰ সম্প্ৰীতিৰ সেতু তৈয়াৰ কৰিব পাৰিছিল তেওঁৱেই। জাতিধৰ্ম্ম ভাষা নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকৰ মনত তেওঁ আছিল সমন্বয়ৰ জীৱন্ত প্ৰতীক।

কলাগুৰু আৰু ৰূপকোঁৱৰ 'কলা কলাৰ বাবে' বুলি ধাৰণা কৰা শ্ৰেণীৰ শিল্পী নাছিল। কলা সংস্কৃতি শিল্পীৰ বস্তু নহয়, ই জনতাৰ সম্পত্তিহে। জনতাবিহীন শিল্পীও "মাজপানীত বৈ থকা অচল জাহাজ।" জ্যোতিপ্ৰসাদৰ ওপৰত বিষ্ণুৰাভাৰ গভীৰ প্ৰভাৱ পৰিছিল। প্ৰকৃতাৰ্থত দুয়ো আছিল সহকৰ্মী। কলাগুৰুৰ সহকৰ্মী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে কৈছিল —"শিল্পী আমি বুজি পোৱাৰ দৰে সপোন কুঁৱলীৰ মাজত সোমাই থকা বিচিত্ৰ প্ৰাণী বিশেষ নহয়।" তেওঁ শিল্পীৰ আদৰ্শ মানৱ, তেনে মানৱে শিল্পক অৱসৰ বিনোদনৰ সামগ্ৰীৰূপে গ্ৰহণ নকৰে, মানুহৰ সুখ দুখত তেওঁ শিল্পীয়ে হাঁহিব-কান্দিব, বোকা পানী গচকা মানুহবোৰৰ হাতত সংস্কৃতিৰ অপৰূপ সম্পদ তুলি দিব, তেওঁ লোকৰ কল্যাণৰ বাবে প্ৰতিৰোধ সংঘটিত কৰিব। শিল্পী কলাগুৰুৱে কৈছিল

"ৰাইজৰ অন্তৰ ফুলনিত ফুলে ফুলে উৰি উৰি পৰি পৰি মৌগুটি ভোমোৰাৰ দৰে শুহি শুহি মই মোৰ হৃদয়ত মৌ কোঁহ ৰচনা

কৰোঁ । সেই ৰাইজৰেই মৌ মই ৰাইজক বিলাওঁ । সি মোৰ কোনো নিজস্ব নহয়.... ...শিল্পীৰ ই ধৰ্ম্ম ।"

যি সময়ত অসমীয়া শিল্পী সাহিত্যিক সকলে নতুন অসম বৃহত্তৰ অসম, সংগঠিত অসমৰ বিভিন্ন আঁচনি হাতত লৈছিল সেই সময়তেই বিষ্ণুপ্ৰসাদে মহানগৰী কলিকতাত চৌষষ্ঠি কলাৰে পৰিপূৰ্ণ সুন্দৰ অসম এখনৰ কথা ভাবিছিল । ৰাভাদেৱে সাহিত্য জগতত, নৃত্য সংগীত জগতত, ৰাইজৰ সমাবেশত সভ্ৰত, শিক্ষা কেন্দ্ৰত, কৃষ্টিকেন্দ্ৰত যি প্ৰতিভাৰ পৰিচয় দিছিল সি আছিল আজন্ম । কোনো জাতিৰ ভাষা-সংস্কৃতিৰ বিকাশত হেঁচা মাৰি থকাৰ অধিকাৰ বা তাৰ অধিকাৰ সমূহ খৰ্ব কৰাৰ অধিকাৰ কাৰো নাই ।

বিষ্ণুৰাভাই অসমীয়া জাতিৰ দুৰ্দ্দশা আৰু অৱনতিৰ কাৰণ বিচাৰি পাইছে জাতীয় চেতনাৰ অৱলুপ্তিত । শঙ্কৰী কৃষ্টিৰ আলম লৈ যেতিয়া এচাম অসমীয়া লোকে থলুৱা জনজাতীয় সকলক অৱজ্ঞাৰ চকুৰে চালে, তেতিয়া তেওঁ উপলব্ধি কৰিলে যে অতীতত শংকৰদেৱৰ পথ যিমানেই ফলপ্ৰসূ নহওক জটিল আৰু চঞ্চল বিংশ শতাব্দীত তাৰ কাৰ্য্যকাৰিতা কমি আহিছে । তেওঁ বুজিব পাৰিলে যে অসমীয়া জাতিৰ দুৰ্দশাৰ কাৰণ আধ্যাত্মিক চেতনা লুপ্তি নহয়, বৰং - শোষণহে তেওঁ ভালকৈ বুজি পালে যে মধ্যযুগীয় শংকৰী কৃষ্টিৰ সাঁচত নহয় । সেয়েহে তেওঁ অসমত সৰ্ব্ব প্ৰথম বাৰৰ বাবে "শ্ৰমিক কৃষক শ্ৰেণীৰ ৰঙা পতাকাৰ গীত ৰচনা কৰিলে । —

আমি খুৱাওঁ বিশ্ববাসীক
মাটি ফালি ধান
আমি যোগাওঁ ধনী -শ্ৰেণীক
অস্ত্ৰ শক্তিমান ।
কাৰখানা কল আমাৰ সৃজন
পথাৰ সুবহল ।
তেওনো কিয় আমাৰ এনে
আলে বিলৈ হ'ল !?
অ' অসমীয়া আগবাঢ়ি যাওঁ বল
ৰঙা তেজৰ নিচানটি লৈ
আগবাঢ়ি যাওঁ ব'ল ।

ভাবাদৰ্শৰ এই পৰিবৰ্ত্তনৰ ফলত সংস্কৃতি সম্পৰ্কে তেওঁৰ ধাৰণা সলনি হ'ল, ধনতন্ত্ৰত সংস্কৃতি, বিলাসী শ্ৰেণীৰ ধেমালি, শিল্পী শোষক শ্ৰেণীৰ অৱসৰ বিনোদনৰ ক্ৰীতদাস । ধুলি মাকতিৰে মলিন হৈ জনসাধাৰণৰ মাজত লুকাই থকা লোক-সংস্কৃতিৰ প্ৰতিও লগে লগে বিষ্ণুৰাভাৰ মনোভাৱৰ পৰিবৰ্ত্তন হ'ল । লোক-কৃষ্টিৰ নিদৰ্শনৰ মাজত তেওঁ প্ৰত্যক্ষ কৰিলে জনগণৰ আত্মিক শক্তিৰ মহিমা । উচ্চাংগ সংগীতৰ প্ৰতি তেওঁৰ প্ৰৱল ৰাপ থকা স্বত্বেও ইয়াৰ অন্যতম প্ৰধান পৃষ্ঠপোষক ত্ৰিপুৰা ৰাজভৱনলৈ নিমন্ত্ৰণ প্ৰত্যাখান কৰিলে । বন্ধু আৰু সহযোগী গজেন বৰুৱাক তেওঁ কৈছিল ঃ "গজেন, মই নাযাওঁ, কেতিয়াও নাযাওঁ । তুমিও যাব নোৱাৰা, মহাৰজাহঁতে আমাক বান্দৰতকৈ বেছি নাভাবে । আমাৰ সংস্কৃতি বা জনগণৰ সংস্কৃতি আৰু শক্তিৰ সিহঁতে কি মূল্য বুজে ? কৃষ্টি, সংস্কৃতি সিহঁতৰ মস্কৰা, অৱসৰ বিনোদনৰহে ।" ১৯৪৫ চনত কহিমাত অসমীয়া সংস্কৃতিৰ চমু আভাস নামেৰে দিয়া ভাষণ প্ৰসংগত তেওঁ কৈছিল ঃ—

"......... অসমীয়া কৃষ্টি সংস্কৃতি আৰু সভ্যতা নিৰ্য্যাতিত নিষ্পেষিত দুখীয়া গাঁৱলীয়া

কৃষক বন্ধুৱা অসমীয়াহে আজিও অৱহেলিত ভাৱে জীয়াই ৰাখিব পাৰিছে। কিন্তু যিবিলাক ধনী জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগিচাৰ মালিক, তেওঁলোকে অসমৰ এই বাপতি সাহনীয়া সম্পত্তি, অসমৰ কৃষ্টি সংস্কৃতি মস্কৰা আৰু আমোদৰ উপকৰণ বুলি ইতিকিং কৰি নিষ্ঠুৰ আনন্দ লাভ কৰে । কিন্তু তেওঁলোক জানো অসমীয়া। তেওঁলোক জানো ভাৰতীয় নাগৰিক ? তেওঁলোক অসমীয়া নহয় আৰু ভাৰতীয় নাগৰিকো নহয় । আজি যাৰ হৃদয়ত জেতুকা পাতৰ দৰে ৰঙা বোল সোমাই আছে, যাৰ অন্তৰত আভ্যন্তৰত ধেতুৰাৰ কলীয়া ৰেণু লুকাই আছে যাৰ হিয়াৰ আমঠু সদায় নিষ্পেসিত, নিপীড়িত, নির্য্যাতিত, অত্যাচাৰিত হৈ চিৰকাল পুৰি ছাই হৈ গৈছে । সেই কৃষক বন্ধুৱা অত্যাচাৰী অসমীয়া দলৰ গল্প, উপন্যাস, নাটক ছবি, মূৰ্ত্তিনাম, বোলছবি, ৰেখা কাঁহি, প্ৰকাশ কৰিবৰ অৰ্থ নাই, সামৰ্থ নাই সময় নাই, তেতিয়াহে প্ৰকৃত শিল্পৰ উৎকৰ্ষ সাধন হব ।

বিশ্বৰ ছন্দে
ছন্দে মহানন্দে
আনন্দে নাচা
নাচা তমোহৰ দেউ !
নাচা !!

শিৱৰ তাণ্ডৱ নাচ ৰাভাই নাচিছিল। নাচিছিল বিশ্বৰ ছন্দে ছন্দে তমোহৰ দেউৰ নাচ । শাস্ত্ৰীয় বিধি আয়ত্ব কৰি এই নাচৰ তেওঁ পৰিকল্পনা কৰিছিল । তাৰ উদ্দেশ্য আছিল বড়োৰ "বাথৌ, আৰু শিৱ একেই । শিৱ লোক দেৱতা । এই শিৱৰ নাচ সংগ্ৰাম সংহতি আৰু সৃষ্টিৰ নাচ । কিৰাত পুত্ৰ বিষ্ণুৰাভাই বুজিছিল অসমৰ মাটিত জাতি-উপজাতি আছে, বিভিন্ন ভাষা গোষ্ঠী আছে। এইটো বাস্তৱ ঘটনা । এই নাচৰ মাজেদি তেওঁ আনিব খুজিছিল সংহতি, অসমীয়া জাতীয় সংহতি । তেওঁ তাণ্ডৱ নৃত্যক এটি নতুনত্ব দিছিল আৰু অভিনৱত্ব । তাণ্ডৱ নৃত্যত ১০৮ বিধ কাৰণ থাকিব লাগে আৰু এই ১০৮ বিধ চিদাম্বৰম শিৱ মন্দিৰত খোদিত হৈ আছে। কলাগুৰুৱে এই ১০৮ বিধক অতিসুন্দৰ ভাৱে তেওঁৰ নৃত্যত দেখুৱাব পাৰিছিল ।

অৰ্গেন, বেহেলা, চেতাৰ, এচৰাজ, তবলা, আদি বিভিন্ন বাদ্যযন্ত্ৰত তেওঁ পৈণত আছিল । অসীম সঙ্গীত শাস্ত্ৰকো বিষ্ণুপ্ৰসাদে ঘাটি মথি সাধনা কৰি কণ্ঠ, হৃদয়, মন, দেহ আৰু বুদ্ধিৰ অধীন কৰি লৈছিল । ৰবীন্দ্ৰ সংগীতৰ প্ৰতিও তেওঁৰ ধাউতি জন্মিছিল আৰু সেই নব্য সঙ্গীততো এজন সুগায়ক হৈ উঠিছিল । গাঁৱৰ মাজেদি বাইচাইকেলেৰে ঘুৰি তেও আৰু তেওঁৰ সহযোগী সকলে গাৱলীয়া মানুহৰ মাজত বহি তেওঁলোকৰ অৰ্থনৈতিক সামাজিক, সাংস্কৃতিক সকলো ধৰণৰ কথাকেই আলোচনা কৰিছিল । ৰাভাই বনগীত মিৰি, গাৰো, কাৰ্‌বি, মণিপুৰী, খাছি, নগা, মিজো, ত্ৰিস্বৰাত্মক বড়োগীত, ৰাভাগীত আদি ভাষাৰ গীতেৰে সাত ভনীৰ সংস্কৃতিৰ লগত কলিকতীয়া সমাজৰ পৰিচয় ঘটাই দিছিল । হিন্দী ভজন, নেপালী ভাষাৰ খুহটীয়া গীত আৰু ৰবীন্দ্ৰ সংগীত উৰিয়া, ভূটীয়া আদি গীত গাই অন্তৰ জয় কৰিছিল । উচ্চমান বিশিষ্ট সংগীতত থকা তেওঁৰ পটুতা, শাস্ত্ৰীয় নৃত্যত থকা তেওঁৰ স্বাভাৱিক ঘুৎপত্তি বিভিন্ন বাদ্যযন্ত্ৰত থকা তেওঁৰ নিপুৰ্ণতা আদি সীমাহীন তেনে শ শ লোকক তেওঁ মুগ্ধ কৰিছিল । ৰাভাদেৱে কোঁৱৰৰ গীতৰ এটি অপৰূপ বৈশিষ্ট আবিষ্কাৰ কৰিছিল ; যিটো ৰূপকোঁৱৰে আগেয়ে জনা নাছিল । বৰগীত

বনগীত হ'ব নোৱাৰে ; কিন্তু নিশাচৰ নাশ নিদানাৰ সুৰৰ আধাৰত তাৰ পৰা কালোপযোগী ন-গীত ৰচিত হ'ব পাৰে ।

কলাগুৰু এজন সুনিপুণ চিত্ৰকৰ আছিল তেওঁ নটৰাজৰ চিত্ৰ আঁকিছিল। আঁকিলে শংকৰদেৱৰ চিত্ৰ । ট্ৰাইবেল শ্ৰীমন্ত শংকৰদেৱৰ চিত্ৰ বৰগায়নৰ ছবি । শিল্পীৰ ছবি, আৰু দুই এজন চিত্ৰকাৰে শ্ৰীমন্ত শংকৰদেৱৰ কাল্পনিক চিত্ৰ আঁকিছে, শিল্পী ৰাভাদেৱৰ চিত্ৰই যুক্তি যুক্তভাৱেই শ্ৰেষ্ঠ স্থান লাভ কৰি আছে ।

কলাগুৰুৱে গ্ৰামোফোন ৰেকৰ্ডৰ জৰিয়তে অসমৰ সংগীত জগত ল বহু অমৰ গীত আৰু সুৰ সৃষ্টি কৰি গৈছে। দুৰ্ভাগ্যক্ৰমে তাৰে গতি কম সংখ্যক গীতহে প্ৰকাশ পালে আৰু তাৰ কেইটামান গীত ৰেকৰ্ড কৰা হ'ল । ৰেকড্ কৰা গীত সমূহ হৈছে বেউলা, জন্মাষ্টমী, বৰদৈচিলা, ৰত্না, বিহুৱতী, শংকৰদেৱ মাধৱদেৱ । সুৰৰ ওপৰত তেওঁৰ গভীৰ জ্ঞান আছিল । জ্যোতি সংগীতৰ সকলো গীতৰ স্বৰলিপি কৰি তেওঁ "জ্যোতিৰগান" নাম দিছিল। কিন্তু দুৰ্ভাগ্য "জ্যোতিৰ গান" প্ৰকাশ হ'বলৈ নাপালে । তেওঁ ৰাজনৈতিক দুৰ্যোগত পৰি অজ্ঞাত বাসৰ সময়ত ঘুৰি ফুৰোঁতে সেই মূল্যবান বহীখন হেৰুৱালে । তেওঁক জ্যোতিপ্ৰসাদে কৈছিল, —" হেৰা বিষ্ণু যাতে মোৰ গানৰ সুৰবিলাক আনে ভুলকৈ নাগায় ।"

কলাগুৰু সুদক্ষ অভিনেতা আৰু নাট্যকাৰও আছিল। কলিকতাৰ মচুৱা বজাৰত ফেন্সি ড্ৰেছ একজিবচিনত ৰাভাই ভিক্টৰ হিউগোৰ Hunehlava of Notudamy চৰিত্ৰটোৰ অভিনয় কৰি বিশিষ্ট অতিথি জে, চি বসুৰ পৰা মন্তব্য পাইছিল এইদৰে,—" শ্ৰীমান ৰাভাই ভাৰতৰ বোলছবি জগতত নিশ্চয় সুখ্যাতি লাভ কৰিব পাৰিব ।"

১৯৩১ চনত তেওঁ কলেজ এৰি আহি মণিৰাম আৰু কেইজনমান সংগীত প্ৰেমীৰ লগত লগ লাগি কলিকতাৰ ভৱানীপুৰত এগ্ৰো পিকচাৰ্চ কৰ্পৰেচন খুলি কথাছবি নিৰ্মানৰ বাবে প্ৰস্তুতি চলালে । সেই সময়ত কথাছবি বিষয়ক শিক্ষালৈ অসমলৈ ঘুৰি অহা জ্যোতিপ্ৰসাদৰ সৈতে তেওঁ লগ লাগে । দুয়ো একেলগে প্ৰথম অসমীয়া কথাছবি "জয়মতী" নিৰ্মাণত ব্ৰতী হ'ল । তাৰ পাছত বোহিনী কুমাৰ বৰুৱাৰ কথাছবি "মনোমতী" নৃত্য পৰিচালক "চিৰাজ" কথাছবিত যুটীয়া পৰিচালক "পিয়লি ফুকন" ছবিত প্ৰধান উপদেষ্টা, "এৰাবাটৰ সুৰ" —"মাহুত বন্ধু ৰে' আৰু প্ৰতিধ্বনি" অসমীয়া কথাছবিৰ ক্ষেত্ৰত সু-কাহিনী সু-অভিনয়, সু-পৰিচালনাৰ নিদৰ্শন ৰূপে আজি কোপতি সকলোৱে চিত্ৰাৱলী পিক্চাৰ্চৰ দ্বাৰা নিৰ্মিত "চিৰাজ'ৰ নাম লয় । হিন্দু মুছলমানৰ মিলা প্ৰীতিৰ উজ্জ্বল আদৰ্শ থকা এই খনি কথাছবিৰ নাম ভূমিকাত অভিনয় কৰি ফণী শৰ্ম্মাই এগৰাকী অতি উচ্চমানৰ অভিনেতা ৰূপে স্বীকৃতি পায় । — বিষ্ণুৰাভা আৰু ভূপেন হাজৰিকায়ো ইয়াত দুটি চৰিত্ৰৰ ৰূপ দিছিল ।

সাহিত্যিক হিচাবেও তেওঁৰ অৱদান প্ৰসংশনীয় । বাঁহী, আৱাহন, দৈনিক অসম, অসম বাণী আদিত তেওঁৰ বিভিন্ন ৰচনা প্ৰকাশ পাইছিল । অকল সেয়ে নহয় তেও বিপ্লৱী জীৱনত বাগৰি ফুৰা দিনবোৰত য'তে ত'তে এৰি থৈ যোৱা সম্পূৰ্ণ ৰচনাৱলী চিৰদিনৰবাবে হেৰাই গ'ল । তথাপি যিখিনি বাচি আছে,

তাৰ মৌলিক স্বকীয় বৈশিষ্ট আৰু মূল্য অতুলনীয়।

ৰাভাদেৱৰ প্ৰত্নতত্ত্ব কোনো উচ্চ শিক্ষা নাছিল, যদিও তেওঁৰ অসমীয়া জাতি আৰু অসমীয়া কলা কৃষ্টিৰ ওপৰত প্ৰত্নতাত্ত্বিক প্ৰবন্ধ আৰু ভাষণ অসমীয়া জাতিৰ অপূৰণীয়া সম্পদ। ক'লাগুৰুৱে অসমৰ কৃষ্টি সংস্কৃতি, সভ্যতাৰ জন্ম আৰু ক্ৰমবৰ্ধমানৰ বিচিত্ৰ তথ্যৰ বিস্তাৰিত বিৱৰণ দিছে তেওঁৰ "অসমীয়া কৃষ্টিত" ৰাভাই নিজৰ সা-সম্পত্তিৰ মোহ পৰিত্যাগ কৰি সৰ্বসাধাৰণৰ কল্যানৰ নিমিত্তে ওলাই গৈছিল। গাঁৱে গাঁৱে, চুবুৰীয়ে চুবুৰীয়ে, এফালে শাসন চক্ৰৰ উৎপীড়ন আৰু আনফালে পাৰিবাৰিক নানান সমস্যা। ইয়াৰ মাজেদিয়েই তেওঁ হাতত ষ্টেনগান লৈ জনসাধাৰণৰ সৈনিক হিচাবে কাম কৰি গৈছিল। অবিৰাম কৰা কামৰ অভিজ্ঞতা খিনি লিপিবদ্ধ কৰিছিল Tactics and strategy of Armed Revolution নামৰ পুথিখনত। সেয়েহে বিষ্ণুৰাভাৰ প্ৰতি হৃদয়ৰ আকৰ্ষণ অনুভৱ কৰা এজন কবিয়ে এনেদৰে গাইছিল—

"বিষ্ণুৰাভা এতিয়া কিমান ৰাতি
তুমি সাৰে আছা সাৰে আছোঁ আমি॥

---

সত্য কথা বা সত্য উপদেশ কেৱল শুনিলে বা জানিলেই নহয় তাক এটা এটাকৈ কামত খটুৱাই জীৱনৰ অভ্যাসত পৰিণত কৰিবলৈ যত্ন কৰিব লাগে। ইটা-শিল গোটাই দম বান্ধি থলেই যিদৰে ঘৰহৈ নুঠে, সেইদৰে সজকথা বা সত্য উপদেশ বিলাক কেৱল জানি শুনি মুখস্থ কৰি থলেই চৰিত্ৰ গঠন নহয়। ইটা-শিলৰ আৰ্হি চাই চাই গাঠি গলেহে ঘৰ হয়গৈ। সত্য কথা, সত্য উপদেশে এটা এটাকৈ কামত লগাই পৈনত অভ্যাস হলেহে চৰিত্ৰই গঢ় লয়"

লক্ষ্মীনাথ বেজবৰুৱা

# সাহিত্য সাহিত্যিক পাঠক আৰু ভৱিষ্যৎ !!!

—শ্ৰীপ্ৰদীপ কোঁৱৰ

স্নাতক দ্বিতীয় বাৰ্ষিক (কলা শাখা)।

এখন দেশৰ এটা জাতিক হেনো সেই দেশৰ গ্ৰন্থ বিপণিৰ বা কিতাপৰ দোকানৰ পৰ ই চিনক্ত কৰিব পাৰি । কথাষাৰ কৰ-বাত শুনিছিলোঁ । কিন্তু এই কথাষাৰক সঁচা বুলি ধৰি লৈ যদি বিচাৰ কৰি চাওঁ তেনেহলে চমক খাব লাগিব । যোৱা কেইবছৰ মানৰ ভিতৰতে গ্ৰন্থ বিপণিৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাই আহিছে । আজি অতি কম দিনৰ ভিতৰতে অসমত সৰুবৰ বহুতো কিতাপৰ দোকানে গঢ় লৈ উঠা দেখা পাওঁ । এই দোকান বোৰৰ অধিকাংশই আলোচনীৰ দ্বাৰাই পুষ্ট হৈ থাকে । অকল এয়েই নহয় আন আন কিছু বিপণিতো কিছু গ্ৰন্থই প্ৰচুৰ ব্যৱহৃত আৰু বিক্ৰীত সামগ্ৰীৰ স্থান লব পাৰিছে ।

কিন্তু ইয়াৰ আভ্যন্তৰীণ বিষয়টো অধিক জটিল । বাহিৰত যিমানে উপভোগ্য অন্তৰ খন সিমানে নিৰাশ জনক । এইবোৰত শীৰ্ষ-স্থান লাভ কৰিছে কিছু সংখ্যক সস্তীয়া চিত্ৰ কাহিনীমূলক পত্ৰিকা, ৰাজনৈতিক ঘটনা প্ৰবাহ, তথাকথিত পপ কালচাৰেলৰ বশবৰ্তী হোৱা আৰু টুলুঙা প্ৰেম কাহিনীৰ, তৰল ৰহস্য আদিৰে পূৰ্ণ হৈ থকা কিছু কিতাপে । এইবোৰৰ বেছিভাগেই ইংৰাজী আৰু হিন্দী মাধ্যমৰ । অসমীয়া ভাষাৰ কিছুমান পত্ৰিকাহে পাঠক সমাজৰ দ্বাৰা সমাদৃত হৈছে আৰু মাত্ৰ কেইগৰাকী মান লেখকৰহে কিতাপ সমাজত সমাদৃত হৈ আহিছে । আমাৰ ইয়াত যদি কিতাপ খন অসমীয়া, আকৃতি শকত, মূল্য বেছি আৰু কিতাপখনে যদি কিবা পুৰস্কাৰ পায় তেন্তে বিক্ৰী বেয়া হোৱাৰ কোনো প্ৰশ্নই নুঠে । আনহাতে কিতাপখন ভাল হলেও আকৃতি সৰু হলে বিক্ৰীৰ কিছু অসুবিধা আহি পৰে ।

আকৌ কিছুমান মানুহে কিতপে কিনে পঢ়িবৰ বাবে নহয় ; গৃহসজ্জাৰ বাবেহে । কিতাপখনৰ, নাম যদিখুব ভাল ধৰণে কাকতে পত্ৰই ওলায়, তেনেহলে সেই কিতাপখন গৃহ-সজ্জাৰ বাবে উপযোগী বুলি বিবেচিত হয়। আৰু এই শ্ৰেণীৰ কিতাপৰ বিক্ৰীও নোহোৱা নহয় ।

তাৰোপৰি আন কিছু আলোচনী যি বোৰত চাকৰি বা এই সংক্ৰান্তীয় বিষয়ত উপদেশ থকা আলোচনী। আৱশ্যে এই আলো চনী বোৰে সমাজৰ সাহিত্যত কিবা অৰিহণা যোগাব পাৰিছেনে নাই সেয়া এটা অন্য বিষয়। এই বিষয়ে পাঠক সকলেহে কব পাৰিব। কিন্তু এই আলোচনী বোৰৰ ক্ৰেতাৰ সংখ্যা স্বাভা-ৱিক কাৰণেতেই বিশাল ।

ইয়াৰ বাহিৰে আৰু কিছু আলোচনী আছে । যিবোৰৰ কথা অৱশ্য আলোচনা নকৰিলে ভুল হব । যিবোৰ আলোচনীয়ে পেন পেনীয়া প্ৰেমৰ আধিক্য আৰু কিছু সস্তীয়া চিত্ৰ কাহিনী সম্বলিত যৌনাত্মক ছবি (কথা-ছবি) প্ৰকাশ কৰি পাঠকক আৰ্কষণ কৰি আছে, এইবোৰে জানো সাহিত্যত কিবা অৰিহণা যোগাব, তাত অকণো সন্দেহ নথকা নহয় । কলেজীয়া আৰু চাকৰিত ব্যস্ত থকা

লোকসকলৰ মাজত প্ৰায়ে দেখা যায় ৰহস্য উপন্যাস, ও থ্ৰিলাৰ ধৰ্মী আলোচনী, চলচিত্ৰ, আলোচনী আদিয়ে সৰ্বাধিক জনপ্ৰিয়তা লাভ কৰে। তাৰোপৰি 'ছান' আদিৰ ক্ৰেতা কলেজীয়া ছাত্ৰবোৰেই । ইয়াৰ আৰ্কষণৰ প্ৰধান লক্ষণ হ'ল ইয়াৰ মাজত থকা ব্লু আপ বোৰেই । আন কিছুমান মানুহে নিজকে আধুনিকতাৰ বতাহত খাপ খুৱাই ৰাখিব

পৰাটো প্ৰয়োজন বোধ কৰি বিদেশৰ পৰা প্ৰকাশিত গুপ্তচৰী কাহিনী, চলচিত্ৰ কাহিনীৰ তৰল আলোচনী আদি পঢ়ে ।

কিন্তু এই তৰল জন প্ৰিয়তাৰ কাৰণ কি ? তাক বিচাৰ কৰি চালে বহু কথাই বুজি পোৱাত বাধা আহি পৰে । জ্ঞান বিচা-ৰৰ বাবে যে ইয়াৰ একো প্ৰয়োজন নাই তাক ডাঠি কব পাৰি । আৱশ্যে সকলোৱে এনেবোৰ আলোচনী, উপন্যাস আনন্দৰ বাবে-হে পঢ়ে । বহু শতিকাৰ পৰা সম্মানিত হৈ অহা কিতাপ আজি জ্ঞান আৰু উৎকৰ্ষৰ পৰিবৰ্তে মনোৰঞ্জনৰ তৰল আহিলা হৈ পৰে। এই ক্ষেত্ৰত মানৱ সমাজৰ দুৰ্দশা কি দৰে কমিব পাৰে ?

এই দুৰ্দশাৰ বাবে বাৰু দায়ী কোন । অকল মাত্ৰ এজনকে এই ক্ষেত্ৰত দোষ দিলে ভুল হব । ইয়াৰ জন্ম হৈছে আজিৰ জীৱন ধাৰাৰ পৰাই । আজিৰ মানুহ মাত্ৰ নিজক লৈ ব্যস্ত হৈ পৰিছে । আনৰ ফালে ঘুৰি চোৱাৰ কাৰো আজৰি নাই । শিক্ষা জীৱ-নৰ পৰা চাকৰী তথা সাংসাৰিক জীৱনলৈকে তাৰ কোনো পৰিবৰ্ত্তন নহয় । মনোৰঞ্জনৰ বাবে ছাত্ৰ আৰু চাকৰিজীৱী উভয়ে চিনেমা, টি, ভি, নাটক, টেপ ৰেৰ্কডাৰ আদিৰ সহায় লয়

এই ক্ষেত্ৰত ছাত্ৰ সমাজক বিশেষ দোষ দিব নোৱাৰি ; কিয়নো, চাকৰিৰ বৰ্ত্তমান যিটো হাহাঁকাৰ তাক লৈ ছাত্ৰ অৱস্থাৰে নিজক সাজু কৰিব লাগিব । এই ব্যৱস্থাৰ মাজত কিন্তু মনোৰঞ্জন বিচৰাতো স্বাভাৱিক । কিন্তু মনো-ৰঞ্জনৰ বাবে এই তৰল আলোচনীবোৰহে বিবেচিত হ'ল কিয় ?

আজিৰ এখন সমাজত সুস্থ মনোৰঞ্জনৰ অবকাশ নাই। এখন ভাল চিনেমা নাই এখন ভাল নাটক নাই। এনেক্ষেত্ৰত সমাজৰ বিকাশ হব কেনেকৈ? মাত্ৰ চৌদিশে সস্তীয়া সংস্কৃতিৰ কোলাহল। অৱশ্যে ভাল নাটক, চিনেমাত মনোৰঞ্জনৰ অবকাশ নথকা নহয়। তাক মাত্ৰ বিচাৰি উলিওৱাতহে কষ্ট কৰ হব। অলপ মনোৰঞ্জনৰ বাবেনো কোনে ইমান কষ্ট কৰে? এয়ে বৰ্ত্তমান সমাজৰ ধাৰণা। কিন্তু তাৰ ক্ষতিৰ প্ৰতি সমাজৰ ভ্ৰূক্ষেপ নাই।

তাৰ লগে লগে আমাৰ অনুভূতি প্ৰৱণতা হ্ৰাস পাই আহিছে। আৰু সৌন্দৰ্য্য চেতনা হ্ৰাস পোৱাটো স্বাভাৱিক হৈ পৰিছে। তাৰ ফলত বিশাল মুকলি সেউজী পথাৰৰ বহল বুকুৰ ৰঙীন আকাশৰ মুক্ত সৌন্দৰ্য্য মানুহে তৈলচিত্ৰৰ বুকুতহে বিচাৰি পাইছে আৰু তাকেই আদৰি লৈছে। ফলত মানুহে মানৱিক তৃপ্তিৰ ঠাইত দৈহিক তৃপ্তিৰ অধিক বাছি লৈছে। আৰু প্ৰেমমূলক তৰল তৰল ৰচনাত প্ৰবৃত্ত হৈ পৰিছে।

এনে কিছুমান লোক আছে, যি সকলে নিজৰ ল'ৰা ছোৱালীক ইংৰাজী স্কুলত পঢ়ুৱাইছে। আলহী আহিলে কয় আমাৰ ল'ৰা ছোৱালী কেইটাক ইংৰাজী স্কুলত পঢ়াইছো। সিহঁতে অসমীয়া পঢ়িব নাজানে। আৰু দোকানৰ পৰা কিনি আনে কিছুমান ইংৰাজী কমিকচ্." এনে ঘটনা আজিকালি সাধাৰণ ঘটনা কিন্তু এই ক্ষেত্ৰত অভিভাৱক সকলে যে ল'ৰা ছোৱালীক এটা বিকৃত ৰূপত গঢ় দিছে তাক জানো নুই কৰিব পাৰিব? মেৰ বোধেৰে নোৱাৰে। যিহেতু শিশুৰ ৰুচিবোধ আৰু জাতীয়তা বোধৰ বাবে অভিভাৱকৰ দায়িত্বজ্ঞানৰ প্ৰয়োজন অধিক হব লাগে। কিন্তু এই ক্ষেত্ৰত অভিভাৱক সকলে বিপৰীত দিশটো গ্ৰহণ কৰিছে আৰু দায়িত্বজ্ঞানহীনভাবে ৰচনা কৰা তথ্যৰে ভৰপূৰ তথা অপৰাধবোধ জগাই তুলিব পৰা চিত্ৰ কাহিনীবোৰ শিশুৰ হাতত তুলি দিছে। কিন্তু এই ক্ষেত্ৰত যি ক্ষতি সেই ক্ষতিলৈ লক্ষ্য কৰিছেনে?

আমাৰ এই তৰল গ্ৰন্থপ্ৰীতিৰ বাবে আমি ৰুচিবোধকেই জগৰীয়া কৰিব লাগিব। বিচিত্ৰতাৰ মাজত, হিংসা অসূয়া ঘৃণা, অপৰাধৰ মাজত আমাৰ ৰুচিবোধ হেৰাই গৈছে। আমাৰ শিক্ষা ব্যৱস্থাত নন্দনতত্ত্ব কোনো প্ৰত্যক্ষ যোগাযোগ নাই। ফলত বহুতেই সৌন্দৰ্য্য চেতনাহীনতাৰ পৰা বঞ্চিত হৈ আহিছে।

আৰশ্যে তাৰ মাজতো কিছু পৰিমাণে গ্ৰন্থপ্ৰেমী লোক চকুত পৰে। অৱশ্যে এনে পাঠকৰ সংখ্যা খুব কম। আৰু গ্ৰন্থ প্ৰকাশকে এনে গ্ৰন্থৰ ভৱিষ্যতে বিচাৰি পাঠকক উৎসাহ যোগাব নোৱাৰে। এওঁলোকৰ উৎসাহ হেৰাই যায়। তাৰ ফলত পাঠক নিৰুৎসাহী হয় আৰু সংখ্যা কমি যায়।

আজি কেইজন লোকে বিশ্ব সাহিত্য অধ্যয়ন কৰে? নোবেল পুৰস্কাৰ একাডেমী পুৰস্কাৰ আদি পুৰস্কাৰ পোৱা কিতাপ প্ৰথম প্ৰকাশত যথেষ্ট ৰূপে আদৰ নাপায়। কিন্তু যেতিয়া সেইখন গ্ৰন্থই কোনো পুৰস্কাৰ পায় তেনেহলে ই পূৰ্ব্বৰ অভিলেখ ভঙ্গ কৰি বিক্ৰীৰ নতুন অভিলেখ সৃষ্টি কৰাৰ দৃষ্টান্ত পোৱা যায়।

যোৱা কেইবছৰত অসমত বহু নতুন কিতাপ আলোচনীৰ জন্ম হ'ল। কিন্তু কেইখনে এই দিনত জীয়াই থাকি সমাজক নতুন চেত

নাৰে আগুৱাই যাবলৈ পথ দেখুৱাই দিলে; সেই কথাত পূৰ্ণ সন্দেহ। আৰশ্যে যে কেইখন মান নতুন আলোচনী সীৱলু ত্ৰিশঙ্কু, সাতসৰা, আলিপন', প্ৰান্তিক, যুগ, প্ৰতীতি আদিয়ে কিছু হলেও যে অৰিহণা আগবঢ়াইছে তাক নুই কৰিব নোৱাৰি। অসমত এনে কিছুমান আলোচনা আছে যি কেইখন মাত্ৰ কেইজনমান পাঠকৰ মাজতে আবদ্ধ হৈ আছে। ইয়াৰ পৰিসৰ বৃদ্ধি খুব কম ভাবেহে হৈছে। এনে-ক্ষেত্ৰত প্ৰকাশ, সীৱলু, প্ৰিয়ম, বৰ্ত্তমান পৰ্য্যন্ত আদি ক ধৰিব পাৰি। আৰু আনহাতে তবল জনপ্ৰিয়ত অৰ্জন কৰা আলোচনী হিচাবৰ বাহিৰ হৈ পৰিছে।

আগতে কেইখন মান পুৰণি আলোচনী চলাইছিল কিন্তু দুভাৰ্গ্য টুপাই বুৰ মাৰিব লগা হ'ল সময়ৰ গৰ্ভত। তাৰ মূল কাৰণ অৰ্থনৈতিক দিশ আৰু পাঠকৰ নতুন ৰুচিবোধ। "আমাৰ প্ৰতিনিধিক" এই ক্ষেত্ৰত ধৰিব পাৰি। এনে কিছুমান ন-পুৰণি লেখক লেখিকা আছে যি সকল এক সন্মিলিত প্ৰচেষ্টাত একোখন নতুন সাহিত্য সংস্কৃতিৰ বাট দেখুৱাব খোজে। কিন্তু পাঠক আৰু আৰ্থিক দিশৰ পৰা এনে প্ৰচেষ্টাই সফল ৰূপ লব পৰা নাই।

কিন্তু তাৰ মাজতো কিছু সুখৰ কথা আছে যোৱা ২৫ বছৰ ধৰি অসমৰ এটি প্ৰকাশন "অসম প্ৰকাশন পৰিষদে" প্ৰায় এশতকৈও অধিক দুৰ্লভ গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যত এক অনবদ্য বৰঙনি আগবঢ়াই আহিছে। এই প্ৰকাশনৰ জৰিয়তে তেওঁলোকে দেশৰ বাহিৰে ভিতৰে বহুতো গ্ৰন্থ মেলা পাতি ৰাইজৰ মাজত সাহিত্য সংস্কৃতিৰ প্ৰগতিত অনেক সহায় কৰি আহিছে। এই প্ৰকাশন পৰিষদে ১৯৮৩ চনত প্ৰখ্যাত প্ৰবীণ সাহিত্যিক আৰু সমালোচক শ্ৰী ত্ৰৈলোক্যনাথ গোস্বামীক প্ৰকাশন পৰিষদৰ পুৰস্কাৰ প্ৰদান কৰিছে। তেওঁ পূৰ্বতে ১৯৬৭ চনত সাহিত্য অকাডেমী পুৰস্কাৰো পাইছিল।

এই প্ৰকাশন পৰিষদে অৰুণোদই, আসাম বন্ধু, ৰিপৰ্ট অন দা প্ৰভিন্স অৱ আসাম, জ্যোতিপ্ৰসাদ ৰচনাৱলী, কৌটিল্যৰ অৰ্থশাস্ত্ৰ হস্তীবিদাৰ্ণৱ কামৰূপ শাসনাৱলী, ভাৰতৰ ইতিহাস। মোৰ সত্য অন্বেষণৰ কাহিনী আৰু বহুতো মহান লোকৰ জীৱনী ৰচনাৱলী প্ৰকাশ কৰি আহিছে। কিন্তু এইবোৰৰ পাঠক অন্য বিষয়ৰ পাঠকতকৈ বহু কম এই কথাই অসমীয়া সাহিত্যই কোন দিশৰ ফালে গতি কৰিব পাৰে তাক পাঠক সমাজে নিশ্চয় বুজিব পাৰিব।

এই প্ৰকাশন পৰিষদে যোৱা ১৯৮৪ চনৰ তিনি ফেব্ৰুৱাৰীত দিল্লীত বহা ষষ্ঠ বিশ্ব পুস্তক মেলাত অংশ গ্ৰহণ কৰিছিল। তাৰো পৰি প্ৰকাশন পৰিষদে চলিত বছৰত গুৱাহাটী আৰু কাৰেংঘৰত গ্ৰন্থ উৎসৱ পাতিছিল। আৰু বহুদিনীয়া অশান্তি আৰু স্থিৰহীনতাৰ পাছত অসমৰ সাংস্কৃতিক প্ৰতিভা বিকাশ কৰিলে। মাত্ৰ এঘাৰ দিনত পৰিষদে গুৱাহাটীত এঘাৰ লাখতকৈও অধিক টকাৰ মূল্যৰ কিতাপ বিক্ৰী কৰি এক অভিলেখ অৰ্জন কৰিছে।

যোৱা ১৯৮৪ চনতে এই প্ৰকাশনৰ ৰূপালী জয়ন্তী উৎসৱ হৈ যায়। এনে গ্ৰন্থমেলাই প্ৰকাশক, লেখক আৰু পাঠকক একে সময়তে লগ হোৱাৰ সুবিধা প্ৰদান কৰে। নতুন সৃষ্টিৰ স্পৰ্শত জ্ঞানৰ উৎকৰ্ষৰ অন্বেষণ

কৰাত সহায় কৰে ।

আৰু এটা অনুষ্ঠান আছে অসম সাহিত্য সভা" ১৯১৭ চনতে জন্ম লৈ বৰ্ত্তমান-লৈকে অসমীয়া সাহিত্যত যি বৰঙণি আগ-বঢ়াই আহিছে তাক চাগৈ গভীৰ সাহিত্যানুৰাগী সকলে ভালকৈ বুজি পাব পাৰে । যোৱা বিহপুৰীয়াত হৈ যোৱা একপঞ্চাশতিতম অধিবে-শন অসমৰ ৰাইজে সফল কৰি তুলিলে । এই সাহিত্য সভাই যে অসমৰ প্ৰায় সকলো শ্ৰেণীৰ লোককে সাহিত্যানুৰাগী কৰি তুলিব পাৰিছে তাত সন্দেহ নাই ।

কিন্তু দুখৰ কথা এয়ে যে অসম সাহিত্য "সভাক" কিছুলোকে অসমীয়া সাহিত্য সভা বুলি কব খোজে কিন্তু অসমীয়া বুলিলেও মূলত ই অসম সাহিত্য সভা হৈয়েই থাকিব । এনে সংজ্ঞা শুদ্ধ বুলি মানি লোৱাতো সম্ভব নহয় । এই ক্ষেত্ৰত আমি এই সংজ্ঞাক বহল দৃষ্টিভঙ্গীৰে চোৱাৰ ওপৰতেই আমাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে বুলি ভাবিবৰ থল আছে ।

"অসম সাহিত্য সভা"ৰ মুখ্য উদ্দেশ্য হ'ল অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি কৰা লগতে থলুৱা ভাষা, সাহিত্য সংস্কৃতিৰ উন্নয়নৰ বাবে কাম কৰাও সভাৰ অন্যতম উদ্দেশ্য । ভাষা সাহিত্য আৰু সংস্কৃতিৰ গবেষণা কেন্দ্ৰ স্থাপন কৰাও আন এটা উদ্দেশ্য । অলপতে ডিব্ৰুগড় জিলাৰ ৰাজগড় অঞ্চলত অসম সাহিত্য সভাৰ তৰফৰ পৰা চাৰিটা কৰ্মশালা উদ্বোধন কৰা হয় । আশা কৰো এই কৰ্মশালাই ভৱিষ্যতে সাহিত্যত প্ৰেৰণা যোগাব পাৰিব ।

আজিৰ আৰু এচাম সাহিত্যিক আছে, যি চামে সাহিত্যত গুণগত ৰূপ দিবলৈ সক্ষম হব পাৰিছে । তাৰ বাবে পুৰণিচাম সাহিত্যি-কতে আবদ্ধ হৈ নাথাকি নতুন লেখক লেখিকাক উলিয়াই আনিব লাগিব । কিন্তু আমাৰ সাহিত্যত নতুন চাম লেখক লেখিকাই স্থান নাপায় । ফলত তেওঁলোকৰ প্ৰতিভা অকালতে হেৰাই যোৱাও দেখা পোৱা যায় । এই ক্ষেত্ৰত বাৰু দায়িত্ব কাৰ ? এই বোৰ কথালৈ লক্ষ্য ৰাখি যোৱা বছৰ অসমৰ দুয়োখন বিশ্ব-বিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে লগলাগি "সদৌ অসম নবীন লেখক লেখিকা আৰু শিল্পী সমিতি" নাম দি এখন সমিতি গঠন কৰে । লগে লগে বহু আঞ্চলিক সমিতি গঠিত হয় । এই আঞ্চলিক তথা জিলা ভিত্তিক সমিতি বোৰে মাজে সময়ে কোনো কোনো প্ৰতিযোগিতা পাতি নতুন লেখক লেখিকা চামক নতুন পথ দেখুৱাই দিব পাৰিছে ।

তাৰোপৰি মাজে সময়ে পাতি থকা কবি সন্মিলন, গল্প, উপন্যাস আদিৰ প্ৰতিযো-গিতাই যে অসমীয়া চেতনা তথা আঙ্গিকতাপূৰ্ণ সাহিত্যিক জন্ম দি আহিছে । কিন্তু বৰ্ত্তমানে কথা হ'ল এয়েযে বৰ্ত্তমান ডিগবৈ মহাবিদ্যা-লয়তো জানো তেনে প্ৰতিভা সম্পন্ন লেখক লেখিকা নাই ? কিন্তু থাকিলেও সেই কেই গৰাকী লেখক লেখিকাই কেইঠাইত সহযোগিতা কৰি তেওঁলোকৰ চেতনা প্ৰতিভাক প্ৰকাশ কৰি দেখুওৱাইছে কবনে ? আজি অসমৰ প্ৰত্যেক খন মহাবিদ্যালয়ত একোখনকৈ মহা-বিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশ পায় । কিন্তু এই আলোচনী বোৰৰ স্থান কোন পৰ্য্যায়ৰ তাক পাঠক সকলে নিশ্চয় বুজিব পাৰিছে । কিন্তু প্ৰকৃত প্ৰতিভাবান সাহিত্যিকৰ জন্ম জনো এইদৰেই হব ? এইক্ষেত্ৰত নতুন চাম লেখক লেখিকাই একান্ত ভাৱে সাহিত্য সাধনাত

ব্ৰতী হ'ব লাগিব । অৱশ্যে ই যাতে ক্ৰমে তৰল সাহিত্য নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব । সেই উদ্দেশ্য আগত ৰাখি এই মহাবিদ্যালয়ত এখন নবীন লেখক লেখিকা সমিতিৰ আঞ্চলিক শাখা গঠন কৰাৰ প্ৰস্তাব লোৱা হৈছিল । আশা কৰোঁ এই ক্ষেত্ৰত আমাৰ শিক্ষক মহোদয় সকলেও কিছু সহায় সহযোগ আগবঢ়াব । যিহেতু গভীৰ জ্ঞান আৰ্জন হলেহে মানুহৰ উপকাৰৰ বাবে কিবা নতুন আৰু প্ৰয়োজনীয় সাহিত্যকৰ্ম সৃষ্টি কৰাটো সম্ভৱপৰ হৈ উঠিব, আৰু অসমীয়া সাহিত্যত আজি অভাৱ গ্ৰস্ত, আলোড়ন সৃষ্টি কৰিব পৰা নতুন গ্ৰন্থৰ সৃষ্টি হ'ব ।

আমি প্ৰত্যেকেই সকলোৰে বাবে হ'ব লাগে আৰু সকলোৰে প্ৰত্যেকৰ বাবে হ'ব লাগে ।

—মেক্সিম গৰ্কী

# আন্তর্জাতিক খ্যাতিসম্পন্ন গীতিকাৰ ডঃ ভূপেন হাজৰিকাৰ গীতত স্বদেশপ্ৰেম ।

— নীৰা ৰাজকোঁৱৰ।
স্নাতক ১ম বাৰ্ষিক ( কলা )

"গঙ্গা মোৰ মা. পদ্মাও মোৰ মা
মোৰ চকুলোৰে দুটি ধাৰা মেঘনা যমুনা'

এই শিল্পীজনৰ পৰিচয় গীতেই কৈ যায় । ধমনীয়ে ধমনীয়ে প্ৰবাহিত হৈ বৈছে গীতৰ, সুৰৰ সুন্দৰৰ লহৰ । সুন্দৰক সমুখত লৈ তেওঁৰ ভয় শঙ্কাৰ কোনো কাৰণ জাগি উঠা নাই । সকলো ঠাইৰে সকলো লোকে তেওঁলৈ আৱাহনৰ শৰাই সজাই থৈছে । এই মহাসমুদ্ৰলৈ আগবাঢ়ি যাওঁতে তেওঁ কিন্তু পাৰত লঙ্গৰ বান্ধি থৈ গৈছে । সমুদ্ৰৰ বুকুত তেওঁৰ অস্তিত্ব বিলীন হৈ যাব পৰা নাই। "মোৰ আইক ভাল পাওঁ বুলিলে আনৰ আইক জানো ঘিণ কৰাটো বুজাব"। ঘৰৰ পৰা বাহিৰলৈ ওলাই যোৱা সন্তানৰ বাবে উৎকণ্ঠাৰে বাট চাই থকা আইজনীৰ খবৰ তেওঁ ৰাখিছে। 'শিল্পী' নামৰ উদাৰ কল্লোলিত আকাশত যে নদৰে তেওঁ বিস্তৃত ব্যাপক হৈ উঠিছে সেইদৰে আইৰ কাষতো ধ্ৰুৱ তৰা সদৃশ সন্তান হৈ পৰিছে । শিল্পীৰ সংজ্ঞা যেনে ধৰণে হ'ব তাৰ বাস্তৱ প্ৰতীক ডঃ ভূপেন হাজৰিকা । প্ৰকৃততে শিল্পীৰ সত্তাই আন্তৰ্জাতিক । গণ্ডীৰ সীমা ভাঙি আকাশৰ দৰে সিমাহীন, সাগৰৰ দৰে উদাৰ-সুদূৰ প্ৰসাৰী হোৱাৰ সক্ষমতাই শিল্পীজনৰ হৃদয়ৰ অন্তঃ প্ৰোতৰ খবৰকেই জানো আমাক নিদিয়ে ? তাৰ কঁপনি, তাৰ ভাষা, তাৰ অনুভূতি স্পৰ্শতাই আমাক নতুন অৰ্থ দিয়ে । পোহৰৰ ৰাজ্যলৈ সেই ৰাটেৰে বাটবুলোঁ । তেওঁৰ হৃদয়ৰ জোনাকত, তেওঁৰ হৃদয়ৰ সেউজী দলিচাত, তেওঁৰ সীমাহীন হৃদয়-প্ৰাঙ্গনত আমি সোমোৱাৰ প্ৰয়াস কৰোঁ। জুমি চাবলৈ যত্ন কৰোঁ । আমাৰ বাবে ই হৈ পৰে সুন্দৰ সাধনাৰ মন্দিৰ, আমি তাক নিৰৱে ওলগ জনাওঁ ।

জাতিৰ বহিৰ্ভাগক নিয়ন্ত্ৰণ কৰিবলৈ ৰাজনীতিজ্ঞ লাগে কিন্তু তাৰ আহেঁ আহেঁ সোমাই থকা জাতিৰ অৰ্থ, জাতিৰ হৃদয়ক ধৰি ৰাখিবলৈ তাৰ কথা কোৱা শিল্পীক লাগে । সুন্দৰৰ যোগেদি স্বচ্ছন্দ গতিত স্বদেশ প্ৰেমক বোৱাই ৰখাৰ মন্ত্ৰ সকিয়নী, এই সকলো আমাক ডঃ ভূপেন হাজৰিকাৰ গীতে দিছে আৰু জগাই তোলাত সহায় কৰিছে । আমাৰ দেশৰ ( অসম ) প্ৰতিটো পুৱা-গধূলি, দুখৰ সুখৰ ক্ষণ, এওঁৰ গীতে ধৰি ৰাখিছে। অসমী আইৰ সৌন্দৰ্য্য গীতেৰে আকাশে - বতাহে উপচাই দিছে ।

অসমী আইক পুজিবলৈ যাওঁতে তেওঁ-

ক যদি পৃথিৱীখনেও বেয়া পায় তাত তেওঁৰ কোনো আক্ষেপ নাই। আইক পূজিবলৈ যাওঁতে তেওঁ উভটি চোৱা নাই। তাৰ নিহিত অৰ্থ, মোৰ আইক ভালপাওঁতে তুমি যদি মোক বেয়া পোৱা, তুমি মোৰ প্ৰকৃত বন্ধুৰেই নোহোৱা। তাতে আইক বেয়া পাবলৈ শিকোৱা জন বিষৰ লগৰ—

"পৃথিৱী খনে যি বোলকে বোলক
অচিন পথীৰে নলওঁ মই লগ
অসমী আইয়ে মোক তুলিছে-তালিছে
কেনেকৈ হওঁ মই পৰ
চেনহক নেওঁচা দি
আকনো ক'ম মই কি"

অসমী বতাহজাকৰ সমান সুগন্ধি বতাহ ক'ত আছে? অসমীৰ বতাহক সুগন্ধেৰে ভৰাই দিছে এনেদৰে—

"গধূলিৰ কেতেকীয়ে সুবাসত আমোল-মোল
বতাহ খাই গাভৰু হ'লো
অসমীৰ বতাহক বিষেৰে নভৰাওঁ
এইষাৰ কথা শিকিলোঁ।"

এই গীতেৰে কেৱল অসমীৰ সন্তানকে নীতিগত কৰ্ত্তব্য কৰিবলৈ আহ্বান জনোৱা নাই, ই অসমৰ লালিত পালিত প্ৰতিজন অনা অসমীয়াকো আহ্বান জনাইছে। অসমী আইক ভাল পাবলৈ, সেৱা কৰিবলৈ আৰু বুকুৰ আপোন বুলি আকোঁৱালি লবলৈ।

ব্ৰহ্মপুত্ৰখন আমাৰ লুইতখন অসমীৰ সংস্কৃতিৰ মেৰুদণ্ড স্বৰূপ। ডঃ ভূপেন হাজৰিকাৰ স্বদেশক উদ্দেশি লিখা গীত কেইটিত এই লুইতে সগৌৰৱে বৈছে। ব্ৰহ্মপুত্ৰৰ প্ৰতিটো ৰূপে ন' সাজত আমাৰ সমুখলৈ ওলাই আহিছে। ব্ৰহ্মপুত্ৰক মাজত লৈ আমি গৰ্বিত হৈছোঁ, মহীয়ান হৈছোঁ, আপ্লুত হৈছোঁ। এই অনুভৱৰ আমি তেওঁৰ গীতৰ ভাষাত পাইছোঁ। সুৰে আৰু লহৰে জগাই তুলিছে আমাৰ হৃদয়ৰ নিভৃত কোণৰ অন্য এক সুৰ—

"মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
ক'ত যুগ ধৰি আহিছে পৰশি
সমন্বয়ৰ অৰ্থ।"

এই সমন্বয় তেওঁ যেনেদৰে বোৱাই আনিছে। ই হৈ পৰিছে তাৎপৰ্য্যপূৰ্ণ। বৈশিষ্ট্যৰে অসমৰ এই নৈৰ প্ৰতিটো লহৰে আমাক যেন চহকী কৰিছে। সমন্বয়ৰ পলসেৰে ইয়াৰ দুয়োপাৰ যেন উৰ্ব্বৰ হৈ উঠিছে। লগে লগে ই আমাক সোঁৱৰাই যায় স্বদেশপ্ৰেমৰ উৰ্ব্বৰতাৰে উদ্ধৱ হৈ থকা এখন শিল্পী প্ৰাণৰ কথা। ধমনীতেই ই মহীয়ান হৈ নেথাকিলে মূল্যবান শস্যৰ কোঁহ নোলালেহেঁতেন।

মহাবাহু ব্ৰহ্মপুত্ৰৰ সাংস্কৃতিক সৌন্দৰ্য্যৰ উপৰিও প্ৰাকৃতিক সৌন্দৰ্য্যইও জানো তেওঁৰ গীতত উপচি উঠা নাই? আবেলিৰ সৌন্দৰ্য্য "ক্লান্ত লুইতৰে হেঙুলীয়া পানী"। আকাশ মাৰ্গৰ পৰা ইয়াৰ সৌন্দৰ্য্য 'অকোৱা পকোৱা গামোচা এখন যেন বালিত মেলি থোৱা আছে " মৰমৰ এই লুইতখনব কোন-ফালৰ পৰা নোচোৱাকৈ আছে? সকলো ফালৰ পৰা ইয়াৰ বিভিন্ন ৰূপ উদ্ভাৱন কৰি তেওঁৰ গীত উদ্বাউল হৈ উঠিছে।

পুনৰ অসমীয়া জাতিৰ বিভিন্ন সন্ধি-ক্ষণত অপমানৰ বোজা কঢ়িয়াই সকলোতকৈ সত্য আৰু স্বচ্ছন্দভাৱে ব্ৰহ্মপুত্ৰই বহ্নিমান হৈ উঠিছে তেওঁৰ গীতত। সঁচাকৈয়ে হৃদয়

আফালি উঠে লাঞ্চনাত। গীতৰ ভাষাই, সুৰে, আমাক এনে এটা পৰিবেশ দান কৰে, আমি যেন চকুৰ আগত দেখিবলৈ পাওঁ ব্ৰহ্মপুত্ৰৰ তীব্ৰ আস্ফালন আৰু আনফালে অসমী আইয়ে মূক মৌন হৈ থকা। ইয়াৰ আন নাম স্বদেশপ্ৰেম

"আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান
মনৰ দিগন্তত ধোঁৱা উৰে
আকাশত পপীয়া তৰা সৰে
পদে পদে কাক কৰে অপমান
আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান।"

ব্ৰহ্মপুত্ৰৰ পাৰত হেজাৰ হেজাৰ লাঞ্চিত আবাল, বৃদ্ধ, বনিতাৰ বুকুৰ জুই, সমগ্ৰ সত্বাৰ বিদ্ৰোহ, তেওঁৰ গীতত হুঙ্কাৰি উঠিছে। খোদিত হৈ ৰৈছে এইখন দেশৰ এটা শতিকাৰ বিশেষ এক ইতিহাসৰ পংক্তি। সময়ে তাক স্বদেশৰ তাগিদাত সুঁৱৰি যাব।

অসমীয়া জাতিৰ বৈশিষ্ট্যৰ প্ৰতীক বিহুটো তেওঁৰ গীতত সঁচা আনন্দ, সঁচা বেদনা, সঁচা প্ৰতাৰণা প্ৰতিশোধ আদি বিভিন্ন ৰূপত ওলাই আহিছে। উপাদান বিহীন বিহুসুৰীয়া গান তেওঁ গোৱা নাই। আনন্দ কৰোঁতে পাহৰি যোৱা নাই নিজৰ কি আছে কি নাই। গীতবোৰ যেন অসমীয়া ধমনীত একোটাইত সাহসৰ টোকৰ হৈ ৰওক। নিষ্প্ৰাণ অসমীয়াই যেন সেই প্ৰেৰণাতে আগবাঢ়ি গৈ কিবা এটা কৰিব। বিশ্বত নিজৰ মুখ গৰ্ব্বেৰে তুলি ধৰিব পাৰিব।

"ঢোলৰ চেৰে চেৰে সুদা ভাত খাব
শাও খাব ঠেকেচা খাই খাই গাব
আৰু বছৰে বছৰে টুটিহে যাব" (আক্ষেপ)
বিহুটো যাওকগৈ সিহঁতক চাই ল'ম
আজিয়েই খাই ললোঁ শপত (প্ৰতিশোধ)
হেৰো এইহেন বতৰত কোন থাকে
ভিতৰত (প্ৰকৃতিগত প্ৰেম)

বহাগ মাহটোলৈ কেৱল বিহু আহিব বিহু গাম এনে এটা সাময়িক স্ফুৰ্ত্তিৰ বাবে অসমীয়াই অপেক্ষা কৰি থকাতো তুলুঙা ভাৱৰ পৰিচায়ক। বিহুক, বহাগ মাহটোক আমি কেৱল ৰং স্ফুৰ্ত্তিৰ মাজেৰে শেষ কৰি নিদি ইয়াক আমাৰ মাজত বিভিন্ন সমলৰূপে ৰৈ যোৱাত আমিয়েই সহায় হব লাগে। অসমীয়াৰ বাবে বহাগৰ তাৎপৰ্য্য বৰ গুৰুত্বপূৰ্ণ আৰু ব্যাপক—

"বহাগ মাথোন এটি ঋতু নহয়
নহয় বহাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণজীৱনৰ ই — সাহ"

বহাগ যেন অসমীয়া জাতিৰ আয়ুস-কেন্দ্ৰ হৈ ৰয়। প্ৰকৃতিৰ লগতে জাতিয়েও মলিয়ন জৰাগ্ৰস্থ মন আৰু শৰীৰ নিকা কৰ ৰ সময়। যত সংগ্ৰামে দুগুণ উৎসাহেৰে উৎসাহিত হৈ উঠিব পাৰিব। বহাগ মাহটো আমাৰ চকুৰ আগত আহি পৰিছে প্ৰজ্ঞাৰ ন' চানেকী হৈ। অসমীয়াৰ সেই গতানুগতিক গৰ্ব্বক ভাঙি দি একেজন শিল্পীয়ে গাই উঠিছে—

আমি অসমীয়া নহওঁ দুখীয়া, বুলি সান্ত্বনা
লভিলে নহ'ব
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব"

সেয়ে আজি হৈ উঠিছে। দেশৰ প্ৰতি থকা উন্নতিকামী মনেৰে তেওঁৰ অন্তদৃষ্টিয়েই বওঁক নাইবা দূৰদৃষ্টিৰেই হওক, অসমীয়া জাতিৰ ভৱিষ্যত তেওঁ দেখা পাইছিল। আৰু তাক সোঁৱৰাবলৈও পাহৰা নাই। বাটকটীয়া

হৈ এই গীত কিমান প্ৰেৰণাময় হৈ উঠিছে। অসমীয়াই লক্ষ্মীনাথ বেজবৰুৱাৰ পুৰণি উক্তিত গৰ্বিত হৈ থকা দিন উকলিল। এই গৰ্বতে যি অতীতত হেৰুৱালে ভৱিষ্যত আৰু বৰ্ত্তমানে তাক নেহেৰুৱাবলৈ দিয়া এই গীতৰ উক্তি কিমান জ্বলন্ত, কিমান বাস্তৱ। ই যেন তিনি-ওটা কালৰ মাপকাঠি হৈ থিয় দিছে। অসমীয়াই নিজক প্ৰাহৰি থকাৰ বাবে নিজক চিনি নোপোৱাৰ বাবে আজি অসমতে ভগনীয়া হৈলোঁ। দেশখনকো ৰসাতলে নিয়ালোঁ। স্বদেশপ্ৰেম সচাঁ অৰ্থত প্ৰকাশ নেপালে কালৰ সৈতে তাৰ ৰূপ এনেদৰে মিলি পৰিব নোৱাৰে।

অসমৰ লুইতৰ পাৰত পৰিপুষ্ট হোৱা ডেকাসকলক সাহস দি জনমভূমিৰ বাবে কাম কৰিবলৈ এনেদৰে উদগাইছে—

"লুইত পৰীয়া ডেকা বন্ধু তোমাৰ তুলনা নাই
জীয়াই থকাৰ যুঁজত নামিছা
মৃত্যু শপত খাই"

ডেকা শক্তি মহান শক্তি। পৃথিবীত ডেকাশক্তিৰ সমান শক্তিশালী অন্য একো নাই। ইয়াৰ সুপৰিচালনাই সেইদৰে মহান ফল দিব পাৰে। গতিকে এই সন্ধিক্ষণত পুৰণিক নেওচি নতুন উদ্দেশ্য দিয়া আৰু ডেকা-শক্তিক জগাই তোলাৰ সমান মহান স্বদেশপ্ৰেম একোৱেই থাকিব নোৱাৰে। আইক ৰক্ষা কৰিবলৈ মৃত্যুশপতক প্ৰতিজ্ঞাৰ কেন্দ্ৰ হিচাবে ল'লে সেই মৃত্যুশপতো সুন্দৰ হৈ উঠিব পাৰে। সেই শপতৰ গূঢ় সৌন্দৰ্য্য তেওঁৰ গীতে নিগৰাই দিছে। মৃত্যু, জীয়াই থাকিবৰ বাবেই প্ৰয়োজন হৈ পৰে। অসমীয়া জাতিৰ সঙ্কটময় মুহূৰ্ত্তত জীৱন দান দিয়া ডেকাচামৰ মৃত্যু সৌন্দৰ্য্যৰ সমান মহান সৌন্দৰ্য্য আন একো নাই। বিভীষিকাময় মৃত্যু, কিছুমান সময়ত তুলনাবিহীন ভাৱে মূল্যবান হৈ উঠে। সেয়ে তেওঁ ডেকাশক্তিক ভয় নেওচি কাম কৰি যাবলৈ আহ্বান জনাইছে।

তেওঁৰ গীতে অসমী আইৰ আজীৱন সৌন্দৰ্য্য সাধনা কৰিছে, সঙ্কটৰ সময়ত সাহসৰ বন্দনা কৰিছে, অৰ্থনীতিৰ তাগিদাত তাৰ ব্যৱসায়ৰ গৰিমা গাইছে। কিয়েইবা বাদ পৰিছে। গৌৰীপুৰীয়া ছোৱালী দেখিলোঁ হাতী ধৰিবলৈ গৈ" বুলি গোৱাৰ লগে লগে অসমৰ 'হাতী আৰু ফান্দি' ব্যৱসায়ক কোনেনো নুবুজিব। অসমৰ বনন সংৰক্ষণৰ ক্ষেত্ৰত "ময়ো বনে যাওঁ স্বামী হে" বুলি অতীতৰ গীত ফাঁকিৰ গাত আউজি বনসংৰক্ষণৰ লাভালাভকে আমাৰ আগত দাঙি ধৰা নাই জানো? স্বদেশপ্ৰেমক ব্যাপক অৰ্থত ল'লে তেওঁ। এই সকলোবোৰকে স্বদেশপ্ৰেমৰ অন্তৰ্গত কৰি ল'ব পাৰোঁ নিশ্চয়।

কেৱল এটি গীতৰ যোগেদি তেওঁ বৰ সুন্দৰভাৱে অসমী আইৰ ৰূপ—ৰস, অসমী আইৰ বৈশিষ্ট্য দাঙি ধৰিবলৈ সক্ষম হৈছে। গীতৰ প্ৰাঞ্জলতাই, মধুৰতাই আৰু হৃদয়ত জাগি উঠা আপোনসুৰে আমাক মনে মনে গতি কৰায় অন্য এক প্ৰান্তৰলৈ:—

"অসম আমাৰ ৰূপহী গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব্ব দেশৰ সূৰ্য্য উঠা দেশ।"

এই গীতত অসমৰ আকশেক সজাইছে, বহাগৰ সৌন্দৰ্য্যক বুজাইছে, মাঘৰ সোণালী ধানেৰে আইৰ বৈশিষ্ট্য বুজাইছে। এইখন সূৰ্য্য উঠা সোণৰ দেশতেই জন্ম লৈ মৃত্যু বৰণ কৰিবলৈও কিমান হেঁপাহ আছে। এই গীত শুনিলে নজনাজনেও বুজি পাব অসমী আইৰ অৱস্থিতি ক'ত, ইয়াৰ মহানতা সৌন্দৰ্য্যযেবা কেনে ধৰণৰ।

স্বদেশপ্ৰেমৰ পৰিধি ব্যাপক । ধূলিকণা এটিও এই প্ৰেমৰ অলক্ষিতে পাৰ হৈ যাব নোৱাৰে। সেয়ে তেওঁৰ গীতভ অসমী আইৰ বতাহ, বৰষুণ, ডাৱৰ সকলোৱে সাজোন কাচোন কৰি উঠিছে ।

“ৰিম্‌ঝিম্ ৰিম্‌ঝিম্ বৰষুণে নেপুৰ বজাই ক'ত
গিৰগিৰ গিৰগিৰ ডাৱৰেনো মাদলবজাই ক'ত
এই অসম দেশত, অসম দেশত”

আইৰ প্ৰতি মোৰ ইমানেই ভালপোৱা আৰু মৰম যে বৰষুণ পৰিলে বৰষুণে মোৰ দেশত নেপুৰ বজোৱা যেন পাওঁ । ডাৱৰে গৰ্জ্জন কৰিলে নেপুৰৰ লগত মাদল বজোৱা হেন পাওঁ । মোৰ দেশৰ বৰষুণো ধুনীয়া, ডাৱৰো ধুনীয়া । এইখন দেশতে বুকুৰ আপোন জনক মাইহাং বাটিত ৰাগি ধৰা সোৱাদ পানা যচা হয় । আথে-বেথে এই বাটিটো আগ-বঢ়াই দিয়াৰ পাছত আপোন নোহোৱাকৈ কোন থাকিব পাৰে ? এইখন অসম দেশতেই পদূ-লিয়ে পদূলিয়ে কেতেকী মস্‌মসাই ৰয় । কোন দেশতেই বা আছে এনে সুগন্ধ আৰু মৰম চেনেহ আদান-প্ৰদানৰ এই মিঠা মাধ্যম !

অসমী আইক বলিষ্ঠ কৰা জনজাতি ভাই সকলকো তেওঁ পাহৰি যোৱা নাই । তেওঁলোকক পাহৰিলে আইয়ে অঙ্গ হেৰুৱাই দুৰ্ব্বল হ'ব । আইৰ সুখ-দুখৰ লগৰী হ'বৰ বাবে এই ভাই-ভনী সকলক মৰমৰ হাতত মিলাই দিছে ।

“অসমীৰে পদূলি উছলি-মুছলি
মৰম চেনেহৰে হাট বহিছে ।”

চেনেহৰ হাটত সকলোৰে বাবে বুকুৰ মৰম ঢালিছে, আপঙৰ সোৱাদ লৈছে, আপা-টানি ভনীটি জনীক সাৱটি ধৰিছে । চেনেহৰ ককাইটো তেওঁলোকৰ ওচৰৰ পৰা উভটি গৈছে অসমী আইক মৰম চেনেহৰ ভাগ বতৰা দিয়াৰ প্ৰতিশ্ৰুতি লৈ । এই নিবিড় মুহূৰ্ত্তত তেওঁৰ চেনেহৰ চকুলো নিগৰিছে । গীতত জীৱন্ত হৈ উঠিছে হিয়া দিয়া নিয়াৰ মধুৰ ছবি ।

পৰৰ দেশত ধন সোণেৰে ওপচাই থাকিব পাৰিলেও কোনোৱাই জানো নিজৰ দেশৰ মাটিৰ গোন্ধ পাই পুলক অনুভৱ নক-ৰাকৈ থাকিব পাৰিব ? সেয়ে তেওঁৰ গীতে গাই উঠিছে—

“মই এই মাটিৰে ল'ৰা
হৈছিলোঁ অঘৰী মাটিৰ মোহ এৰি
দিছিলোঁ ভাওনাৰ চং”

আইৰ শুকান মাটি ৰসাল কৰিবলৈ তেওঁ বদ্ধপৰিকৰ । আইৰ মাটিৰ গেৰুৱা ৰং গুচাই সেউজী কৰিবলৈ তেওঁ আগবাঢ়ি আহিছে । উপলব্ধিৰ শেষত যেন তেওঁৰ মনে কৈ উঠিছে আইৰ বোকামাটিৰ গোন্ধেই সক-লোতকৈ সত্য ।

“দেশখন যদি আজি আই হৈ যায়
আৰু আইয়ে যদি কান্দি কান্দি মোক
আহি কয়, তই বাৰু মোৰ বাবে
কি কৰিলি ? মই ক'ম কি”

কি ক'ব বাৰু যদিহে পুনৰ সোধে সেউজ ৰং কিয় নিদিলি ? এই ভয় আইৰ যোগ্য সন্তানবিলাকৰ । এই ভয় আইক ভাল পোৱা সন্তান সকলৰ বাবে ।

নিজৰ দেশখন যিয়েই নহওঁক স্বদে-শপ্ৰেমে তাক ৰাম ৰাজ্য বুলি ভাবিবলৈ শিকায় । সেয়ে এই ৰাম ৰাজ্যত থকা ৰাৱণক

নিধন কৰিবলৈ জনতাক তেওঁ আকুল আহ্বান জনাইছে —

"আহ আহ ওলাই আহ সজাগ জনতা
আহ আহ ওলাই আহ পোহৰ আনোতা
ৰামৰে দেশতে থকা ৰাৱণ বধোতে
যায় যদি যায় জীৱনটোও ৰ'ক"

ৰাৱণবোৰক বধিবলৈ যাওঁতে আমাৰ প্ৰাণৰ সংশয় থাকিব পাৰে, তথাপিও এইয়াই আমাৰ উপযুক্ত ধৰ্ম হোৱা উচিত। আইক নিষ্কণ্টক কৰি তোলাৰ সমান অনন্দ একোতেই নাই। গীতৰ আহ্বানে হাতত ধৰি আমাক উলিয়াই আনে। ৰাৱণ বধিবলৈ আমাৰ প্ৰাণ জাগি উঠে।

স্বদেশৰ তাড়নাত নিৰ্গত হোৱা তেওঁৰ গীতে ধৰি ৰাখিছে আইৰ দুখৰ মুহূৰ্ত্ত, সুখৰ মুহূৰ্ত্ত। আইৰ দুখ দেখি বুকুৰ হুমুহুমনিত কেতিয়াবা নিদ্ৰা হৰিছে, কেতিয়াবা গৰ্বিত হৈছে, কেতিয়াবা আনন্দৰ সুখানুভূতিও স্পৰ্শ কৰিছে। আৰু কেতিয়াবা সহস্ৰ ফুলৰ মেলাতো এপাহী ফুল পোৱা নাই যি আইৰ বেদীৰ যথাযোগ্য উৰ্চগা হৈ ৰ'ব। উচগাৰ-পিচতো মন অপূৰ্ণ হৈ ৰৈছে ধাৰ শুজিব কিহেৰে? তুলনাবিহীন আইৰ মৰমত তেওঁ আপোন পাহৰা, তেওঁৰ গীত আপোনপাহৰা —

"আই তোক কিহেৰে পূজিমে
আই তোৰ চৰণে দুখানি
আই অ' কিহেৰে শুজিমে ধাৰ
আই অ' জীৱন দি শুজিমে ধাৰ।"

---

মোৰ জীৱনটো এগছি সৰু চাকি নহয়, ই মই উত্তৰাধিকাৰী সূত্ৰে পোৱা জ্বলি থকা টৰ্চ লাইটহে ভৱিষ্যত কংশধৰ সকলৈ ই হস্তগত হোৱাৰ আগতে মই তাক অধিক উজ্জ্বল কৰি তুলিম—

—জৰ্জ বাৰ্ণাড শ্ব

---

# বিশ্ব যুদ্ধৰ প্ৰস্তুতি ? বনাম শান্তি ।

—শ্ৰীপ্ৰফুল্ল খাখলাৰী ।
স্নাতক মহলাৰ ২য় বৰ্ষ (কলা) ।

আজিৰ বিশ্ব পৰিস্থিতিৰ বিষয়ে যি সকলে খবৰ ৰাখিছে তেওঁবিলাকে নিশ্চয় লক্ষ্য কৰিছে যে বিশ্বৰ কিছু উন্নত পুঁজিপতি দেশবিলাকত যুদ্ধৰ বিৰুদ্ধে আৰু শান্তিৰ সপক্ষে এক সংগ্ৰাম কৰিছে । তাৰ প্ৰমাণ বিভিন্ন ঠাইত কৰা মানুহৰ শান্তিৰ মিছিল আৰু শান্তিৰ এই মিছিল দীৰ্ঘতৰৰ পৰা ক্ৰমে দীৰ্ঘতৰ হ'বলৈ ধৰিছে । এই মিছিল হৈছে আমেৰিকাৰ বুকুত, ইংলণ্ডৰ বুকুত, শান্তিৰ এই মিছিল আমি দেখিবলৈ পাইছো জাপানত, পঃ জাৰ্মানীত, ইটালী, চুইজাৰলেণ্ড ইত্যাদিত । শান্তিৰ সপক্ষে আৰু যুদ্ধৰ বিৰুদ্ধে এই সংগ্ৰামৰ আহ্বান জনাইছে বিভিন্ন সমাজ তান্ত্ৰিক ৰাষ্ট্ৰৰ গুৰিধৰোতা সকলে । গৌৰৱৰ কথা এই মানবীয় সংগ্ৰামত বশ্বৰ জনগণৰ লগত খোজত খোজ মিলাই ভাৰতৰ বিভিন্ন প্ৰান্তৰ চহৰৰ ৰাজপথত শান্তিৰ দাবীত একত্ৰিত ভাৰত বাসী ( অস্ত্ৰ নহয় খাদ্য লাগে, ধ্বংস নহয় জীৱন লাগে যুদ্ধ নহয় শান্তি লাগে ) কিন্তু কিয় এই যুদ্ধৰ হুংকাৰ? আৰু কিয় বা তাৰ বিৰুদ্ধে মানুহৰ শান্তিৰ মিছিল ।

বিশ্বৰ মানৱ সভ্যতাই ইতিমধ্যে দুখন বিশ্বযুদ্ধৰ সৈতে পৰিচয় হৈছে । ১ম বিশ্বযুদ্ধত ১ কোটিৰো অধিকলোকে প্ৰাণ হেৰুৱায় আৰু ২ কোটিৰো অধিকলোক চিৰজীৱনৰ বাবে পঙ্গু হৈ যায় । ২য় বিশ্বযুদ্ধই কঢ়িয়াই আনিছিল মানুহৰ বাবে এক ডাঙৰ অভিশাপ । ইয়াত নিহতৰ সংখ্যা আছিল ৫ কোটিৰো অধিক আৰু ৯ কোটি মানুহ চিৰ জীৱনৰ বাবে পঙ্গু হৈ গৈছিল । অকল সেয়েই নহয়, জাপানৰ নাগাছাকি আৰু হিৰোশ্বিমা চহৰত দিয়া এটম বোমাৰ প্ৰতিক্ৰিয়াত আজিৰ বহুতো মাতৃৰ গৰ্ভত শিশু সকল পঙ্গু হৈ যায় । কিন্তু এনে এক দুখ জনক প্ৰতিক্ৰিয়াৰ পাচতো যুদ্ধৰ ভাবুকি পৃথিবীৰ পৰা শেষ হোৱা নাই । কাৰণ ১৯৫০ চনৰ পৰা ১৯৮০ চনলৈ এই সময় চোৱাত বিশ্বত অস্ত্ৰ প্ৰতিযোগিতাৰ সংখ্যা ৮ গুণ । এই ক্ষেত্ৰত লক্ষ্যণীয় বিষয় হৈছে যে যেনেকৈ পৃথিবীৰ বিভিন্ন দেশবিলাকত শাসক আৰু শোষক শ্ৰেণীৰ বিৰুদ্ধে গণ আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ হৈছে, ঠিক তেনেকৈ দেশৰ শাসক শ্ৰেণীয়ে এই যুদ্ধ উন্মাদনাৰ সৃষ্টি কৰিছে । আৰু এই যুদ্ধৰ নেতৃত্ব ( প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে ) পাতিছে পৃথিবীৰ পুঁজিবাদৰ পহৰাদাৰ মাৰ্কিন সাম্ৰাজ্যবাদে আৰু এই যুদ্ধনীতিৰ লগত তালত তাল মিলাই নাচিছে কিছুমান উন্নত পুঁজিবাদী ৰাষ্ট্ৰই । কিন্তু আমাৰ ভৰসাৰ কথা এইযে সেইবিলাকৰ দেশৰ কিছুমান মানুহে ইতিমধ্যে যুদ্ধ প্ৰৰোচনাৰ প্ৰতিবাদ কৰিছে ।

তথাপি কিন্তু আত্মসন্তুষ্টি লাভৰ সময় নাই। কাৰণ বিভিন্ন দেশত সামৰিক ব্যয় প্ৰচণ্ড ভাবে বৃদ্ধি পাইছে। মাৰ্কিন যুক্তৰাষ্ট্ৰত সামৰিক শিতানত ১৯৮০ চনত এই ব্যয় কৰিছিল ১৪৬ বিলিয়ন ডলাৰ ১৯৮২ চনত এই ব্যয় হয় ১২৬ বিলিয়ন ডলাৰ আৰু ১৯৮৬ চনৰ বাবে ৰিগান সামৰিক ব্যয় ৪৪৫ বিলিয়ন ডলাৰ কিন্তু প্ৰস্তাৱিত এই অস্ত্ৰসম্ভাৰৰ ব্যয়ভাৰ বহন কৰোঁতে মাৰ্কিন অসামৰিক ব্যয় ১৬·০ বিলিয়ন ডলাৰ হ্ৰাস পাইছে, যাৰ ফলত জনকল্যাণ মুখী কাম ৮৯% কমি গৈছে আৰু ছাত্ৰৰ বাবে দিয়া বৃত্তি ৪৩% কমি গৈছে। বিকলাঙ্গক দিয়া অনুদান হ্ৰাস পাইছে ২৯%। কিন্তু স্বাভাৱিকতে আমাৰ মনলৈ প্ৰশ্ন আহে যে জনকল্যাণ মূলক ব্যয় হ্ৰাস কৰি এই অস্ত্ৰসম্ভাৰ কাৰ স্বাৰ্থৰ বাবে গঢ়ি উঠিছে।

যুদ্ধৰ প্ৰসঙ্গলৈ আহিলেই আমি দুই শক্তিৰ দ্বন্দক দায়ী কৰিব পাৰোঁ। কিন্তু এই দুই শক্তি মাৰ্কিন আৰু ৰাছিয়াৰ দ্বন্দৰনো কাৰণ কি? ১৯১৪ চনত যেতিয়া প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হৈছিল সেই সময়ত পৃথিবীত কোনো সমাজ তান্ত্ৰিক ৰাষ্ট্ৰ নাছিল। বিভিন্ন পুঁজিবাদী ৰাষ্ট্ৰবোৰৰ লক্ষ্য আছিল কেনেকৈ দুৰ্ব্বল দেশবিলাকক তেওঁলোকৰ কৰলত ৰাখি শোষণৰ বাট অটুত ৰাখিব। ১৯৩৯ চনৰ ২য় বিশ্বযুদ্ধৰ পিচত পৃথিবীৰ পুঁজিবাদী ৰাষ্ট্ৰবিলাকে এক চৰম অৰ্থনৈতিক সংকটৰ মাজেদি দিন নিয়ায়, বিশ্বপুঁজিবাদৰ এই সংকটৰ বিপৰীতে ১৯১৭ চনত প্ৰতিষ্ঠিত সমাজতান্ত্ৰিক ৰাছিয়াই অৰ্থনীতিত এক নতুন যুগৰ সূচনা কৰে। ১৯৩৭ চনত চোভিয়েত ৰাছিয়াত বেকাৰ সমস্যা সম্পূৰ্ণৰূপে শেষ হৈ যায়, যি সময়ত উন্নত পুঁজিবাদী দেশবিলাকত বেকাৰ সমস্যা তীব্ৰ হৈ উঠিছিল। ইতিমধ্যে ১ম বিশ্বযুদ্ধৰ দ্বাৰা অপমানিত হোৱা জাৰ্মানিত পুঁজিবাদৰ বিকৃত আৰু অবৈধ সন্তান ফেঁচীবাদৰ জন্ম হয়। উগ্ৰজাত্যাভিমানী ফেঁচীবাদী নেতা হিটলাৰৰ লগত হাতত হাত মিলায় জাপান আৰু ইটালী। ত্ৰিশৰ দশকৰ সংকটৰ পৰা এইটো কথা স্পষ্ট হৈ পৰে যে পুঁজিবাদৰ স্বৰ্ণকাল শেষ হৈ আহিছে, আৰু সিহঁতে মৃত্যুৰ ঘণ্টাধ্বনি শুনিবলৈ পাইছে। সমাজতান্ত্ৰিক ৰাছিয়াৰ অগ্ৰগতিয়ে মৃত্যুপথৰ যাত্ৰী পুঁজিবাদক অধিক হিংস্ৰ কৰি তুলিছে। ইতিহাসৰ চক্ৰক পিছলৈ ঘূৰাবলৈ সৃষ্টি হয় ফেঁচীবাদৰ। নিগৃহীত হয় লাখ লাখ ইহুদীলোক, নিৰ্য্যাতিত হয় আইনষ্টাইন। অন্যহাতে নিজ ৰাজ্যত থাকি যিবিলাকে স্বাধীন স্বৰ্গৰাজ্যৰ দাবী জনাইছিল সেইবিলাকৰকো যুদ্ধৰ বিৰুদ্ধে কথা কোৱাৰ অপৰাধত নিগৃহীত কৰা হয় বাৰ্ট্ৰাণ্ড ৰাছেল, চাৰ্লি চেপলিন প্ৰমুখ্যে বুদ্ধিজীৱী সকলক। ২য় বিশ্বযুদ্ধই ৰখি গ'ল মানুহৰ বাবে বেদনা। এটোম বোমৰ তেজস্ক্ৰিয়তা, আৰু ধ্বংস কৰি গ'ল ফেঁচীবাদৰ যুদ্ধৰ পৰবৰ্ত্তী কালছোৱাৰ মাজতে খুব সোনকালে পৃথিবীৰ এক তৃতীয়াংশ দেশত প্ৰতিষ্ঠিত হ'ল সমাজতন্ত্ৰ।

কিন্তু তাৰ পিছতো যুদ্ধৰ বিপদ থাকি গ'ল, বিভিন্ন পুঁজিবাদী দেশত ফেঁচবাদ জন্ম দিয়াৰ আশংকা থাকি গ'ল। কাৰণ পৃথিবীত থাকি গ'ল পুঁজিবাদ আৰু পুঁজিবাদ জীয়াই থাকিবলৈ লাগিব ফেঁচীবাদ আৰু সাম্ৰাজ্যবাদ। থাকিব লাগিব যুদ্ধৰ ৰক্তাক্ত বিভীষিকা। সাম্ৰাজ্যবাদে আজি গভীৰ আশংকাৰে লক্ষ্য কৰিছে যে পৃথিবীৰ দুৰ্ব্বল ৰাষ্ট্ৰবোৰৰ মানুহক আৰু বেছিদিন শোষণ কৰিব পৰা নাযাব। আজি জনগণৰ সন্মিলিত শক্তিয়ে আৰু সৰু

কিয় ? কাৰণ হৈছে অস্ত্ৰপ্ৰস্তুত কাৰক সকলৰ মুনাফা। আমেৰিকাৰ ১৩১ টা প্ৰধান অস্ত্ৰ প্ৰস্তুত কাৰী সংস্থাসকলৰ ভিতৰত ৯৪ টাৰ মুনফা ৫০% ৪৯ টাৰ ২০০% ৰো বেছি, ২২ টাৰ ২০০% ৰ বেছি, ৩ টাৰ প্ৰায় ৫০০% ৰো অধিক আৰু এটাৰ ২০০% ৰো অধিক। বহুতে কয় যে ৰাচিয়া আমেৰিকা দুই দেশেই অস্ত্ৰ প্ৰতিযোগিতাত লিপ্ত। অলপ চকু দিলেই দেখা যাব যে কোনে কোন সময়ত কেনেকুৱা অস্ত্ৰ আৱিষ্কাৰ কৰিছে ।

| | অস্ত্ৰ পদ্ধতি | অৱিষ্কাৰৰ কাল আমেৰিকা | ৰাচিয়া |
|---|---|---|---|
| ১। | এটমিক বোমা | — ১৯৪৫ — | ১৯৫০ |
| ২। | হাইড্ৰজেন " | — ১৯৫৩ — | ১৯৫৪ |
| ৩। | মিডিয়াম ৰেঞ্জ মিচাইল | ১৯৫৩ — | ১৯৫৯ |
| ৪। | নিউক্লিয়াৰ অস্ত্ৰ | — ১৯৫৫ — | ১৯৫৬ |
| ৫। | I. C. B. M. | — ১৯৫৫ — | ১৯৫৭ |
| ৬। | এটমিক চাবমেৰিণ | — ১৯৫৬ — | ১৯৬২ |
| ৭। | M. R. V. | — ১৯৬৪ — | ১৯৭২ |
| ৮। | M. I R. V. | — ১৯৭০ — | ১৯৭৫ |
| ৯। | ক্ৰুইজ (Cruise) মিচাইল | — ১৯৭৬ — | |

ওপৰৰ তালিকাৰ পৰা এইটো পষ্ট হৈ পৰিছে যে অস্ত্ৰ প্ৰতিযোগিতাৰ মূল কাৰণ হৈছে যুক্তৰাষ্ট্ৰ আৰু ইয়াৰ আক্ৰমণী মনোভাৱক প্ৰতিহত কৰিবৰ বাবে ৰাচিয়াও নিজকে শক্তিশালী কৰাৰ দৰকাৰ হৈ পৰিছে। আমেৰিকাৰ অৰ্থনীতিৰ প্ৰসঙ্গত নোবেল বটা বিজয়ী অৰ্থনীতিবিদ লিয়নটিয়েফে কৈছে যে আমেৰিকাৰ সামৰিক বাজেটৰ ৮ মিলিয়ন হ্ৰাস কৰা হলে ২,৫৪,০০০ জন ব্যক্তিয়ে চাকৰি পালে হয়। কিন্তু সেইটকা অসামৰিক উৎপাদনত ব্যয় কৰা হলে ৫,৪২,০০০ টা নতুন চাকৰিৰ সৃষ্টি হ'লহেঁতেন। অৰ্থ্যাৎ অতিৰিক্ত ২৮৮,০০০ জন নতুন ব্যক্তিৰ কৰ্মসংস্থান হলহেঁতেন।

ৰাচিয়াই বাৰে বাৰে শান্তিৰ প্ৰস্তাৱ আগবঢ়াইছে। কিন্তু নানা কাৰণত সেই আলোচনা আমেৰিকাই বাতিল কৰি দিয়ে। যিবিলাকে দক্ষিণ কোৰিয়াৰ বিমান ধ্বংস হওঁতে ৰুচ সমালোচনাৰ সমালোচিত হৈছিল আৰু সিহঁতৰ ওচৰত পৃথিবীৰ শান্তিকামী জনগণে বিনীত প্ৰশ্ন ৰাখিছিল পাকিস্থানৰ ঘটনাৱলী, এলচেলভাদৰৰ গণহত্যা, দক্ষিণ আফ্ৰিকাৰ বৰ্ণবাদী শাসন আৰু তাৰ সহায়কাৰী সকলৰ বিষয়ে নিমাত কিয় ?

আজিৰ এই পৃথিবীত এফালে পেটৰ ভোক আনফালে নিৰক্ষৰতা, অপুষ্টি, মহামাৰী আনহাতে ব্যয় হৈছে অস্ত্ৰৰ বাবে অযথা ধন। অস্ত্ৰৰ বাবে প্ৰতিদিনে পৃথিবীত যি টকা খৰচ হয় তাৰ আধা পৰিমাণৰ টকাৰে পৃথিবীৰ পৰা মেলেৰীয়া নিমূল কাৰ্য্যসূচী সফল ৰূপায়ণ কৰিব পাৰি। প্ৰতি পাঁচ ঘণ্টাত বিশ্বত যি সামৰিক ব্যয় হয় সেই ব্যয় বিশ্ব শিশু সংস্থা (Unicef) ৰ মুঠ ব্যৱহাৰিক ব্যয়ৰ সমান। আজিৰ আধুনিক এক যুদ্ধ টেংকৰ মূল্যই এখন অনুন্নত দেশৰ ৩০,০০০ ছাত্ৰৰ বাবে ১০ হাজাৰ স্কুল ঘৰ নিৰ্মাণ কৰিব পাৰি। যুদ্ধৰ নামত আজি বিশ্বত যি খৰচ হয় তাৰ দ্বাৰা (১) বিশ্বৰ শিশু সকলক মহামাৰী আৰু সংক্ৰামক টিকা দিয়াব পাৰি (২) গোটেই বিশ্বৰ পৰা প্ৰাপ্তবয়স্ক নিৰক্ষৰতা দূৰীকৰণ সম্ভৱ হয়। (৩) দহ কোটিৰো অধিক গৰ্ভৱতী মহিলাক সু খাদ্য আৰু পুষ্টিকৰ খাদ্য যোগান দিব পাৰি। (৪) ১০০ কোটি ছাত্ৰৰ বাবে স্কুলঘৰ নিৰ্মাণ কৰিব পাৰি।

মাত্ৰ এয়ে নহয় বিশ্ব শিশু সংস্থাৰ ১৯৮১ চনৰ প্ৰতিবেদনৰ পৰা দেখা যায় যে পৃথিৱীত প্ৰতিদিনে ৪০,০ ০ শিশুৰ নিৰৱে মৃত্যু হয়। এক কোটি শিশু শাৰীৰিক অথবা মানসিক ভাৱে পঙ্গু হৈ যায়, ৬ – ১১ বছৰৰ মাজৰ ১০ কোটি শিশুৱে শিক্ষাৰ কোনো সুযোগেই নাপায়। অৰ্থাৎ বিশ্বৰ একালে ক্ৰমবৰ্দ্ধমান ক্ষুদ্ধ, দ্ৰৰিদ্ৰতা, মৃত্যু নিৰক্ষৰতা আৰু আনফালে এক বিপুল অস্ত্ৰৰ সম্ভাৰ।

সুখৰ কথা যে এই যুদ্ধক বাধা দিবলৈ গঢ়ি উঠিছে শান্তিৰ এক বিপুল সংগ্ৰাম। আজি বিশ্বৰ ১৫০ খন দেশৰ ১০,০০০ প্ৰতিনিধি সন্মিলিত হৈ ৰাচিয়াত ষ'ত তেওঁলোকে পৃথিৱীৰ মানুহক সকিয়াই দিছিল ১৯৪৫ চনৰ ৬ আগষ্ট দিনটোৰ কথা।

---

"যিয়ে তোমাৰ ভোকৰ ভাত, পিয়াহৰ পানী আৰু সৰ্বশ্ৰেষ্ঠ ভাষাক ধ্বংস কৰিব খোজে তাক বজ্ৰপাত আৰু আগ্নেয় অস্ত্ৰৰে আঘাত কৰা।

অৰ্থৰ্ব বেদ

# বক্সাৰ

## মহম্মদ আলি

—শ্ৰীনয়ন দত্ত

২য় বাষিক বাণিজ্য শাখা।

বৰ্ত্তমান বিশ্বৰ বক্সাৰৰ তালিকাত যি সকল বক্সাৰ আছে তাৰ ভিতৰত ক্যালিয়াল ক্লে অৰ্থাৎ মহম্মদ আলি সকলোতকৈ বিখ্যাত।

সাম্প্ৰতিক কালত বক্সিং অথবা মুষ্টিযোদ্ধা সকল এনে এক সুমহান শীৰ্ষস্থানত অৱতীৰ্ণ হৈছে যে সকলো দিশৰপৰা তেওঁলোকে খ্যাতি আৰু জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। সেই কাৰণে এই বক্সাৰ সকলক কোৱা হয়, "দি গ্ৰেটেষ্ট বক্সাৰ অথবা পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ মুষ্টিযোদ্ধা।"

পৃথিবীৰ বক্সাৰ সকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বক্সাৰৰ সন্মান লাভ কৰা একমাত্ৰ প্ৰবাদ মুষ্টিযোদ্ধা হ'ল মহম্মদ আলি যাৰ একো একোটি বক্সিং খেল চাবলৈ মানুহ আমেৰিকাৰ পৰা জাপান অথবা আফ্ৰিকাৰ পৰা অষ্ট্ৰেলিয়া পৰ্য্যন্ত হাজাৰ হাজাৰ লোকৰ সমাগম হৈছিল খেল পথাৰ সমূহত।

এই মহম্মদ আলিৰ জন্ম হৈছিল সাধাৰণ মধ্যবিত্ত পৰিয়ালত। বয়স বাঢ়ি অহাৰ লগে লগে বক্সিঙৰ নানা কৌশল শিকি নিজকে এক সফল বক্সাৰ হিচাবে প্ৰতিপন্ন কৰে। মাত্ৰ ষোল্ল বছৰ বয়সতে মহম্মদ আলিয়ে প্ৰথম প্ৰফেশ্যনেল বক্সাৰ বা পেশাদাৰি মুষ্টিযোদ্ধাৰ শাৰীত অৱতীৰ্ণ হয়।

মহম্মদ আলিৰ জীৱন কাহিনী বৰ দুখ লগা। যেতিয়া প্ৰথম এচিয়ান গেমচ্‌ত আমেৰিকাৰ হৈ স্বৰ্ণ পদক লাভ কৰে তেতিয়া তেওঁৰ নিজে বিজয়ী আনন্দ উপভোগ কৰে আৰু তেওঁৰ অন্তৰঙ্গ এজন বন্ধুৰ সৈতে এখন হোটেলত আহাৰ খাবলৈ যায়। কিন্তু হোটেলৰ মেনেজাৰে তেওঁক হোটেলত সোমাৱাৰ বাবে অপমান কৰে আৰু হোটেলৰ পৰা বাহিৰ হবলৈ কয়। তেতিয়া আলিয়ে খুউব নম্ৰ ভাৱে কয়— "মই এইবাৰ প্ৰথম এচিয়ান গেমত মোৰ নিজ মাতৃভূমি আমেৰিকালৈ স্বৰ্ণ পদক কঢ়িয়াই আনিছো, অন্ততঃ মোক এই আনন্দৰ উপভোগকণ লভিবলৈ দিয়ক।" কিন্তু তেওঁৰ কথা কোনেও নুশুনিলে। কেইজন মান গুণ্ডা প্ৰবৃত্তিৰ লোকে তেওঁক আৰু বন্ধুজনক নদীৰ পাৰলৈ টানি নি খুউব মৰিয়ায়; তেওঁলোক অজ্ঞান হয়। জ্ঞান পোৱাৰ পাছত মহম্মদ আলি নদীৰ পাৰলৈ যায় আৰু মুখ হাত ধুই দেখে যে স্বৰ্ণপদকটো বালিৰ ওপৰত

পৰি আছে । ঠিক সেই মুহূৰ্ত্তত বন্ধুজনে স্বৰ্ণ-পদকটো নিজৰ ডিঙিত পিন্ধি লয় । কিন্তু মহম্মদ আলিয়ে বন্ধুজনৰ ডিঙিৰ পৰা পদকটো খুলি নদীৰ বুকুলৈ দলিয়াই দিয়ে আৰু চিৰ দিনৰ বাবে প্ৰতিজ্ঞা কৰে যে - 'মই এজন পৃথিবীৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বক্সাৰ হ'ম আৰু জীৱনত কোনো দিনে আমেৰিকাৰ হৈ বক্সিং নেখেলো, মই আমেৰিকাৰ পৰা বিদায় ল'ম। তেওঁৰ এই ঘটনা হোৱাৰ কাৰণ তেওঁ এজন নিগ্ৰো জাতিৰ লোক । কিয়নো বগা মানুহৰ দেশত ক'লা মানুহৰ উচ্চ স্থান নাই । সচাঁ-কৈয়ে মহম্মদ আলিৰ জীৱন কাহিনী বৰ দুখ লগা,

জীৱনৰ প্ৰথমখন খেলতে মহম্মদ আলিয়ে তেওঁতকৈ দুগুণ বয়সৰ জনপ্ৰিয় বক্সাৰ জিমিওয়াটক মাত্ৰ তিনি মিনিটৰ ( প্ৰথম ৰাউণ্ড ) ভিতৰত ধৰাশায়ী কৰি প্ৰচণ্ড আলোড়নৰ সৃষ্টি কৰে। সেই তেতিয়াৰ পৰাই তেওঁৰ ভাগ্য চকৰি দোপত দোপে উন্নতিৰ ফালে অগ্ৰসৰ হয় । তাৰ পাছত সুদীৰ্ঘ ৩৫ বছৰ ধৰি একেৰাহে বৰ্ত্তমানলৈকে বক্সিং খেলি বিভিন্ন ৰেৰ্কড ভঙ্গ কৰে আৰু এক প্ৰচণ্ড মুষ্টিযোদ্ধা হিচাপে পৰিগণিত হয় । জীৱনৰ খুব কম খেলতহে মহম্মদ আলি পৰাজিত হৈছে । তেওঁ একেৰ হে কেইবাবাৰো গুৰুত্বপূৰ্ণ তথা সন্মান জনক হেভিওয়েট চেম্পিয়নচিপ জিকি মহম্মদ আলিয়ে এক বিশ্ব ৰেৰ্কড স্থাপন কৰে।

জীৱনত অনেকবাৰ বিভিন্ন সংকট পূৰ্ণ পৰিস্থিতিৰ মাজত পৰি তেওঁ বক্সিং খেলি যায়। বহুতে তেওঁক আত্মপ্ৰচাৰক, অহঙ্কাৰী, ইত্যাদি সন্মানেৰে ভূষিত কৰিছে । কিন্তু কথা হ'ল পৃথিবীৰ বক্সিঙৰ বুৰঞ্জীত তেওঁৰ সমতুল্য বক্সাৰ হয়তো আৰু কোনো দিনেই পোৱা নাযাব। আজিও তেওঁ বক্সিং কিংবদন্তীৰ নায়ক হৈয়েই আছে ।

॥ ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যুবৰণ কৰাই শ্ৰেয়ঃ ॥

—মহাত্মা গান্ধী ।

# নকৈ নোৱাৰোঁ ষ্ঠ বেয়া পাওঁ

১। তেওঁক, যিজনে মহাবিদ্যালয়ৰ শ্ৰেণীত ধুমপান কৰে।

২। সেইজনক, যিজনে বন্ধু–বান্ধৱ বা অন্যান্য ছাত্ৰ-ছাত্ৰী সকলৰ লগত বাৰ্ত্তালাপ কৰোঁতে অশ্লীল শব্দ প্ৰয়োগ কৰি সুস্থ পৰিবেশ নষ্ট কৰে।

৩। সেইসকলক, যি সকলে মহাবিদ্যালয়ৰ দেৱাল, বেৰ, ব্লেকবোৰ্ড, টেবুল, চকী আদিত অশ্লীল শব্দ লিখি বিকৃত ৰুচিৰ পৰিচয় দিয়ে।

৪। তেওঁবিলাকক, যি সকলে মহাবিদ্যালয়ৰ লাইট, ফেন, চুইবোৰ্ড আদি ভাঙি ফুৰ্টি কৰে।

৫। সেইজনক, যিজনে জাননী বৰ্ডৰ পৰা জাননী বিলাক ফালি আনসকল ছাত্ৰ-ছাত্ৰীক অযথা বিপৰ্য্যস্ত কৰে।

৬। সেইজনক, যিজনে, ডাঙৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰফেছাৰক সন্মান নকৰে।

৭। তেওঁক, যিজনে চাইকেল ষ্টেণ্ডত চাইকেল নাৰাখি বাটত ৰাখি ছাত্ৰ ছাত্ৰীৰ অহা যোৱাত অসুবিধা ঘটায়।

৮। তেওঁক, যিজন ছাত্ৰই ছাত্ৰৰ জিৰণি কোঁঠাত জিৰণি নলৈ ছাত্ৰীৰ জিৰণি কোঁঠাত জিৰণি লৈ ভাল পায়।

৯। সেইসকলক, যিসকলে মহাবিদ্যালয়ৰ অনুশাসন অমান্য কৰে।

১০। সেই সম্পাদক আৰু ছাত্ৰ-ছাত্ৰীক, যিসকলে মহাবিদ্যালয়ৰ সভা সমিতিত উপস্থিত নাথাকি অথচ পাছদিনা আহি "এইটো হব নালাগিছিল" বুলি বিজ্ঞ মন্তব্য দিয়ে।

১১। সেইবিলাকক, যি সকলে কোঁঠাৰ ভিতৰত Class হৈ থাকোঁতে বাৰান্দাত বা দুৱাৰ খিৰিকীৰ মুখত হাঁহি খিকিন্দালিৰে ৰসালাপ কৰি আনন্দ অনুভৱ কৰে।



# কবিতা


চক্ৰবেহু ॥ ১ ॥ ছৈয়দা আকেলা খানম
পন ॥ ১ ॥ অৰুণ পাল
এটি বিনিদ্ৰ নিশাৰ ইলিজি ॥ ২ ॥ ৰেখা বৰঠাকুৰ
মই মাৰে আছো ॥ ২ ॥ প্ৰদীপ কোঁৱৰ
মোৰ এই মন ॥ ৩ ॥ আভা বৰদলৈ
বেদনাৰ অতল গৰ্ভত ॥ ৩ ॥ চৈয়দা আঞ্জুমান আৰা চুলতানা
নিৰ্বাপিত হৃদয় ॥ ৪ ॥ ৰাগীতা বৰগোহাঁই
অবুজ বেদনা ॥ ৪ ॥ ৰাগীতা বৰগোহাঁই
প্ৰতিজ্ঞা ॥ ৫ ॥ চৰ্মীনা ৰহমান
ৰেগিং মাষ্টাৰ ॥ ৬ ॥ চন্দ্ৰপ্ৰভা চেতিয়া
সপোন ॥ ৭ ॥ পঙ্কজ গোস্বামী
তুমি যদি.......... ॥ ৭ ॥ গুণেশ্বৰ শইকীয়া
স্বপ্ন ॥ ৮ ॥ সঞ্চিতা ভট্টাচাৰ্য্য

## চক্ৰবেহু

—ছৈয়দা আকেলা খানম ।
অধ্যাপিকা, (অসমীয়া বিভাগ) ।

—

মুমূৰ্ষ সৈনিকৰ কাতৰ আৰ্তনাদ শুনিছা
"মোক তোমালোকে বচোৱা'
মই এতিয়াই মৰিব নোখোজো"
সেইখন নীলা আকাশে তোমাকো চুইছে।

আমি যুঁজি আছো
তিনিশ পয়ত্ৰিশ দিন
বৰষুণৰ শীতল সন্ধিয়া
জুহালৰ দাঁতিত উমলৈ কটাইছোঁ
প্ৰতিটো শীতৰ কুহুলি প্ৰভাত ।

আবেলিৰ খিড়িকীত তোমাৰ চাৱনি
ৰক্তিম বেলিটোত ।
কঠিয়াতলিত দাউনীজনীৰ
খছ খছনি
সুঠাম কলাফুল
বোকাৰে লোৰ্টি-পোটি মন ।

লহনিয়া বেলিটোৰ আঁৰ লৈ শুই থকা
কেচুৱাটোও
সাৰপাব
এটা নিভিক সৈনিক হৈ ।

## পন

—অৰুণ পাল ।
প্ৰাক স্নাতক ২য় বাৰ্ষিক (কলা)

—

এই পথ বৰ দুৰ্গম
বৰ কঠিন
(লেলিহান বহ্নি শিখাৰ দৰে)।
তোমালোক পথিক
এই পথৰ
সেয়ে তোমালোকে
এই পথৰ
ইয়াতেই লোৱা পন ।
সুপ্ত গহীন এন্ধাৰ ৰাতিৰ
মৌন আলোৰ দুৱাৰ ভাঙি
আগবাঢ়া তোমালোক ;
তোমালোকে ৰচিবা এটা
সত্য আৰু নিষ্ঠাৰ
নিৰ্ভীক মানৱ জীৱন
যি হব ভৱিষ্যত মানবৰ
চিৰন্তন পথ ।
হয়তো তুমি এই পৃথিবীত
নেথাকিব পাৰা
হয়তো ইতিহাসৰ সোণালী পাতত
নেথাকিব তোমাৰ নাম
স্মৰণীয় হৈ,
সেয়ে তুমি জানিলে এই পথ
আহিব তোমাৰ সেইদিন বন্ধু,
সেইদিনা অতিক্ৰম কৰিবা তুমি
অপেক্ষা কৰিম মই ।

# এটি বিনিদ্ৰ নিশাৰ ইলিজি

—শ্ৰীমতী ৰেখা বৰঠাকুৰ।
—স্নাতক ২য় বাৰ্ষিক (কলা শাখা)

গহীন যামিনী
পুৱা-ৰাতিৰ মধ্যস্থতাত
এক নিথুৰ নিৰিবিলি
যেন কবৰৰ নিৰব মায়াজাল।
সাৰে আছো মাথো মই
চৌপাশে নিস্তব্ধতাৰ নিৰ্জ্জন আবৰণ
কুহেলিকাময় নিশিথিনীৰ দুচক্ষুত
কিবা যেন নিৰ্ম্মম আলস্যতা।
এটি জেঠিৰ টিক টিক শব্দ;
নিমাত নিতাল নিশা,
বাহিৰত বৃষ্টিৰাণীৰ মৃদুপদধ্বনি
চিপ্ চিপ্ চিপ্।
হঠাতে যেন নিৰবতা ভেদি

কৰ্ণত মোৰ ধ্বনিত হয়
দূৰ দূৰণিৰ মাদলৰ চেও;
বনুৱা গাভৰুৰ
মৰ্ম্মস্পৰ্শী কাতৰ কণ্ঠস্বৰ,
সিহঁতৰ উদ্দাত্ত যৌৱনৰ।
নিদ্ৰাবিহীন যামিনীৰ শেহান্তৰত
মোৰ দুচকুত গধুৰ আলস্যতা
কিবা যেন নাই নাই ভাব!
বালিময় বক্ষৰ শুকান মৰু ভেদি
ওলাই আহিব খোজে
একোটি তগত হুমুনিয়া!!

=×=

---

# মই সাৰে আছো

—শ্ৰীপ্ৰদীপ কোঁৱৰ।
স্নাতক প্ৰথম বাৰ্ষিক (কলা শাখা)

প্ৰতি নিশাই মই সাৰে আছো
তোমাৰ হিয়াভঙা কৰুণ বিননি শুনিবলৈ,
হাড় কপোৱা জাৰকো নেওচি মই সাৰে আছো।
মই সাৰে আছো তোমাক জনাবলে।
মই আৰু মোৰ অতীতবোৰ,
তাহানিতে হেৰাই যোৱা আমাৰ
স্বপ্নৰ ৰঙাঘোঁৰা চেকুৰোৱাৰ কথা কবলে।

মই আজিও সাৰে আছো
নিদ্ৰা মই কাহানিও যোৱা নাই
তোমাৰ বাবেই বহু উজাগৰী নিশা
এনেয়ে কটাই আছো,
কেৱল তোমাৰ বাবেই
ৰণুৱা সাজ সাজিবলে!

□□

ঃ এটা হাইকু ঃ

তোমাৰ বাতৰি আছিল
ৰিব ৰিবকৈ বলা বতাহ জাকত

# মোৰ এই মন

—শ্ৰীআভা বৰদলৈ।
স্নাতক ১ম বাৰ্ষিক (কলা শাখা)

বৰ্ষাস্নাতা স্নিগ্ধ গধূৰ মোৰ এই মন
শৰতৰ কহুঁৱাৰ কোমল পৰশেৰে
হব খোজে পখিলাৰ কোমল পাখি।
ধূসৰ আকাশত শুকুলা ডাৱৰ
আৰু দিগ্‌বলয়ত ভাহেঁ
বগলীৰ জাক,
মন মোৰ হব খোজে উদাসী সন্ধ্যাৰ
তুলসী তলৰ এটি চাকি।
নিশাৰ নীৰৱতাত,
শেৱালীৰ পাহে পাহে দুৱৰিৰ কোঁহে কোঁহে
নিয়ৰৰ মৃদু উচুপনি,
মন মোৰ হব খোজে প্ৰভাতৰ সুকণ্ঠৰ
সোণোৱালী ৰহণেৰে সযতনে বোলোৱা
জীৱনৰ মধুময় ছবি।

# বেদনাৰ অতল গৰ্ভত

—চৈয়দা আঞ্জুমান আৰা চুলতানা
স্নাতক ২য় বাৰ্ষিক (কলা শাখা)

বেদনাৰ অতল গৰ্ভত
অবুজ মনৰ কামনা
কত ডেই পুৰি-
হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে—
যেন এটি কয়লাৰ খনি।

নাই যেন একো ভাষা
ক'বলৈ বহু কথা
সংগোপন হিয়াৰ তলিত
কত আৰ্তনাদ হিয়াৰ তলিত
কত বেদনাৰ সংঘৰ্ষণ,
কৰুণ সুৰত এই বাজি উঠা সুৰ
কাণ পাতি শুনিব—
কোনেনো মোৰ ?
তাল-মান, মূৰ্চ্ছনা একো নোহোৱা
খোলা হৃদয়ৰ গান ;
কোনে বুটলিব,
কোনে আদৰিব
তাতে লাগি থকা প্ৰাণ।

# নিৰ্বাপিত হৃদয়

—বাগ্মীতা বৰগোঁহাই ।
স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক ।

—

দুৰ্বিসহ সময়
থমকি নৰয়
নিৰবধি গতি
যায় মাথোন বৈ ।

মই নাজানো
তুমি কিয়
গ'লা গুচি
প্ৰেমৰ জিঞ্জিৰি ছিঙি,

কক্ষচ্যুত এটি তৰা
দূৰৈৰ আকাশত
থমকি ৰয় ।

এতিয়া, গোপনে জ্বলি ৰয়
মোৰ নিৰ্বাপিত হৃদয় ।

# অবুজ বেদনা

—বাগ্মীতা বৰগোঁহাই ।
স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক ।

—

পুঞ্জীভূত বেদনা
নিশাৰ অন্ধকাৰত
চকু পানী হৈ ওলাই আছে,

( যেন ) পুৱাৰ নিয়ৰ হৈ
সৰে,
দুবৰিৰ পাহে পাহে

মই জানো—,
এই পৃথিবীলৈ
তেওঁ আৰু কেতিয়াও
উভতি নাহে ॥

# ঃ প্ৰতিজ্ঞা ঃ

মিচ্ চৰ্মীনা ৰহমান ।
স্নাতক ২য় বাৰ্ষিক (কলা) ।

আউল বাউল চুলিৰে
ক্ৰন্দনৰত আইক দেখি সুধিলো,
আই ! তোমাৰ চকুত এয়া কিহৰ চকুলো ।
আজলী আইয়ে একোকে নকলে ।
আইৰ দুখানি চৰণ চুবলৈ গৈ, দেখিলো,
আইৰ ভৰিত দেখোন শৃঙ্খল ।
বুজিলো,
কোমল চৰণত আইৰ, লোৰ শৃঙ্খলৰ জ্বালা,
চাৰিওফালে কিলবিলাই ফুৰা কীটবোৰৰ দংশনত,
আইৰ শৰীৰ বিষত জৰ্জৰিত,
আই, তোমাৰ দুখানি চৰণ চুই প্ৰতিজ্ঞা কৰিলো,
তুমি আৰু নেকান্দিবা ।
তোমাক আমি শৃঙ্খলমুক্ত, ৰোগমুক্ত কৰিমেই
কাৰণ,
তোমাৰ সন্তান এতিয়াও যে
জীয়াই আছো ।

# ৰেগিং মাষ্টাৰ

( খুহুটীয়া কৱিতা )

—কুমাৰী চন্দ্ৰপ্ৰভা চেতিয়া ।
স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক

মাননীয় ৰেগিং মাষ্টাৰ
ডিগ্ৰি ধাৰী প্ৰফেচাৰ
নহয় আমাৰ,
তথাপি বাধ্য আমি
দিবলৈ তেওঁৰ
প্ৰশ্নৰ উত্তৰ ।

শুনিলেই ৰেগিঙৰ নাম
ভয় কৰো
ভূতৰ সমান,
জনাৰো উপায় নাই
সেই অগ্ৰজৰ
প্ৰশ্ন-ভাণ্ডাৰ কিমান ?

এবাৰো নেচায় ভাৱি
এদিন তেওঁৰ
অৱস্থা হৈছিল কোনে
নতুন শ্ৰেণীত,
পিছৰ বছৰত চাবা
কিযে তেওঁৰ
ৰেগিঙৰ প্ৰস্তুতি
দুৰ্ব্বাৰ গতিত ।

কিমান যে লটি-ঘটি
নহয় নতুন জনৰ,
নতুন শ্ৰেণী নোহোৱাৰ
ই এক প্ৰধান কাৰণ ।

কৰা যদি ওলোটাই
প্ৰশ্ন এটি তুমি,
লৈ ল'ৰ প্ৰতিশোধ
প্ৰশ্নবাণ তুলি ।
ইয়াৰেই আন নাম
'ইনট্ৰডিউচ' কৰা
এইয়ে সুৱৰ্ণ সুযোগ
চিনাকী হোৱা ।

মাননীয় ৰেগিং মাষ্টাৰ !
এইদৰেই হয় নেকি
ৰেগিঙৰ সৎ ব্যৱহাৰ !
যুগে যুগে মাননীয়
তুমি আমাৰ ।

হে বন্ধুসব
নকৰিবা ভয়
নাই সংশয়,
এইয়া যে
ৰেগিঙৰ আখৰা নহয় ।
বন্ধুসম "দাদাৰ" দৰে
কৰিবা ব্যৱহাৰ,
ভদ্ৰভাৱে দিবা যথাযথ
প্ৰশ্নৰ উত্তৰ ।

ৰেগিং মাষ্টাৰ
তোমালৈ
শত নমস্কাৰ ॥

# সপোন

—পঙ্কজ গোস্বামী।
স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক (কলা)

ক্লান্তিৰ অৱসাদত,
সপোনে কাঢ়িয়াই আনে
স্মৃতিৰ হাজাৰ পাহ নিশিগন্ধা !

কল্পনাৰ কুকিতেই লেৰেলি শুকাই
সূৰুযৰ কিৰণত উৰি যায়
অশেষ নিশিগন্ধাৰ সৌৰভ !

সেয়ে কবিতা,
মুহূৰ্ত্তৰ বাবে হেন্দোলনি তোলা
ঘৰমূৱা এজাক বৈৰাগী বিহঙ্গ।

আন্ধাৰৰ পিঠিত উঠি আহে
ভৱিষ্যতৰ সপোন,
বিশৃঙ্খল,
আওল লগা এসোপা সাপ !!

# "তুমি যদি ......"

—শ্ৰীগুণেশ্বৰ শইকীয়া।
স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক
(কলা বিভাগ)

তুমি যদি হোৱা
তমসা জোনাক নিশাৰ
নিয়ঁৰৰে কণিকা
মই তাৰেই আশ্ৰয় দাতা,

তুমি যদি হোৱা
জিৰি জিৰি ছন্দেৰে গীত গোৱা
নিঃসঙ্গ পাহাৰী নিজৰা
তাৰেই কাষত মই
দুটি ওখ গৰা....

তুমি যদি হোৱা
বিৰিখৰ ডালত ফুলা
শুকুলা কপৌ পাহি
তাৰেই লগৰ মই
এটি সৰু কলি....

তুমি যদি হোৱা
এটি ৰঙীণ পখিলা
মই হলো তাৰেই
ৰৰণীয়া পাখি দুখিলা....

তুমি যদি হোৱা
এচপৰা আকাশী ভাৰৰ
সুদূৰত জ্বলিবোৱা তৰা
মই তাৰেই আঁৰৰ
অৱহেলিত বিচ্ছিন্ন বিশ্ব, আৰু....

তুমি যদি হোৱা
পুৱাৰ দিবাকৰ
মই তাৰ মিচিকি হাঁহিত সৰি পৰা
এজাক সোণোৱালী আভা !!!

★★

# ॥ স্বপ্ন ॥

—সঞ্চিতা ভট্টাচাৰ্য্য ।
স্নাতক ২য় বৰ্ষ ।

মই এজন আন্ধাৰৰ যাত্ৰী ।
মৃত্যু পিয়াসী মই,
মুক্তিকামী মই,
আঁতৰাব বিচাৰো জীৱনৰ গভীৰ ৰাতি ॥

উৰি যাব খোজে মন,
মোৰ মূল্য আছে য'ত ।
মোৰ সত্বা আটায়ে কৰিব উপলব্ধি—
তেনেহলেই হব মোৰ আকাংখা সিদ্ধি ॥

মানুহক ভালপোৱাৰ, অন্যায়ত শাসন কৰাৰ,
য'ত থাকিব মোৰ অধিকাৰ,
তালৈকে মই যাব বিচাৰো—
অধিকাৰহীন ধৰিত্ৰীত থাকিব যে নোৱাৰো ॥

ইচ্ছা হয় আত্মহত্যাৰ—
[ কিন্তু যে ] নিন্দিত হ'ম মানুহৰ মানস পটত ।
মই কি এজন পৰাজিত সৈনিক ?
আচৰণত প্ৰকাশিত হয় যিটো দৈনিক ।
মই অপৰাজিত হয়েই মৰিম,
পৃথিবীত নিজকে প্ৰতিষ্ঠা কৰিম ॥ +

==



# গল্প


তেজৰ সমন্ধ ॥ ১ ॥ প্ৰদীপ হাজৰিকা

একতা সভা ॥ ৮ ॥ দিগন্ত চেত্ৰী

এমুঠি নীলা বেদনাৰে ॥ ১০ ॥ ৰঞ্জুমণি বৰুৱা

সমধান ॥ ১৪ ॥ আঞ্জুমান আৰা চুলতানা

নতুন পৰিকল্পনা ॥ ১৬ ॥ মিৰ্জাহা ইছলাম

আনন্দ : বিচ্ছেদ ॥ ২০ ॥ অনুপম ফুকন

পৰাহত ॥ ২৪ ॥ পঙ্কজ গোস্বামী

শেষ পৰিণতি ॥ ২৭ ॥ লাবি কলিতা

মেৰপাক ॥ ৩১ ॥ লীলেশ্বৰ সোনোৱাল


লগতে —

× এটি সাক্ষাৎকাৰ ডঃ মামনি ৰয়চম গোস্বামীৰ সৈতে ।

× বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন ।




—শ্ৰীপ্ৰদীপ হাজৰিকা।
স্নাতক দ্বিতীয় বাৰ্ষিক, বাণিজ্য বিভাগ।

আন দিনাৰ দৰে সেইদিনাও জ্ঞানদীপে ৰাতিপুৱা সাৰ পাইয়ো পুনৰ লেপখনেৰে ভ ল-কৈ গাটো ঢাকি লৈ পুনৰ চকু দুটা বন্ধ কৰি আৰু অলপ সময় শুবলৈ চেষ্টা কৰি নিশ্চল ভাবে পৰি ৰ'ল। এইটো জ্ঞানদীপৰ পুৰণি অভ্যাস। জ্ঞানদীপৰ কাণত পৰিল পাকঘৰৰ পৰা উৰি অহা মাকৰ কাঁহী বাতিৰ টুং টাং শব্দ। লগে লগে তাৰ নাকত লাগিল পুৱাৰ চিৰপৰিচিত এটি গোন্ধ। সি অনুমান কৰিলে প্ৰভাতী মিঠা ৰ'দে সময়ৰ পখী যোঁৰতে উঠি লাহে লাহে আগুৱাই গৈছে। লগে লগে তাৰ চকুৰ আগত ভাঁহি উঠিল গোটেই দিন-টোৰ কাৰ্য্যসূচী সমূহ বিৰক্তিত তাৰ নাক কোঁচ খাই পৰিল। চকুদুটা মেলি লেপখন আঁতৰাই থৈ বিচনাৰ ওপৰতে বহি পৰিল। সি দেখিলে পুৱাৰ পোহৰে তাৰ ৰাতিৰ এন্ধাৰে ঢাকি ৰখা প্ৰতিটো বস্তুৰেই আলোকিত কৰি তুলিছে। আৰু বেছি পৰ শুই থকাটো তাৰ বাবে ফলদায়ক নহব বুলি ভাবি জ্ঞানদীপে বিচনাৰ পৰা নামি ভৰিৰ চেণ্ডেলযোৰ পিন্ধি বাহিৰলৈ ওলাই আহিল। প্ৰাতঃ কাৰ্য্য সমা-পনৰ অন্তত আগফালৰ বাৰান্দাত বহিবলৈ ইচ্ছা নথকা সত্বেও জানুৱাৰী মাহৰ পুৱাৰ মিঠা ৰ'দজাকৰ মিঠা উমৰ লোভ সামৰিব নোৱাৰি বাৰান্দাৰ চকী এখনত সি বহি পৰিল গৈ। ইতিমধ্যে পুৱাৰ কুঁৱলীৰ ওৰণি ফালি মিঠা ৰ'দজাক সুন্দৰকৈ এই ধৰাত ছিটিকি পৰিছিল। ফুলনিৰ ফুলৰ পাহিত নিয়ঁৰৰ কণা তেতিয়াও সম্পূৰ্ণকৈ আঁতৰ হোৱা নাছিল। ইতিমধ্যে কেইটামান গাখীৰৰ লাই সিহঁতৰ পূৰ্ণ পাত্ৰবে সেতে কেৰেং কেৰেং চাইকেলৰ শব্দ কৰি, হাতত বহী লৈ টিউচনলৈ যোৱা দুজনমান ছাত্ৰ, জাৰত জেপত হাত ভৰাই গুণগুণ ই গান গাই যোৱা কেইজনমান ডেকা লৰা, দিনটোৰ উপাৰ্জ্জনৰ বাবে ওলাই অহা দুখনমান ৰিক্সা আৰু কোনো গন্তব্য স্থান

অভিমুখী দুজনমান যাত্ৰী হাতত চুটকেছ ইত্যাদিৰে জ্ঞানদীপৰ চকুৰ আগৰ বহল আলি-বাটটোৰেদি পাৰ হৈ গ'ল । সি অৰ্থহীন ভাৱে সিহঁতবোৰলৈ চাই ৰ'ল । কিন্তু সিহঁত কোনেও তালৈ ভ্ৰূক্ষেপে নকৰিলে । এইদৰে চিৰন্তন কাৰ্য্যসূচীৰে দিনটো আগুৱাই গৈ থাকিল । আৰু সিমানেই জ্ঞানদীপৰো যোৱা ৰাতিৰ কথা তাৰ মনত পৰিবলৈ ধৰিলে । লগে লগে তাৰ মন গভীৰ অস্বস্তিয়ে ভৰি পৰিল আৰু সি মনতে ভাবিলে এৰা ঠিকে-ইটো এই মধুৰ সম্পৰ্কৰ কথা জনাৰ পাচত সি বাৰু জ্যোতিশিখাক বিয়া কৰাই কেনেকৈ ? যিমানেই ডাঙৰ নদী নহওক লাগে খৰালিৰ লগে লগে পানী শুকাই বাম হৈ পৰাৰ দৰে জ্যোতিশিখাৰ লগত থকা সম্পৰ্কৰ কথা গম পোৱাৰ লগে লগে জ্ঞানদীপৰো অৱস্থা খৰালি কালৰ নদীৰ দৰেই হৈছিল ।

এই কলংকৰ বাবে সি তাৰ পৰিয়ালৰ কাকো দোষ দিবলৈ নিবিচাৰে । বৰং তাৰ মাকৰ স্বাৰ্থত্যাগ, ইমানদিনে ভাবী শহুৰ বুলি ভাবি অহা তাৰ দেউতাকৰ তাৰ মাহীয়েকৰ প্ৰতি থকা ভালপোৱা এই সকলো বোৰকে লৈ জ্ঞানদীপে আজি গৌৰৱহে অনুভাৱ কৰিছে। কিন্তু এনে হলেও জ্ঞানদীপৰ মনত আজি এটা প্ৰশ্নই বাৰে বৰে আমনি কৰিছে— তাৰ মাকে এইবোৰ কথা ইমানদিনে তাৰ পৰা লুকুৱাই ৰাখিছিৰ কিয় ? হয়তো মাকে জ্ঞানদীপক বহু দিনেই এই সকলোবোৰ কথা ক'ম ক'ম বুলি ভাবিও কব পৰা নাছিল । নহলেবা সত্য কথা জনাৰ পাচত .... ...... ?
কিন্তু আজি জ্ঞানদীপৰ মনত হাজাৰটা কিন্তুৱে ভুমুকি মাৰিছে । যি কিন্তুৰ উত্তৰ সহজে বিচাৰি উলিওৱা বৰ কঠিন । জ্ঞানদীপৰ এই কিন্তুৰ উত্তৰ পাবলৈ হলে আমি উভটি যাব লাগিব আজিপৰা কেইবা বছৰৰো আগলৈ অথ্যাৎ জ্ঞানদীপৰ মাকৰ অৰ্থাৎ অপেক্ষাৰ কলেজীয়া দিনবোৰলৈ ।

অপেক্ষা বৰুৱা আৰু নিশা বৰুৱা চহৰৰ বিখ্যাত নহলেও নাম কলে চিনি পোৱা ডাক্তৰ ডঃ অবিনাশ বৰুৱাৰ কন্যা বিয়াৰ সাত বছৰৰ পাচত নিজৰ তথা আন ডাক্তৰৰ প্ৰচেষ্টাতে জন্ম গ্ৰহণ কৰিছিল ডাঃ বৰুৱাৰ প্ৰথম কন্যা সন্তানটিয়ে । হয়তো অধীৰ অপে-ক্ষাৰ পাচত জন্ম গ্ৰহণ কৰাৰ বাবেই ডাঃ বৰুৱা আৰু তেওঁৰ সহধৰ্মিনীয়ে তাইৰ নাম দিছিল অপেক্ষা । অপেক্ষাৰ জন্মলোৱাৰ দুব-ছৰমানৰ পছেত এটি পুত্ৰ সন্তানৰ বাবে আশা কৰা ডঃ বৰুৱাৰ পত্নীয়ে জন্ম দিছিল আন এটি কন্যা সন্তান । হয়তো মনৰ আশাক নিৰা-শালৈ ৰূপান্তৰ কৰা বাবেই নিৰাশাৰ মাজৰ "ৰা" আখৰটো গুচাই তাইৰ নাম থৈছিল 'নিশা' । সৰুৰে পৰাই একোৰে অভাৱ নোপোৱাকৈ ডাঃ বৰুৱাৰ দুই কন্যাই যৌৱনত ভৰি দিছিল । অপেক্ষা সৰুৰে পৰাই অলপ গহীন স্বাভাৱৰ আছিল । অপেক্ষাক ধুনীয়া বুলি কব নোৱাৰিলেও বেয়া বুলিও কব পৰা নগৈছিল অথ্যাৎ তাই সুন্দৰী প্ৰতিযোগিতাত লাখৰ ঘৰত নাথাকিলেও হাজাৰৰ ঘৰত কিন্তু থব পৰা বিধৰ আছিল । কিন্তু নিশা আছিল ইয়াৰ সম্পূৰ্ণ বিপৰীত; বাটেদি যাওঁতে বাটৰু-ৱাই এবাৰ হলেও নিশালৈ চকু তুলি চাব পৰা সুন্দৰতাখিনিৰ নিশাৰ অভাৱ নাছিল । সৰুৰে পৰাই তাই আছিল অলপ চঞ্চল প্ৰকৃ-তিৰ । পঢ়া-শুনাতকৈ ফুৰা-চকাত তাই অলপ বেছি পাৰ্গত আছিল । কিন্তু ঘৰখনৰ সকলোতকৈ সৰু হোৱাৰ বাবে তাই চখসমূহ পূৰণ কৰাত অলপ হলেও বাধা আহি পৰিছিল ।

কিন্তু নিশাৰ আটাইতকৈ লেখত লবলগীয়া গুণটো আছিল প্ৰথম চিনাকীতে যি কোনো মানুহৰ অন্তৰত ঠাই অকণমান লব পৰা গুণটো ।

এদিন ডাঃ অবিনাশ বৰুৱাই তেওঁৰ পৰিয়ালসহ বাল্যবন্ধু এজনৰ ঘৰত পুত্ৰৰ জন্মদিন খাবলৈ গৈছিল । তাতে তেওঁ লগ পাইছিল এজন ব্যক্তিক। এই ক্ষন্তেকীয়া প্ৰথম চিনাকীতে ভাল লগা এইজন ব্যক্তিৰ লগত ডাঃ বৰুৱাই তেওঁৰ পৰিয়ালৰ আন কেইজন ব্যক্তিকো চিনাকী কৰি দিছিল । দেউতাকে চিনাকী কৰি দিয়াৰ পাচত অপেক্ষা আৰু নিশা দুয়োজনীয়ে প্ৰতি নমস্কাৰ দিবলৈ পাহৰা নাছিল । সেইদিনা দুই গাভৰুৰ সন্মুখত থিয় হৈ থাকি অনুপমে নতুন মিতিৰৰ ঘৰৰ ড্ৰয়িং ৰুমত বহি থকা ডেকাল'ৰা এটাই এজনী ছোৱালীৰ আগত যেনেকুৱা অস্বস্তি অনুভৱ কৰে ঠিক তেনেকুৱা একপ্ৰকাৰৰ অস্বস্তি অনুভৱ কৰিছিল । প্ৰথম চিনাকীৰ পাচতে তচিনাকী মনোভাবেৰে সৈতে নিশাই অনুপমক সুধিছিল তেওঁৰ সম্পূৰ্ণ পৰিচয়। অথ্যাৎ তেওঁ বৰ্ত্তমান কি কৰে, ঘৰত কোন কোন আছে ইত্যাদি প্ৰশ্ন। আৰু অনুপমেও মনত লাজ লাজ ভাৱেৰে হলেও যথোচিত উত্তৰেৰে কৈছিল,— তেওঁৰ মাক দেউতাকৰ এক মাত্ৰ সন্তান আৰু দুদিন মানৰ আগতে স্থানীয় হস্পিতালখনতে এজন ডাক্তৰ হিচাবে চাকৰি জীৱন অৰম্ভ কৰিছে বুলি । অপেক্ষাই কিন্তু সেইদিনা অনুপমৰ লগত চিনাকী হোৱাৰ বাহিৰে আন কথা পতা নাছিল । মাথোন কাষৰ চকী এখনত বহি একান্তমনে শুনি গৈছিল অনুপম আৰু নিশাৰ কথাবোৰ । মাথো মাজে মাজে ভাৱিছিল নিশাজনীৰ কথা । তাই যে ইমান কথা কব পাৰে । অচিনাকী মানুহ এজনৰ লগত বাৰু ইমান কথা পতাৰ প্ৰয়োজনেই বা কি ? এইদৰেই এটা সময়ত ডাঃ বৰুৱা আৰু তেওঁৰ পৰিয়ালবৰ্গ ঘৰলৈ যাবলৈ সাজু হৈছিল আৰু বিদায় পৰত ডাঃ বৰুৱা আৰু নিশাহঁত আটাইয়ে বাৰে বাৰে অনুপমক নিমন্ত্ৰণ কৰিছিল এবাৰ সিহঁতৰ ঘৰলৈ যাবলৈ নিমন্ত্ৰণ ৰক্ষাৰ বাবেই হওক বা আন কিবা কাৰণতে হওক সেয়েহে কিছুদিনৰ পাচত এদিন সন্ধিয়া পৰত অনুপম গৈছিল ডাঃ বৰুৱাৰ ঘৰলৈ । সেই সময়ত অপেক্ষা আৰু নিশা দুয়োজনীয়েই ব্যস্ত আছিল নিজৰ পঢ়া টেবুলত । ডাঃ বৰুৱাইয়ো তেওঁৰ ক্লিনিকৰ পৰা আহি পাইছিলহি মাথোন । তেনে সময়তে বাহিৰৰ কলিং বেলৰ শব্দ শুনি ডাঃ বৰুৱাই বাহিৰলৈ আহি অনুপমক দেখি মাতি আনি আথে-বেথে ড্ৰয়িংৰুমত বহুৱাই চিঞৰি চিঞৰি নিশাহঁতক মাতিছিল, "চোৱাহিচোন বাহিৰত কোন আহিছে ?" দেউতাকৰ চিঞৰ শুনি নিশাহঁত বাহিৰলৈ আহি অনুপমক দেখি একপ্ৰকাৰে আচৰিত হৈছিল । অজানিতে সেইদিনা অনুপমক দেখি নিশাৰ মনত এক অজান পুলুকৰ সৃষ্টি হৈছিল । তাই অনুপমৰ আগত নিজকে বৰ অস্বাভাৱিক যেন অনুভৱ কৰিছিল । কথা বতৰা তথা চাহ পানৰ বিৰতিৰ পাচত সেইদিনা অনুপমে পুনৰ মাজে সময়ে আহি থকাৰ প্ৰতিশ্ৰুতিৰে বিদায় লৈছিল ডাঃ বৰুৱাৰ পৰিয়ালৰ পৰা । কিন্তু অনুপমৰ মনৰ দাপোনৰ পৰা আঁতৰ হোৱা নাছিল ডাঃ বৰুৱাৰ পৰিয়ালৰ ছবিখন । এইদৰেই অনুপমে ডাঃ বৰুৱাৰ পৰিয়ালৰ লগত গঢ়ি তুলিছিল এক নিবিড় সম্পৰ্ক । কিন্তু তাতোতকৈ এক নিবিড় সমন্ধ গঢ় লৈছিল নিশা আৰু অনুপমৰ মাজত । দিন বাঢ়ি যোৱাৰ লগে লগে অনুপমহঁতৰ সমন্ধও অতি নিবিড় হৈ পৰিছিল । নিশা আৰু অনুপমক নিশাৰ কলেজৰ ছাত্ৰ ছাত্ৰীয়ে বহুতো গুজব ওলোৱাৰ

কথা অপেক্ষাৰ আজিও সুন্দৰকৈ মনত আছে। কিন্তু সেইদিনা অপেক্ষাই এইবোৰ ল'ৰাৰ ধেমালি বুলি উকুৱাই দিছিল। তাই মনতে ভাবিছিল চিনেমা, ৰেষ্টুৰা আদিত অনুপম তথা নিশাক যুটীয়াভাৱে আৱিষ্কাৰ কৰাৰ পাচত এইবোৰ গুজব উলিওৱা একো ডাঙৰ কথা নহয় বুলি। কাৰণ ডাঃ বৰুৱাৰ পুত্ৰ সন্তান নথকাৰ বাবে অনুপমেই লাভ কৰিছিল সেইখন ঘৰৰ পুত্ৰ তথা অপেক্ষা আৰু নিশাৰ ককায়েকৰ দায়িত্ব। সেইবাবেই অনুপমৰ লগত ওলোৱা নিশাৰ এই গুজববোৰত অপেক্ষাই সিমান গুৰুত্ব দিয়া নাছিল। কিন্তু এইবোৰ দেখি শুনি ডাঃ বৰুৱা তথা তেওঁৰ পত্নীৰ চিন্তাৰ গতি দিনে নিশাই বাঢ়ি গৈছিল। সেয়েহে অতি সোনকালে এদিন অপেক্ষাৰ মাক দেউতাকে অনুপমৰ বিয়াৰ দিনটো ঠিক কৰি পেলাইছিল।

অপেক্ষাৰ মন দাপোনত আজিও সুন্দৰকৈ প্ৰতিবিম্বিত হৈ আছে সেই দিনটো। আনদিনাৰ দৰে সেইদিনাও চঞ্চল হৰিণীজনীৰ দৰে নিশা কলেজৰ পৰা আহি ঘৰ সোমাইছিলহি। ড্ৰয়িংৰুমত অনুপমৰ মাক দেউতাকক দেখি সেইদিনা নিশাজনী কিছু পৰিমাণে হলেও আচৰিত হৈছিল। অসময়ত সিহঁতৰ ঘৰত অনুপমৰ মাক দেউতাকৰ উপস্থিতিৰ কাৰণ উদ্ধাৰৰ বাবে ঘৰৰ ভিতৰলৈ গৈছে গম পাইছিল অসময়ত অনুপমৰ মাক-দেউতাকৰ সিহঁতৰ ঘৰত উপস্থিতিৰ কাৰণ, আৰু লগে লগে কলা পৰি গৈছিল নিশাৰ মুখখন তথা মনত ভুমুকি মাৰিছিল হাজাৰটা প্ৰশ্নই; যিবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি উলিয়াটো বৰ কঠিন। আনৰ চকুত ধৰা নপৰিলেও সেই মুহূৰ্ত্তৰ নিশাৰ অৱস্থাটো ধৰা পৰিছিল অপেক্ষাৰ চকুত। কিন্তু সেইদিনা অপেক্ষাই নিশাৰ এই অৱস্থা দেখি ভাৱিছিল একমাত্ৰ বায়েকক বিয়া দিয়াৰ পাচত ঘৰ খনত অকলশৰীয়া হৈ যোৱাৰ চিন্তাত নিশাৰ এনে অৱস্থা হৈছে বুলি। সেয়েহে সেইদিনা অপেক্ষাই মন মাৰি নাথাকিবলৈ নিশাক বহুতো বুজনি দিছিল। কিন্তু নিশাই সেই বুজনিৰ প্ৰত্যুত্তৰত প্ৰশ্নবোধক চাৱনিৰে চাই ৰৈছিল বায়েকৰ চকুলৈ।

এইদৰেই এদিন বেদ-অগ্নিক সাক্ষী কৰি ডিঙিত বৰমাল্য অৰ্পণ কৰি ইজনে সিজনৰ জীৱনৰ লগৰী হৈছিল অনুপম আৰু অপেক্ষা। কিন্তু অকলশৰীয়াকৈ থাকি গ'ল নিশা। সেই দিনা নিশাই নিজকে বৰ অকলশৰীয়া যেন অনুভৱ কৰিছিল। তাই ভাবিছিল অনুপমে বাৰু কিয় তাইৰ জীৱনটোক লৈ খেলা কৰিলে? অপেক্ষাকে যদি বিয়া কৰাব লাগে তেনেহলে অনুপমে তাইক ভাল পাইছিল কিয়? অনুপমৰ প্ৰেমিকা আছিল নিশা, জীৱনৰ লগৰী কৰাৰ প্ৰতিশ্ৰুতি দিছিল তাইক। কিন্তু বিয়া কৰালে অপেক্ষাক। গতিকে সি জানো সুখী হব পাৰিব? ইত্যাদি বহুতো সমাধান বিচাৰি নোপোৱা প্ৰশ্নই ভুমুকি মাৰিছিল নিশাৰ মনত।

নিশাৰ আজিও সুন্দৰকৈ মনত আছে সেই দিনটোৰ কথা। আনদিনাৰ দৰে সেই দিনাও তাই বান্ধৱীৰ ঘৰলৈ যাওঁ বুলি ঘৰৰ পৰা ওলাই গৈ পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি নিৰ্দ্দিষ্ট স্থানত লগ কৰিছিল অনুপমক আবেলিৰ এক নিৰিবিলি পৰিৱেশৰ মাজত ব্ৰহ্মপুত্ৰৰ পাৰৰ এচটা ডাঙৰ শিলত বহি গল্পালাপ কৰিছিল অনুপম আৰু নিশাই। এক ৰোমাঞ্চকৰ পৰিৱেশ। এছাটি মৃদু বতাহে পৰিৱেশটো আৰু বেছি ৰোমাঞ্চকৰ কৰি তুলিছিল। কথাৰ মাজতে অনুপমে সুধিছিল —ঃ নিশা মই যদি কেতিয়াবা তোমাৰ কাষৰ পৰা আঁতৰি যাওঁ

তেতিয়া তুমি বাৰু কি কৰিবা ?

সেইদিনা তুচকুৰ পৰা তুধাৰী লোতক বোৱাই কৈছিল ঃ অনুপম তোমাৰ অবিহনে মোৰ জীৱন কেতিয়াও সম্পূৰ্ণ নহয় ।

প্ৰায়েই এইদৰে অনুপম আৰু নিশাই তুয়ো তুয়োকে লগ কৰি কোনো নিৰ্দ্দিষ্ট স্থানত বহি আলোচনা কৰিছিল সিহঁতৰ ভৱিষ্যত জীৱনৰ ওপৰত ।

বৈবাহিক জীৱনৰ প্ৰথম বছৰ এটা সুন্দৰ ভাবেই পাৰ হৈছিল অনুপম আৰু অপেক্ষাৰ । বিবাহ কাৰ্য্যৰ সমাপনৰ অন্তত অনুপমে অকলশৰীয়াকৈ কোনো দিনেই তাৰ শহুৰেকৰ ঘৰলৈ যোৱাটো মনত নপৰে । কাৰণ শহুৰেকৰ ঘৰলৈ যাবলৈ যিকণ সাহসৰ প্ৰয়োজন সেইকণ সাহসৰ অভাৱ অনুপমৰ সদায়েই আছিল । এনেতে আঁউসীৰ অমানিশাত হঠাৎ পূৰ্ণিমাৰ পোহৰ বিচ্ছুৰিত হোৱাৰ দৰে অনুপমৰ জীৱনলৈ আহিছিল এটি সু-খবৰ । যিটো সু খবৰৰ বাবে অনুপমে অকলশৰীয়াকৈ তাৰ শহুৰেকৰ ঘৰলৈ যাবলৈ বাধ্য হৈছিল ।

আনদিনাৰ দৰে সেইদিনাও অনুপম হস্পিতালৰ পৰা আহি ঘৰ সোমাইছিলহি । সি ঘৰ সোমায়েই ঘৰৰ পৰিবেশটো আন দিনাতকৈ কিছু বেলেগ যেন অনুভৱ কৰিলে । অপেক্ষাৰ চাল চলনতো সি কিছু পৰিবৰ্ত্তন দেখা পালে । এইবোৰ দেখি সেইদিনা অনুপমৰ মনত নানা ভাৱৰ উদয় হৈছিল । চাহ পানৰ বিৰতিৰ পাচতহে অনুপমে গম পাইছিল এই পৰিবৰ্ত্তনৰ কাৰণটো । অৰ্থাৎ অপেক্ষা মাতৃ হোৱাৰ পথত । এনে এটা সু-খবৰ মাক দেউতাকক জনাবলৈ অপেক্ষা অধীৰ হৈ পৰিছিল । সেয়েহে মনত সাহসৰ অভাৱ হলেও সেইদিনা অনুপম অকলেই এই সুখবৰটো শহুৰ শাহুৰেকক জনোৱাৰ অৰ্থে নিশাহঁতৰ ঘৰলৈ গৈছিল । বিপদ অকলে নহাৰ দৰে মাক বাপেক ঘৰত নথকাৰ বাবে কলিং বেলত হাত দিয়াৰ লগে লগে ওলাই আহিছিল অনুপমৰ অতীতৰ প্ৰেমিকা নিশা বৰুৱা । সেইদিনা নিশাৰ অৱস্থাটো দেখি অনুপমৰ মণিকোঁঠা বেদনাৰে ভৰি পৰিছিল । কিন্তু নিশাই স্বাভাৱিক গতিৰেই আদৰ-সাদৰ কৰিছিল একমাত্ৰ ভিনীহিয়েক অনুপম চলিহাক । এক গধুৰ পৰিবেশৰ মাজত তুয়োজনে পাতিছিল বহুতো কথা । কথাৰ মাজতে এবাৰ নিশাই অনুপমক সুধি পেলাইছিল—

"অনুপম, তুমি বাৰু মোক ইমান ফাঁকি দিলা কিয় ? মোক লৈ কিয় বাৰু এনেকৈ খেলা খেলিলা ?"

সেইদিনা অনুপমেও কোনো কুণ্ঠাবোধ নকৰাকৈ কৈছিল— আনদিনাৰ দৰে সেইদিনাও সি হস্পিতালৰ পৰা আহি ঘৰ সোমাইছিলহি মাত্ৰ ; এনে সময়তে তাৰ দেউতাকে তাক জনাইছিল অপেক্ষাৰ লগত বিয়া ঠিক কৰি পোলোৱা কথাটো । সৰুৰে পৰা মাক দেউত কৰ পৰা পোৱা মৰমৰ বাবেই হওক বা আন কাৰণতে হওক সেইদিনা অনুপমে দেউতাকৰ কথাৰ প্ৰতিবাদ কৰাৰ সাহস গোটাব পৰা নাছিল;

"কিন্তু নিশা মই তোমাক আজিও ভাল পাওঁ । মোৰ মন প্ৰাণ সকলো আজিও তোমাৰ হাততে অৰ্পিত আছে" বুলি সেইদিনা অনুপমে নিশাক কৈছিল ।

অনুপমৰ কথা শুনি সেইদিনা নিশাই অনুপমক সুধিছিল এনে এক প্ৰশ্ন, যি প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ জ্ঞানদীপৰ আজিও এই অৱস্থা হ'ল ।

নিশাই সুধিছিল — ঃ অনুপম তুমি যদি মোক ভাল পাইছিলা আৰু পোৱা তেনে-হলে আজি যদি মই তেমোৰ লগত তোমাৰ দ্বিতীয় পত্নী হৈ যাবলৈ ওলাওঁ তুমি বাৰু মোক স্বীকাৰ কৰিব পাৰিবানে ?

নিশাৰ প্ৰশ্ন শুনি সেইদিনা অনুপমৰ অৱস্থা সৰগৰ পৰা বাগৰি পৰা মানুহৰ দৰে হৈছিল । সেই মূহুৰ্ত্তত নিজৰ কাণকে বিশ্বাস কৰিব পৰা নাছিল ।

কিন্তু শেষত বাধ্য হৈ ভালপোৱাৰ প্ৰতিদান স্বৰূপে নিশাক তাৰ দ্বিতীয় পত্নী ৰূপে লগত লৈ আহিছিল আৰু নিশায়ো মাকহঁত ঘৰত নথকাৰ বাবে দেউতাকলৈ চিঠি লিখি থৈ আনন্দ মনেৰে অনুপমৰ দ্বিতীয় পত্নী হৈ তাৰ ঘৰ সোমাইছিলহি ।

নিশাক এইদৰে অনুপমৰ লগত দেখি অপেক্ষা প্ৰথমতে আচৰিত হৈছিল । কিন্তু অনু-পমৰ মুখে সকলো শুনাৰ পাচত আচৰিত হোৱাৰ পৰিবৰ্ত্তে অপেক্ষাই গৌৰৱ অনুভৱ কৰিছিল, অনুপম আৰু নিশাৰ প্ৰেমকলৈ । নিজৰ ভনীয়েকৰ লগত সতিনী হৈ থকাটো জানো সম্ভৱ ? আনৰ বাবে সম্ভৱ হলেও অপেক্ষাৰ বাবে ই আছিল অসম্ভৱ কথা । সেয়েহে অনুপমৰ হাজাৰ বুজনিকো আওকাণ কৰি গৰ্ভত অনুপমৰ সন্তানৰ বীজ লৈ তথা অনুপম নিশাৰ যুগ্ম জীৱন সুখৰ হোৱাৰ কামনাৰে অপেক্ষা আঁতৰি আহিছিল সিহঁতৰ যুগ্ম জীৱনৰ পৰা পিতৃ অবিনাশ বৰুৱাৰ গৃহলৈ । বৰকন্যাৰ অৱস্থা দেখি ডাঃ বৰুৱায়ো অপেক্ষাক তেওঁৰ ঘৰতেই তাইৰ বাকী জীৱন কটোৱাৰ বাবে আশ্ৰয় দিছিল । উলটি অহাৰ পাচৰে পৰা অপেক্ষাই কোনোদিনেই অনুপমৰ গৃহমূখী হোৱা নাছিল । নিশা অনুপম মাজে সময়ে ডাঃ বৰুৱাৰ ঘৰলৈ আহি আছিল যদিও জ্ঞানদীপৰ জন্ম আৰু ডাঃ বৰুৱা তথা তেওঁৰ পত্নীৰ মৃত্যুৰ পাচৰে পৰা এই অহা যোৱাও লাহে লাহে বন্ধ হৈ পৰিছিল । অনুপমহঁতে যদিও অপেক্ষাৰ খা-খবৰ নলৈছিল বা অপে-ক্ষায়ো তেওঁলোকৰ ঘৰলৈ নগৈছিল তথাপি তাই কিন্তু সিহঁতৰ সকলো খবৰেই ৰাখিছিল । জ্ঞানদীপৰ জন্মৰ দুবছৰমানৰ পাচত জন্ম হোৱা জ্যোতিশিখাৰ কথা নিশাহঁতে অপেক্ষাক নজ-নালেও তাই এই কথা আনৰ পৰা হলেও গম পাইছিল । মাথো জ্যোতিৰ জন্মৰ এবছৰ পাচত যেতিয়া নিশাহঁত এইখন ঠাই এৰি আন এখন ঠাইলৈ বদলি হৈ গুচি গৈছিল, সেই গুচি যোৱাৰ আগদিনা মাত্ৰ অনুপমে অপে-ক্ষাৰ কাষলৈ আহি তাইক কৈছিল—

ঃ অপেক্ষা ভৱিষ্যতে যদি কিবা দুখ হয় তেনেহলে নিজৰ স্বামী বুলি ভাবি মোৰ কাষলৈ যাবলৈ কুণ্ঠাবোধ নকৰা যেন ।

সেইদিনা অপেক্ষাই মাথো মূৰ জোকাৰি সম্মতি জনাইছিল অনুপমৰ কথাৰ ।

সেইদিনাৰ পাচৰ পৰা অনুপমহঁতৰ লগত অপেক্ষাৰ কোনো দেখা সাক্ষাৎ হোৱা নাছিল আৰু লাহে লাহে তেওঁলোকৰ মাজৰ সম্বন্ধও লোপ পোৱাৰ দৰে হৈছিল । কাৰণ দেউতাকৰ অজস্ৰ সম্পত্তিৰ উত্তৰাধিকাৰীণী হৈ

অপেক্ষাই কোনো দিনেই একোৰে অভাৱ বোধ কৰা নাছিল । কিন্তু যোৱা ৰাতি জ্ঞানদীপৰ মুখেৰে জ্যোতিশিখাৰ সম্পূৰ্ণ পৰিচয় পোৱাৰ পাচত পুৰণি ঘা খজুৱাই তেজ উলিওৱাৰ দৰে অপেক্ষাৰো মনত পৰিছিল পাহৰণিৰ গৰ্ভত মাৰ যাবলৈ ধৰা অতীত স্মৃতি ।

জ্ঞানদীপ, গোটেই দিন এনেকৈ বহি থাকিবনে ? হঠাৎ মাকৰ মাত শুনি সি টোপনিৰ পৰা সাৰ পাই উঠা মানুহৰ দৰে উচপ খাই উঠিছিল । পাচলৈ ঘুৰি চাই জ্ঞানদীপে মাকৰ শোকাকুল মুখত দেখিছিল এটি বিষাদ পূৰ্ণ হাঁহি, যি হাঁহিৰ অৰ্থ সি সহজে বুজিব পাৰিছিল, ।

---

মৃতুৰ সহায়েৰে বিপদ এটাৰ পৰা সাৰিব পাৰি, কিন্তু মিছা পৰিহাৰ কৰি বিপদৰ সন্মুখীন হলে অসীম আনন্দ পোৱা যায় ।

—এডৱাৰ্ড মন্টেগু ।




শ্ৰীদিগন্ত চেত্ৰী
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

ওপৰৰ শব্দ দুটা পঢ়ি আপোনালোকৰ মনত নিশ্চয় কৌতুহল জন্মিছে, নহয় জানো? 'একতা সভা' বুলিলে কিহৰ একতা সভা? ছাত্ৰৰ একতা সভানে? কৰ্মচাৰীৰ একতা সভানে? শিক্ষকৰ একতা সভানে? ড্ৰাইভাৰৰ একতা সভানে? নাপিতৰ একতা সভা?

কিন্তু মই আজি আপোনালেকক যিটো একতা সভাৰ বিষয়ে কবলৈ লৈছো? সেইটো সম্পূৰ্ণ নতুন; সেইটো হ'ল "ভিক্ষাৰীৰ একতা সভা।"

সেইদিনা নগৰখনত বহুতো ভিক্ষাৰীৰ সমাগম দেখা গৈছিল। ভাবিছিলো ছাগে ট্ৰেইনৰ পৰা নামি আহিছে। কিন্তু অলপ দূৰ আগুৱাই গৈ দেখোঁ যে হাজাৰ হাজাৰ ভিখাৰী ফিল্ডখনত জুমপাতি বহি আছে। সচাঁকৈ মই জীৱনত প্ৰথম বাৰ সিমান ভিক্ষাৰীক একেলগে দেখিছিলো। মই সিহঁতৰ ওচৰতে গৈ চাই-কেলখন ৰখালো আৰু সিহঁতৰ কথা-বতৰা শুনিব ধৰিলো। তেনেতে তেওঁলোকৰ মাজৰ পৰা এজন প্ৰায় ৭০ বছৰমান বয়সৰ দীঘল দাড়ি চুলি থকা বুঢ়া এজনক ভিক্ষাৰী দুজনে প্ৰায়েই যোৰ কৰিয়েই চকী এখনত বহুৱালে। কথাটোনো কি জানিবলৈ মই সিহঁতৰে এজনক মাতি সোধাত, মানুহজনে "আজি সদৌ অসম ভিক্ষাৰী সন্থাৰ সভা হৈছে বাবু" বুলি কৈছিল। ভিক্ষাৰীটোৰ কথাশুনি মোৰ হাঁহি উঠিল; তথাপিও মই মনে মনে সিহঁতৰ কাৰ্য্য কলাপ বোৰ লক্ষ্য কৰি আছিলো। সেই চকীত বহা বয়সস্থ ভিক্ষাৰী জনক সিহঁতে সভা পৰিচলনা কৰিবলৈ সভাপতি পাতি লৈছিল। সভাত বহুতো ভিক্ষাৰীয়ে এজন এজনকৈ নিজ নিজ ভাষণ দিছিল। কিন্তু তাৰে এজনৰ ভাষণ মই আপোনালোকক নোকোৱাকৈ থাকিব নোৱাৰোঁ। ভিক্ষাৰী জনৰ নাম হেনো—'শ্ৰীদৌলত সিং'। সি তাৰ ভাষণত কৈছিল—

ওন্ চৰ্ মে হমলোগোঁকা ভিক্ষাৰী ভাই লোগ্ „আজ ভাৰতদেচ মে জিত্না আদ্মী হায়্ এৰদম্ পিছ্ পড় ৰহা হায়্ । কিউঁ পড়তা হায় ? আজ্ হম্লোগোঁকো ভিক্ষা কা ৰাদলা ধম্কী চুন্না পড়তা হায় । কিউঁ পড়তা হায়্ ? বহুত্ জাগা মাৰ্ খানা পড়তা হায়্ । কিউঁ পড়তা হায়্ .. ?—কিউঁকী হমলোগোঁকা একতা নহী হায় । আজ হমাৰে দেচ মে' চ্বলোগোঁকা একতা হায়্ । ছাত্ৰ চে লেকৰ নাপিত, ধোবী তক্ এৰতা হায় । উনলোগ হম্লোগ্‌চে আগে হায় । ইচিলিয়ে, হনলোগ ভিক্ষাৰী ভাইলোগকোভী আগে বঢ়নেকেলিয়ে এক একতা চভা চাহিয়ে । আজকা চভামে হম্লোগোঁকে বিচ্‌ছে এক চেকেণ্টৰী অউৰ্ এক পেচিডেন্ বনানা হোগা ।”

ইয়াৰ পিছত বহুসময় সিহঁতৰ মাজত আলোচনা হ'ল আৰু সিহঁতৰ মাজৰপৰা সিহঁতে শ্ৰীধনৰাজ দুবে নামৰ মানুহ এজনক চেকেণ্টৰী আৰু শ্ৰীলক্ষাৰামক সভাপতি ৰূপে নিৰ্বাচন কৰি লৈছিল । মই এইবিলাক সকলো নিজ চকুৰে দেখিছিলো আৰু নিজ কাণেৰে শুনি-ছিলো । শেষত সেই চবীত বহা বয়সস্থ ভিক্ষাৰী ( সভাপতি ) জনৰ মন্তব্য এনে আছিল

“মেৰে পিয়াৰী ভিক্ষাৰী ভাইয়োঁ ... আজ হমলোগোকা “ভিক্ষাৰী একতা চভা” কা নিৰ্মাণতো হো গয়া । লেকিন্ ইচ্ একতাকো জীৱিত ৰাখ্‌নেকেলিয়ে হমলোগোঁ-কো জাতিভেদ ছোড়কৰ এক হোনা পড়েগা । আজ্ ইচ্ আচাম্ দেচ্ মে ভাৰতকে চভি ৰাজ্যকে ভিক্ষাৰী মৌজুদ হায় । ইচ্‌মে হম্ তেলগু হম দেচুৱালী, হম বঙ্গালী নহী চেলেগা হম চব্ এক্ হায় । একবাৰ চব্ ভাই যোড়চে্ বোলো—

ভিক্ষাৰী চন্থা—জিন্দাৰাদ জিন্দাবাদ ।”

এইষোৰ সকলো দেখি শুনি থাকোঁতে মোৰ বজাৰলৈ যাবলৈ দেৰীহে হৈ গৈছিল । মই খৰধৰকৈ চাইকেলখনত উঠি বজাৰৰ ফালে পোনালো । চাইকেলখন চলাই যাওঁতে মোৰ মনত বহুতো চিন্তাধৰাই বাহঁললে । মনে মনে ভাবিলো— যদি এয়েই অৱস্থা হয়, তেনেহলে অসমদেশখন ভিক্ষাৰীৰ দেশ হৈ নপৰিবনে ?

আপুনিও ভাবি চাওক ....... ।

---

“সাহিত্য সদায় জীৱন আৰু সমাজৰ লগত জড়িত থাকে । ই জীৱন আৰু সমাজক নকল নকৰে, কেৱল ইয়াৰ উদ্দেশ্যৰ ফালে ধাবমান হয় ।”

অস্কাৰ ৱাইল্ড

---

# এমুঠি নীলা বেদনাৰে

মিচ্ ৰঞ্জুমণি দাস
দ্বাদশ শ্ৰেণী (কলা)।

গুৱাহাটী ৰেল ষ্টচেনটোত আসাম মেইল খন ৰোৱাৰ লগে লগে ৰীণা ব্যস্ততাৰে নামি পৰিছিল আৰু মানুহৰ ভীৰ ফালি বাহিৰলৈ ওলাই আহিছিল। তাই যেন ব্যস্ত। বাহিৰলৈ ওলাই তাই চান্দমাৰী অভিমুখে যাবলৈ ৰৈ থকা বাছখনত উঠি পৰিল । এটা সময়ত এটা সৰু ষ্ট'পেজত গাড়ীখন ৰৈ গৈছিল। তাই এই ষ্ট'পেজ পাহৰা নাছিল সুদীৰ্ঘ পাঁচ বছৰৰ পাচতো । মনত বহুতো আশা বুকুত বান্ধিলৈ তাই নামি আহিছিল গাড়ীৰ পৰা । তাই লাহে লাহে শিল দিয়া বাটটোৰে আগুৱাই গৈছিল মণিকাৰ ঘৰলৈ । তাইৰ মনত ভাঁহি উঠিছিল মণিক অৰ্থাৎ মনুৰ কথা। সদায়ে মনুৰ স্মৃতিয়ে তাইক আমনি কৰি থাকে । সেয়ে মনুৰ ওচৰলৈ তাই আহিছে প্ৰায় পাঁচ বছৰৰ পাচত দ্বিতীয় কাৰৰ বাবে। প্ৰথম বাৰ আহিছিল মনুক দৰাঘৰত থৈ যাবলৈ আৰু আজি আহিছে তাইৰ খবৰ ল'বলৈ। মনুৰ জীতেনৰ লগত বিয়া হোৱাৰ পাছত তাইক ৰীণাই দেখাই নাই । তাই ধূনীয়া আৰ চি চি বিল্ডিংটোৰ গেটখন খুলি সোমাই গ'ল । কিন্তু হঠাৎ তাইৰ গতি মন্থৰ কৰি তুলিছিল জীতেন-মনুৰ ঘৰৰ শান্ত আৰু নিস্তব্ধ পৰিবেশে। কিন্তু তাইৰ উপস্থিতি গম পাই কুকুৰটোৱে ভুকি উঠিছিল । কুকুৰ টোক শান্ত কৰিবলৈ কোনোবা এজন ওলাই আহিছিল, তাই দেখিলে সেয়া জীতেন । জীতেনে ক্ষন্তেক ৰীণাৰ মুখলৈ চালে আৰু আচৰিত হৈ সি থমকি ৰ'ল। ৰীণাই জোৰেৰে হাঁহি দিয়াত সি সম্বিত পোৱাৰ দৰে তাইলৈ চাই এটা শেঁতা হাঁহি মাৰি ত'ইক ভিতৰলৈ লৈ গৈছিল । তাই ড্ৰয়িং ৰুমতে বহিল আৰু জীতেনক ক'লে সেনকালে মনুক পঠাই দিবলৈ । জীতেনে একো নোকোৱাত তাই

মন কৰিলে যে জীতেনৰ মুখ মলিন। এনেতে মনুৰ একমাত্ৰ সন্তান ঋতু ওলাই আহিছিল হাতত চকলেট লৈ। ঋতু ওলাই অহাত জীতেনে বীণাক বহিবলৈ কৈ ভিতৰলৈ সোমাই গ'ল। বীণাই ঋতুক মৰম কৰি কোলাত তুলি লৈছিল আৰু ঋতুৰ লগত কথা পাতি থাকোঁতে ৰুমটোৰ ওপৰে ওপৰে চকু ফুৰাই-ছিল। ৰুমটোৰ অৱস্থালৈ চাই তাই ভাবিলে মনুৱেটো আগতে সিহঁতৰ ঘৰটো ইমান পৰিষ্কাৰকৈ থৈছিল যে আন কোনো মানুহৰেই তেনেকৈ নথয় বুলি বাজি মাৰিছিল আৰু তাই জিকিছিলো। আগৰ ঘৰখন যেনেকৈ নিজৰ আছিল, এইখন ঘৰোতো তাতোকৈও নিজৰ। কিন্তু এইয়া কি? আন ৰুম নালাগে ড্ৰয়িং ৰুমৰে অৱস্থা এইয়া কৰ-বাত মকৰাজাল, দুৱাৰত চূণৰ প্ৰলেপ আৰু মজিয়াখনটো চাবই নোৱাৰি, কাগজৰ টুকুৰা, আধাখোৱা চিগাৰেট আদিৰে ভৰপুৰ। সম্ভৱ কিছুসময়ৰ আগতে বা যোৱাৰাতি ইয়াত তাছৰ আড্ডা বহিছিল। তাই আচৰিত হৈছিল বাংগালী মনুৰ ঘৰৰ নিস্তব্ধ পৰিবেশ। তাতোতকৈ অচৰিত হৈছিল ইমান সময়ে মনু ওলাই নহা দেখি। কামত ব্যস্ত হৈ থকা হলেও তাই মই বুলি গম পোৱা হেঁতেন মনু দৌৰি আহিলহেঁতেন। কিন্তু ......

বীণাৰ মনটো উৰি গৈছিল অতীতৰ দিনবোৰলৈ। বীণা আৰু মনুৰ চিনাকী হৈছিল এটা বিশেষ মুহূৰ্ত্তত। কোনো দিন নোযোৱা বীণা চিলঙলৈ গৈছিল পঢ়িবলৈ। স্কুলত পঢ়ি থাকোঁতেই তাই আশ কৰিছিল চিলঙৰ লেডী-কিন'ত পঢ়িবলৈ। তাই প্ৰবেশিকা পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হোৱাৰ বাবে মাকৰ আপত্তি স্বত্বেও দেউতাকে তাইৰ আশা পূৰণ কৰিছিল। দেউতাকে যেতিয়া তাইক লেডীকিনৰ হোষ্টে-লত থৈ গুচি গৈছিল তাই তেতিয়া সম্পূৰ্ণ অকলশৰীয়া হৈ পৰিছিল। নতুন পৰিস্থিতিত এটা অনামী ভয়ে তাইক কঁপাই তুলিছিল। ঠিক তেনে সময়তে এজনী বৰ ধুনীয়া ছোৱালী তাই থকা হোষ্টেলৰ কোঁঠালৈ সোমাই আহি-ছিল আৰু তাইক দেখি আচৰিত হৈ আগ বাঢ়ি আহিছিল। বীণাই হোষ্টেলৰ পৰা দিয়া চকীখনকে আগবঢ়াই দিছিল। দুয়োৰে পৰিচয় দুয়োৰে দিলে। ছোৱালী জনীয়ে নিজৰ পৰিচয় দি ক'লে তাইৰ ঘৰ নগাঁওত পাঁচ দিন মান হ'ল ইয়ালৈ অহা। বীণাই মন কৰিছিল ছোৱালীজনী ৰঙিয়াল। তাৰ পাচত ছোৱালী জনীয়ে বীণাক টানি লৈ গৈছিল সমনীয়া আৰু ওপৰ শ্ৰেণীৰ ছোৱালীবোৰৰ লগত চিনাকি কৰি দিবলৈ। চা চিনাকি হৈ দুয়োজনী ঘুৰি আহিছিল সিহঁতৰ ৰুমটোলৈ। বীণাই গম পালে যে তাইৰ ওচৰৰ বেডখন ছোৱালীজনীৰ। ছোৱালীজনীয়ে তাইৰ ষ্ট'ভতে চাহ বনাই টিংৰ পৰা বিস্কুত উলিয়াই একাপ বীণাক দিলে একাপ তাই ল'লে। ক্ৰমাৎ গধূলি হৈ আহিছিল। টং টং শব্দ এটাই গধূলিৰ প্ৰাৰ্থনালৈ সকলোকে সোঁৱৰাই দিছিল। হোষ্টেলৰ সকলো দৌৰ দিছিল প্ৰাৰ্থনা কৰি-বলৈ। বীণাৰ মন আছিল যদিও শিৱসগৰৰ পৰা চিলঙলৈ অহাৰ ভাগৰে তাইক হেঁচা মাৰি ধৰিছিল। বীণাৰ অৱস্থাটো বুজি পাই তাই অকলেই গুচি গৈছিল। বীণা বিচনাখনতে উঠি পৰিছিল আৰু ভাবিছিল ছোৱালীজনীৰ কথা! কি অচৰিত ছোৱালী! তাইৰ কি যাদু আছে ক্ষন্তেক সময়তে সকলোকে আপোন কৰিব পাৰে। সেই ছোৱালীজনীয়েই হ'ল মনু অৰ্থাৎ মনিকা।

দিনবোৰ যোৱাৰ লগে লগে মনু আৰু বীণাৰ মাজত এক গভীৰ আত্মীয়তা গঢ়ি উঠিছিল । বীণা য'লৈকে নাযাওক তাত মনু থাকিবই আৰু য'ত মনু নাথাকে নিসন্দেহে ক'ব পাৰি তাত বীণাও নাথাকে । সিহঁত দুয়োজনী পঢ়া শুনাতো ভাল আছিল । বহুতে সিহঁতৰ বন্ধুত্ব আৰু পঢ়া শুনাৰ বাবে হিংসা কৰিছিল । সিহঁতে তালৈ কোনো মন নিদিছিল । চাৰিটা বছৰৰ অন্তত বি, এচ. চি, পৰীক্ষা দি লৈ দুয়োজনী গুৱাহাটীৰ পৰা ঘৰলৈ যাবলৈ স্থিৰ কৰিলে । গুৱাহাটীত নগাঁওলৈ যোৱাৰ বাছত মনুক আৰু শিৱসাগৰলৈ যোৱাৰ বাছত বীণাক উঠাইছিল জীতেনে । জীতেন হ'ল গুৱাহাটীৰ এটা দুখীয়া পৰিয়ালৰ ল'ৰা । মনুৱেই তাইক প্ৰথক বছৰতেই চিনাকি কৰি দিছিল জীতেনৰ লগত । জীতেন তেতিয়া এন্থনী কলেজৰ ফ'ৰ্থ ইয়েৰৰ ছাত্ৰ আছিল । জীতেনৰ পৰিয়ালত আছিল মাক আৰু ভনীয়েক । মনু আৰু তাৰ ভালপোৱা আছিল গভীৰ ।

দুয়োজনীয়ে দুয়োৰ পৰা বিদায় লৈছিল চকুৰ পানীৰে । তাৰ পিছত দুয়োজনী দেখা হোৱা নাছিল যদিও চিঠিৰে দুয়োজনীয়ে নিজৰ নিজৰ খবৰ দিছিল । কেইবছৰমানৰ পাচত খবৰ পাইছিল যে দুয়োজনীয়ে ভালদৰে পৰীক্ষাত পাছ কৰিছে । বীণাই ৰিজাল্ট শুনিয়েই শুভেচ্ছা জনাই এখন চিঠি দিছিল মনুলৈ। কেইদিন মানৰ পাচত তাৰ প্ৰত্যুত্তৰ বীণাই পাইছিল আৰু লগতে এখন বিয়াৰ নিমন্ত্ৰণী চিঠি । তাই নিমন্ত্ৰণী চিঠিখন পাই আনন্দত মতলীয়া হৈ পৰিছিল আৰু বিয়াৰ কেইদিন মানৰ আগতেই মনুহঁতৰ ঘৰলৈ তাই গৈছিল । একেবাৰে দৰাঘৰ পৰ্য্যন্ত মনুক থৈ আহিছিল । সেয়েই শেষ দেখা । তাৰপাচত বীণা গুচি গৈছিল গুৱাহাটীলৈ এম, এচ চি, পঢ়িবলৈ । দুবছৰ পাছত এম, এচ চি, পাছ কৰি তাই আকৌ দিল্লীলৈ গৈছিল চাকৰীৰ বাবে তিনি বছৰীয়া এটা প্ৰশিক্ষণ ল'বলৈ । কেইদিন মানৰ আগতে তাই দিল্লীৰ পৰা ঘুৰি আহিছে ঘৰলৈ । ঘৰ পাইয়েই আজি তাই দৌৰি আহিছে তাইৰ মৰমৰ লগৰী মনুৰ ওচৰলৈ। কিন্তু ইমান আশাৰে আহিও ইমান সময়ে মনু ওলাই অহা নাই কিয় ?? জীতেনৰ মাতত তাই সম্বিত ঘুৰাই পাইছিল আৰু দেখিছিল জীতেনে তাইলৈ চাহ আৰু কিবা কিবি আগবঢ়াই দিছিল । তাই ব্যৱহাৰত আচৰিত হৈছিল যদিও একো নকৈ মনে মনে চাহ খাবলৈ ল'লে । কিন্তু তাই অধৈৰ্য্য হৈ পৰিছিল মনুৰ খবৰ নোপোৱাত । তই আকৌ জীতেনক সুধিলে মনুৰ কথা । সি নিমাতে থকাত থুনুক থানাক মাতেৰে ঋতুৱে ক'লে মাহী, মা নাই নহয়, মৰিলে । বীণাই উচপ খাই চিঞৰি দিলে । তেতিয়া জীতেনে কৈছিল সঁচা বীণা, মনিকাই মোক এৰি থৈ গ'লগৈ । ব্লাড কেন্সাৰত তাই ঢুকোৱা আজি দুই বছৰেই হ'ল । সি ঋতুক বুকুত লৈ আৰু মদ চিগাৰেট খাইয়েই মনুক পাহৰিবলৈ চেষ্টা কৰিছে । কিন্তু পাৰিছে জানো ? বহুতো আশা কৰিছিল মনুৰ সৈতে । কিন্তু এইয়া কি হৈ গ'ল জীতেনৰ ।

বীণাই একো শুনিব নিবিচাৰিলে । কোনোমতে জীতেনৰ পৰা বিদায় লৈ ওলাই আহিছিল সিহঁতৰ ঘৰৰ পৰা । পিছফালৰ পৰা ঋতুৱে চিঞৰি কৈছিল — মাহী আকৌ আহিলে চকলেট লৈ আহিবা দেই । তাই "ওঁ" বুলি কৈ লৰা-লৰিকৈ গুচি আহিছিল । তাইৰ মনত ভাঁহি উঠিছিল এখনি মুখৰ ছবি

আৰু অতীতৰ স্মৃতি । তাই অনুভৱ কৰিছিল যে সচাঁই আমি যিটো বিচাৰো বা আশা কৰোঁ সেইটো কেতিয়াও নাপাওঁ । কিন্তু যিটো নিবিচাৰো বা আশা নকৰোঁ সেইটোৱেই পাওঁ । এয়েই মানুহৰ ভাগ্যৰ লিখন । ৰীণাৰ দুই চকুৰেদি অবিৰাম পানীৰ সোঁত বৈছে কিন্তু তাৰ প্ৰতি তাইৰ কোনো ভ্ৰূক্ষেপ নাই । তাই আগুৱাই গৈ আছিল বাছ ষ্টেচনৰ ফালে । তাই মন কৰিছিল বেলি তেতিয়া পশ্চিম আকাশৰ শেষ প্ৰান্তত । সেই সময়তে আকাশেদি উৰি গৈছিল এজাক বগলী ।

নিজৰ দেশক ভাল পাবলৈ হলে জাতি-ভেদ পাহৰিব লাগিব অথবা ভয় আৰু সন্দেহ ত্যাগ কৰিব লাগিব । প্ৰেম, মিলন আৰু জ্ঞান এই তিনিটা সাৰটি ধৰিব লাগিব—

সত্য দাস

# সমাধান

চৈয়দা আঞ্জুমান আৰা চুলতানা
স্নাতক ২য় বাৰ্ষিক (কলা)

কথা বুলিলেই বতাহ। অৱশেষত কথাটো ই-কাণ সি-কাণ সহস্ৰকাণ হৈ চাৰিও ফালে প্ৰচাৰ হৈ গ'ল ।

পৃথিবীত মাত্ৰ এটা বস্তুৱে গতিবেগ আটাইতকৈ বেছি । সেইটো হৈছে বদনাম। মাত্ৰ কেইটামান মুহূৰ্ত্তৰ ভিতৰতে ইমূৰ সিমূৰ বিয়পি পৰে ।

অভিজিত বৰুৱাৰ ক্ষেত্ৰতো সেয়ে হ'ল । যোৱা কালিৰ ঘটনাটোৰ কাৰণে সকলোৱে তেওঁকেই জগৰীয়া কৰিছে । চহৰৰ এজন নামী ডাক্তৰ, সমাজৰ এজন আগশাৰীৰ ব্যক্তি অভিজিত বৰুৱা। সমাজত তেওঁৰ যি সুখ্যাতি, তেখেতৰ যি সন্মান, সেই সকলোবোৰ যোৱা কালিৰ ঘটনাটোৱে শেষ কৰি দিলে । চাৰিও ফালে অভিজিত বৰুৱাৰ ঘৰখনকলৈয়েই আলোচনা চলিছে । সকলোৱে ব্যস্ত হৈ পৰিছে যোৱাকালিৰ ঘটনাটোক লৈ অভিজিত বৰুৱাৰ ঘৰখনক লৈ, ফুচ-ফুচনি মেল পাতিবলৈ । ইয়াৰ বাবে আজি অভিজিত বৰুৱাই ক'তো এক-মুহূৰ্ত্ত শান্তিৰে থাকিব নোৱাৰিলে । দুই তিনি-জন লগ লাগিলে কাৰোবাৰ ঘৰত, ফুটপাথত, বজাৰত কেৱল সেই একে কথাৰে আলোচনা। এনে এটা বদনামৰ বোজালৈ মনত আজি অভিজিত বৰুৱাৰ অতীতৰ বহু কথাই মনত পৰিছে ।

অভিজিত বৰুৱা তেতিয়া কলেজৰ তৃতীয় বাৰ্ষিকত । কলেজৰ প্ৰতিখন ফাংচনতেই যোগ দিয়া অভিজিত আছিল এজন ভাল অভিনেতা । সেইবাৰ "কলেজ সপ্তাহ" উপলক্ষে মঞ্চস্থ কৰা যিখন নাটকত অভিজিতে মুখ্য ভূমিকা লৈছিল সেইখন নাটকৰে এটি নাৰী চৰিত্ৰৰ বাবে প্ৰয়োজন হৈছিল সুৰভিৰ দৰে এগৰাকী নাট্য প্ৰতিভা সম্পন্না ছোৱালীৰ । সুৰভি তেতিয়া সেইখন কলেজৰে প্ৰথম বাৰ্ষিকৰ ছাত্ৰী । "অগ্নিস্নান" নামৰ এই নাটক খনৰ যোগেদিয়েই সুৰভিৰ লগত অভিজিতৰ চিনাকি । কিন্তু.........। অভিজিত সুৰভিৰ এই চিনাকি এদিন ভালপোৱাত পৰিণত হ'ল। কলেজৰ ফাংচনত চিনাকি হোৱা অভিজিতে সুৰভিৰ ৰূপত নিজকে বিলাই দিলে।

তাৰপিচত কথাবোৰ সহজ । এদিন অভিজিতৰ লগত সুৰভিৰ বিয়া হৈ গ'ল । বিশ্বৰ বুকু ভেদ কৰি একোটা বছৰৰ মাজেৰে ছয় ঋতুৰ আগমন ঘটে । এইদৰেই দিনৰ

পিছত দিন, মাহৰ পিছত মাহ, বছৰৰ পিছত বছৰ আগবাঢ়ে অতীতক ৰোমন্থন কৰি। আৰু অভিজিত সুৰভিৰ জীৱনলৈ আহে নতুন নতুন বসন্ত বিভিন্ন ভংগিমাৰে । ইতিমধ্যে দুটি সন্তানৰ মাতৃ হয় সুৰভি । দিন বাগৰাৰ লগে লগে সময়ৰ লগত খোজ মিলাই সিহঁতো ডাঙৰ হ'বলৈ ধৰে । হাঁহি ধেমালিৰে পৰিপূৰ্ণ তেওঁলোকৰ এটি সুখী পৰিয়াল ।

কিন্তু এই হাঁহি আনন্দ সকলোবোৰ শেষ কৰি দিলে যোৱাকালিৰ ঘটনাটোৱে । অৱশ্যে অভিজিত সুৰভিয়ে ভালদৰেই জানিছিল তেওঁলোকৰ একমাত্ৰ কন্যা অনামিকাই এদিন এনে এটা পথকেই বাচি লব বুলি । কিন্তু অনামিকাৰ জীৱনৰ এটা গতি লাগক বুলিয়েই অভিজিৎ সুৰভিয়ে তাইক প্ৰয়োজনতকৈ বেছি স্বাধীনতা দিছিল । সেয়েহে তেওঁলোকৰ ঘৰখনৰ লগত আপোন হৈ পৰা শিখ ল'ৰাজনৰ লগত অনামিকাৰ হলি-গলি দেখিও তেওঁলোকে বিশেষ একো কোৱা নাছিল । বাধা দিব খুজিও বাধা দিব পৰা নাছিল । নিজ পছন্দৰ ল'ৰা বিচাৰি এখন সুখৰ সংসাৰ গঢ়ি তোলক বুলিয়েই তেওঁলোকে অনামিকাক বেছি স্বাধীনতা দিছিল । অনামিকায়ো এই কথা বুজি পাইছিল আৰু তাই শেষত নিজ পথকে বাছি ল'লে । অনামিকাই যে এদিন জগজিৎ সিং নামৰ শিখ সম্প্ৰদায়ৰ ল'ৰাজনৰ লগত পলাই যাব আৰু এই কথা চহৰখনৰ মাত্ৰ কেইদিনমানৰ আলোচনাৰ বিষয় হ'ব সেই কথা অভিজিত সুৰভিয়ে ভালকৈ জানিছিল ।

চাৰিওফালে বদনাম হ'লেও অভিজিৎ সুৰভি কিন্তু ভিতৰি ভিতৰি সুখী হৈছে । কাৰণ অনামিকা ডাঙৰ হোৱাৰ লগে লগে অভিজিত সুৰভিৰ সমস্যা জটিল হৈহে আহিছিল । তেওঁলোকৰ চিন্তা হৈছিল কোন পিতৃ-মাতৃয়ে নিজ পুত্ৰক অভিজিতৰ কন্যাৰ স্বামী হ'বলৈ আগবঢ়াব ? কিন্তু এই সমস্যাৰ মাজতো তেওঁলোকে যেতিয়া আশাৰ ৰেঙণি দেখিলে তেতিয়া সেই শিখজনৰ লগত হলি-গলি কৰাত অনামিকাক কোনো বাধা নিদিলে ।

কিন্তু ... কিয় ??? কিয় নিজ কন্যাক এনেকৈ আগবঢ়াই দিলে ? অনামিকাৰ দৰে ৰূপৱতী কলা বিভাগত স্নাতক এজনী ছোৱালীৰ বাবে তেওঁলোকে ভাল ল'ৰা নেপালেনে ?

সেয়া এক বেলেগ কাহিনী । সুৰভিক বিয়া কৰোৱাৰ পাছত অভিজিতৰ জীৱনলৈ এক ধুমুহা আহিছিল । সকলো মানুহৰ বাবে তেওঁ ঘৃণাৰ পাত্ৰ হৈছিল । আৰু তেতিয়া অভিজিতে মাত্ৰ এটা কথাই ভাবিছিল "মানুহৰ মনৰ পৰা ধৰ্মৰ ভেদাভেদ ভাবটো কেতিয়া আঁতৰিব ।" আৰু ধৰ্মৰ ক্ষেত্ৰত থকা প্ৰাচীৰখন আঁতৰাই দেখুৱাবলৈ গৈ এদিন অভিজিতে তেওঁৰ পিতৃ-মাতৃ, ভাই ককাই, আপোন-পৰিয়াল ত্যাগ কৰিবলগীয়া হৈছিল ।

ইয়াৰ পিচত এদিন সদ্যবিবাহিতা পত্নী সুৰভিক লৈ তেওঁৰ জীৱনৰ বাটত খোজ পেলাইছিল । নানা ঘাত-প্ৰতিঘাতৰ মাজেদি জীৱনৰ বাটত খোজ পেলাই অভিজিতে তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ সমস্যাটোও অৱশেষত সমধা কৰিলে ।

পাঠক পঠিকা সকল, ক্ষন্তেক ভাবি চাওক ? অভিজিত বৰুৱাৰ পত্নী সুৰভি কোনো হিন্দু সম্প্ৰাদায়ৰ ঘৰৰ ছোৱালী নহয় । ফৰিদা নামেৰে জন্ম হৈছিল তাই এটি মুছলমান সম্প্ৰদায়তহে । বিয়াৰ পিছতহে তাই সুৰভি বৰুৱা হয় ।

# নতুন পৰিকল্পনা




মির্জহা ইছলাম
প্ৰাক-স্নাতক ২য় বৰ্ষিক
( বিজ্ঞান শাখা )


দুটা বছৰৰ অন্তত কাঞ্চনপুৰৰ ৰাইজৰ মাজলৈ প্ৰাণ চঞ্চলতাৰ ঢৌ নামি আহিছে।

এই প্ৰাণচঞ্চলতাৰ মাজতো কাঞ্চনপুৰৰ ৰাইজে বহুতো পোৱা-নোপোৱা, হৰ্ষ-বিষাদৰ স্মৃতি মনৰ গহন বনত কঢ়িয়াই লৈ ফুৰিছে। দুটা বছৰৰ আগতে এই প্ৰাণ-চঞ্চলতাৰ যি ৰূপ আছিল সৰ্বাত্মক চলি থকা আন্দোলনৰ পৰা আহৰণ কৰা অভিজ্ঞতাই সেই প্ৰাণ-চঞ্চলতাৰ মাজলৈ বহুতো পৰিবৰ্ত্তন কঢ়িয়াই আনিলে।

কাঞ্চনপুৰৰ ৰাইজৰ মাজলৈ প্ৰাণ-চঞ্চলতাৰ ঢৌ নামে বছৰত দুবাৰ। এবাৰ বহাগৰ বিহু-সন্মিলনত, আনবাৰ ঈদ সন্মিলনত। এই দুটা উৎসৱ কাঞ্চনপুৰ বাসীয়ে প্ৰাণ-ঢালি উপভোগ কৰে। ৰঙালী বিহু উদ্‌যাপন কৰা হয় দুদিনীয়া কাৰ্য্যসূচীৰে আৰু ঈদ সন্মিলন এদিনীয়া কাৰ্য্যসূচীৰে। দুয়োটা উৎসৱতেই যেন গোটেই কাঞ্চনপুৰৰ পৰিবেশ সতেজ হৈ পৰে, ঠিক যেন প্ৰখৰ ৰ'দৰ মাজত অহা এজাক বৰষুণে সতেজ কৰা শস্য ডৰাৰ দৰেই। বিভিন্ন ধৰ্ম্ম-ভাষা-গোষ্ঠীৰে বেষ্টিত কাঞ্চনপুৰৰ আন এটা ধুনীয়া নাম — "মিনি ইণ্ডিয়া।" কাঞ্চন-পুৰ বাসীৰ হৃদয়ৰ অতল গহবৰৰ পৰা নিগৰি ওলোৱা আকুল আহ্বান আছে—নাই তাত কপটতা, হিংসা দ্বেষৰ স্থান।

কাঞ্চনপুৰত সম্প্ৰীতিৰ গঢ় দিবলৈ দেহ মন উজাৰি কাম কৰিব পৰা ভবেন-ইকবাল-

ইঁতৰ দৰে উদাৰচিতীয়া, বহল হৃদয়ৰ যুৱক আছে । ধৰ্ম্ম-ভাষাক মাধ্যম কৰি বিদ্বেষ ঘৃণাৰ সোঁচৰা ৰোগ বিয়পিব নোৱাৰাকৈ বাধা দিবৰ বাবে অগণন লোক আছে । যাৰ ধৰ্ম্ম ভাষাৰ সংকীৰ্ণতাৰে আবৰা মন একোটা নাই । আছে সম্প্ৰীতিৰ জয়ঢোল কোবাব পৰা সুঠাম একো একোটা বাহু সুবিশাল একো একোখন বুকু ।

দুটা বছৰৰ অন্তত সেয়েহে কাঞ্চনপুৰবাসীৰ মনলৈ অজান এক আনন্দৰ ঢল নামি আহিছে । বহাগৰ বিহুটিৰ দিন যিমানেই চমু হৈ আহিছে সিমানেই আনন্দৰ জোৱাৰ প্ৰবলতৰ হব ধৰিছে ।

উৎসৱ উদ্‌যাপনৰ বিষাদৰ ভাব এটা দূৰ হোৱা নাই । আহোনৰ ফৰকা । আকাশৰ বুকুত হঠাৎ এচমকা ক'লীয়া ডাৱৰে ভুমুকি মৰাৰ দৰে কাঞ্চনপুৰৰ ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোৰে মনবোৰ যেন ফৰকাল নহয়, কিবা থাকিও যেন একো নাই. এনে এটা উদাস ভাব অহৰহ বিৰাজ কৰিছে ।

ফাৰুক আৰু বিকাশৰ ওপৰত ন্যস্ত হৈছিল দুবছৰৰ মূৰত অনুষ্ঠিত হবলগীয়া এই বাৰৰ সাংস্কৃতিক কাৰ্য্যসূচীৰ গুৰু দায়িত্ব । কাৰ্য্যবাহী সমিতিৰ সভাখন হৈ যোৱাৰ পিচত ফাৰুক আৰু বিকাশ দুয়োটাৰ গালৈ যেন চেতনা ফিৰিল । দায়িত্ব কাৰ্য্যকৰীকৰণৰ চিন্তাই দুয়োটাকে বুৰাই পেলালে । পৰিকল্পনা তৈয়াৰ কৰাত দুয়োটাই মনোনিবেশ কৰিলে । ফাৰুক আৰু বিকাশ দুয়ো অনাতাঁৰ শিল্পী সিহঁত দুয়োটাৰে শিল্প প্ৰতিভাৰ তুলনা নাই । কাঞ্চনপুৰ বাসীৰ বাবে সিহঁত দুয়োটাৰ শিল্প প্ৰতিভাৰ চিনাকি দ্বিতীয়বাৰ দোহৰাৰ প্ৰয়োজন নাই ।

নামঘৰটোৰ উত্তৰ দিশৰ অহল বহল কোঁঠাটোত ফাৰুক আৰু বিকাশ সমবেত হ'ল । তাহানি আজোককাকৰ দিনৰে পৰা সমজুৱা কামৰ বাবে আলোচনাৰ থলী স্বৰূপে এই কোঁঠাটোকেই ব্যৱহাৰ কৰা চলন্তি নিয়মিতৰূপে বৰ্ত্তি কালক্ৰমত কাঞ্চনপুৰ বাসীৰ এক অভ্যাসত পৰিণত হ'ল । মহাপুৰুষৰ অসমীয়াৰ মাজত সম্প্ৰীতিৰ বান্ধোন কটকটীয়া কৰাৰ অপূৰ্ব্ব সৃষ্টি এই নামঘৰটোৰ কাষতে ফাৰুকহঁতে বহু সমস্যাৰ সমধান কৰি আহিছে । দুটা বছৰৰ অন্তত অনুষ্ঠিত কৰিবলৈ লোৱা বিহু সন্মিলনৰ কাৰ্য্যসূচী ৰূপায়ণত ফাৰুক আৰু বিকাশে নাম ঘৰটোৰ কাষৰ আচুতীয়া কোঁঠাটোত আলোচনাৰ বাবে একগোট হ'ল ।

নামঘৰৰ দেউক বিচাৰি নাপাই অজয় বৰুৱা ঘৰমুৱা হবলৈ লওঁতেই বিকাশৰ মাতত ৰৈ গল — "বৰদেউতাই বোধকৰো দেউক লগ নাপাই উভতিছিল যেন পাওঁ ।"

কাঞ্চনপুৰৰ অন্যতম বয়োবৃদ্ধ সন্মানিত ব্যক্তি অজয় বৰুৱা বিকাশ আৰু ফাৰুক বহি থকা নামঘৰৰ উত্তৰমুৱা কোঁঠাটোৰ পিনে দৃষ্টি ঘূৰাই অ,গবাঢ়ি যাব ধৰিছে – "অ ! তহঁত দুয়োটা ইয়াতে আছ হবলা । কেনেকৈ কি কৰিবলৈ লৈছ এইবাৰ সাংস্কৃতিক কাৰ্য্যসূচী ?" ফাৰুক আৰু বিকাশৰ ভাবনাৰ সৈতে অজয় বৰুৱাৰ কথাত আচৰিত ধৰণে মিলি যোৱাত দুয়োটাই কোৱাহ জুৰিলে । "আমি আপুনি কোৱাৰ দৰেই ভাৱি আছিলো বৰদেউতা ; আপুনি অলপ দিহাপৰামৰ্শ দিব লাগে । দুটা বছৰৰ অন্তত এইবাৰ ৰঙালী বিহুৰ উখল-মাখল আৰম্ভ হব । যোৱা দুটা বছৰে অসমে

বহু পৰিবৰ্ত্তন দেখিলে, বহু নজনা কথা শিকিলে, বহু নজনা লোকক জনালে । সেইকাৰণে আমি ভাবিছো, এইবাৰ সাংস্কৃতিক কাৰ্য্যসূচী অলপ বেলেগ ধৰণে ৰূপায়িত কৰিম । অসমৰ জন-সাংস্কৃতিৰ দিশসমূহ বিকশাই তোলাৰ বাদে অন্য কোনো কাৰ্য্যসূচী হাতত নলওঁ ।

অজয় বৰুৱাৰ মুখমণ্ডলত আনন্দৰ হেজাৰ-বিজাৰ ৰেখা যেন থুপ খাই পৰিল। আনন্দৰ অতিশয্যত অজয় বৰুৱাই কবলৈ ধৰিলে —"শুন ফাৰুক আৰু বিকাশ, তহঁত দুয়োটাই ভালদৰে শুন"– একমাত্ৰ কাঠৰ বেঞ্চখনৰ কাষৰ বেতঁৰ চকীখনত হেলান দি বহি অজয় বৰুৱাই গাত লৈ থকা চাদৰখন সোঁ কান্ধৰ ওপৰেৰে অলপ হেঁচুকি ঠিক কৰি অতীত ৰোমন্থনৰ এক ঐকান্তিক প্ৰচেষ্টাৰ বোল মুখ মণ্ডলত বিৰিঙাই কব ধৰিলে – "অসমৰ এটা স্বকীয়া ঐতিহ্য আছে । স্বকীয়া সংস্কৃতি আছে । শঙ্কৰ-মাধৱে দি যোৱা বহু অপূৰ্ব্ব সাংস্কৃতিক অবদান আছে । এই বোৰৰ দ্বাৰা অসমখনৰ সাতাম পুৰুষীয়া ঐতিহ্যৰ লগতে সাতাম পুৰু-ষীয়া সম্প্ৰীতিৰ বান্ধোন অক্ষয় ৰূপত আছে ।"

অজয় বৰুৱাৰ পিনে নিষ্পলক নেত্ৰ-যুগল একত্ৰিত কৰি ফাৰুক আৰু বিকাশ নিশ্চুপ হৈ অজয় বৰুৱাৰ সোণসেৰীয়া কথাবোৰ শুনি গ'ল --"প্ৰাক-স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ অসমীয়াৰ দৰে উৎকৃষ্ট মানদণ্ডৰ সম্প্ৰীতিৰ চানেকী ভাৰত বুৰঞ্জীত বিৰল । দিলবৰ-দোচাইৰ হস্তীবিদ্যাৰ্ণৱ, ধৰ্ম্মা-ন্তৰিত হোৱা ঘনশ্যাম খনিকৰৰ অপূৰ্ব সৃষ্টি শিৱসাগৰৰ কাৰেংঘৰ, ৰংঘৰ আদি, নামনি অসমৰ হাজোত এটা পাহাৰৰ এমূৰে পোৱা-মক্কা, আনপিনে হয়গ্ৰীৱ মাধৱ মন্দিৰৰ অৱ-স্থান অসমৰ ধৰ্ম্ম-সংস্কৃতিৰ এক অপূৰ্ব্ব সম্প্ৰীতিৰ বান্ধোন ।" এই দৃশ্যৰাজি যেয়ে দেখে তৰধ নামানি নোৱাৰে ।" অজয় বৰুৱাই ক্ষন্তেক বৈ কিবা যেন ভাবিব ধৰিলে । তিৰবিৰাই থকা নামঘৰটোৰ পিনে দুৱাৰখনৰ মাজেদি কিছুপৰ চাই ফাৰুক আৰু বিকাশৰ পিনে পুনৰ দৃষ্টি নিবদ্ধ কৰিলে । অজয় বৰুৱাৰ মুখমণ্ডল চূড়ামণিৰদৰেই যেন এইবাৰ উজ্জ্বল হৈ উঠিল। গভীৰ স্বৰে অজয় বৰুৱাই পুনৰ কবলৈ ধৰিলে– "তহঁতে এইবাৰ এনে ধৰণে সাংস্কৃতিক কাৰ্য্য-সূচী ৰূপায়ণ কৰিবি যাতে কৰবাত যদি কেনে-বাকৈ কিবা অলপ আমাৰ সম্প্ৰীতিৰ মাজত ঘূণে ধৰাৰ উপক্ৰম কৰিছে, লুইতৰ প্ৰচণ্ড ঢৌৰে মেটেকা জাবৰ জোথৰ উটুৱাই নিয়াৰ দৰে চাফা কৰি নিব লাগিব । দীৰ্ঘ দুবছৰৰ অশান্ত, দুঃচিন্তাৰ অন্তত অসমীয়া ৰাইজে এই বাৰ প্ৰাণ খুলি হাঁহিব । কিন্তু মনত ৰাখিবি কোনো হিন্দু, কোনো মুছলমান, কোনো খৃষ্টানে নাহাঁহে । কোনো বামুণ কছাৰী, কোনো বড়ো কৈবৰ্ত্তই নাহাঁহে । হাঁহিব অসমক ভাল পোৱা "মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন ? বুলি চিঞৰা অসমীয়াইহে । এই কথা বোৰ মনত ৰাখি শুদ্ধ মন একো একোটা লৈ তহঁত আগবাঢ় । দেখিবি, এইবাৰ কাঞ্চন-পুৰৰ বিহু সন্মিলনে অসমীয়া জাতি গঠনত মহান দায়িত্বৰে মহীয়ান কৰি সবল এক জাতি গঢ়ি তুলিবলৈ বল দিব, মনলৈ প্ৰচুৰ প্ৰেৰণা জোগাব ।

নিৰ্বাচিত কোনো বিষয়ৰ ওপৰত বিশেষভাৱে নিমন্ত্ৰিত এক্সপাৰ্টৰ বক্তৃতা নিৱিষ্ট মনে শুনাৰ দৰে ফাৰুক আৰু বিকাশে অজয় বৰুৱাৰ কথাবোৰ শুনি গ'ল । সিহঁতে মনতে গুণা-গঁথা কৰি থকা ন পৰিকল্পনাবোৰৰ বাস্তৱ ৰূপ দিবলৈ মনত যেন ন-শক্তি, ন প্ৰেৰণাহে পালে ।

ফাৰুক আৰু বিকাশ, একমত হ'ল—সিহঁতে এইবাৰৰ কাৰ্য্যসূচীত কাঞ্চনপুৰৰ বয়োবৃদ্ধ ব্যক্তি অজয় বৰুৱাৰ সোণ সেৰীয়া উপদেশবাজিৰ সম্পূৰ্ণ সন্মান বজাই ৰাখি নতুন এক পৰিকল্পনা কৰিব। অজয় বৰুৱা উঠি যোৱাৰ পিছত ফাৰুক আৰু বিকাশো কোঁঠাটোৰপৰা ওলাল।

শেষ ফাগুনৰ আগবেলাৰ ক্ৰমাৎ চোকা হব ধৰা ৰ'দজাকৰ মাজেৰে হঠাৎ অহা এজাক ফাগুনমহীয়া বতাহে ফাৰুক আৰু বিকাশৰ চিন্তিত মনবোৰ জোকাৰি থৈ গ'ল। মন্থৰ খোজেৰে সিহঁত দুটা নামঘৰটোৰ কাষেৰে পাৰহৈ ঘৰমুৱা হ'ল।

ক্ৰমাৎ বাঢ়ি অহা পুৱাৰ ৰ'দ জাকৰ কিৰণ পৰি নামঘৰৰ চূড়ামণিটো তেতিয়া উজ্জ্বলৰ পৰা উজ্জ্বলতৰ হব ধৰিছিল।

---

জাতীয় জীৱন আৰু জাতীয় সাহিত্য এই দুটাৰ অবিচ্ছেদ্য সম্বন্ধ। জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন। জাতীয় জীৱন যদি সংকীৰ্ণ হয় জাতীয় সাহিত্যইও সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে।

লক্ষ্মীনাথ বেজবৰুৱা

---

# আন্দন বিচ্ছেদ

শ্ৰীঅনুপম ফুকন
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক ( বিজ্ঞান শাখা )

খিৰিকীৰ পৰ্দা তুলি ল'ৰা-ছোৱালী কেইটাই বাহিৰলৈ চাই আছে। ৰাতিপুৱাৰ কোমল ৰ'দজাক আহি আগফালৰ ঘাঁহনি ডৰাত পৰিছে। আগনিশাৰ নিয়ঁৰবোৰ এতিয়াও শুকোৱা নাই। সেয়েহে ৰ'দত নিয়ঁৰবোৰ মুকুতাৰ দৰে জিলিকিছে।

দূৰৈৰ কাৰখানাৰ পৰা হুইচেলৰ শব্দ ভাহি আহিল

"কেই বজাৰ হুইচেল এইটো?" ৰীণাই সুধিলে।

—"দহ বাজিল পায়"— ৰেখাই আলিবাটলৈ চাই ক'লে।

আজি ফাকুৱা। সেয়েহে সিহঁত খিৰিকীৰে বাহিৰৰ ল'ৰা ছোৱালীবোৰৰ ফাকু খেল চাই আছে। সিহঁতৰ মনত এক অবুজ আনন্দ। অৱশ্যে শঙ্কৰে অলপ ভয় কৰে। ভয় কৰে মানে এনেয়ে একো নাই; তাৰ ককায়েকহঁতে ফাকু খেলিলে সি ফূৰ্ত্তিহে পায়। কিন্তু ডাঙৰ মানুহবোৰৰ মুখবোৰ ৰঙা-সেউজীয়া ফাকুৰে কিম্ভূত-কিমাকাৰ হৈ থাকিলেহে সি ভয় কৰে। তাৰ বয়স চাৰি বছৰমান হৈছে।

এজাক বতাহ বলিল। ঘৰৰ সন্মুখৰ জবা ফুলজোপা আনন্দতে যেন হালি-জালি উঠিল।

ৰাস্তাৰে মানুহ এজন চাইকেলেৰে পাৰহৈ গৈছিল। আলিবাটৰ কাষতে বৈ থকা ল'ৰা-ছোৱালী এজাকৰ কোনোবাই মানুহজনৰ গালৈ ফিচ্‌কাৰীৰে ৰঙা-নীলা ফাকু মিহলি পানী ছটিয়াই দিলে। মানুজনে বাওঁহাতখনেৰে চাইকেলৰ হেণ্ডেল ধৰি সোঁহাতখনেৰে পানীবোৰক বাধা দিবলৈ চেষ্টা কৰি ঈষৎ হাঁহি জোৰে জোৰে চাইকেল চলাই দিলে। ল'ৰা-ছোৱালীহঁতে আনন্দতে কিৰিলি পাৰিলে।

দৃশ্যটো দেখি ৰেখাহঁতৰ ফূৰ্ত্তি লাগিল। "ইছ! আমি তাত থকা হ'লে!" সিহঁতে ভাবিলে।

আকাশেৰে এখন প্লেন উৰি গৈছিল। সিহঁতে আকাশলৈ চালে। ইমান তলেৰে গৈছে! সিহঁতৰ দৃষ্টিয়ে প্লেনখনক অনুসৰণ কৰি থাকিল, প্লেনখন অদৃশ্য নোহোৱালৈকে।

ল'ৰা-ছোৱালীজাকৰ চিঞৰ বাখৰ শুনি সিহঁতে সেইফালে চালে। ইতিমধ্যে ওচৰৰে এজাক ল'ৰা আহিছে। সিহঁতৰ সমবয়সীয়া। সিহঁতক দেখি দীপহঁতে ৰং সানিবলৈ খেদি গ'ল। সিহঁতেও দীপকহঁতক ৰং ঘঁহিলে। তাৰপাছত সিহঁত একগোট হৈ আলিবাটেৰে মানুহ যোৱালৈ বাট চাই থাকিল। মানুহ গলেই ৰং ঘঁহিব।

শংকৰে মাকক আকৌ সুধিবলৈ গ'ল তাক মাকে বাহিৰলৈ ওলাই যাবলৈ দিব নকি? অথনি মাকে তাক যাবলৈ নিদিলে সি সৰু ল'ৰা কাৰণে। ককায়েক দীপকক হে যাবলৈ দিলে। তাতে দীপকৰ কিয়ে ফূৰ্ত্তি! ফাকু নাই কাৰণে টিন এটাতে অলপ ফুটছাইত মিঠাতেল ঘঁহি ভৰাই লৈ সি দৌৰি ওলাই গ'ল। শংকৰে সৰু হোৱাৰ কাৰণে নিজকে ধিক্কাৰ দিলে আৰু খিৰিকীৰে দুখমনেৰে বাহিৰলৈ চাই থাকিল।

ৰেখাহঁত আজি ফাকু খেলিবলৈ নগ'ল। সিহঁত বাইলৈহে যাব।

ইতিমধ্যে শংকৰে দুখমনেৰে ভিতৰৰ পৰা ওলাই আহি আকৌ খিৰিকীৰ কাষত থিয় হ'ল মাকে ভিতৰত কাম কৰি আছিল। একেটা কথাকে বাৰে বাৰে সুধি থকাত মাকে তাক খং কৰিলে।

শকুন্তলাৰ সৰু ভায়েকটোৱে কান্দি কান্দি আহি আছে আৰু শকুন্তলাই বাওঁহাতেৰে ফিচ্‌কাৰীটো ধৰি সোঁহাতেৰে ভায়েকৰ কান্ধত ধৰি তাক ঘৰলৈ লৈ আনিছে। ল'ৰাবোৰে তাক ফাকু ঘঁহি দিয়াত সি কান্দি দিলে। সৰু ল'ৰা বেচেৰা।

শকুন্তলাই তাক ঘৰৰ পদুলীমুখতে থৈ আকৌ ল'ৰা-ছোৱালীজাকৰ ওচৰলৈ দৌৰ দিলে।

দৃশ্যটোৱে ৰেখাহঁতক আমোদ দিলে।

ল'ৰা-ছোৱালীজাক আলিবাটৰ কাষতে ৰৈ আছে। দীপকে হাতত ক'লা চাই ঘঁহি হাত দুখন পিচলৈ দি থিয় হৈ আছে। অশোকে বালটি এটাত ৰং গুলিছে। পদ্মিনী আৰু আৰাধনাই ফিচ্‌কাৰীত ফাকু মিহলি পানী ভৰাইছে। বিজয়ে পকেটৰ পৰা ফাকু উলিয়াই হাতত বাকিলে।

আলিবাটত আজি মানুহৰ অহা-যোৱা কম। বোধহয় ফাকুৰ কাৰণে। গাড়ীবোৰো তেনেকৈ চলা নাই।

ইতিমধ্যে লৰা-ছোৱালীজাকে দূৰৈতে কাৰোবাক অহা দেখি ফাকু দিবলৈ সাজু হ'ল। এটা গোৱাল আহি ল'ৰা ছোৱালীজাকৰ ওচৰ পালেহি। চাইকেলৰ দুয়োফালে ডাঙৰ সৰু কিছুমান গাখীৰৰ জগ। দূৰৰ পৰা শব্দ কৰি আহিছে।

"ভাইটিহঁত, ফাকু নঘঁহিবা দেই, গাখীৰত পৰিব নহয়।" গোৱালটোৱে ল'ৰা-ছোৱালীজাকক ক'লে।

"নাই নাই, আমি অলপহে ঘঁহিম"

—ল'ৰা-ছোৱালীজাকে গোৱালাটোক বেৰি ধৰিলে। গোৱালাটো চাইকেলৰ পৰা নামিল। সিহঁতে বিভিন্ন ৰং তাৰ গালে-মুখে ঘঁহি দিলে। সি অসহায় ভাবে ল'ৰা-ছোৱালীজাকলৈ চাই হাঁহিলে। ৰঙা-নীলা, ক'লা, সেউজীয়া আদি বিভিন্ন ৰঙৰ সংমিশ্ৰণত তাৰ হাঁহিটোৱে তাৰ মুখখনক অদ্ভুত ৰূপ দিলে।

দৃশ্যটো দেখি ৰেখাহঁতে খিলখিলকৈ হাঁহি দিলে। হাঁহিবই নে কান্দিবই শঙ্কৰে ভাবি নাপালে।

সন্মুখৰ ঘৰৰ মানুহজনে স্কুটাৰ চাফা কৰি আছিল। দৃশ্যটোত তেখেতেও আমোদ পালে। ইতিমধ্যে গোৱালাটো গ'লগৈ।

হঠাৎ ৰাম, কমল, কবীৰ আদি এজাক ডেকা ল'ৰা আহিল। সিহঁত আঠ-নটামান হব। ওচৰৰ ফিল্ডখনতে বল খেলে। সিহঁতে হুল-স্থূল কৰি আহিছিল। সৰু ল'ৰা ছোৱালী-জাকক দেখিয়েই সিহঁতক ভয় খুওৱাৰ উদ্দেশ্যে ৰামহঁতে গণ্ডগোল কৰি দিলে। ফাকুৱে ল'ৰা কেইটাৰ মুখবোৰক অদ্ভুত ৰূপ দিছিল। সিহঁতৰ হাতত প্ৰচুৰ ফাকু আছে আৰু সিহঁতে কেনেবাকৈ ধৰিবলৈ পালে ফাকু ঘঁহি জুৰুলি-জুপুৰি কৰি দিব — এই ভাবি সৰু ল'ৰা ছোৱালীজাকে বালটি, ফিচকাৰী আদি হাতে হাতে উঠাই লৈ দৌৰ দিলে।

ৰেখাহঁতে দেখিলে ৰামহঁতে চুবুৰীটোৰ একেবাৰে প্ৰথম ঘৰটোত সোমাইছে। গতিকে সিহঁত ইয়ালৈকো আহিব— সিহঁতে ভাবিলে। ৰামহঁতে ইঘৰ-সিঘৰকৈ ফাকু দি যাবলৈ ধৰিলে।

অলপ পাছতেই সিহঁত সন্মুখৰ ঘৰটোত সোমাল। স্কুটাৰ চাফা কৰি থকা মানুহজনৰ মুখ খন ফাকুৰ গুড়িৰে ৰঙা হৈ গ'ল। তৰ পাছত সিহঁত ভিতৰলৈ সোমাই গ'ল।

"ৰাম ককাইদেউহঁত আমাৰ ঘৰলৈয়ো আহিব" — ৰেখাই ক'লে।

"আহিব আহিব"— বীণাই সন্মুখৰ ঘৰটোলৈ চাই ক'লে।

"মই মাক কৈ আহোঁগৈ"— শঙ্কৰে মাকক মাতি মাতি একে দৌৰে ভিতৰ পালেগৈ।

সন্মুখৰ ঘৰৰ পৰা হাঁহি, চিঞৰ-বাখৰ, আদি ভাঁহি আহিছে।

ৰঙা নীলা ফাকু আৰু আনন্দৰ সংমিশ্ৰণ।
ৰামহঁত আন এটা ঘৰত সোমাল।

"মই পুৰণা ফটা চোলাটো পিন্ধি লওঁগৈ ভাই!"— ৰেখাই দৌৰি ভিতৰলৈ গ'ল।

"মইও চোলাটো বদলি কৰি লওঁ" — বীণাইও লগে লগে দৌৰি গৈ ভিতৰত চোলা বদলালে। পুৰণা ফটা চোলা পিন্ধি দুয়োজনী আকৌ খিৰিকীৰ কাষলৈ আহি বাট চাই ৰ'ল।

"মাকো ফাকু দিব নেকি" — শংকৰে সুধিলে।

"ওঁ, দিব পাৰে"— বীণাই ক'লে।

"মইও মোৰ পেণ্ট চোলা বদলি কৰি আহোঁ" — সি ভিতৰৰ পৰা ফটা, পুৰণা পেণ্ট-চাৰ্ট পিন্ধি আহিলগৈ।

ইতিমধ্যে ৰামহঁত সিহঁতৰ কাষৰ ঘৰটোত সোমাল।

"তাৰপাছত আমাৰ ঘৰলৈ আহিব"

—ৰীণাই জপিয়াই জপিয়াই ক'লে। কাষৰ ঘৰৰ পৰাও হাঁহি, চিঞৰ বাখৰ আদি ভাঁহি আহিল। অকণমানি ৰাকেশৰ কান্দোনৰ শব্দ, বোধহয় সি ভয় খালে! লগে লগে কিছুমান হাঁহিৰ টুকুৰা।

ৰঙা নীলা ফাকু আৰু আনন্দৰ সংমিশ্ৰণ! "ইছ, দেউতা থকা হ'লে

—"দেউতা আজি নেযাব লাগিছিল।" সিহঁতৰ দেউতাক হাবিলৈ গৈছে। খৰি আনিবলৈ। আনকালে অন্য কামলৈ ওলাই যায়। আজি যোৱা নাই। সিহঁত জীয়াই থাকিবলৈ হ'লে দেউতাক হাবিলৈ যাবই লাগিব। তেওঁ আজি ৰঙা-নীলা পৃথিবীখন নেদেখিলে; কালিলৈও নেদেখে, হয়তো কাহানিও নেদেখিব।

"সৌৱা, সৌৱা, তেওঁলোক ভিতৰৰ পৰা ওলাল"— ৰেখাই হাত চাপৰি বজালে।

ইতিমধ্যে কেইটামান ল'ৰা পদূলিলৈ ওলাই আহিল। সিহঁতে পদূলিৰমূখত লগৰ কেইটা ওলাই অহালৈ বাট চালে। শংকৰে একে দৌৰে গৈ বিচনাৰ তলত সোমাল। বাকী ল'ৰাকেইটাও ওলাই আহিল। সকলো ল'ৰা চিঞৰ-বাখৰ কৰি কাষৰ ঘৰৰ পদূলি মুখত ৰ'ল।

"অহিছে আহিছে"— সিহঁত খিৰিকীৰ কাষৰ পৰা আঁতৰি আহি কমটোত নিশব্দে ৰামহঁত অহালৈ বাট চালে। ৰামহঁতে ফাকুৱাৰ কাৰণে চিঞৰি আছে।

সিহঁতে ৰামহঁতলৈ বাট চাই আছে। অলপ পাছতে সিহঁতৰ ঘৰখনো আনন্দমুখৰ হৈ পৰিব। ৰঙা-নীলা ফাকু আৰু আনন্দৰ সংমিশ্ৰণ! সিহঁতে অপেক্ষা কৰিয়েই আছে কিন্তু। তেওঁলোক অহা নাই কিয়? তেওঁলোকৰ কথা ৰতৰাবোৰ বাৰু দূৰলৈ আঁতৰি গৈছে নেকি? হয় জানো?

কিছু সময়ৰ পাছত সিহঁতে খিৰিকীৰে চালে। হয়, হয়। ৰামহঁত ৰাস্তাৰ ওচৰ পালেগৈ।

কিন্তু তেওঁলোক নাহিল কিয়? কিয় নাহিল তেওঁলোক?

ৰামককাইদেউহঁত দুৱাৰ বন্ধ দেখি নাহিল হব পায়! দুৱাৰখন বন্ধ আছিল নহয়। —ৰেখাই নিজকে সান্ত্বনা দিলে।

"নহয় তেওঁলোকৰ ফাকু শেষ হব পায় —ৰীণাই ক'লে।
ইতিমধ্যে বিচনাৰ তলৰ পৰা চুচুক-চমাকৈ ওলাই আহি শঙ্কৰে সুধিলে; "ৰাম ককাই-দেউহঁত কিয় নাহিল বাৰু?"

ভিতৰৰ পৰা মাকো ওলাই আহিছিল। তেখেতে প্ৰশ্নসূচক দৃষ্টিৰে সিহঁতলৈ চালে। তেখেতে সিহঁতৰ চকুৰ ভাষা পঢ়ি পেলালে। তেখেত আকৌ নিশব্দে ভিতৰলৈ সোমাই গ'ল।

সিহঁতে চকুৰ দৃষ্টি খিৰিকীৰ বাহিৰলৈ ঠেলি দিলে। নীলা আকাশখনৰ নীলাবোৰ সিহঁতৰ চকুত প্ৰতিফলিত হৈ যেন সিহঁতৰ চকুবোৰ নীলা বেদনাৰে ভৰাই পেলাইছে।

সিহঁতে তেতিয়া ভাবিছিল: "সিহঁত দুখীয়া হোৱাৰ কাৰণেই ৰামহঁত নাহিল নেকি বাৰু?"

# পৰাহত




*শ্ৰী পংকজ গোস্বামী*
টি ডি চি, কলা-প্ৰথম বাৰ্ষিক


আকাশৰ এটা কোণত কৃষ্ণাদশমীৰ কৃষ্ণাঙ্গ জেনটোৱে শেঁতা পোহৰবোৰ সিচি দিছে। কুৱলীৰ পাতল আবৰণ এটাই চহৰ-মনৰ নগ্ন বাটটোক হেঁচি ধৰিছে জোনাক ধূসৰ এক দূৰ দিগন্তই অন্তৰ জগতত এক শাস্বত বেদনাৰ মাধুৰ্য্য আনি দিছে । এইয়া দুপৰ নিশাৰ নিশুৱতাত শেঁতা জোনাকৰ শীতল বুকুত শুই পৰা এখন শান্ত গভীৰ পৃথিবী। পৃথিবী টোপনিত লালকাল । দিনৰ ক্লান্তি আৰু অৱসাদৰ অন্তত মানুহবোৰ নিদ্ৰা দেৱীৰ কোলাত অচেতন হৈ পৰি আছে, ঠিক যি দৰে পৰি আছে তাইৰ ভোকাতুৰ শিশুটো । কিন্তু সি শোৱা নাই, অপলক নেত্ৰে চাই আছে মাকৰ কংকাল-সাৰ দেহটোত থকা শুকান স্তনযুগললৈ ; কিন্তু মাক অৰ্থাৎ জোনাকীয়ে নিজৰ অজ্ঞাতে আকাশৰ বুকুত অসহায় ভাবে কিবা যেন বিচাৰি আছে ।

উজনিমুৱা ৰেলখনে তাইৰ ভাব-সাগৰত জোৱাৰ তুলি থৈ গ'ল। ৰেলখন এইখিনি সদায় ইমান সময়তে পাৰ হৈ যায়। ৰেল-খনৰ গুম্ গুমনি শব্দটো এতিয়াও শুনা নুশুনা হৈয়ে আছে । চৰ্বুৰিটোৰ প্ৰায় কেইঘৰ মানুহ শুই নিঃপালি দিছে । হঠাৎ জোনাকীৰ মনত পৰিল, মাছলৈ যোৱা তাইৰ গিৰীয়েক আজি তিনিদিনেও আহি নোলালেহি, তাই চিন্তাত পৰিল । ইফালে নৈয়ে মপাউৰি ভাঙো ভাঙো হৈ আছে । তাই আকৌ অপলক নেত্ৰে আকাশত কিবা যেন বিচাৰিব লাগিছে।

দূৰৈৰ ক'ৰবাত অজান বিহঙ্গৰ প্ৰভাতী সুৰলা কৰা কণ্ঠই জোনাকীৰ মনটো কাঢ়ি আনি ৰাস্তৱ পৃথিবীত সিঁচি দিলে । তাই শিশুটোলৈ চালে আৰু যদি দুদিন এনেকৈ থাকিব লগা হয় হয়তো বুকুৰ পোনাটোক চিৰ দিনৰ বাবে হেৰুৱাব লাগিব । ৰাটেৰে কোনোবা অহা যেন পাই তাই চাওঁৰপৰা লাহে লাহে নামি দুৱাৰৰ দাংডাল নমাই লৈ চোতা-ললৈ আগবাঢ়ি গ'ল । "নবৌ উঠিলিয়েই নেকি ?" জোনাকীয়ে চিনি নেপালে, সেয়েহে সুধিলে, কোননো সেইটো ? মই আঘোনা, জোনাকীয়ে আঘোনা বুলি চিনি পাই তাক ওচৰলৈ মাতি আনি ক'লে. পিছে ৰাতিপুৱাই নো কেনি ওলালি ? অঘোনাই উত্তৰটো ওঠতলৈ থকাৰ দৰেই ঘপকৈ কৈ দিলে মাছলৈ; আৰুনো কেনি ? মাছলৈয়ে যদি নেযাওঁ

আমাকনো কোনে পুহিবঅ' বৌ । আঘোনাই সুবিধা পাই মনৰ দুখো প্ৰকাশ কৰিলে। জোনাকীয়ে আঘোনা মাছলৈ যাব বুলি গম পাই তাক ক'লে, পিচে হেৰি অ আঘোনা, মাছলৈ বুলি গৈ আজি চাৰিদিনেও আমাৰ তেওঁ অহাই নাই । তই যদি পাৱ আমাৰ তেওঁক লগ পালে কবিচোন ঘৰত ক্ষুদকণ এটাও নাই। এনেকৈ থাকিলে তেওঁ আহি আমাৰ চিতাত জুই দিবলৈহে পাব বুলি কৈ তাই বৈ গ'ল হঠাৎ তাই ভাবলে আজি ৰাতিপুৱাইনো তাইৰ মুখত এনে অমঙ্গলীয়া কথা ওলাব লাগে নে ? কি হ'লনো নবৌ ? বৈ গলি দেখোন ? আঘোনাই জোনাকীক অন্যমনস্ক হোৱা দেখি সুধিলে । নহয় অ কিবা দেখোন অমঙ্গলীয়া কথাবোৰহে মনলৈ আহিছে। বুলি কৈ তাই ভিতৰলৈ যাবলৈ খুজি বৈ গ'ল আৰু আঘোনাক ক'লে তই আমাৰ তেওঁক লগ পালে কবি, যেনে তেনে সোনকালে আহিবলৈ । অ' বুলি কৈ আঘোনাই মাছলৈ বুলি ৰাওনা হ'ল ।

জোনাকী ভিতৰলৈ আহি দেখিলে পোনাটো এতিয়াও উঠাই নাই; নেয়েহে এই ছেগতে জেং তুদালমান আনি জুই নধৰিলে পোনা উঠিলে দিগদাৰ হব বুলি ভাবি তাই পাচফালৰ বৰুৱাৰ ঘৰৰ বাঁহনিডৰালৈ ওলাই গ'ল । শুকান বাঁহ জেং কেইডাল মান আনি তাই জুই ধৰিবলৈ ল'লে ! কিন্তু জুই ধৰা নহ'ল পোনাটোৰ ৰাউচিধৰা কান্দোনে আইৰ মাকৰ মনটো ঠিকে ৰাখিব নোৱাৰিলে তাই দৌৰ মাৰি গৈ তাৰ ওৰ পালেগৈ ! আৰু তাক বুকুত সাৱটিলৈ নিচুকাব ধৰিলে। এটা সময়ত সি আকৌ শুলে; হয়তো ভোকৰ ভাগৰত । পোনাটোক শোৱা দেখি জোনাকীয়ে পানী এককলহ আনোবুলি মাটিৰ কলহটো লৈ কুঁৱালৈ গ'ল । পানী লৈ ঘুৰি আহোঁতে তাই অলপ অলপকৈ শুনিবলৈ পালে কেচুৱাৰ কান্দোনৰ প্ৰতিধ্বনি । তাই ঘৰলৈ বুলি খোজটো বেগাই দিলে, কান্দোনটো লাহে লাহে স্পষ্ট হৈ তাইৰ কাণত বাজিছে । তাই চিনি পাইছে। হয় সেইয়া তাইৰে বুকুৰ ধন পোনাৰ কান্দোন, তাই নিজৰ অজ্ঞাতে দৌৰিবলৈ ধৰিলে কেতিয়ানো তাই হাতৰ পৰা কলহটো পৰিল তাই ধৰিব নোৱাৰিলে । তাই বৰদৈ চিলাৰ দৰে আহি পোনাটোক বুকুত সুমুৱাই ল'লে আৰু গম পালে পোনাটোৰ ভীষণ জ্বৰ উঠিছে । তাই কিংকৰ্ত্তব্য বিমূঢ় হৈ মাথো চিঞৰিছে "আই ও, কোন আছ অ, আহ মোৰ পোনাটোৰ কি হৈছে ! মই কি কৰোঁ অ আহ অ' ……… । তাইৰ চিঞৰ শুনি চুবুৰীটোৰ প্ৰায়বোৰ মানুহেই দৌৰি আহিল । কেইজনীমান বয়স্ক মানুহে তাইক শুধিলে কি হ'লনো ইমানকৈ চিঞৰিছনো কেলৈ । তাই কান্দি কান্দি কিবা কিবি বহুত ক'লে। স্পষ্টকৈ মাথো এটাই বুজিলে পোনাটোৰ ভিষণ জ্বৰ । কেইজনমানে তাইক সান্তনা দিলে তই মিছাতে ভয় খাইছঅ আই তাৰ একো হোৱা নাই । ক্ৰমান্বয় পোনাৰ জ্বৰ বাঢ়ি গৈছে তাই গম পাইছে এইয়া আন একো নহয় ভোকৰ জ্বৰ। তাই উপায় নাপাই পোনাটোক বুকুত সাবটি লৈ আউলী-বাউলী হৈ ডাক্তৰৰ ওচৰলৈ বুলি দৌৰিবলৈ ধৰিলে দৌৰি গৈ থাকোঁতে মাজ বাটতে এটা সময়ত পোনাৰ কান্দোন বন্ধ হৈ গ'ল । তাই হঠাৎ বৈ গ'ল আৰু পোনাৰ মুখলৈ চাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে, তই ন যাবি অ পোনা ! তাই পোনা পোনা বুলি চিঞৰি চিঞৰি অজ্ঞান হৈ পৰি গ'ল । এটা সময়ত যেতিয়া তাই জ্ঞান ঘূৰাই পালে তেতিয়া তাই ঘৰৰ চাঙৰ ওপৰত । জ্ঞান পায়ে তাই চিঞৰিব ধৰিলে মোৰ পোনাটো কলৈ গ'ল ? ……… কলৈ গ'ল ? বুলি কান্দি কান্দি চাঙৰ পৰা নামি বাহিৰলৈ দৌৰ মাৰিলে । ওচৰৰ

কেইটামান ডেকাল'ৰাই পিচে পিচে দৌৰি জানকীক ধৰি আনি ভিতৰত সুমুৱাই থলেহি কিন্তু তাই শান্ত নহ'ল, হয়তো পোনাক হেৰু-ৱাই পাগলী হৈ গ'ল । তাই আকৌ 'পোনা-টো' পোনাটো, বুলি ওলাই গ'ল । বাটে বাটে চিঞৰি চিঞৰি গৈছে মোৰ ...... ....

মোৰ পোনাটোক মই মাৰি পেলালোঁ বুলি মাজে মাজে হাঁহে আকৌ কান্দি কান্দি চিঞৰে মই নহয় ভোকে ভোকে মাৰিলে পোনাটোক সি ... সি খাবলৈ নেপাই মৰিল ।

এইদৰে কেইদিনমান থকাৰ পাছত এদিন হঠাতে জোনাকী হেৰাই গ'ল । কলৈ গ'ল কোনেও কব নোৱাৰে । মাথো মাজ নিশা কোনোবাই চন্দ্ৰকান্তৰ ঘৰৰ সন্মুখত থিয় হৈ উচুপি উচুপি কন্দা মানুহে শুনে, কিন্তু বহুতো চেষ্টা কৰি গাঁৱৰ মানুহে ধৰিব নোৱাৰিলে -সেইয়া জোনাকী—নে জোনাকীৰ প্ৰেতাত্মা ?

কিন্তু চন্দ্ৰকান্ত এদিন সিও এবুকু দুখ ভৰা বেদনা লৈ হেৰাই গ'ল । সেই গাঁৱৰ পৰা ! হয়তো হেৰাই গ'ল বিশাল পৃথিবীৰ পৰা বহু দূৰলৈ ।

# শেষ পৰিণতি

শ্ৰীমতী গৌৰী কলিতা
স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক
( ক'লা )

ৰাতিৰ আন্ধাৰক বিদায় দি ধৰিত্ৰী দেবীয়ে দিনৰ পোহৰক আকোৱালি লৈছে। আন্ধাৰ আৰু পোহৰৰ মিলন ক্ষণত তেতিয়া পাঁচ বাজিছে। মন্দাকিনীয়ে আঘোনমহীয়া সেইহেন ঠাণ্ডাত কুঁৱলীবোৰ চাই চাই বাৰান্দাত বহি আছিল। কুঁৱলীবোৰ আঁতৰ হৈ সুনীল আকাশখন যেতিয়া ফৰকাল হৈছিল মন্দাকিনীয়ে দূৰ দিগন্তলৈ দৃষ্টি নিক্ষেপ কৰাৰ লগে লগে তাইৰ মনটো সিমানে আগবাঢ়িছিল অতীতৰ ফালে। অতীতৰ স্মৃতিবোৰ ৰোমন্থন কৰি বৰ্ত্তমানৰ লগত তুলনা কৰি নিজকেই তাই দোষী দোষী অনুভৱ কৰিছিল।

মন্দাকিনীৰ দেউতাক মদনমোহন বৰঠাকুৰ আছিল মদাৰখাট হাইস্কুলৰ প্ৰধান শিক্ষক। তেওঁ বৰ খঙাল প্ৰকৃতিৰ মানুহ। তেওঁৰেই প্ৰথম সন্তান মন্দাকিনী। মন্দাকিনীৰ বয়স চাৰি বছৰ হওঁতেই এই সংসাৰলৈ আকৌ আহিল তাইৰ ভায়েক উদয় শংকৰ। উদয় শংকৰৰ জন্মৰ ছমাহৰ পাচত তেজগ্ৰহণীত পৰি মাক মনোৰমাই ইহ সংসাৰ ত্যাগ কৰে। সংসাৰত থাকি গ'ল এই দুৰ্ভগীয়া মন্দাকিনী, ভায়েক উদয়শংকৰ আৰু দেউতাক। অশেষ দুখ কষ্টৰ মাজেদি দেউতাকে সিহঁতক ডাঙৰ-দীঘল কৰিলে। উদয় শংকৰে এখুজি দুখুজি কৰি অষ্টম শ্ৰেণীত ভৰি দিছেগৈ। মন্দাকিনীও হাইস্কুলৰ শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজৰ ৰঙীণ মঞ্চত ভৰি দিছেগৈ। তাই দেউতাকৰ স্কুল এৰি "ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়"ত নাম ভৰ্ত্তি কৰিলে। ঘৰুৱা পৰিস্থিতিৰ বাবে হোষ্টেল বা আন ক'ৰবাত থাকিলোৱাত অসুবিধা হয়, গতিকে তাই ঘৰৰ পৰা কলেজলৈ বাছেৰে অহা যোৱা কৰে। এই কলেজীয়া জীৱনৰ পটভূমিতেই কলেজ মঞ্চত তাইৰ লগত অভিনয় কৰিবলৈ থিয় দিয়ে তামোলবাৰী বাগানৰ মেনেজাৰৰ ল'ৰা পৰিমল কাকতি। পৰিমল কাকতি তেতিয়া স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকত (বিজ্ঞান শাখা) এদিন তাই কলেজৰ পৰা ঘৰলৈ বুলি যাওঁতেই পৰিমলে তাইলৈ এখনি কাগজ আগবঢ়াই দিলে। ভদ্ৰতাৰ খাটিৰত তাই কাগজখন হাত পাতি ল'লে। বাছত যাওঁতে মন্দাকিনীয়ে পৰিমলে দিয়া কাগজখনৰ কথাকেই ভাবি ভাবি কেতিয়া মদাৰখাট পালেগৈ গমেই নাপালে। তাইৰ বান্ধৱী ত্ৰিবেণীৰ মাততহে পূৰ্বজ্ঞান ঘূৰি আহে। ঘৰত গৈ তাই দেউতাকে নেদেখাকৈ চিঠিখন খুলি চালে। চিঠিখনত লিখা আছিল—

মৰমৰ
মন্দাকিনী,
মৰমবোৰ বোৰ ল'বা বুলিয়েই

আশা ৰাখিলোঁ । নাজানো অৱশ্যে, মোৰ মৰমবোৰে তোমাৰ ওচৰত কেনেধৰণৰ স্থান পায় । তোমালৈ মই বিশেষ কাৰণত পত্ৰখন লেখিলোঁ । মোৰ মনৰ ভাৱধাৰা অলপ পৰিমানে হ'লেও বুজিব পাৰিছা নিশ্চয় । গতিকে মই তোমাৰ অনুমতি বিচাৰোঁ ! তুমি যদি মোক অপদাৰ্থ বুলি জ্ঞান কৰা তেন্তে জনাবলৈ সংকোচ নকৰিবা । অ' এটা অনুৰোধ.— এই কথা তুমি আমাৰ ঘাগা-নৰ কাকো নকবা । ঘৰত জানিলে খেদা-খাব লাগিব । বিঃ নাই । উত্তৰৰ অপেক্ষাত ......

ইতি—
পৰিমল কাকতি

চিঠি পঢ়া শেষ কৰি হাত-মুখ ধুই দেউতাক, তাই আৰু ভায়েক জলপান খাবলৈ বহিল । তেতিয়া আবেলি প্ৰায় ৩-৩০ বাজিছে । গধূলিৰ বাবে ৰন্ধা-বঢ়া কৰিবলৈ বাচন-বৰ্ত্তন ধুই-মেলি অলপ সময় বাহিৰলৈ ওলাই গ'ল । এতিয়া তাইৰ খাওঁতে শোঁতে উঠোঁতে বহোঁতে কেৱল মাত্ৰ এটাই চিন্তা—পৰিমলক তাই কি উত্তৰ দিব ।

পোহৰক নেওচি আন্ধাৰে চাৰিওফালে আবৰি ধৰিলে । মন্দাকিনীও ৰান্ধনিশাললৈ যাবলৈ সাজু হ'ল, ভগৱানৰ ওচৰত ধূপ-ধুনা দিওঁতেও তাই এইটোকে প্ৰাৰ্থনা জনাইছিল "তেওঁ যেন তাইক ভাল-পথৰ পথিক হ'বলৈ আশীৰ্বাদ কৰে-যাতে কৰ্মক্ষেত্ৰত আগুৱাই যাওঁতে ক'তো ভুল নকৰে " ভগৱানক পৰি-মলৰ প্ৰশ্নৰ উত্তৰ দিবলৈবো কাকুতি জনালে, যেন তাইক কোনো ক্ষণতে বিপদে দেখা দিব নোৱাৰে ।"

তাই ৰান্ধনি শাললৈ গ'ল । একো কামতেই মন বহুৱাব পৰা নাই । চিন্তা ! চিন্তা ! কেৱল মাত্ৰ এটাই চিন্তা । —তাই নিজকে প্ৰশ্ন কৰিবলৈ ধৰিলে, — পৰিমল আৰু তাইৰ মাজত থকা সামাজিক নৈখন পাৰ হোৱাটো সম্ভৱপৰ জানো ? ভাত খাই ভায়েক, দেউতাক আৰু তাই শুবলৈ বুলি শোৱা কোঠালৈ — গ'ল । কিন্তু তাই দেউতাকৰ আগত অলপ পঢ়ি লওঁ বুলি কৈ পৰিমলৰ উত্তৰ লিখাত ব্যস্ত হ'ল ।

"পূজনীয়
পৰিমলদা,

পত্ৰৰদ্বাৰাই শ্ৰদ্ধা জানিব । আপো-নাৰ পত্ৰই মোক বৰ চিন্তাত পেলাইছে । ল'ৰা- ছোৱালীয়ে গৰ্হিত কৰ্ম কৰাটো মাক বাপেকৰ অসহনীয় কথা । মোৰ কথাটো ভাল-দৰেই জানে । মাৰ মৰমৰ পৰা বঞ্চিত হৈ থকা আজি প্ৰায় বাৰ বছৰেই হ'ল । দুখ কষ্টেৰে ডাঙৰ দীঘল কৰা দেউতাৰ চকুত ধূলি মাৰি যদি এনে কাম কৰোঁ, তেন্তে মোৰ ইয়াতকৈ ডাঙৰ পাপ একোৱেই নহব । আৰু ছোৱালী হৈ দূৰ ভৱিষ্যতৰ কথা চিন্তা কৰাটো অতি অপৰিহাৰ্য কথা । গতিকে মই আপো-নাক— অনুৰোধ কৰিছোঁ যেন আপুনি মোক লৈ যিবোৰ কল্পনা কৰিছিল সকলোবিলাক মনৰ পৰা ধুই নিকা কৰি দিয়ে । মনত ৰখা উচিত যে "কল্পনাবোৰ বৰ মধুৰ, বাস্তৱত বৰ গধুৰ ।" এই গধুৰ সমস্যাৰ সন্মুখীন হোৱাৰ আগতেই সাৱধান হ'ব লাগে । মই আপো-নাক হেয় কৰিবলৈ কেতিয়াও নিবিচাৰোঁ । সমস্যাৰ সমীধান হে বিচাৰোঁ, ৰেয়া নেপাব । আপোনাৰ ভনি নাই, মোকে নিজৰ ভনি বুলি ধৰি লয় যেন ! ধন্যবাদ -"

ইতি
আপোনাৰ মন্দাকিনী

চিঠিখন পৰিমলৰ হাতত পৰিলগৈ ।

চিঠি পঢ়ি পৰিমল জয় পৰি গ'ল। পুনৰ অনুৰোধ কৰিলে । কিন্তু মন্দাকিনীয়ে অনুৰোধ প্ৰত্যাখ্যান কৰিলে। শেযত সি উপায়ান্তৰ হৈ আত্মহত্যা কৰাৰ কথাও প্ৰকাশ কৰিছিল । এইদৰেই চল-চাতুৰি কৰি ল'ৰাবোৰে ছোৱালী বোৰৰ মন ভুলাবলৈ চেষ্টা কৰে ।

দিনৰ পাছত ৰাতি, ৰাতিৰ পাছত দিন বাগৰিবলৈ ধৰিলে । মন্দাকিনীও Pvi Degree পাছ কৰিলে । ইতিমধ্যে পৰিমলৰ কথাটো দেউতাকৰ কাণত পৰিল আৰু খঙত উগ্ৰ-মূৰ্ত্তি ধৰি মন্দাকিনীক একেদিনাই কলেজৰ পৰা এৰুৱাই আনিলে। বাধ্যত পৰি তাই ঘৰতে সোমাই ৰ'ল ।

এদিন মন্দাকিনীহঁতৰ ঘৰলৈ আলহী আহিল । আলহী নাজিৰাত থকা মাহীয়েক আৰু তেওঁলোকৰ ওচৰৰে এজন ল'ৰা । ল'ৰা জনে ছোৱালী চোৱাৰ উদ্দেশ্যেৰে আহিছিল মন্দাকিনীহঁতৰ ঘৰলৈ । তাইক এবপ্ৰকাৰ পছন্দ কৰিয়েই পেলালে । দেউতাক, মাহীয়েক আৰু ল'ৰা জনৰ মাজত বিয়াৰ তাৰিখ ঠিক হ'ল । বহাগৰ দহ তাৰিখে বিয়া । ল'ৰাজনৰ নাম মনজিৎ গোস্বামী নাজিৰাৰ O. N. G. C. ত চাকৰি বৰে । উলহ-মালহেৰে বিয়া হৈ গ'ল । ইফালে জ্বলা জুইত ঘিউ ঢলাৰ দৰে পৰিমল জ্বলি উঠিল । সি লগে লগে মন্দাকিনীৰ ওপৰত যি কোনো প্ৰকাৰে প্ৰতিশোধ লোৱাৰ প্ৰতিজ্ঞা কৰিলে।

মন্দাকিনীহঁতৰ বিয়া এবছৰ পাৰ হওঁ হওঁ অৱস্থা । ইতিমধ্যে তেওঁলোকৰ সংসাৰলৈ আহিল শ্যামলিমা । শ্যামলিমাক লৈ মনজিৎ আৰু মন্দাকিনীয়ে বহুতো ৰঙীন কল্পনা কৰিছিল । কিন্তু দুখৰ বিষয় কল্পনাবোৰক বাস্তৱত ৰূপ দিয়াৰ সুবিধা তেওঁলোকে নাপালে তেওঁলোকৰ সেই সোণালী সংসাৰখন শান্তিৰে পাৰ কৰোৱাত প্ৰাচীৰ ৰূপে থিয় দিলে পৰিমল কাকতি । পৰিমলে তেওঁলোকৰ আশাৰ বন্তি-গছিত পানী ঢালি তেওঁলোকৰ কল্পন বোৰক স্থান দিলে শূন ৰ কোলাত। সেই দিনা আছিল শনিবাৰ । মনজিৎ গৈছিল বজাৰৰ ফালে ওলাই । পৰিমলৰ পূৰ্বপ্ৰতিজ্ঞা পূৰণ কৰিবৰ বাবে কেইবাদিনো মনজিৎৰ পাছ লৈছিল । সেইদিনা বজাৰৰ পৰা ঘৰমুৱা হওঁতে এডোখৰ নিৰ্জন ঠাইত অকলশৰীয়াকৈ পাই তেওঁক হত্যা কৰে । মন্দাকিনীয়ে মনজিৎৰ হত্যাৰ বাবে পুলিচ থানাত খবৰ দিলে। কেচ্ চলিল । কিন্তু কি হ'ব ! আজিৰ সমাজত ধনীৰ স্থান সদায়েই উচ্চ । ঘোচ ঘাচ্ দি পৰিমল কেচত জিকিল ।

মন্দাকিনীৰ এতিয়া আপোন বুলিবলৈ এই সংসাৰত কোনো নাই। দেউতাকো ঢুকাল। যিবা শ্যামলিমাক লৈ এই কুটিল সংসাৰত জটিল সমস্যাবোৰক লৈ জীয়াই আছিল তাকো নিয়তিয়ে সহ্য কৰিব নোৱাৰিলে । শ্যামলিমাক মন্দাকিনীৰ বুকুৰ মাজৰপৰা আঁতৰাই নিলে চিৰদিনৰ বাবে ।

এতিয়া মন্দাকিনীক লৈ নাজিৰাৰ সকলো মানুহবেই সমালোচনা । মনজিৎৰ হত্যাৰ বাবে দায়ী বুলি ভাবি সকলেৰে মন্দাকিনীক ঘৃণা কৰে । তথাপি তাই দুখ-বেদনাৰে পৰিপূৰ্ণ জীৱনটোক লৈ জীয়াই আছে । এইদৰে দুখত দিন কটাবলৈ ভগৱানেই বাধ্য কৰাইছে ।

মন্দাকিনী এতিয়া পাগলীৰ দৰে বকিয়েই থাকে, ভগৱানৰ প্ৰতি তাইৰ ঘৃণা উপজিল ।

তাই ভগবানকো বকিবলৈ ধৰিলে,—" হে ভগৱান, তুমি সচাঁকৈয়ে নিষ্ঠুৰ । দুষ্টক দমন আৰু শান্তক পালন কৰাই তোমাৰ কৰ্ত্তব্য। সেইয়া জানো হৈছে ? তুমি উচিত বিচাৰ নকৰা কিয় ? কলেজত পঢ়ি থকা অৱস্থাত পৰিমলে মোক ভাল পাব বিচাৰিছিল । সেই কথাত হয় ভৰ নিদিয়াৰ ব'বেই মোৰ অপৰাধ হ'ল নেকি ?"

সচাঁকৈ আজি কালি ভগবানকো বিশ্বাস কৰিব নোৱাৰি । তেওঁৰ মতে আজি-কালি সংসাৰ খনেই ওলোটা । আজিৰ যুগত ভাল কাম কৰিলে নৰকত পতিত হয় আৰু বেয়া কাম কৰিলেহে স্বৰ্গত স্থান পায় । মন্দাকিনীয়ে দেউতাকক ফাঁকি দিয়াটো পাপ বুলি ভাবি পৰিমলৰ আশা পূৰ্ণ নকৰাৰ বাবেই পৰিমল হৈ পৰিল মন্দাকিনীৰ বাবে "ফেঁটীসাপ" । যদি তাই দেউতাকৰ চকুত ধুলি মাৰি পৰিমলক ভাল পালেহেঁতেন তেন্তে তাইৰ জীৱন মধুময় হ'লহেঁতেন জানো ?

"মন্দাকিনীয়ে আকৌ চিঞৰি উঠিল, "নহয় ··· নহয় নহয় । ভগৱান নিষ্ঠুৰ নহয় ··· । তেওঁ সমদৃষ্টিৰে সংসাৰ পালিছে । পৰিমল কাকতি আৰু মনজিৎ গোস্বামীৰ মাজত পাৰ্থক্য নাই । ভগৱানে জানো জাতি ভেদৰ প্ৰচাৰ সৃষ্টি কৰিছিল ? ঠিকেই ভগবান নিষ্ঠুৰ নহয় । নিয়ম অনুযায়ী তেওঁ মোক দমন কৰিছে; কৰিবই মোৰহে ভুল । মইনো কিয় জাতি ভেদ বিচাৰ কৰিছিলো ? পৰিমলৰ কথা প্ৰত্যাখ্যান কৰিছিলো কিয় । ভুল কৰিলোঁ ······ মই ভুল কৰিলোঁ ···। মনজিৎৰ লগত বিবাহ পাশত আৱদ্ধ হৈ মই ডাঙৰ ভুল কৰিলোঁ । দেউতাৰ ভয়ত মই পৰিমলৰ প্ৰশ্নৰ উত্তৰ দিবলৈ দেউতাৰ Permission লবলৈ সাহস গোটাব নোৱাৰিলোঁ। অৱশ্যে এই ক্ষেত্ৰত দেউতাই কেতিয়াও Consider নকৰিলেহেঁতেন । নহয় ··· নহয় ······ নহয় ··· ···· ! ই কেতিয়াও হব নোৱাৰে । মই নাস্তিক হম ! মই নাস্তিক হম ! ভগবানৰ ওপৰত বিশ্বাস নাই । মই তেওঁক প্ৰাৰ্থনা কৰোঁতে কিয় মোক ভাল পথ বাছি নিদিলে ? জনম, মৰণ আৰু বিবাহৰ কথা তেওঁহে জানে ? তেওঁৰ বাহিৰে আন কোনোবাই জানে জানো ? যাৰ য'ত হব লগা আছে তাতহে বিবাহ হয় । গতিকে ভগৱান নিষ্ঠুৰ । তেওঁ উচিত বিচাৰ নকৰে । মই নাস্তিক হ'ম । মই নাস্তিক হ'ম ····।"
ইয়াৰ পিছত মন্দাকিনীৰ কোনো খবৰ নাই ।




শ্রীশৈলেশ্বৰ সোনোৱাল
ছায়াৰ চেকেণ্ডেৰী
দ্বিতীয় বাৰ্ষিক ( ক'লা )

কি ভাৱিছা— ?
"আপুনি এদিন কোৱা কথাবোৰ আন একো নহয় ।"
তাৰ মানে "কি ? কি কথাবোৰ ?
একেটা আলিৰে ঠায়ে ঠায়ে বেলেগ নাম হয় ।
এই খণ্ডৰ নাম বৰালি । বৰ ভাল লাগিছে ।"
'অ' । আৰু কি জানা—
পথাৰৰ সিপাৰৰ গাওঁখনৰ নাম—
তুমি কোৱাচোন ?
হেৰি— কি আছিল । খৰি বস্তি ?
খৰি বস্তি নহয় হে'ৰ কাঠবস্তি ।
বাটটো একাষৰীয়াকৈ দুয়ো হাতত ধৰাধৰিকৈ খোজ কাঢ়িছিল নৰেণ আৰু দিপিকা । সময়টো সন্ধিয়া ; আহিন মাহ সোঁফালে প্লেন টেচন ; বাওঁ ফালে পথাৰ । ঠায়ে ঠায়ে সেউজ বুলীয়া ঠায়ে ঠায়ে নতুন ৰোৱা বিলাক তাৰ মাজত কিছু বিসদৃশ ।

দুয়োৰে কথাবোৰ যেন বতাহত কঁপা ধাননিৰ জিৰ-জিৰ শব্দৰ মাজত মিলি গৈছিল দূৰৈৰ পথাৰৰ ওপৰেদি উৰি যোৱা চৰাই জাকত চকুথৈ দিপিকা থমকি পৰিল ।

নৰেণে সুধিলে— কি হ'ল ! ঘূৰিবা— ?
মই চৰাই চাইছোঁ, ৰব । চাওবচোন কিমান ধুনীয়া ।' নৰেণে চালে, যিমান মনোযোগ দিব লাগে, তাতকৈ অধিক আগ্ৰহ দেখুৱাই । "ভাগৰ লাগিছে দিপি ?
ভাগৰ ? নাই লগা তেনেকৈ । কিমান আহিলা বাৰু ?"
"প্ৰায় ডুমাইল— ।
"ডুমাইল । তাজিলৈ তেন্তে ঘূৰো ।"
ব'লা ।
ঘৰ প্ৰায় বন্ধ দুৱাৰত ওলমি থকা তলাটো খুলি দিপিকাই কলে—'আজি বহুত ফুৰা হ'ল ।"
"এবা ভ্ৰমণ পৰ্ব্ব শেষ হ'ল । ভাগৰো লাগিছে ।
এতিয়া ভোজন তাৰ পিচত শয়ন—।

তাৰ আগত হব লাগিব বন্ধন—বুলি দিপিকাই মৰম লগাকৈ হাঁহি এটা মাৰি লেম্পটো জ্বলালে ।

কাক পথাৰ টাউনৰ কাষতে লাগি থকা সৰু চহৰৰ নিচিনা ঠাইখন । মানুহৰ বসতি পাতল ! প্ৰথমতে আহি দিপিকাৰ, হাবিত সোমোৱা যেন লাগিছিল পিচত ঠাই ডোখৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যত মুগ্ধ হ'ল । নৰেণৰ ববে ঠাইডোখৰ অচিনাকী নাছিল । বৰালি ফৰেষ্ট অফিচত কাম পোৱাৰ বেইবা বছৰৰো আগতে তেওঁ কাক পথাৰ টাউনত কিছুদিন থাকিব লগা হৈছিল— তাত নতুনকৈ হোৱা বালিকা উচ্চ ইংৰাজী বিদ্যালয় খনত শিক্ষকতা কৰি- এবছৰ মান পিচত তেওঁ ভাল নলগাত কাম এৰি দি গুচি গৈছিল । ঘৰত কিছু বছৰ থকাৰ পিচত পুনৰ ভাগ্যৰ ফেৰত এই ঠাই- লৈকে আহিব লগা হ ল, অৱশ্যে কাক পথাৰৰ কাষৰ বৰালি ফৰেষ্ট অফিচলৈ ।

সেইদিনা ৰাতি খাই-বৈ উঠাৰ পিচত দুয়ো বাৰান্দাত বহিল । ইটো সিটে কথাৰ পৰা আকৌ ওলাল কাঠ বস্তিৰ কথা। দিপিকাই সুধিলে সেই গাওঁখনৰ মানুবোৰ এইপাৰে নাহে নেকি ?"

কিয় সুধিলা ?"

চাবৰ মন যায় । আপুনি কৈছিল সিহঁতৰ মনবোৰ গঙ্গাজলৰ দৰে পৱিত্ৰ । সেই কথাষাৰ মনত পৰি আছে । "আপুনি গাঁৱৰ ভিতৰলৈ গৈছে ?" ওহোঁ ! কিন্তু মই জানো । সঁচাকৈয়ে আচৰিত ধৰণৰ সৰল সিহঁত। সেই গাৱঁৰে এজনী ছোৱালীৰ কথা শুনিলে যে তুমি আচৰিত নহৈ নোৱাৰিবা । তাইক মনত পৰিলে মোৰ আজিও বুকু কঁপি উঠে । পাপলৈ সিহঁতে কিমান ভয় কৰে !

"আপুনি তাইক চিনি পায় ?

মই ? মই— চিনি নাপাওঁ ; কিন্তু মোৰ অন্ত- ৰঙ্গ বন্ধু পলাশে মোক কৈছিল ।

"কওকচোন, কওক ।

নৰেণে প্ৰথমতে কবলৈ শংকাবোধ কৰিছিল । দিপিকাই জোৰ কৰাত বাধ্য হৈ কৈ গ'ল— পলাশৰ লগত কেনেকৈ চিনাকী হৈছিল গাৱৰ এজনী ছোৱালীৰ ছোৱালী জনীয়ে সদায় কাঠ- বস্তিৰ পৰা গেলগেলি পটিয়েদি কাক পথাৰত গাখীৰ বেচিবলৈ আহে । তাইৰ গাৰ ৰং তেজী বগা । নাক মুখ সিমান ধুনীয়া নহয়, কিন্তু গাৰ বৰণে সকলো পূৰাই পেলাইছিল । গাখীৰৰ জগটো হাতত ওলোমাই লৈ কালৈকো নোচোৱাকৈ তাই আহি থাকে । দুই তিনি ঘৰত গাখীৰ—দি—উঠি— কেতিয়াবা বাটতে গছৰ তলত বহি মেখেলাৰ পাতলিৰ ৰনগুটি গুচাই লোৱাৰ চলেৰে অকণমান জিৰাই লয় । কেতিয়াবা তাই এটি সৰু বেগত ভৰাই কণীও বেচিবলৈ আনে । বহুদিন দেখি দেখি পলাশৰ তাইৰ লগত পৰিচিত হবৰ মন গ'ল । এদিন সুযোগ চাই কণী লবলৈ তাইক মাতিলে । দাম দৰ কৰি পলম কৰাৰ উদ্দেশ্যেই সুধিলে ! কণী টকাত কেইটা ?

তাই উত্তৰ দিলে 'ছয়টা বাবু ।"

"ছয়টাহে ? আঠোটাকৈ দিলে লম ।"

মাক নোসোধাকৈ কব নোৱাৰোঁ বাবু ।"

বাৰু তেন্তে সুধি কাইলৈ আহিবা । আঠোটাকৈ নিদিলেও তুমি আহিবা, মই আনৰ পৰা নলওঁ । হ'ব বাবু এই বুলি তাই হাতৰ জগটো আৰু কণীৰ বেগটো সাৱধানকৈ হাততলৈ পিচলৈ

নোচোৰাকৈ খোজ দিলে ।
পিচদিনা তাই আহিল ।
ষাবু ।”
অ” তুমি আহিছা । তেওঁ ভিতৰৰ পৰা ওলাই আহিল । তাই ক'লে নিয়ক বাবু ; মাই কৈছে আঠোটাকৈ দিলে ভাওটো বেয়া হৈ যাব নহয় ; পিচে আপোনাক সাতটাকৈ দিবলৈ কৈছে বেয়া নেপাব । মাই কৈ পঠাইছে ।”

কথাটো এনে হব বুলি পলাশে ভবা নাছিল । মনলৈ অকণমান আক্ষেপ আহিল । ক'লে, বাৰু তুমি ছয়টাকৈয়ে দি যোৱা সাতটা নালাগে । সঁচাকৈয়ে ভাওটো বেয়া হৈ যাব, মই বুজিছোঁ ।

আপুনি বেয়া পাইছে বাবু ।
নাই—নাই কিয় বেয়া পাম, মই অকণো বেয়া পোৱা নাই । তাই কিন্তু সেইদিনা সাতটাকৈয়ে কণী দিলে ক'লে মাই দিবলৈ কৈছে নহয়, আজি এদিন আৰু এটা ৰাখক ।

তেওঁ ভাবি চাইছিল দৈনিক এটকাৰ কণী লোৱাটো সম্ভৱ নহয় প্ৰয়োজনো নাই । সেই বাবে সেই দিনাই তেওঁ গাখীৰো তাইৰ পৰাই লোৱাৰ বন্দোবস্ত কৰি পেলালে । যাবৰ সময়ত তেওঁ সুধিলে, তোমাৰ নামটো কি ? তাইৰ বাবে অচহুৱা প্ৰশ্নটো শুনি মূৰ ডাঙি তেওঁৰ চকুলৈ চাই ক'লে, মোৰ নাম পুতুলী । তেওঁ মনে মনে উচ্চাৰণ কৰিলে পু-ত লী ।

দিন যাবলৈ ধৰিলে, সদায় দেখা হয় । ইতিমধ্যে এজনে বহুত কল্পনা কৰিলে, বহুত আচঁনি কৰিলে । কিন্তু পুতলী— পুতুলীয়ে । পুতলীক মনৰ কথা জনাবলৈ তেওঁ সুযোগ বিচাৰি আছিল । কেতিয়াবা ক'ম বুলি ভাবিও কথাটো শুনি তাই কেনে পাব নাইবা আপত্তি কৰাৰ আশঙ্কাত তেওঁ কব পৰা নাছিল । কিন্তু এদিন তেওঁ কৈ পেলালে ।

সেইদিনা কিন-কিনকৈ বৰষুণ দিছিল । পুতলীৰ গাখীৰ লৈ সোমাৱাৰ লগে লগে বৰষুণ অলপ বেছি হ'ল । তেওঁ ক'লে বহ পুতলী বহিল অলপ ।” পিচলৈ তাইক তেওঁ তুমি এৰি তই বুলিবলৈ লৈছিল । তই বুলিলেহে যেন বেছি আপোন, আপোন লাগে ।
“এতিয়া গ'লে একেবাৰে তিতিবি ।
“সেই কাৰণেহে মই ঢাকনি থকা বাচনটোত সদায় গাখীৰ আনো ।”
কি কাৰণে

বৰষুণ পৰিলে গাখীৰ পনীয়া হৈ যাব কাৰণে ।” কিন্তু তই যে তিতিবি ? পুতলীয়ে হাঁহি দিলে খিলখিলকৈ— কি হব ? মোৰ গাটো গলিব নেকি ? তাইৰ কথাত তেওঁ অবাক হৈ ভাবিলে ৰদ বৰষুণ পৰা নিজৰ মূৰ ৰক্ষা কৰা কথাটো ইহঁতৰ বাবে ভাবিব লগা কথা নহয় । ইমান সৰল ইহঁত— ইমান খাঁটি, আনদিনাতকৈও বেছিকৈ তাইলৈ মৰম লাগিল ।

তাই কিন্তু তেওঁৰ কথা ৰাখি অকণ মান বহিল । তেওঁ এবাৰ কৈ পেলালে— পুতলী ! মই তোক বিয়া কৰাম ।” তাই নিঃসঙ্কোচে চকুলৈ চাই— সুধিলে কেতিয়া ?” তাইৰ দৃঢ় বিশ্বাসৰ চাৱনি আৰু ‘কেতিয়া’ শব্দটোৱে তেওঁক নিমাত কৰিলে । ক্ষন্তেক ৰৈ ক'লে । কেতিয়া কৰাঁও সেইটো ঠিক কৰা নাই । তোৰ আপত্তি আছে নেকি ? মোক জানো তোৰ পছন্দ হৈছে ? সঁচাকৈ তই মোক ভাল পাবনে ? ‘অ পাওঁতো ………
পুতলী যোৱাৰ পিচতো কথাটো বহুবাৰ বহু-ভাবে তেওঁ ভাবিলে হঠাতে কি হৈ গ'ল ;

ইমান সহজে, আন কোনোবাই কেতিয়াব। এইবিলাক কথা আলোচনা কৰিছেনে ? ভাল হ'ল জানো ? তেওঁ আকৌ ভাবিলে— বেয়ানো কি হ'ল ? তাই নিজ মুখে কৈছে তাই ভাল পায় ; তেওঁৰ নিজৰটো তাইক ভাল লাগিছেই, তেন্তে বাধা কি ? বাধা নাই । মানুহে জীৱনত শান্তি বিচাৰে । পুতলীৰ দৰে ফুলৰ নিচিনা পৱিত্ৰ সৰল এজনী ছোৱালীক আপোন কৰি লওঁতে যদি শান্তি নাই, তেন্তে আছে ক'ত— ? দুদিনমান পাৰ হ'ল । সেইদিনা আবেলিৰ পৰা নেৰানেপেৰা বৰষুণ— লগতে বতাহো । পিচদিনা দুপৰীয়ালৈকেও কলহৰ কাণে পানী পৰি আছে । পুতলী গাখীৰলৈ নাহিল । বৰষুণৰ অজুহাত দেখুৱাই অলপ বহুৱাই কথা পাতিব পাৰিব বুলি কৰা আশা মনতে মাৰ গ'ল ।

আবেলিও পাৰ হৈ যাওঁ যাওঁ । এনে সময়তে তাই ওলালেহি । "বাবু গাখীৰ "পুৰা নাহিলি কেলেই ?

"যোৱাকালি বৰষুণৰ কাৰণে গৰু পোৱালী ভালকৈ বন্ধা নহ'ল । পোৱালীয়ে গাখীৰ পিলে । এই বেলাহে খীৰাইছো" । "চা-চোন সৌটো ক'লা ডাৱৰ । বৰষুণ এজাক ভালকৈ দিব এতিয়া । এইজাক মুৰত লৈয়ে যাবনে"

"একো নহয় ।"

"মোৰ কথা তই অকণো নুশুন পুতলী ।"

তাই তেওঁৰ মুখলৈ চাই ক'লে, "বাৰুবহিছোঁ ।

জৰজৰাই বৰষুণ পৰিল । বাৰান্দা এচাৰকণিয়ে তিয়াই দিলে । তেওঁ ক'লে— "বল, ভিতৰত বহোঁগৈ ।

তাই উঠিল ।

ভিতৰত এন্ধাৰ হৈছিল । তেওঁ লেম্পটো জ্বলাই দিলে । খিড়িকী খন বন্ধ কৰি দিলে । তাইক হাতত ধৰি বহুৱাই দিবৰ মন গ'ল । তেওঁ হাতখন মেলি দিলে । কিন্তু পুতলী পিচ হুহঁকি গ'ল ।

"তুমি মোক নুচুবা ।"

'কিয় ?

"আমাৰ বিয়া হোৱা নাই নহয় এতিয়াও ।"

হাতখনত ধৰিবও নাপায় নে ?

'ওহো নাপায় । পাপ হব ।"

"কোনে কৈছে ?"

মই জানো । সেইটো আমাৰ নিয়মেই ।"

তেওঁ নিৰবে ৰ'ল । সিহঁতৰ নিয়ম ! আৰু বা কিমান নিয়ম আছে । তেওঁ চিনি পায় মাত্ৰ পুতলীক । কিন্তু চিনি নাপায় সিহঁতৰ সমাজ খনক, সমাজৰ নিয়মক তাইৰ মাকক । তথাপিও তাইৰ মতটোয়ে ভুল এই কথা তাইক বুজাই দিব খুজি ক'লে—"পুতলী" । আমি দুয়ো দুয়োকে ভাল পাওঁ ; মই তোক বিয়া কৰাম । তেনেস্থলত মই তোৰ হাতখনত ধৰিলে কি পাপ হব ? তই এদিন মোৰেই হবি তেন্তে আপত্তি……….."

"তথাপিও নাপায় । আটায় পাপ বুলি কব "

'আন মানুহ ইয়াত কোনোৱেই নাই— কোনে দেখিব ?

"পাপ লুকাই নাথাকে নহয় ওলাবই"— তাই লেম্পটো দেখুৱাই ক'লে; "এয়া জুই আছে, জুই ব্ৰহ্মা, তেওঁ দেখিব"— মেজৰ ওপৰত থকা পানীৰ গিলাচটো দেখুৱাই ক'লে, "সৌৱা পানী আছে, পানীয়ে দেখিব ।" তেওঁ গিলাচৰ পানীখিনি বাহিৰলৈ পেলাই দিলে ; লেম্পটো নুমাই দিলে । "এতিয়া কি আছে পুতলী ?" তাই আগৰ দৰেই শান্ত; দৃঢ় প্ৰত্যয়ৰ ভাবেৰে ক'লে, " বতাহে দেখিব । অ মই যাও দেই বাবু । বৰষুণ কমিছে । তাই লৰ মাৰিলে । তেওঁ এন্ধাৰ কোঠাটোত

কিছু পৰলৈ কিং কৰ্ত্তব্যবিমূঢ় হৈ ৰহি থাকিল।

ইমানলৈকে কৈ নৰেণ—নীৰৱ হ'ল। দিপিকাই সুধিলে, তাৰ পাচত। পুতলী এতিয়া ক'ত আছে? পুতলী গাঁওতে থাকিব পায়—? "এইখন গাঁওতে কেলেই—তাইৰ বিয়া হোৱা নাই? পলাশৰ লগত নহ'ল।

কেলেই সেই বন্ধুজননো এতিয়া ক'ত আছে? "তেওঁ— তেওঁ ঢুকাল দিপিকা—ঢুকাল! কেতিয়া?
ভালেমান দিন হ'ল। ব'লা, বহুত নিশা হ'ল, ভিতৰলৈ যাওঁ।

বলক—।—সঁচাকৈ বৰ বেয়া লাগিল কথাটো শুনি। পুতলীক হ'লে নেদেখিও দেখা যেন লগি গ'ল। তুমি বৰ ভাবপ্ৰৱণ" বুলি কৈ নৰেণে হাঁহিবলৈ চেষ্টা কৰিলে, দিপিকাৰ মন ভাল লগাবলৈকে।

চাওঁতে চাওঁতে দিন মাহবোৰ বাগৰি গৈ থাকিল। দিপিকাহঁত একে ঠাইতে থকা তিনি বছৰ হৈ গ'ল। এই তিনি বছৰে বহুত বাৰ বৰালি আলিবাটেৰে ফুৰিবলৈ গৈছে. প্ৰতিবাৰেই দিপিকাৰ মনত পৰে পুতলীলৈ। এহাতে গাখীৰৰ পাত্ৰ আৰু অনহাতে সেই সৰু বেগটোত বণী ভৰাই লৈ যেন তাই আলিয়ে আলিয়ে আগবাঢ়ি আহি আছে! এতিয়াৰ মেখেলাৰ খহটা পাতলিৰ তলেদি, তাইৰ হাঁহ কণী যেন তাইৰ ভৰিৰ গেৰোৱা ছুটা পৰ্য্যন্তযেন দিপিকাই দেখা পাব। নৰেণ ঘৰত নথকা সময়খিনিত দিপিকাই কেতিয়াবা বৰ নিঃসঙ্গ লাগে। কেতিয়াবা ভাব হয় যেন, কাক পথাৰ গেলগেলি পটিয়েদি গৈ সেই কাঠ বস্তি গাঁওখনলৈ গুচি যাব। পুতলী থকা গাঁওত তাইৰ নিচিনা হয়তো বহুত সৰল মানুহ আছে। সিহঁতৰ লগত বন্ধুত্ব পাতিব; কিন্তু নৰেণক লগ পালেই সকলো কল্পনা পাহৰি পেলায়।

আৰু কেইটামান মাহ পাৰ হ'ল। ফাগুনতে সেইবাৰ যথেষ্ট গৰম পৰিল। বৰষুণ নাই বতাহো নবলিল চাৰিওফালে এটা শুকান শুকান ভাব। সেইদিনা আবেলি চাহ খাওঁতে কথাই—কথাই নৰেণৰ মুখত দিপিকাই শুনিলে, ওচৰে পাজৰে বসন্ত ৰোগ আৰম্ভ হৈছে। কেইবাটাও ল'ৰা-ছোৱালী মৰিছেও; অথচ ছিতা লবলৈ মানুহবোৰৰ সদায় আপত্তি। আজি কালিতে গ্ৰাম সেৱকৰ দল এটাও অহাৰ কথা আছে; মানুহ বিলাকক সেই বিষয়ে বুজাবহি।

পিচদিনা গ্ৰামসেৱকৰ দলটো পালেহি। এগৰাকী মহিলাও আছিল। তেখেতৰ থকা ব্যৱস্থা নৰেণহঁতৰ ঘৰতে কৰা হ'ল। দিপিকা আনন্দত বিস্ময়ত আপ্লুত হৈ পৰিল যেতিয়া দেখিলে— সেই গৰাকী তেওঁৰে সমন্ধীয়া বাইদেৱক নিলী। বহুত দিনৰ মূৰত এনেকৈ দেখা হব বুলি কোনেও ভবা নাছিল। দিপিকাই হাঁহি হাঁহি নৰেণৰ লগত চিনাকী কৰিছিল। চিঠিপত্ৰ এখনৰো আদান প্ৰদান নথকা দুয়ো পক্ষৰ পৰা অভিযোগ উঠিল। শেষত নিলীয়ে ক'লে. কোনো এটা বিশেষ বয়সতে কথা বাদদিলে চিঠি লিখাৰ সমান আপদীয়া কাম নাই। কি কৰ দিপিকা?

কেতিয়াও নেদেখা দিপিকাৰ বায়েকৰ আগত নৰেণৰ অলপ সঙ্কোচ ভাব আহিছিল। কিন্তু তেওঁৰ খোলা ব্যৱহাৰত সহজ হৈ পৰিল। সেই নিশা মুবলি মনেৰে ৰং ধেমালি কৰি খোৱা বোৱা কৰা হ'ল।

পিচদিনা পুৱা গ্ৰামসেৱকৰ দলটো কোনোৱা এখন গাঁওলৈ গ'ল । গধুলি ঘুৰি অহাৰ পাচত দিপিকাই নিলীক চাহ-তাহ খুউৱাৰ পিচত কথা পাতিবলৈ বহিল । তেওঁবিলাকে গাঁৱত গৈ কি কৰিলে সেই বিষয়েই কথা হ'ল । কথা পাতি থাকোতে থাকোতে বহুত সময় পাৰ হৈ গ'ল ।

দিপিকাৰ ইচ্ছা হয় নিলীৰ লগতে তেৰোঁ এদিন যাব গাঁও চাবলৈ কিন্তু ঘৰুৱা লেঠাৰ বাবে সুবিধা নহয় । দুদিন পিছত ! সেইদিনা আবেলি নিলীহঁত তাৰ পৰা যাবগৈ । নৰেণেও অফিচৰ কামত পুৱাই সেইদিনা সদৰলৈ যাব লগা হ'ল ! গধুলিহে পাবহি । দিপিকাই নিলীক ক'লে বাইদেউ ! ময়ো আজি তোমালোকৰ কাম চাবলৈ যাম ।" হয়নেকি ! কিন্তু—
কিন্তু নহয় । আজি তেখেত ঘৰত নাই, খোৱা বোৱাৰ লেঠাও আজি মৰিলেই দেখোন । নৰেণে বেয়া পায় কিজানি ?
দিপিকাই হাঁহি ক'লে নাপায় । তেখেত তেনেকুৱা মানুহ নহয় ! ব'ল তেন্তে ! আজি আমি সোন কালেই ঘুৰিম । মইপথাৰখনি পাৰহৈ ওচৰৰ গওঁখনলৈকে যাম ।

এই গাওঁখনলৈ অ.হিবলৈ দিপিকাৰ এটা হেঁপাহ আছিল বুলি নিজে আগতে বুজা নাছিল । গাওঁখন সৰু । ঘৰবোৰো সৰু সৰু । কিন্তু পৰিস্কাৰ. চোতালৰ আগলৈকে সৰামোচা । কিন্তু গাঁৱৰ মানুহৰ মুখবোৰ—বিষণ্ণ । কাৰণ প্ৰায় প্ৰতি ঘৰতে বসন্তই দেখা দিছে । ল'ৰা ছোৱালীৰ বাদেও বয়সীয়া মানুহো কেইজন মান হানি হৈছে ।

নিলীহঁতে প্ৰতি ঘৰতে খবৰ লৈছিল । ঘৰৰ গৃহস্থৰ লগত কথা পাতিছিল । প্ৰয়োজনীয় উপদেশ দিছিল কেইঘৰ মান ফুৰাৰ পিছত এটা নিচেই সৰু ঘৰৰ ফালে তেওঁবিলাক আগবাঢ়ি গ'ল । দুৱাৰ মুখত এজনী বুঢ়ী মানুহ বহি আছিল । নিলীয়ে সুধিলে "এইটো কাৰ ঘৰ ? গৃহস্থ কেনি আছে ?

বুঢ়ীয়ে ক'লে নাই নাই । ইয়াত গৃহস্থ বুলিবলৈ কোনো নাই । ইয়াত পুতলীহে থাকে । যিৱা মাকজনী আছিল দুমাহৰ আগতে তেৱো মৰিল । এইৰো যোৱা থোৱা অৱস্থা । কালি ডক্তৰেও চাই গৈছেহি ।"

পুতলী নামটো দিপিকাৰ কাণত পৰাত চিনাকী, চিনাকী লাগিল । মনত পৰিল, নৰেণে কৈছিল পুতলীৰ নামৰ এজনী অতি সৰল অথচ অসাধাৰণ ছোৱালীৰ কথা— । দিপিকাৰ ইচ্ছা হ'ল এইজনীনো কেনে পুতলী এবাৰ ভিতৰলৈ গৈ চাই আহে ।

ইতিমধ্যে কোনে কি কথা পাতিছিল দিপিকাই বৰকৈ কাণ নকৰিলে । নিলীৰ মাততহে চমক ভাগিল, তেওঁবিলাক আন এঘৰলৈ যাবলৈ ওলাইছে । দিপিকাই ক'লে ! বাইদেউ ! মোৰ ভাগৰ লাগিছে । ইয়াতে বহোঁ । তোমালোক ঘূৰি আহাগৈ !

সেয়া ! মই আগতে বুজিছিলো নহয় ! তইহে ......
বাধা দি দিপিকাই ক'লে, কি হ'লনো পিচে ? বুঢ়ীৰ মুখলৈ চাই ক'লে । "মই ইয়াতেই বহোদেই ?
বুঢ়ীয়ে আথে বেথে ক'লে বহক, বহক আই ! মই কিবা এখন পাৰি দিওঁ বব । বুঢ়ীৰ লগত দুই চাৰিবাৰ কথা পাতিয়েই দিপিকাই বুজিব পাৰিলে, বুঢ়ী পুতলীৰ কোনো নহয় । কেও কিছু নোহোৱা ছোৱালীজনীৰ খবৰ লৈ

থাকেহি মাথোন । আটাইৰে ঘৰে ঘৰে বিপদ। সেই দেখি সকলো সময়তে আনে খবৰ লবহি নোৱাৰে। গ্ৰহণী বেমাৰত পুতলীৰ মাক ঢুকাল। বসন্তই পুতলীৰ হাত এখন কোঙা হ'ল। তইৰ চৰমিল, জীৱটো আছে, কিন্তু এতিয়া চকুৰে ভালকৈ মনিব নোৱাৰা হল; তাৰ লগে লগে আন বেমাৰেও লগ লৈছে। অৱস্থা বৰ বেয়া।"

দিপিকাই ভিতৰলৈ গৈ পুতলীক চাব খুজিলে।
বুঢ়ীয়ে ক'লে বলা আই।"

পুতলীৰ হয়তো তন্দ্ৰাৰ ভাৱ হৈছিল, নাইবা বেমাৰৰ বাবে অৰ্দ্ধ চেতনৰ দৰে পৰি আছিল, দিপিকাই বুজিব নোৱাৰিলে। মাটিত মলিয়ন কাপোৰৰ বিছনা এখনত পৰি আছে যেন এটা কঙ্কাল। মুখৰ চেহেৰা বা ৰং সহজে ধৰিব নোৱাৰি। কিলাকুটি লৈকে ওলাই থকা দুয়োখন হাত আৰু গোটেই মুখখন বসন্তৰ দাগেৰে বিকৃত। তাৰ মাজে মাজে যিকণ দেখা যায় কাগজৰ দৰে শেঁতা বগা। মানুহজনীৰ বয়স অনুমান কৰিব নোৱাৰি।

পুতলীৰ কপালতহাতদি চালে। বুঢ়ীয়ে মাথোন আচৰিত হৈ ৰ লাগি দিপিকাৰ মুখলৈ চাই ললে। তাৰ পিচত ক'লে, বলা আই বহিবা গৈ।

"নহয় বুঢ়ী আই মই এওঁৰ কাষত থাকোচোন, ঘামিছে; অকণমান বিচি দিওঁ বিচনি এখন পোৱা হলে। বুঢ়ীয়ে নিৰুপায় ভাবে ইফালে সিফালে চাই কলে, "এ বিহুৰ আগতে বিচনি লৰ নাপায় নহয় আৰু— অ' মই পাহৰিছিলোৱেই। বাৰু বুলি দিপিকাই হাতত থকা ৰুমাল খনেৰেই লাহে লাহে পুতলীৰ মূৰত বতাহ দিলে। বুঢ়ীয়ে চহৰৰ পৰা অহা ছোৱালীজনীৰ গতি গোত্ৰ বুজিব নোৱাৰিলে. কিন্তু পেটে পেটে ভালো পালে। এই ছোৱালীজনীকে বেমাৰীৰ ওচৰত ৰহুৱাই থৈ পাকমাৰি ঘৰৰ পৰা আহিবগৈ পাৰিব। কলে, তুমি তেন্তে খন্তেক বহা আই; মই সাউত কৰে ঘৰৰ পৰা আহোঁ, নাতি কেইটা ক'তবা পঙপঙাই ফুৰিছে এবাৰ চাই আহো।

বুঢ়ী যোৱাৰ পিচত দিপিকাই ঘৰখনত চাৰিওফালে চকু ফুৰালে। সকলোতে দৰিদ্ৰতাই বিৰাজ কৰিছে। সামন্য লাম-লাকটুৰ বাহিৰে অন্য বস্তু নাই। ফটা মলিয়ন কাপোৰ কেইডোখৰ মান বেৰত ওলমি আছে। আৰু সৰু ডাঙৰ তিনিটা এলুমিনিয়ামৰ জগ এঠাইত আঁৰা আছে। ধোঁৱা লাগি কলা পৰি গৈছে। বহুদিন হয়তো তাতে তেনেকৈয়ে আঁৰি থোৱা আছে।

দিপিকাই ভাবিলে তেওঁৰ ভুল হোৱা নাই। এইকেইটা জগ এদিন নিশ্চয় ব্যৱহাৰ কৰিছিল, গাখীৰ থৈছিল। ইয়াৰে এটাত গাখীৰ লৈ পুতলীয়ে গাখীৰ বেচিছিল গৈ।

দিপিকাৰ এটা হুমুনিয়াহ ওলাল। লগে লগে পুতলীৰ মুখলৈ চালে। গভীৰ অনুকম্পাৰে কপাল খন মোহাৰি দিবলৈ ধৰিলে। সামান্য লৰচৰ কৰাৰ লগে লগে পুতলীয়ে এবাৰ দীঘলকৈ উশাহ ললে, তাৰ পিচত অতি ক্ষীণ কণ্ঠে সুধিলে. কোন? দিপিকাই বিচনাত ভেকুৰা গোন্ধটোলৈ আওকাণ কৰি অলপ হাউলি গৈ ক'লে। মই— মা নেকি? মোক ইমান মৰম কোনে কৰিব নহলে।
নহয়। মই চহৰৰ পৰা অহা মানুহ। তোমাৰ

গা কেনে পাইছা ? পুতলীয়ে কপাল খন কোচাই শূন্য দৃষ্টি ঘৰৰ চালত থৈ ধীৰে ধীৰে ক'লে, "চহৰৰ পৰা ? কেলেই ? গাঁৱত মানুহ কোনোৱেই নাই নেকি ?

দিপিকাই লৰালৰিকৈ কলে, আছে আছে; বুঢ়ী আই ইয়াতে বহি আছিল। এই মাত্র ঘৰৰ পৰা আহিবলৈ গৈছে। তোমাৰ গা কেনে পাইছা কোৱা ? তেওঁ পুতলীৰ আউল লগা চুলিত আঙুলি বুলাই দিলে। কপাল খন মোহাৰি দিলে, কুম দুটা পিটিকি দিলে।

ৰোগিনীৰ বুকুখন বৰকৈ উঠা নমা কৰিছিল। উশাহটো জোৰেৰে লৈছিল। দিপিকাই সুধিলে, পানী খাবা ? ওঁ বুলি অতি ক্ষীণকৈ কোৱাত তেওঁ ওচৰতে থকা লোটাৰ পৰা বাতিত বাকি অকণ অকণকৈ পানী খুৱাই দিলে।

অলপ পিচত পুতলীয়ে লাহে লাহে বৈ বৈ কবলৈ ধৰিলে, "তোমাক মই দেখা নাই। তুমি যেয়েই নোহোৱা বৰ আপোন যেন লাগিছে। মোৰ মনৰ কথা অত দিনে কাকো কোৱা নাই। কিন্তু মই আৰু নাবাচোঁ। মৰণৰ বেলিকা তোমাৰ আগত কৈ যাওঁ। সংসাৰত মোৰ আপোন কোনো নাই। নৰেণ বাবুৰে মোক বিয়া কৰাম বুলিছিল আজি দহ বছৰৰ আগতে।

কোনে ? কোনে ? ধ্বক্ ধ্বক কৈ কঁপি উঠা বুকুখন এহাতে হেচি ধৰি দিপিকাই প্ৰায়ে চিঞৰি দিলে। কোনে —আকৌ এবাৰ কোৱা।

নৰেণ বাবুৰে— দিপিকাৰ অন্তৰৰ মাজত তেতিয়া ভূমিকম্প হৈছিল। প্ৰথমবাৰ শুনোতে ভাবিছিল শুনাৰ ভুল। শিলৰ মূৰ্ত্তিৰ দৰে দিপিকা বহি ৰ'ল। পুতলীয়ে আকৌ ক'লে, "তুমি নমতা হ'লা দেখোন ? নৰেণ বাবুক তুমি চিনি পোৱানে ? পাওঁ! এইবাৰ দিপিকাই উত্তৰ দিলে।
ভালকৈ চিনি পোৱা ?
অঁ— তেওঁ নিজক প্ৰাণে পণে সংযত কৰিছিল। নৰেণ বাবুক কৰবাত লগ পালে তুমি কবা পুতলীয়ে তেওঁলৈ সদায় বাটচাই' আছিল। থাকি থাকি মৰিবলৈ ওলাইছে। এই পুৰীত নহ'ল, সি পুৰীত যেন ইমান বেলি নকৰে।

অলপ ৰৈ সংযত ধীৰে কণ্ঠে দিপিকাই ক'লে, তেওঁক চাব মন কৰা নেকি ?

নৰেণ বাবুক ? নাই নাই ; কি চাম ? চকুৰেতো ভালকৈ নেদেখোঁ, নালাগে ; সেই তেতিয়াই দেখা মোৰ মনত আছেই।

তথাপিও— তেওঁ যদি তোমাক চাব খোজে, মাতি আনিম ? নাই নানিবা। তাৰ পিচত নিজৰ হাতখন চকুৰ আগলৈ দাঙি আনি নিজকে কোৱাদি ক'লে, এদিন এই হাতখন তেওঁ ধৰিব খুজিছিল, এতিয়া এইখন কদাকাৰ হৈ গৈছে। নাই তেওঁ আহিব নালাগে, নালাগে। —"সেহাই সেহাই কষ্টৰে পুতলীয়ে কথা কৈছিল। দিপিকা নীৰব। গোটেই ঘৰটো যেন ঘূৰিব লাগিছে। কাৰবাৰ প্ৰেতআত্মাৰ মাজত যেন সোমাই পৰিছে তেওঁ। এইখন যেন পৃথিবী নহয় ; ইয়াৰ পৰা ওলাবলৈ যেন উপায় নাই।

কিমান সময় পাৰ হ'ল কব নোৱাৰে। বুঢ়ী আৰু নিলী সোমাই অহাত দিপিকাই

সম্বিৎ ঘূৰাই পালে । নিলীয়ে দিপিকাৰ মুখলৈ চাই লৈ তীক্ষ্ম দৃষ্টিৰে পুতলীৰ মুখলৈ চালে, পুনৰ দিপিকাৰ ফালে চাই ক'লে, উঠি আহ দিপি। আমি যাওঁ গৈ। যন্ত্ৰচালিতৰ দৰে দিপি উঠি আহিল । এবাৰ ঘূৰি চালে, কিবা এটা নিলীক সুধিব খুজিলে, কিন্তু "এওঁ ?" বুলি ৰৈ গ'ল । ইয়াৰ বাহিৰে কথা নোলাল ।

নিলীয়ে দিপিকাৰ হাতত ধৰি বাহিৰলৈ গ'ল । ফুচ-ফুচাই কলে "মনুহজনীৰ শেষ সময়, আমাৰ কৰিবৰ একো সাধ্য নাই।

দিপিকাই সেপ ঢুকি ক'লে । বৰ কিবাখন লাগিছে বাইদেউ ।
তই ইয়ালৈ অহাই ভুল হ'ল দিপি ; এনেবোৰ অৱস্থা তই কাহানি দেখিছ !

গাঁৱৰ মানুহ কেইবাজনো গোট খালে, নিলীহঁতে বিদায় লৈ খোজ লৈছিল । নিলীয়ে ভাবিলে, পুতলীক দেখি দিপিয়ে ভয় খাইছে আৰু দিপিকাই ভাবিছিল—তেওঁ কি কৰে ? পুতলীয়ে কোৱা কথাবোৰ নিলীক কব জানো ? নাই, নাই যি কথা পুতলীয়ে দহ বছৰ মনত লৈ থাকি মৃত্যুৰ সময়ত মাথো তেওঁক কৈ গ'ল – সেই কথা কিয় কব ? খন্তেক আগতে দিপিকাই ভাবিছিল—আজি কি কুক্ষণত তেওঁ ওলাই আহিছিল ঘৰৰ পৰা – কিহে পাইছিল। কিন্তু এই মুহূৰ্ত্তত ভাবিলে, আজি ওলাই নহা হ'লে জানো পুতলীক দেখিলোহেঁতেন, শেষ সময়ত এটুপি পানী যে দিব পাৰিলো ।

কিন্তু তাই ভাবিলে, পুতলীৰ কথা তেওঁ নৰেণক কব, কবই লাগিব— তেওঁৰ স্বামীক। পুতলীয়ে যৌৱনৰ দহোটা বছৰ — কটাই দিলে, একমাত্ৰ এজনৰ এযাৰ কথাৰ বাবেই, অকালতে মৃত্যু নোহোৱা হ'লে হয়তো গোটেই জীৱন অপেক্ষাত কটাই দিলেহেঁতেন, সেই একেটা আশা লৈ ; এই কথা নৰেণক নকবনে দিপিকাই । নকলে যে দিপিকা পাগল হৈ যাব ।

দিপিকাৰ খোজবোৰ থৰক বৰক হৈ পৰিছিল । তেওঁ নিজক মাথো বুজাইছিল। ঘৰ পাই নিলীহঁতক চাহ-তাহ কৰি খোৱালে সংযত ভাবেই । নিলীহঁত গ'ল গৈ ।

নৰেণে ঘৰ পাওতে সন্ধ্যা লাগি ভাঙিল। দিপিকাই কামনা কৰিছিল মনে প্ৰাণে তাকেই ...... ..... নৰেণ যেন দিনৰ পোহৰত নাহক আজি ।

দিপিকাই ভাত ৰান্ধিছিল ; আৰু ৰান্ধনি ঘৰত মূঢ়া এটাত বহি চাহ খাইছিল নৰেণে । দিনটোৰ অদৰ্শনৰ পিচত, আৰু যোৱা সেই তিনিটা দিন দিপিকাক নিবিড় ভাবে কাষত নোপোৱাৰ আক্ষেপটো যেন নৰেণে কথাৰে, হাঁহিৰে চকুৰ চাৱনিৰে ক্ষতি পূৰণ কৰি লব ।

কিন্তু শত চেষ্টাটো দিপিকা সহজ হব পৰা নাছিল । নিলীৰ এই বিচ্ছেদতে দিপিকাৰ এই ভাৱান্তৰ বুলি অনুমান কৰি নৰেণে এজনি সৰু ছোৱালীক জোকোৱাদি তেওঁক জোকাইছিল ।

নিশা খোৱা বোৱাৰ পিচত দৈনন্দিন অভ্যাস মতে দুয়ো বাৰান্দাত বহিল । দিপিকাই ভাবিলে এয়ে সময়— যি কথা কব লাগিব, নকলে নহব; সেই কথা কবৰ বাবে এয়ে উপযুক্ত সময় ।

বুজিছে, আজি মই বাইদেউহঁতৰ লগত কাঠ বস্তি গাঁওলৈ গৈছিলো ।

কাঠ-বস্তি গাঁওলৈ ! — খোজকাঢ়ি— ইমান দূৰ গৈছিলা ? মোক অত পৰে— কোৱাই নাই—
কম ! তাকেই কবলৈহে লৈছো ।

কথাষাৰ উলিয়াবলৈ টান লাগিছিল । কিন্তু কোনোমতে আৰম্ভ কৰিব পাৰিলে তেতিয়া আৰু ভয় নাই ।
নৰেণে "হয় নেকি— ? উ"— তাৰ পিচত ? আজি আহৰিৰ মাজে মাজে দিপিকাই বাই-দেৰেকৰ লগত কেনেকৈ গ'ল, ক'ত ৰ'ল, কি দেখিলে সকলো কৈ গ'ল । তাৰ পাচত পুতলীৰো কথাখিনি কৈ পেলালে ।

দিপিকাই ভাবিছিল মাজতে এবাৰ যদি ৰৈ যায় তেন্তে আৰু কব নোৱাৰিব, সেই বাবে একেলেথাৰিয়ে তেওঁ সকলো কথা কৈ গ'ল । শেষৰ কথাখিনি কওঁতে তেওঁৰ বুকুখন অলপ কঁপিছিল, কপালখন আৰু কাষলটিৰ তলবোৰ ঘামিছিল ।.........
কথাখিনি কোৱাৰ পিচত মন কৰিলে দিপি-কাই—,নৰেণে নীৰৱ হৈ বহি আছে । বাৰান্দাত লেম্প নাছিল । নৰেণৰ চেহেৰাৰ কিবা পৰিবৰ্ত্তন হৈছিল যদিও তেওঁ বুজিব নোৱাৰিলে, এবাৰ ভাব হ'ল কিজানি নৰেণৰ টোপনি আহিল । গোটেই দিনটো ভাগৰত কটাইছে ।

কথাবোৰ কৈ ভালেই কৰিলে নে বেয়াই কৰিলে, তাকো বুজিব পৰা নাছিল দিপিকাই । নৰেণক সচেতন কৰিবৰ মনেৰেই দিপিকাই—কৃত্ৰিম কাহ কেইটামান মাৰিলে ।

নৰেণ অকণমান লৰিচৰি— বহিল । তাৰ পাচত ক'লে দিপি । তুমি যি শুনি আহিলা— সেয়া সঁচা ! দিপি ?
দিপিকা নীৰবে ৰ'ল ।
মই পুতলীক ভাল পোৱা নাছিলো মাত্র তাইৰ অকৃত্রিমতাত মোহ গৈছিলো ।
কিন্তু আচৰিত লাগিছে । পুতলীক ময়েই ভাল পাই পেলাইছোঁ, তাই অসাধাৰণ
কিন্তু পুতলীতকৈও অসাধাৰণ, ক্ষমাৰ প্ৰতিমূৰ্ত্তি তুমি মোৰ দিপিকা ; তুমি অতুলনীয়া ।'



# সাক্ষাৎকাৰ

-সাম্প্ৰতিক অসমীয়া সাহিত্যৰ পাঠক সমাজৰ বাবে ডঃ মামণি ৰয়চম গোস্বামী ( ইন্দিৰা গোস্বামীৰ ) এটি পৰিচিত নাম। অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা সকলৰ ভিতৰত মামণি ৰয়চম গোস্বামীও এগৰাকী লেখত লবলগীয়া নাৰী। মামণি ৰয়চম গোস্বামী এগৰাকী তত্ব গধুৰ প্ৰবন্ধ লেখিকা আৰু এগৰাকী শ্ৰেষ্ঠ উপন্যাসিক। ইয়াৰ ওপৰিও তেখেতৰ কৱিতা আৰু চুটি গল্পৰ ওপৰত গভীৰ জ্ঞান আছে। গোস্বামী দেৱী দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী। তেখেত— বিশ্ববিদ্যালয়ৰ কমব্যস্ততাৰ মাজত থাকিও তেখেতৰ লেখনীৰ বলিষ্ঠতাৰ পৰিচয় দিছে। অলপতে গোস্বামীদেৱীৰ উপন্যাস "মামৰে ধৰা তৰোৱাল" খনি জাতীয় পুৰস্কাৰ প্ৰাপ্ত হৈছে আৰু অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে। বৰ্ত্তমান গোস্বামী দেৱীয়ে ৰামায়ণ তত্বৰ ওপৰত গভীৰ গবেষণা চলাইছে আৰু সেই কাৰণে তেখেতে ইউৰোপৰ পুৰণা তত্ব যোগানৰ কাৰণে বহু দেশ ঘূৰিছে।

মামনি ৰয়চম গোস্বামী দেৱীক ডিগবৈ ইন্দিয়া ক্লাবে বেজবৰুৱা স্মৃতি স্মৰণৰ বাবে আমন্ত্ৰণ কৰি আনিছিল আৰু আমি তেখেতক সেই সংক্ৰান্তত আহোঁতে তেখেতৰ বাসগৃহত লগ কৰি এটি সাক্ষাৎকাৰ লৈছিলো। আশা কৰোঁ এই সাক্ষাৎকাৰটিয়ে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক সাহিত্যৰ বিষয়ে জ্ঞান বৃদ্ধি কৰাত অলপ পৰিমাণে হলেও সহায় কৰিব। গোস্বামী দেৱীয়ে আমাৰ প্ৰশ্ন সমূহৰ উত্তৰত আন্তৰিকতা প্ৰদৰ্শন কৰাৰ বাবে তেখেতলৈ আমি অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

এই সাক্ষাৎকাৰটো গ্ৰহণ কৰিছে এই আলোচনীৰ সম্পাদক অৰুণ পাল শ্ৰীপঙ্কজ গোস্বামী আৰু পলি গোস্বামীয়ে।

**প্ৰশ্ন ঃ—** ভাৰতীয় সাহিত্যৰ পটভূমিত বৰ্ত্তমান অসমীয়া সাহিত্যৰ মানদণ্ড বা স্থান কেনেধৰণৰ ? আপুনি অসমীয়া সাহিত্যৰ কোনটো দিশ সমৃদ্ধিশালী বুলি ভাৱে আৰু অসমীয়া সাহিত্যক উচ্চতৰ পৰ্য্যায়লৈ নিয়াত নতুন লেখক লেখিকা সকলৰ দায়িত্ব কি বুলি ভাৱে ?

**উত্তৰ ঃ—** ভাৰতীয় সাহিত্যৰ পটভূমিত বৰ্ত্তমান অসমীয়া সাহিত্যৰ মানদণ্ড প্ৰায় একে পৰ্য্যায়ৰ। বিশেষকৈ অসমীয়া চুটি গল্পৰ ধাৰাটো অন্য ভাষা-ভাষীৰ সাহিত্যতকৈ উন্নত ; বৰ্ত্তমান অসমীয়া চুটি গল্পৰ প্ৰৱাহে বিশ্বসাহিত্যৰ লগতে অসমীয়া সাহিত্যকো গতি কৰাত

সহায় কৰিছে। চুটি গল্পৰ পিচতে উপন্যাস আৰু কবিতা। উপন্যাসৰ ভাবধাৰা ও পাঠক পাঠিকাৰ সৈতে ইয়াৰ বাস্তৱ সম্পৰ্কই হৈছে উপন্যাস সাহিত্যৰ উন্নতিৰ প্ৰধান পথ।

সাধাৰণতে উপন্যাসিক সকলৰ ভাৱধাৰা নতুন হোৱা উচিত বা প্ৰয়োজন। আমাৰ অসমীয়া উপন্যাস বাস্তৱৰ ভেটিত খুবেই কম ৰচনা কৰা হয়। সেই বুলি এইটো নহয় যে আমাৰ এনে উপন্যাসিকৰ অভাৱ আছে। সৃষ্টি হৈছে কিন্তু অভিজ্ঞতাৰ অভাৱত তেওঁলোকৰ কিছু ক্ৰুটী থাকি গৈছে।

অসমত এনে বহুতো ঐতিহ্য আছে যাৰ দ্বাৰা উপন্যাস সৃষ্টিৰ বহুতো সমল পোৱা যায়, বা বুৰঞ্জীত এনে কিছুমান চৰিত্ৰ আছে যিবোৰ অসমীয়া উপন্যাসৰ ভেটি আৰু কঠিন কৰাত সহায় কৰিব পাৰে। এনে ধৰণে উপন্যাস সৃষ্টি কৰিলে ইয়াৰ গতি-ধাৰা আৰু লেখকৰ অভিজ্ঞতাৰ প্ৰতিভাৰ ওপৰত পৃথিবীৰ অন্যান্য জাতিক অসমৰ ঐতিহ্য সম্পৰ্কে জানিবলৈ দিব পৰা যায়।

অৱশ্যে এনে কৰিবলৈ যাওঁতে আমাৰ নবীন লিখকসকল অসুবিধাত নপৰা নহয়। এনেধৰণৰ অসুবিধা সমূহৰ ভিতৰত প্ৰধান অসুবিধা হ'ল বাধা বা উৎসাহৰ অভাৱ। এই নতুন লেখক-লেখিকা সকলক বৰ্ত্তমানৰ আলোচনী সমূহে আগ স্থান দিব নিবিচাৰে। আলোচনী সমূহত পূৰ্ব্ব প্ৰতিষ্ঠিত লিখক সকলৰ স্থান আগত হোৱাৰ বাবে অসমৰ নতুন লেখক লেখিকাৰ প্ৰতিভা প্ৰকাশত বাধা আহি পৰিছে। বৰ্ত্তমানে নতুন লেখক-লেখিকা সকলৰ মানদণ্ড চালিজাৰি চাই প্ৰকাশৰ সুবিধা দিয়াৰ সময় হৈছে, নহ'লে পিছ পৰি থকাৰ সম্ভাৱনা আছে।

বিষয় বস্তুৰ ফালৰ পৰাও নতুন লেখক-লেখিকা সকলৰ মানদণ্ড অতি নিম্ন। অসমৰ লেখক লেখিকা সকলে কেৱল মাত্ৰ অসমকেই আগুৰি আছে যাৰ ফলত অন্য ভাষা ভাষীৰ সাহিত্যত ইয়াক তুলনা কৰা অসুবিধাজনক। বৰ্ত্তমান নবীন সকলৰ সৃষ্টিৰ পৰিমাণ বৰ কম। অৱশ্যে ইয়াৰ প্ৰধান কাৰণ হ'ল প্ৰকাশ নোহোৱাটো,। ইয়াৰ উপৰিও অনুবাদ সাহিত্য খুবেই কম। ইয়াক আমাৰ লেখক সকলে সাহিত্যৰ একোটা শাখা বুলি নধৰে যাৰ ফলত অন্য ঠাইৰ মানুহে আমাৰ সাহিত্যৰ বিষয়ে সামান্য পৰি-মানেহে জানে।

প্ৰশ্ন :— আমি জানিবলৈ পাইছো আপুনি চুটি গল্পৰ ওপৰত পৰ্য্যাবেক্ষণ চলাই আছে— আপোনাৰ পৰ্য্যাবেক্ষণৰ ওপৰত আমাক অলপ কব নেকি ?

উত্তৰ :— হয়, মই চুটি গল্পৰ ওপৰত পৰ্য্যাবেক্ষণ চলাই আছো আৰু ইয়াক এটা নতুন ধৰণে প্ৰকাশ কৰাৰ চেষ্টা চলাই আছো। মোৰ প্ৰকাশ ভঙ্গী সহজ সৰল যাতে পাঠক পঠিকাই উপলব্ধি কৰাত অসুবিধা নহয়। মই যিদৰে কথা কওঁ সেইদৰে লিখো। যিহেতু সাহিত্যৰ কোনো সীমা নাথাকে বা থকা উচিত নহয়। ইয়াৰ প্ৰমাণ মোৰ "মামৰে ধৰা তৰোৱাল।"

প্ৰত্যেক মানুহৰ ভাৱধাৰা বেলেগ, সমস্যা বেলেগ। আচলতে মানুহক মানুহ কি তাক বুজাবৰ বাবেই সাহিত্যৰ, এই ভাৱধাৰা বা সমস্যা বোৰ নতুন ধৰণে চায়। এই বোৰক লক্ষ্য হিচাবে লৈ বহুতো উপন্যাস, গল্প আদি সৃষ্টি কৰিব পৰা যায় তাৰে মই চেষ্টা চলাই আছো ভ্ৰমণৰ যোগেদি।

প্ৰশ্নঃ— আধুনিক অসমীয়া কবিতাৰ ওপৰত আপোনাৰ ভাৱধাৰা কেনে? আৰু নবীন কবি সকলৰ ত্ৰুটী সমূহ আঙুলিয়াই দিব নেকি?

উত্তৰঃ— আধুনিক অসমীয়া কবিতাৰ মানদণ্ড উচ্চ পৰ্য্যায়ৰ বুলি কব পাৰি। মূলত অস-আধুনিক কবিতা হ'ল নিজৰ ভাৱধাৰা প্ৰকাশ। নতুন কবি সকলৰ কবিতা সমূহৰ ভাষা ইমান কঠিন যে সাধাৰণতে পাঠক পঠিকাই বুজাত অসুবিধা হয়। যিহেতু সাহিত্য মনোৰঞ্জন বা বিকাশ নহয় সেই কথা ব্যাখ্যাৰ অতি প্ৰয়োজন হৈ পৰিছে। সাহিত্যই সমাজ এখনৰ দোষ. গুণ সমূহ সম্পূৰ্ণ ৰূপে দাঙি ধৰে, সেয়েহে সহজ-সৰল ভাষাৰে বাস্তবৰ প্ৰেৰণাত হ কবিতা লিখা প্ৰয়োজন।

অৱশ্যে কবিতাৰ ভাব বুজা কঠিন কাৰণ ইয়াক ফালি দেখুৱাব নোৱাৰি। আধুনিক কবিতাৰ ভাবধাৰা কঠিন হোৱাৰ বাবেই ই Populer হ'ব পৰা নাই।

প্ৰশ্ন :— সাহিত্য ৰচনাৰ আঁৰত প্ৰত্যেক লিখকৰ এটা উদ্দেশ্য থাকে, আপোনাৰ "মামৰে ধৰা তৰোৱাল"ৰ প্ৰধান উদ্দেশ্য কি আছিল?

উত্তৰ :— মোৰ "মামৰে ধৰা তৰোৱাল"ৰ প্ৰধান উদ্দেশ্য আছিল সমাজৰ নিম্ন শ্ৰেণী মানুহৰ দৈনন্দিন অৱস্থাৰ প্ৰকাশ। কি দৰে এওঁলোক সমাজৰ ধনী শ্ৰেণীৰ মানুহৰ শোষিত, কিদৰে এওঁলোকৰ অধিকাৰ খৰ্ব কৰা হৈছে, এওঁলোকৰ দুখ, দুদৰ্শা দুৰৱস্থা বা অৰ্থনৈতিক ভাবে এওঁলোক কি দৰে অৱহেলিত তাকে প্ৰকাশ কৰা।

এই অভিজ্ঞতাটো পাইছিলো U. P ৰ ৰাইবেলি নামৰ এখন নদীৰ বান্ধ-বন্ধোৱা কামত শ্ৰমিক সকলৰ দুৰ্দশাত বা স্থানান্তৰিত সেই শ্ৰমিক সকলৰ অৰ্থ নৈতিক বিপৰ্য্যয়ৰ মাজত। এই শ্ৰমিক সকলৰ কোনো স্থায়ী স্থিৰতা নাই। কাৰণ তেওঁলোক শোষকৰ দ্বাৰা চালিত। কোনো এঠাইৰ কামৰ পাচত জীয়াই থকাৰ নিৰাপত্তা নাই। এওঁলোকৰ অৰ্থনৈতিক অৱস্থাটো কি অৱস্থাত থাকে তাকে প্ৰকাশ কৰাৰ চেষ্টা মই দাঙি ধৰিছো "মামৰে ধৰা তৰোৱালত।"

প্ৰশ্ন :— অসমৰ সত্ৰীয়া সংস্কৃতিৰ ভৱিষ্যত আপুনি কি বুলি ভাৱে?

উত্তৰ :— অসমৰ সত্ৰীয়া সংস্কৃতিৰ ভৱিষ্যত খুবেই উজ্জ্বল যদিহে ইয়াৰ সত্ৰসমূহৰ চাৰি-বেৰৰ মাজত সীমাবদ্ধ কৰি নাৰাখি চাৰিওফালে বিস্তাৰ কৰা হয়। অসমীয়া সত্ৰীয়া সংস্কৃতি আন আন সংস্কৃতিৰ তুলনাত অতি উচ্চ মানদণ্ড বিশিষ্ট; কিন্তু ইয়াক বাহিৰত প্ৰকাশ কৰা হোৱা নাই।

অসমৰ সত্ৰীয়া নৃত্য সমূহ ভাৰতীয় নৃত্যৰ তুলনাত কোনো গুণে হীন নহয়। সেয়েহে নবীন সকলে ইয়াক চৌদিশে বিয়পাই দি যথোপযুক্ত স্থান দিয়া উচিত।

# ।।। বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন ।।।

## সাধাৰণ সম্পাদকৰ দু-এষাৰ

জয় জয়তে এটা বছৰৰ বাবে সাধাৰণ সম্পাদকৰ পদত মোক যি সকল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মীয়ে সহায় সহযোগিতাৰে নিৰ্বাচিত কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

১৯৮৪–৮৫ বছৰৰ মই সাধাৰণ সম্পাদক হলো, আৰম্ভ হ'ল নতুন ছাত্ৰ একতা সভা। ডিগবৈ মহাবিদ্যালয়ৰ বয়সৰ সীমা আৰু অলপ প্ৰসাৰিত হ'ল। ছাত্ৰ জীৱনৰ এক ঐতিহাসিক লগ্নত যি মহাবিদ্যালয়ৰ আৰ্বিভাৱ সুখে; দুখে উত্থানে, পতনে যি শিক্ষা ছাত্ৰৰ চিৰ সহচৰী, তাৰ কাৰণে প্ৰতিটো বছৰ নব পৰীক্ষা । ডিগবৈ মহাবিদ্যালয়ে মোৰ কাল্‌ছোৱাত যদি অতীত সগৌৰৱে সেই পৰীক্ষাত উত্তীৰ্ণ হৈছে তেন্তে কৃতিত্ব কেৱল ছাত্ৰ-ছাত্ৰীৰেই নহয় সেইয়া ডিগবৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা তথা অভিভাৱক সকলৰ । আমাৰ প্ৰধান প্ৰেৰণা তেওঁলোকেই, সেয়ে এই বছৰৰ প্ৰস্তুতি পৰ্বত মই তেওঁলোকক সশ্ৰদ্ধ অভিনন্দন জনাইছো ।

এইবাৰ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয় । উক্ত কাৰ্য্যসূচীত প্ৰথমে শ্বহীদ সকলৰ সন্মানৰ অৰ্থে অনুষ্টুপীয়া ভাবে পালন কৰা হয় । আৰম্ভণীৰ দিনা পতাকা উত্তোলন কৰা হয় । পতাকা উত্তোলন কৰে ডিগবৈ মহ বিদ্যালয়ৰ অধক্ষ্য ডঃ প্ৰফুল্ল কুমাৰ ভূঞা দেৱে । ইয়াৰ পাচত জাতীয় সঙ্গীত পৰিবেশন কৰা হয় । আমাৰ মহ বিদ্যালয় সপ্তাহ মুকলি কৰিবৰ বাবে ভাৰতীয় তেল নিগমৰ বিষয়া শ্ৰীযুত খায়াৰ দেৱক আমন্ত্ৰণ কৰি অনা হয় আৰু শেষৰ দিনা বঁটা বিতৰণী কৰা হয় । উক্ত অনুষ্ঠানত আই, অ, ডি বয়জ হাইস্কুলৰ অধ্যক্ষ মহোদয় শ্ৰীযুত ৰিপিন বৰঠাকুৰ দেৱক মুখ্য অতিথি ৰূপে নিমন্ত্ৰণ কৰা হয় । তেখেতে বঁটা বিতৰণ কৰে আৰু ছাত্ৰ-ছাত্ৰী সকলক পঢ়া শুনাৰ বাহিৰেও খেলা-ধূলা বিষয়টোত মনোযোগ দিবৰ বাবে উপদেশ দি মহাবিদ্যালয় সপ্তাহ পালনৰ বঁটা বিতৰণী সভা সামৰণি মাৰে । উক্ত দিনা সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰে মহাবিদ্যালয় সপ্তাহ সামৰণি মৰা হয় ।

তাৰ পাচতেই অন্য বছৰৰ দৰেই মহাবিদ্যালয়ৰ শেষান্ত পৰীক্ষাৰ্থীক বিদায় জনোৱা হয় । উক্ত বিদায় সভাত সভাপতিত্ব আসন গ্ৰহণ কৰে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ স্থায়ী সভাপতি ডঃ প্ৰফুল্ল কুমাৰ ভূঞা দেৱে । বিবেকানন্দ বিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত নিৰ্ম্মল চৌধুৰী দেৱে মুখ্য অতিথিৰ আসন গ্ৰহণ কৰে । তেখেতে ছাত্ৰ-ছাত্ৰী সকলে যাতে ভালদৰে পঢ়া-শুনা কৰি পৰীক্ষাত সুনামেৰে উত্তীৰ্ণ হয় লগতে মহাবিদ্যালয়ৰ সুনাম তথা অভিভাৱক সকলেও যাতে মনত আনন্দ লভিব পাৰে তাৰ ওপৰত বক্তব্য ৰাখি, ভাষণ দিয়ে তাৰ পিচত সভাপতিৰ ভাষণেৰে উক্ত সভাৰ সিমানতে সামৰণি পৰে ।

আমাৰ মহাবিদ্যালয়ত অন্য বছৰৰ দৰে এই বছৰো ইং ১৩।২।৮৬ তাৰিখে আনু-

ষ্ঠানিক ভাবে সৰস্বতী পূজা পতা হয়। লগতে অসমীয়া ক'লা সাংস্কৃতিৰ গুৰু শ্ৰীশ্ৰীশঙ্কৰ দেৱ গুৰু জনাৰ তিথি মহাবিদ্যালয়ত পালন কৰা হয়। লগতে এটা উল্লেখ যোগ্য যে ডিগবৈ মহাবিদ্যালয় Aid Club ৰ সৌজন্যত এই বছৰ অপৰূপা থিয়েটাৰ প্ৰদৰ্শন কৰাই, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকা সকলে অশেষ দুখ কষ্টক হেলাৰঙে পাৰ কৰি এই কাৰ্য্য সফল কৰি তোলে আৰু ইয়াৰ লাভৰ অংশৰেই মহাবিদ্যালয়ৰ উন্নতি সাধন কৰিছো। Aid Club ক ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। আৰু আশা ৰাখিছো আগলৈ যতে এনেধৰণে তেখেত সকলে মহাবিদ্যালয়ৰ উন্নতি সাধনত আৰু আগবাঢ়িব যাবলৈ সমৰ্থ হয়।

আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰত যোৱা ইং ১৭।২।৮৬ তাৰিখে বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদ ৰঞ্জন বৰঠাকুৰৰ স্মৃতি তৰ্পণ তথা শ্বহীদ দিৱস পালন কৰা হয়। উক্ত শ্বহীদ দিৱসত ডিগবৈৰ সকলো বিলাক স্কুল কলেজে যোগ দান কৰে আৰু শ্বহীদৰ পিতৃ-মাতৃৰ ঘৰলৈ লৈ নিজা শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে। অৱশেষত ডিগবৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা কামনা কৰিছো যাতে, "হে শ্বহীদ তুমি অমৰ হোৱা তোমাৰ এই সংগ্ৰাম প্ৰেমী আত্মাই চিৰ শান্তি লাভ কৰক" জয় আই অসম।"

নতুনক আদৰি পুৰণিক বিদায় দিয়া ডিগবৈ মহাবিদ্যালয় এই বছৰো ইং ২৮।।৮৫ তাৰিখে উচ্চতৰ আৰু স্নাতক নবাগত সকলক আনুষ্ঠানিক ভাৱে আদৰণি জনোৱা হয়। উক্ত আদৰণি সভা খনিত মুখ্য অতিথি স্বৰূপে ভাৰতীয় তেল নিগমৰ Personal officar শ্ৰীযুত গিৰীশ গোস্বামী দেৱে উপস্থিত থাকি তেখেতৰ উদাৰ সৌজন্য আৰু প্ৰচুৰ অভিজ্ঞতা সম্পন্ন ধীমান ব্যক্তিত্বৰ আলোকৰে তৰুণ ছাত্ৰ-ছাত্ৰী সকলৰ পথ নিৰ্দেশনাত সহায়তাৰ বক্তব্য ৰাখে। কাৰ্য্যসূচীৰ শেষত সভাপতি অধ্যক্ষ মহোদয় ডঃ প্ৰফুল্ল কুমাৰ ভূঞা দেৱে মহাবিদ্যালয়ৰ সমস্যা বিলাকৰ ওপৰত গুৰুত্ব দি কয় যে মহাবিদ্যালয় সম্পত্তি ৰক্ষা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। আৰু ইমানতে সভা সামৰণি পৰে। এইখিনিতে উল্লেখ নকৰি থাকিব নোৱাৰো যে উক্ত দিনা মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীহিতেন শৰ্মা দেৱে তথা মোৰ মৰমৰ ছাত্ৰ ছাত্ৰী সকলে যি সহায় পাৰমৰ্শ আগবঢ়ালে তাৰ বাবে তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়ৰ বহু সমস্যা আছে— অথচ আজিলৈকে সেই সমস্যা সমাধান হোৱা নাই; বিশেষকৈ পানী, মঞ্চ। সিহেতু মহাবিদ্যালয়ৰ সপ্তাহ পালনত বহুতো অসুবিধা ভোগ কৰিব লগা হৈছিল। গতিকে অতি সোনকালে উক্ত সমস্যা কেইটি মহাবিদ্যালয়ৰ কতৃপক্ষই মনোযোগ দিব বুলি আশা ৰাখিলো। কিন্তু এটা কাৰণে আমি সুখী হৈছো এইবাৰ Aid Club লগতে Teachers Council আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত বৰ্ত্তমান ছাত্ৰীৰ জিৰণি কোঠা, তথা (লেবেৰেটৰী) Laboratory নিৰ্মাণ হৈছে। গতিকে আমি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যাতে এনে ধৰণৰ সমাজ সেৱী ব্যক্তি আমাৰ মহাবিদ্যালয়লৈ আহে আৰু তেওঁলোকৰ যোগদান পাওঁ। অৱশেষত তেখেত সকলৰ যি উচ্চ চিন্তাধাৰা তথা ডিগবৈ মহাবিদ্যালয়ৰ বাবে যি পুণ্যময় কৰিছে তাৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্য-কাল চোৰাত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা মাননীয় অধ্যাপক শ্ৰীযুত ছিতেন শৰ্ম্মা, শ্ৰীবদন কটকী, সমৰেন্দ্ৰ ভাগৱতী লগতে অন্যান্য অধ্যাপক, অধ্যাপিকা সকল আৰু লগতে কেইজন মান বন্ধুৰ নাম উল্লেখ নকৰাকৈ থাকিব নোৱাৰো৷ সেই কেইজন হ'ল সৰ্বশ্ৰী প্ৰবীন ৰয়, জ্ঞানেন্দ্ৰ সিং, ৰূপজ্যোতি গগৈ, প্ৰদীপ কোৱৰ, বিপিন তালুকদাৰ, নয়ন দত্ত, অৰুণ পাল দেবজ্যোতি বৰা, বৈকুণ্ঠ বৰা, আনন্দ দাস আৰু ছাত্ৰী সকল হ'ল পলি গোস্বামী প্ৰণতি বৰুৱা প্ৰীতিৰেখা গগৈ, মৃদুলা গগৈ, বিউতী বৰুৱা আদিকে ধৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী সহকৰ্মীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো, লগতে তেখেত সকললৈ এটি বিনম্ৰ অনুৰোধ যাতে আগলৈ এই মহাবিদ্যালয়ৰ বাবে এই বাৰৰ দৰে সহায় সহযোগিতা আগ বঢ়াই যায়।

এই খিনিতে আৰু উল্লেখ যোগ্য যে আমাৰ মহাবিদ্যালয়ৰ চকীদাৰ সকলৰ যি সহায় সহযোগিতা মোৰ কাৰ্য্য কাল চোৰাত আগ বঢ়ালে সেই খিনি কোনো দিনে পাহৰিব নোৱাৰিম। গতিকে আশা ৰাখিছো তেখেত সকলৰ এই মৰম তথা সহায় সহযোগিতা ছাত্ৰ-ছাত্ৰীৰ সকলৰ লগত ভৱিষ্যতেও থাকিব

সাধাৰণ সম্পাদকৰ কাৰ্য্য কাল চোৰাত যদি মই কিবা ভুল কৰিছিলো তাৰ বাবে আপোনালোকৰ ওচৰত মই ক্ষমা মাগিছোঁ। শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি "ছাত্ৰৰ শক্তি," "ছাত্ৰৰ ঐক্য" জিন্দাবাদ, জিন্দাবাদ। "জয় আই অসম" পবিত্ৰ ধ্বনিৰে বিদায় মাগিছোঁ।

ডিগবৈ মহাবিদ্যালয় — প্ৰগতিৰ পথত

আপোনাৰ সহচৰ

ধন্যবাদেৰে

শ্ৰী মৃদুল তামুলী

সাধাৰণ সম্পাদক

সাধাৰণ খেল-ধেমালি বিভাগ ঃ—

মোৰ প্ৰতিবেদনৰ পাতনিতেই অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে যি সকল লোকে প্ৰাণ আহুতি দিলে সেই বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীয়ে অতি প্ৰতিদ্বন্দিতামূলক নিৰ্ব্বাচনত মোক তেওঁলোকৰ বহুমূলীয়া ভোটটিৰে নিৰ্বাচন কৰি এই বিভাগত সেৱা আগ বঢ়াবলৈ সুবিধা কণ দিয়াৰ বাবে সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জনালোঁ।

সাধাৰণ খেল ধেমালিৰ সম্পাদক হিচাবে মই ইং ·········· তাৰিখৰ পৰা ·········· তাৰিখলৈ অনুষ্ঠিত হোৱা "মহাবিদ্যালয় সপ্তাহত" মোৰ কাৰ্য্য ক্ৰম আৰম্ভ কৰিব লগীয়া হয়। যোৱা বাৰৰ দৰে এইবাৰো মহ বিদ্যালয়ৰ নিজা খেল পথাৰত তিনিদিনীয়া কাৰ্য্যসূচীৰে খেল ধেমালি অনুষ্ঠিত হৈছিল। খেলৰ প্ৰথম দিনাই ডিগবৈ Administrative manager Mr. Kalita দেৱে পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰি যি সহায় সহযোগ আগ বঢ়ালে তাৰ বাবে তেখেতলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই বছৰ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা অত্যন্ত কম আছিল। তাৰ প্ৰধান কাৰণ হিচাবে আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰলৈকে আঙুলিয়াব পাৰি। এই খেল পথাৰ খনত এথেলেটিক খেলাবলৈ একেবাৰে অনুপযোগী। কিয়নো খেল পথাৰৰ মানদণ্ড হিচাবে খেলুৱৈয়ে যি কোনো মুহূৰ্ত্ততে দুখ পোৱাৰ সম্ভাবনা আছে। তাৰ বাবে হয়তো খেলুৱৈ সকলে গোটেই জীৱন যাতনা ভূগিব লগীয়াও হব পাৰে। মই এই প্ৰতিবেদনৰ দ্বাৰা অধ্যক্ষ মহোদয় আৰু Govornning Body ৰ সদস্য সকলৰ কাণ চোৱাই থলো। যাতে এই বাৰৰ দৰে ভয় সংশয়ৰ মাজেৰে খেলুৱৈয়ে খেল খেলিব লগা নহয়।

এইবাৰ ইং ·········· তাৰিখৰ পৰা ·········· তাৰিখলৈ ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় এথেলেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ হৈ ৪ জন প্ৰতিযোগীয়ে যোগদান কৰিছিল। ৪ জন প্ৰতিযোগীয়ে যোগদান কৰাৰ বাবে আন মহাবিদ্যালয়ৰ অধ্যাপক তথা খেলুৱৈই সকল আচৰিত হৈছিল। পূৰ্বৰ খেলুৱৈৰ সংখ্যা আৰু খেলুৱৈৰ প্ৰতিভাৰ মানদণ্ড চাইও আচৰিত হৈছিল। আমি এই কেইজন প্ৰতিযোগীৰে উন্নত মানৰ খেল প্ৰদৰ্শন কৰিব নোৱাৰিলো যদিও পদক পোৱাৰ উপযুক্ত বুলি বিবেচিত হ'লো। অতি পৰিতাপৰ কথা যে আমাৰ এই চাৰি (৪) জনীয়া দলটোত আনকি (শৰীৰ চৰ্চ্চাবিভাগক লৈ এজনো অধ্যাপক তথা মেনেজাৰ হিচাবে নোযোৱাতো মন কৰিব লগীয়া। খেলত যোগদান কৰি পুনৰ মেনেজাৰ হিচাবে পৰিচালনা কৰাত অতি কষ্ট হৈছিল। মেনেজাৰৰ অবিহনে এটি দলে খেল খেলা কিমান কষ্টকৰ তাক আমি শিৰে শিৰে উপলব্ধি কৰিছিলো। অতি আচৰিত যেন লাগিলেও এটি অতি দুখ লগা কথা যে, দুখনমান খেলত আমাৰ প্ৰতিযোগী কেইজনে উন্নত মানৰ খেল প্ৰদৰ্শন কৰিও মূলপ্ৰতিযোগিতাত হাৰ মানিব লগীয়া হৈছিল। তাৰ কাৰণ হিচাবে আমি উপলব্ধি কৰিছিলো "দলত মেনেজাৰৰ" অভাৱ। আমি খেল চলি

থকা অৱস্থাত দুদিন দুপৰীয়া  অনাহাৰত ভূগিব লগীয়া হৈছিল । তাৰ  ঠাইত আমাৰ পেটত পৰিছিল গ্লুকজৰ পানী । সেই দেহেৰেই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ পদক পোৱাৰ উপযুক্ত বুলি চিহ্নিত কৰিলে । শেষ অৱস্থাত আমাক সহায় আগবঢ়াইছিল শৰীৰ চৰ্চ্চা বিভাগৰ প্ৰতিযোগী সকলে । তেওঁলোকৰ অকুণ্ঠ সহায়ৰ বাবে মোৰ আন্তৰিক ধন্যবাদ থাকিল । এই অৱস্থাৰ পুনৰাবৃত্তি নহওক তাৰ বাবে সমূহ অধ্যাপক বৃন্দ আৰু অধ্যক্ষ মহোদয়লৈ কাতৰ প্ৰাৰ্থনা থাকিল ।

"মোক সৰ্বতোপ্ৰকাৰে বিভিন্ন দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে অধ্যাপক শ্ৰীযুত স্বদেশ সহায় ৰায় চৌধুৰীৰ ওচৰত মই বিশেষ ভাবে কৃতজ্ঞ । প্ৰতিযোগিতা পৰিচলনা কৰা আৰু আন আন ক্ষেত্ৰত সহায় কৰা মোৰ বন্ধু বান্ধৱীৰ ভিতৰত শ্ৰীৰঞ্জিত গগৈ, শ্ৰীবিৰেকা ৰাজকোঁৱৰ শ্ৰীঅচিন্ত গোহাঁয়, শ্ৰীজয়দ্বীপ চক্ৰৱৰ্ত্তী, শ্ৰীকল্পজ্যোতি গগৈ, শ্ৰীদেৱজিৎ বৰা বান্ধৱী শ্ৰীমতী প্ৰণতি বৰুৱা, শ্ৰীমতী বিউটি বৰুৱা, শ্ৰীমতী মৃদুলা গগৈ' শ্ৰীমতী প্ৰীতিগগৈ চাহেৰা চুলতানা খাতুনলৈ মোৰ শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো । মোৰ বিভাগৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা খেলুৱৈলৈ মোৰ অশেষ শুভেচ্ছা আৰু ভৱিষ্যতে অধিক উন্নতি কামনা কৰিলো । সৰ্ব্বশেষত মোৰ কাৰ্য্য সম্পাদনাত অজানিতে হোৱা দোষ ত্ৰুটীৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা মাগিছোঁ । মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ সুদীৰ্ঘ প্ৰতিবেদনৰ ইতি পেলাইছো ।

"জয় আই অসম"

শ্ৰীপ্ৰণৱ চন্দ্ৰ গগৈ
সম্পাদক, সাধাৰণ খেল-ধেমালি বিভাগ

## তৰ্ক আৰু আলোচনা বিভাগঃ—

মোৰ প্ৰতিবেদনৰ পাতনিতে ডিগবৈ মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাবে গধুৰ দায়িত্ব অৰ্পণ কৰি এই ক্ষেত্ৰত তেখেত সকলৰ প্ৰতি সেৱা আগবঢ়াবলৈ মোক সুবিধাকণ দিয়াৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা কৰ্মকৰ্তা সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো ।

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ দায়িত্ব বহন কৰিয়েই "মহাবিদ্যালয় সপ্তাহৰ" জৰিয়তে মোৰ কাৰ্য্যকালৰ পাতনি মেলিবলগীয়া হয় । মহাবিদ্যালয় সপ্তাহ উপলক্ষ্যে এই বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন প্ৰতিযোগিতাসমূহ আছিল, কুইজ, আকস্মিক বক্তৃতা, দলগত আলোচনা চক্ৰ আৰু তৰ্ক প্ৰতিযোগিতা । দলগত আলোচনা চক্ৰ প্ৰতিযোগিতৰ বাহিৰে এই বিভাগৰ দ্বাৰা আয়োজিত প্ৰতিটো প্ৰতিযোগিতাতে ভালেমান প্ৰতিযোগীয়ে

অংশ গ্ৰহণ কৰে । কেৱল দলগত আলোচনা চক্ৰ প্ৰতিযোগিতাতহে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ চাই প্ৰতিযোগী দলৰ সংখ্যা আছিল তেনেই কম। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ই অতি পৰিতাপৰ বিষয় ।

মোৰ কাৰ্য্য কালছোৱাত মহাবিদ্যালয় সপ্তাহৰ উপৰিও গুৱাহাটীৰ বি, বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত "সদৌ অসম আন্ত মহাবিদ্যালয়ৰ ভোলানাথ বৰুৱা তৰ্ক প্ৰতিযোগিতা"ৰ ৰূপালী জয়ন্তী সমাৰোহত আমাৰ মহাবিদ্যালয় সপ্তাহৰ তৰ্ক প্ৰতিযোগিতাৰ সপক্ষ আৰু বিপক্ষ দলৰ শ্ৰেষ্ঠ প্ৰতিযোগী দুজনে অংশ গ্ৰহণ কৰি দৰ্শকৰ পৰা ভুয়সী প্ৰশংসা অৰ্জ্জন কৰে । তদুপৰি ডিগবৈ চহৰত অনুষ্ঠিত "ডিগবৈ মাৰোৱাৰী যুৱ মঞ্চৰ" দ্বাৰা আয়োজিত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগী ক্ৰমে শ্ৰীজয়েন্দ্ৰ পুৰকায়স্থ আৰু গীতাঞ্জলী ভূঞাই যুটীয়া ভাবে দ্বিতীয় শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান অৰ্জ্জন কৰে । ইয়াৰ উপৰিও নানান ঠাইত অনেক অনুষ্ঠানৰ দ্বাৰা আয়োজিত এই বিভাগৰ বিভিন্ন প্ৰতিযোগিতালৈ অংশ গ্ৰহণ কৰাৰ বাবে বিভিন্ন অনুষ্ঠান ইত্যাদিৰ পৰা আমাৰ মহাবিদ্যালয়ে নিমন্ত্ৰণ পাইছিল । কিন্তু আৰ্থিক অনাটনৰ বাবে এই প্ৰতিযোগিতা সমূহত আমাৰ মহাবিদ্যালয়ে যোগদান কৰিব পৰা নাই।

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ বাবে যিখিনি যোগ্যতাৰ প্ৰয়োজন সেই খিনি মোৰ আছিল নে নাই সেইয়া আপোনালোকৰ বিচাৰ্য্য । কিন্তু মই চেষ্টাৰ ক্ৰুটী কৰা নাছিলো । এই ক্ষেত্ৰত কিমান দূৰ সফল হব পাৰিলো সেই বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত অৰ্পণ কৰিলো ।

মোৰ প্ৰতিবেদনৰ অন্তত ডিগবৈ মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ দায়িত্ব বহণ কৰাত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শ্ৰদ্ধাভাজন শিক্ষা গুৰুৱে বিভিন্ন দিশত সহায় সহযোগ আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালৰ সকলো কামত আঁত ধৰোতা এই বিভাগৰ উপদেষ্টা শ্ৰীযুত হিতেন শৰ্ম্মা চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো । বিভিন্ন সময়ত দিহা-পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱা মোৰ বন্ধু তুলসী বড়া, নবোল মমিন, কৃষ্ণ গগৈ, দেৱৰ্ষি বড়া, বান্ধৱী শ্ৰীমতী মীৰা আৰেং, মৃদুলা গগৈ, কেথেৰিন মমিনৰ নাম এইখিনিতে উল্লেখ কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছো ।

মোৰ কাৰ্য্যকালৰ সময়চোৱাত কৰ্ত্তব্যৰ খাটিৰত নাইবা বিভিন্ন পৰিস্থিতিত মোৰ বন্ধু-বান্ধৱী তথা শিক্ষাগুৰু সকলৰ প্ৰতি অজানিতে কৰা দোষ-ক্ৰুটীৰ বাবে ক্ষমা ভিক্ষা মাগি তথা ডিগবৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

শ্ৰী প্ৰদীপ হাজৰিকা
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

ছাত্ৰী জিৰণি কোঠা :—

প্ৰতিবেদনৰ আৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো । আমাৰ বিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে নিৰ্বাচিত কৰি যি আদৰ দেখুৱালে তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

কাৰ্যভাৰ লোৱাৰ কিছুদিন পাচতেই আৰম্ভ হৈছিল আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহিক সমাৰোহ। ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল কেৰম্, ছেছ ইত্যাদি। এই প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা আগতকৈ কমি অহা দেখা গৈছে। গতিকে এই প্ৰতিবেদনৰ জৰিয়তে পৰৱৰ্ত্তী কলেজ সপ্তাহত সকলো ছাত্ৰ-ছাত্ৰীকে প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছো। আমাৰ ছাত্ৰী জিৰণি কোঠাৰ ভালেকেইটা অভাৱ অভিযোগ অনেক দিনৰ পৰা অব্যাহত হৈ আছে। সেয়েহে এই অভাৱ অভিযোগ সমূহ অতি সোনকালে পূৰণ কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক এই প্ৰতিবেদনৰ যোগেদি পুনৰ দৃষ্টিগোচৰ কৰালো।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিশত সকলো প্ৰকাৰে সহায় সহযোগ আৰু সু-উপদেশ মোক দিয়াৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যাপিকা পাপৰি কলিতালৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল। লগতে বিভিন্ন দিশত সকলো প্ৰকাৰে সহায় সহযোগ কৰাৰ বাবে বন্ধু-বান্ধৱী সকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত মোৰ অজ্ঞাতে যদি কিবা ভুল কৰিছিলো তেন্তে সেই ভুল ত্ৰুটি সমূহৰ ক্ষমা প্ৰাৰ্থনা বিচাৰি আমাৰ মহাবিদ্যালয় তথা ছাত্ৰ সন্থাৰ ভৱিষ্যত উন্নতি কামনা কৰি এই প্ৰতিবেদনৰ যৱনিকা পেলালো।

অদিতি শৰ্ম্মা
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

## সমাজসেৱা বিভাগ :—

জয়জয়তে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিনা প্ৰতিদ্বন্দিতাৰে মোক সমাজসেৱা বিভাগৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰাৰ কাৰণে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদিছো।

১৯৮৪-৮৫ চনৰ নৱ-নিৰ্ব্বাচিত ছাত্ৰ সভাৰ বিষয়-ববীয়া সকলৰ এজন হিচাবে মই মোৰ বিভাগৰ উন্নতিৰ হকে যিমানখিনি পাৰিছো চেষ্টা কৰিছো।

মাননীয় শ্ৰীযুত অমৃত চন্দ্ৰ ডেকা চাৰক পৰিচালক হিচাবে লৈ মই মোৰ কাৰ্য্যত আগবাঢ়ো। সমাজসেৱা বিভাগৰ সম্পাদক হিচাবে বছৰটোৰ প্ৰায় গোটেইখিনি সময়তে মই মোৰ কাৰ্য্য অটুত ৰাখিবলগীয়া হয়। বছেৰেকীয়া "মহাবিদ্যালয় সপ্তাহ"ৰ আগে আগে মহাবিদ্যালয়খনৰ চৌপাশ পৰিষ্কাৰ কৰি মহাবিদ্যালয়খনক এটা নতুন সাজত সজাই তোলা, মহাবিদ্যালয় সপ্তাহত বিভিন্ন বিভাগীয় সম্পাদক/সম্পাদিকা সকলে বিভিন্ন সহায় সহযোগ আগবঢ়োৱা লগতে যোগদানকাৰী প্ৰতিযোগীসকলকো সেৱা শুশ্ৰূষা কৰা ইত্যাদিবোৰ উল্লেখযোগ্য। ইয়াৰ উপৰিও প্ৰয়োজন অনুসৰি মাজে-সময়ে মহাবিদ্যালয়ৰ বাট পথ পৰি-

ষ্কাৰ কৰা, হাবি-জঙ্ঘল পৰিষ্কাৰ কৰি নতুন গছ-গছনি ৰোৱা ইত্যাদিবোৰ কৰি প্ৰায় গোটেই বছৰেই মই ব্যস্ত থাকিবলগা হয়। এইখিনিতে অৱশ্যে এটা কথা উল্লেখ কৰিব পাৰি যে আৰ্থিক দিশটো টনকিয়াল নোহোৱাত এটা সীমিত পুজিৰে মই মোৰ কামত আগবাঢ়ি যাব লগা হয়। মই আশা কৰো আৰ্থিক ক্ষেত্ৰত এটা সন্তোষজনক সহানুভূতি পোৱা হলে মই আৰু কিছুমান কল্যাণমূলক কাম কৰিব পাৰিলোহেঁতেন।

শেষত মোৰ কাৰ্য্যকালৰ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে শ্ৰদ্ধেয় ডেকা চাৰৰ ওপৰত মই চিৰকৃতজ্ঞ। বছৰটোত মোক বিভিন্ন দিশত সহায় আগবঢ়োৱা বাবে বিশেষকৈ অচিন্ত্য শইকীয়া, মৃদুল তামুলী, বন্ধু প্ৰভাত, কমৈ, আৰু ৰোজী অঞ্জু, মীৰাহঁতলৈ মোৰ ধন্যবাদ থাকিল।

মোৰ কাৰ্য্যকালত হয়তো জ্ঞাত বা অজ্ঞাতভাৱে বহুতো ভুল-ত্ৰুটী হৈ গৈছে। তাৰ বাবে সকলোৰে ওচৰত এই প্ৰতিবেদনৰ দ্বাৰাই ক্ষমা বিছাৰিছো।

সদৌশেষত মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

শ্ৰীদিনেশ কলিতা
সম্পাদক, সমাজ সেৱা বিভাগ

## Minor Games Section

First of all. let me convey my heartiest gratitude to my beloved friends for giving me an opportunity to serve them as their Minor Games Secretary for the Session 1984-85.

Certain'y it is quite impossible for me to judge my own performance as the said secretary. It is only upto the student friends to judge whether I could satisfy them with due services or not. I can only say that during my tenure I tried my best to fulfil the needs of the student friends.

The two important events during my tenure were the 'College week' and 'Inter College Sports meet' Sports are part and parcel of education. Unlike the previous year this year, witnesses the dull and colourless atmosphere in the ,College week' Instead Participating and enjoying the 'College Week' many of our student friends stay at home considering College week' as ho'idays. Sad to say that

section like Sc. ( Ist & 2nd year Degree Course ) could only produce four players instead of six in Volley-Ball competition However players like Mr Achinta Gohain, Mr sandeep Bhuyan showed efficiency in this field. In badminton only a fine participants could be seen Mr Santanu Bhuyan and Miss Pauline Ann Dias showed efficiency in badminton court. It is interesting that only 4girls participated in girls' single badminton competition and a groups that means 4 girls' participated in girls double badminton competition. Due to the lack of proper facilities and condition of Table Tennis Table this game could not be run smoothly. I offer my most cordical congratulation to the winners. I am also greatful to other participants

